আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গ্ৰন্থমালা

# অসম

## ভিন্ন প্ৰসংগ



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গ্ৰন্থমালা

# অসম
## ভিন্ন প্ৰসংগ

মুখ্য সম্পাদক
**ড° সঞ্জীৱ কুমাৰ বৰকাকতী**

সম্পাদক
**অৰিন্দম বৰকটকী**

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

# ASOM : VINNA PRASANGA

A collection of articles on Socio-Political Issues of Assam, edited by Dr. Sanjib Kumar Borkakoti and Arindam Borkataki and published by Dr. Surajit kumar Bhagowati on behalf of ADP College, Nagaon, Assam, on the occasion of Diamond Jubilee of the College.

ISBN : 978-93-84679-69-9

প্ৰকাশক ঃ ড° সুৰজিৎ কুমাৰ ভাগৱতী, অধ্যক্ষ তথা সম্পাদক
হীৰক জয়ন্তী উদ্‌যাপন সমিতি, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

হীৰক জয়ন্তী প্ৰকাশন কোষ

উপদেষ্টা ঃ ড° সুৰজিৎ কুমাৰ ভাগৱতী
অধ্যক্ষ ঃ ড° সঞ্জীৱ কুমাৰ বৰকাকতী
সমন্বয়ক ঃ অৰিন্দম বৰকটকী
সদস্য ঃ ড° মৃদুল কুমাৰ হাজৰিকা
ড° কাকলি বৰুৱা
ড° সোণাৰাম নাথ
ড° সদানন্দ পায়েং
জীৱন নৰহ
নীতা শৰ্মা
ড° অজিত ভৰালী
ড° মৌচমী শইকীয়া
বাপন বনিক

প্ৰকাশ ঃ ৭ ছেপ্টেম্বৰ, ২০১৮ চন

© আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

মূল্য ঃ ৩০০ টকা মাত্ৰ
মুদ্ৰণ ঃ ক্ৰান্তিকাল প্ৰকাশন, এম. জি. ৰোড, নগাঁও-১



আনন্দৰাম ঢেকিয়াল ফুকন

জন্ম ঃ ২২ ছেপ্টেম্বৰ, ১৮২৯ চন

মৃত্যু ঃ ১৬ জুন, ১৮৫৯ চন

অংকণ ঃ অধ্যাপক ভাস্কৰজ্যোতি শইকীয়া

# সকলোৰে বাবে উচ্চ শিক্ষা এই লক্ষ্যৰে প্ৰতিষ্ঠা হোৱা এখন মহাবিদ্যালয়

ড° সুৰজিৎ কুমাৰ ভাগৱতী

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ৰাজনৈতিকভাৱে আমি স্বতন্ত্ৰ হ'লোঁ যদিও অৰ্থনৈতিক, শৈক্ষিক বা আন দিশত আমাৰ দেশ পোন হৈ থিয় হ'বলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। পৰাধীনতাৰ শৃংখল ছিঙি মুক্ত হোৱা দেশ এখনক উন্নয়নশীল ৰাষ্ট্ৰৰ শাৰীত উপনীত কৰিবলৈ আমাক প্ৰয়োজন হৈছিল বহু সংখ্যক ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, বিজ্ঞানী, অৰ্থনীতিবিদ, শিক্ষক আৰু সৰ্বতোপৰি উচ্চ শিক্ষিত মানুহ। কিন্তু এইখিনি যোগ্যতাসম্পন্ন মানুহ তৈয়াৰ কৰিবলৈ দেশত নাছিল প্ৰয়োজন অনুসৰি উচ্চ শিক্ষাৰ অনুষ্ঠান। মানৱ সম্পদ তৈয়াৰৰ বাবে ৰাইজৰ সহযোগত দেশৰ বিভিন্ন স্থানত গঢ়ি উঠিছিল বহু স্কুল-কলেজ। স্বাধীনতাৰ তিনি বছৰ পূৰ্বে নগাঁৱৰ বুকুত গঢ়ি উঠিছিল মধ্য অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান নগাঁও মহাবিদ্যালয়। কিন্তু জনসংখ্যা অনুযায়ী এখন মাথোঁ মহাবিদ্যালয়ে সকলোৰে উচ্চ শিক্ষা আহৰণৰ আশা পূৰণ কৰাটো সম্ভৱ নাছিল। তদুপৰি জীৱিকাৰ তাড়নাত কৰ্মব্যস্ত অথবা পৰীক্ষাত কম নম্বৰপ্ৰাপ্ত একাংশ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰৰ বাবে শিক্ষানুষ্ঠানৰ অভাৱত উচ্চ শিক্ষা আশা অপূৰণ হৈ ৰৈছিল। সেই সময়ত কেইগৰাকীমান নগাঁৱৰ সুযোগ্য সন্তানৰ প্ৰচেষ্টাত নগাঁৱৰ বুকুত

গঢ় লৈ উঠিছিল দ্বিতীয়খন উচ্চ শিক্ষাৰ অনুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। প্ৰকৃততেই আনন্দৰাম ঢেকিয়াল ফুকনে ঊনবিংশ শতিকাত দেখা সপোন বহু পৰিমাণে বাস্তৱায়িত কৰাৰ চেষ্টা কৰিছিল এইখন শিক্ষানুষ্ঠানে। বৰ্তমান সময়ত চৰকাৰে সকলোৰে বাবে উচ্চ শিক্ষাৰ যি শ্লোগান আওৰাইছে তেনে চিন্তা আগত ৰাখিয়ে ষাঠি বছৰ পূৰ্বে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। যিখন শিক্ষানুষ্ঠানে সকলো পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীকে উচ্চ শিক্ষা গ্ৰহণৰ সপোন সাৰ্থক কৰাৰ সুবিধা প্ৰদান কৰিছিল। শিক্ষানুষ্ঠানখনে গঢ় দিয়া সেইসকল মানৱ সম্পদে সামগ্ৰিকভাৱে দেশৰ কল্যাণতে আত্মনিয়োগ কৰিছে।

যিগৰাকী মহান অসমীয়াৰ নামেৰে এই শিক্ষানুষ্ঠানখন নামকৰণ কৰা হৈছিল সেইগৰাকী আনন্দৰাম ঢেকিয়াল ফুকনৰ কৰ্মক্ষেত্ৰ আছিল নগাঁও। নিজৰ জ্ঞান, কৰ্ম, প্ৰতিভাৰে উজলি উঠা আনন্দৰাম ঢেকিয়াল ফুকনে ব্ৰিটিছ চৰকাৰৰ উচ্চ পদৱীত অধিষ্ঠিত হৈয়ো স্বজাতিৰ উন্নয়নৰ চিন্তাত ব্ৰতী হৈছিল। বিশ্বৰ আন অগ্ৰণী জাতিসমূহৰ লগত সমানে অসমীয়া জাতি আগবাঢ়ি যাবলৈ অসমীয়াসকলক শিক্ষিত আৰু কৰ্মপটু হ'বলৈ তেওঁ উদ্‌গনি দিছিল। ঢেকিয়াল ফুকনে নিজৰ লিখনিৰে কেনেদৰে অসমীয়া ডেকাশক্তিক আধুনিক শিক্ষাৰে শিক্ষিত হ'বলৈ অনুপ্ৰাণিত কৰিছিল, তেওঁৰ এই কথাকেইশাৰীৰপৰাই বুজা যায়। ঢেকিয়াল ফুকনে লিখিছিল— 'হে অসমদেশবাসীসকল, তোমালোকে অলপ দকৈ গমি চালেই জানিবা যে তোমালোকৰ দুৰৱস্থাৰ হেতু তোমালোকেই। দেখা প্ৰথমতে, এই জগতত বিদ্যাৰ সমান আমাৰ মিত্ৰ নাই। কিয়নো তাক জানিলে আমি জ্ঞান পাওঁ। আৰু জ্ঞানী হ'লে ইহকালত আদৰ-সন্মান পাওঁ। এনে অমূল্য ৰতন বিদ্যা, তাৰ তোমালোকে মোল নুবুজি অৱহেলা কৰিছাঁ। তোমালোকৰ পূৰ্বপুৰুষসকলে এক প্ৰকাৰ বিদ্যাৰ আলোচনা কৰিছিল আৰু সেই নিমিত্তে সিবিলাক অনেক জ্ঞানী আছিল। কিন্তু এতিয়া তোমালোকে কি সংস্কৃত, কি ইংৰাজী একো বিদ্যা নপঢ়ি, পূৰ্বৰ হোজা স্বভাৱ এৰি, অজ্ঞান আৰু টেঙ্গৰ স্বভাৱ ল'বৰ উপক্ৰম কৰিছা। আমাৰ ইংৰাজ অধিপতিসকল কেনে বিদ্যোৎসাহী—

সিবিলাকে স্বকীয় বিদ্যা শিকাই বঙ্গদেশক সভ্য কৰিছে। তোমালোককো সেইদৰে অনুগ্ৰহ কৰিব খোজে, কিন্তু পশুক মানিক দিয়াৰ দৰে তোমালোকে সেই অনুগ্ৰহ নোলোৱাঁ আৰু আপুনি ধন ভাঙ্গিও নপঢ়া। হাঁয়! হাঁয়! কি আক্ষেপৰ কথা! হে প্ৰিয় মিত্ৰসকল! যদি সভ্য, জ্ঞানী আৰু সুখী হ'বৰ বাঞ্ছা কৰা তেন্তে টোপনিৰপৰা উঠা।...'

ঊনবিংশ শতিকাত আনন্দৰাম ঢেকিয়াল ফুকনে অসমবাসীক আধুনিক শিক্ষাৰে নিজৰ জাতি আৰু জন্মভূমিক পোহৰোৱাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনায়ে হয়তো পৰৱৰ্তী সময়ত বহু স্কুল, কলেজ গঢ়ি উঠিছিল। পলমকৈ হ'লেও এনে এগৰাকী মহান মনীষীৰ নামত কুৰি শতিকাৰ ষষ্ঠটো দশকত তেওঁৰ কৰ্মস্থলীত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তোলাটো ঢেকিয়াল ফুকনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ চিন। যিসকলে এনে এক মহান প্ৰচেষ্টাৰ গুৰি ধৰিছিল তেখেতসকলৰ প্ৰতি এই মুহূৰ্তত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এখন উচ্চ শিক্ষাৰ অনুষ্ঠানে ষাঠি বছৰত পদাৰ্পণ কৰাটো সাধাৰণ কথা নহয়। বহুজনৰ শ্ৰম, ত্যাগ, অহোপুৰুষাৰ্থ জড়িত হৈ আছে শিক্ষানুষ্ঠানখনৰ ইতিহাসৰ লগত। এটা সময়ত শিক্ষকসকলে বিনামূলীয়াকৈ বা সামান্য পাৰিশ্ৰমিকৰ বিনিময়ত চাইকেলেৰে দূৰ-দূৰণিৰপৰা আহি দিনৰ দিনটো মানৱ সম্পদ তৈয়াৰৰ কমাৰশালত ব্যস্ত নোহোৱা হ'লে আমি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ষাঠি বছৰ গৰকাৰ গৌৰৱপূৰ্ণ মুহূৰ্তৰ সাক্ষী হ'বলৈ নাপালোঁহেঁতেন। হীৰক জয়ন্তীৰ এই পবিত্ৰ আৰু আনন্দৰ মুহূৰ্তত সেইসকল মহান শিক্ষাগুৰুক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

পৰিৱৰ্তনৰ মাজেদি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ৰাজ্যৰ এখন অগ্ৰণী শিক্ষানুষ্ঠানত পৰিণত হৈছে। আন্তঃগাঁথনি, শৈক্ষিক মান, পৰীক্ষাৰ ফলাফল আদিৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অগ্ৰগতি যথেষ্ট ঈৰ্ষণীয়। বৰ্তমানে মহাবিদ্যালয়খনত ২২ টা বিভাগ আছে। ইয়াৰ ভিতৰত তিনিটা বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। সকলো বিভাগৰ শৈক্ষিক কাৰ্যক্ৰমৰ লগতে

সম্প্ৰসাৰণমূলক কাৰ্যসূচী বিশেষ মন কৰিবলগীয়া। মধ্য অসমৰ অনগ্ৰসৰ এলেকাসমূহৰপৰা বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী অহা এই মহাবিদ্যালয়খনৰ সামাজিক দায়বদ্ধতাক সকলোৱে স্বীকাৰ কৰে। এই দায়বদ্ধতাৰ বাবেই মহাবিদ্যালয় পৰিয়ালে এখন নগৰাঞ্চলৰ আৰু এখন গ্ৰাম্যাঞ্চলৰ এলেকাক বিকাশমূলক কাম-কাজৰ বাবে বিশেষভাৱে নিৰ্বাচন কৰি লৈছে। এইধৰণৰ পূৰ্ণাঙ্গ কাৰ্যসূচীৰ বাবেই National Assessment and Accreditation Council এ মহাবিদ্যালয়খনক সৰ্বোচ্চ পৰ্যায়ৰ A-গ্ৰেড সন্মানৰ বাবে ২০১৬ চনত বাছনি কৰিছিল।

আমি আশা ৰাখিছোঁ, সকলোৰে সন্মিলিত প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়ে অসমৰ শৈক্ষিক ক্ষেত্ৰত এক সুকীয়া মৰ্যাদাৰে প্ৰগতিশীল শৈক্ষিক পৰিৱেশ সৃষ্টিত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰিব। এই ক্ষেত্ৰত মই গভীৰ আশাবাদী। ▸▸

# সূচী

সম্পাদকীয়
ঔপনিৱেশিক আৰু উত্তৰ-ঔপনিৱেশিক অসমৰ ৰাজনৈতিক ভূগোল ঃ
নিৰ্মাণ আৰু প্ৰত্যাহ্বান ▸ ড° ৰাজেন শইকীয়া ১৩

অসমৰ ইতিহাস চিন্তা-চেতনাৰ পৰম্পৰা
প্ৰাক্‌কথন ঃ ইতিহাস প্ৰসঙ্গ ▸ ডাঃ ধ্ৰুৱজ্যোতি বৰা ৩৩

Middle Class Hegemony in an Internal Colony :
National Aspirations in Assam ▸ **Apurba Kumar Baruah** ৫৬

Education & Challenges to
Youths in Assam ▸ **H. S. Brahma** ৮২

India's North East :
Challenges and Opportunities for the youth ▸ **P. C. Haldar** ৯৭

আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ এক বিকল্প ▸ ড° মীনাক্ষি বৰকটকী ১০৫

স্বৰাজোত্তৰ কালৰ অসমৰ শিক্ষা ব্যৱস্থাৰ অগ্ৰগতি ঃ
এক পৰ্যালোচনা ▸ ড° দুলুমণি গোস্বামী ১১৭

'Primordial politics': Issues and Processes in
North-East India ▸ **Dr. Nani G. Mahanta** ১৩৩

অসমৰ চমু ৰাজনৈতিক ইতিহাস ঃ আহোম, মান, ইংৰাজ, কংগ্ৰেছ,
অগপৰ পৰা বিজেপিলৈ ▸ **জিতেন্দ্ৰ কুমাৰ চৌধুৰী** ১৫৩

অসমৰ অৰ্থনীতি ঃ
শক্তিশালীভাৱে খোজ দিয়া প্ৰয়োজন ▸ **অদীপ কুমাৰ ফুকন** ১৭৫

অসমীয়া আধুনিক গীত আৰু গীতি-সাহিত্য ঃ
জন্মক্ৰন্দনৰপৰা জাতীয় স্পন্দনলৈ ▸ **লোকনাথ গোস্বামী** ১৯০

স্বৰাজোত্তৰ কালৰ অসমীয়া চলচ্চিত্ৰ ▸ **মনোজ বৰপূজাৰী** ১৯৭

স্বৰাজোত্তৰ শিল্পকলাৰ ৰেঙনি ▸ **মৌচুমী কন্দলী** ২১১

# সম্পাদকীয়

১৯৫৯ চনত প্রতিষ্ঠা কালৰপৰাই শিক্ষা-সংস্কৃতি উভয় দিশতে সৰ্বদা সক্ৰিয় ভূমিকা গ্ৰহণ কৰি অহা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে ২০১৮-১৯ বৰ্ষত হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল। তাৰ অংশ স্বৰূপে স্বৰাজোত্তৰ অসমৰ সন্দৰ্ভত বিহংগম দৃষ্টিৰে এখন গ্ৰন্থ প্ৰকাশ কৰাৰো সিদ্ধান্ত লোৱা হৈছিল। বৰ্তমান গ্ৰন্থখন সেই সিদ্ধান্তৰে ফচল।

ইতিপূৰ্বে আমাৰ মহাবিদ্যালয়ৰপৰা কেইবাখনো ভিন্নসুৰী গ্ৰন্থ প্ৰকাশ হৈ আছে। বিগত বৰ্ষসমূহত অসম তথা ভাৰতৰ কেইবাজনো গুণী-জ্ঞানী ব্যক্তিয়ে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত পদাৰ্পণ কৰি তেওঁলোকৰ গভীৰ জ্ঞানগৰ্ভ বক্তৃতাৰে ছাত্ৰ তথা শিক্ষক সমাজক উপকৃত কৰি থৈ গৈছে। এই সাৰুৱা ভাষণসমূহ গ্ৰন্থাকাৰে সংকলিত কৰাৰ কামটো বহুত দিনৰপৰা পৰি আছিল। হীৰক জয়ন্তীৰ গ্ৰন্থখনত সেই প্ৰবন্ধসমূহকে প্ৰাধান্য দিবলৈ সিদ্ধান্ত লোৱা হ'ল। তাৰ লগতে কেইবাগৰাকী প্ৰাজ্ঞ ব্যক্তিৰ পৰাও লেখা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল। এই মৰ্মে আমি অসমৰ ৰাজনীতি, ইতিহাস, সংস্কৃতি আদি বিভিন্ন দিশত কেইটামান মূল্যবান প্ৰবন্ধ লাভ কৰিলোঁ।

এই সকলো লেখকৰ ওচৰত আমি চিৰকৃতজ্ঞ হৈ ৰ'ম। বৰ্তমান গ্ৰন্থখনত সন্নিৱিষ্ট এই লেখাসমূহে অসমৰ ভৌগোলিক সীমাৰ

ভিতৰত সংঘটিত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক কাৰ্যাৱলীৰ বিষয়ে বিহঙ্গম দৃষ্টিৰে বিশ্লেষণ কৰিছে। গতিকে স্থানবিশেষে আমি হয়তো গভীৰতালৈ যাব পৰা নাই। কিন্তু পাঠক সমাজক স্বৰাজৰোত্তৰ অসম সম্পৰ্কে সামগ্ৰিক দৃষ্টিকোণ আগবঢ়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। ভৱিষ্যতে এই গ্ৰন্থত অধিক বিষয় সন্নিৱিষ্ট কৰি ইয়াক পূৰ্ণাঙ্গ অৱলোকনত ৰূপ দিয়াৰ হাবিয়াস থাকিল। শেষত, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা শিক্ষক সমাজৰ ওচৰত আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° সঞ্জীৱ কুমাৰ বৰকাকতী
অৰিন্দম বৰকটকী

# ঔপনিৱেশিক আৰু উত্তৰ-ঔপনিৱেশিক অসমৰ ৰাজনৈতিক ভূগোল ঃ নিৰ্মাণ আৰু প্ৰত্যাহ্বান

**ড° ৰাজেন শইকীয়া**

ভাৰতীয় ইতিহাস কংগ্ৰেছৰ সত্তৰতম অধিৱেশনৰ আধুনিক ভাৰতীয় শাখাৰ সভাপতিৰূপে মোক নিৰ্বাচিত কৰাত ভাৰতীয় ইতিহাস কংগ্ৰেছৰ প্ৰতি মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মই উপলব্ধি কৰিছোঁ যে প্ৰসিদ্ধ পণ্ডিতসকল অধিষ্ঠিত হোৱা এইখন আসন মোলৈ আগবঢ়োৱাটো মোৰ সামান্য ইতিহাসচৰ্চাৰ প্ৰতি উদাৰ স্বীকৃতি। সামাজিক ইতিহাস মোৰ কৰ্মক্ষেত্ৰ, ইংৰাজী আৰু অসমীয়া এই দুয়ো ভাষাতে যৎসামান্য লেখা-পঢ়া কৰি আছোঁ। মাজে মাজে সমসাময়িক ইতিহাস আৰু সাহিত্যৰ চৰ্চাও কৰি আহিছোঁ। ভাৰতীয় ইতিহাসচৰ্চাত দিক্‌নিৰ্ণয়কাৰী ভূমিকা গ্ৰহণ কৰা দেশ-বিদেশৰ পণ্ডিতসকলৰ অৱদান মুহূৰ্তৰ বাবে বিস্মৃত নোহোৱাকৈ এবাৰ স্মৰণ কৰিব খুজিছোঁ— ছাৰ এডৱাৰ্ড গেইট, কনকলাল বৰুৱা, সূৰ্য্যকুমাৰ ভূঞা, বিৰিঞ্চিকুমাৰ বৰুৱা, হেৰম্বকান্ত বৰপূজাৰী, প্ৰতাপচন্দ্ৰ চৌধুৰী অমলেন্দু গুহ, নিৰোদকুমাৰ বৰুৱা, সুজিৎ চৌধুৰী, স্বৰ্ণলতা বৰুৱা আৰু আনসকল ইতিহাস প্ৰণেতাক; যিসকলে অসমত যুক্তিনিষ্ঠ আৰু বিজ্ঞানসন্মত ইতিহাসচৰ্চাৰ ভেটি নিৰ্মাণ

কৰিছে। লগতে এইযাৰ কথা ক'বলৈ পায়ো মোৰ ভাল লাগিছে যে তৰুণ প্ৰজন্মৰ এচাম গৱেষকেও সন্তোষজনক কাম কৰিছে।

প্ৰায় সম্পূৰ্ণ এক উপেক্ষিত অৱস্থানৰপৰা যোৱা প্ৰায় তিনি দশকজুৰি অসমে মূলতঃ নেতিবাচক কাৰণত ছপা আৰু বৈদ্যুতিন মাধ্যমৰ শিৰোনাম দখল কৰি আহিছে। পৰৱৰ্তী কালত আনুষ্ঠানিকভাৱে ব্ৰিটিছসকলে অসম নামেৰে চিহ্নিত কৰা বৃহৎ ভৌগোলিক ভূখণ্ড তেওঁলোকৰ আয়ত্তাধীন নোহোৱালৈকে ক্ষুদ্ৰতৰ অসমখনেই অসম নামৰ সম্পূৰ্ণ পৰিচয় বহন কৰিছিল। ইয়াৰ পূৰ্বৰ ৰূপ কামৰূপ উত্তৰ ভাৰতৰ তিনিটা প্ৰতাপী ৰাজশক্তিৰ ৰাজনৈতিক চেতনাৰ অঙ্গীভূত আছিল।

অসম আৰু কামৰূপ সভ্যতাৰ স্থিৰতা আৰু শ্ৰীবৃদ্ধিৰ আধাৰ আছিল ব্ৰহ্মপুত্ৰ। অদূৰৰ এলানি দুৰ্গম পৰ্বতে ব্ৰহ্মপুত্ৰৰ চৌদিশ আৱৰি ৰাখিছে। যুগ যুগ ধৰি ইয়াৰ ৰজা-প্ৰজাই তেওঁলোকক পৰিবেষ্টিত কৰি ৰখা পাৰ্বত্য জনগোষ্ঠীসমূহৰ পৰা একো প্ৰত্যাশা কৰা নাছিল। আত্মৰক্ষাৰ প্ৰবৃত্তিয়ে তেওঁলোকৰ মন আচ্ছন্ন কৰি ৰাখিছিল।

১

মোৰ অভিভাষণৰ বিষয় হ'ল— একাধিকবাৰ ব্ৰিটিছে নিৰ্মাণ আৰু পুনৰনিৰ্মাণ কৰা অসমৰ ৰাজনৈতিক ভূগোল আৰু ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ অধ্যয়ন। স্বাধীনতাৰ পাছৰপৰা তিনিটা পৰস্পৰ সম্পৰ্কহীন ৰাজনৈতিক সমস্যা— ক্ৰমে পুনৰগঠন, অনুপ্ৰৱেশ আৰু বিচ্ছিন্নতাবাদী আন্দোলনে অসমক উত্তাল কৰি ৰাখিছে, কেতিয়াবা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক সুস্থিৰতালৈকো ভাবুকি কঢ়িয়াই আনিছে।

পুনৰগঠন মানেই ভৌগোলিক সীমাৰ ভঙা-গঢ়া, যি সকলো সময়তে ইয়াৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ বাবে আনন্দদায়ক অভিজ্ঞতা নহ'বও পাৰে। এই আলোচনাৰ প্ৰাসঙ্গিক বিষয় উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক মানচিত্ৰ। এতিয়ালৈকে আঠখন ৰাজ্য লৈ উত্তৰ-পূব ভাৰত গঠিত আৰু তাৰে চাৰিখন ৰাজ্যক এই আলোচনাৰ মাজলৈ অনা হ'ব। এসময়ৰ দুখন জিলাৰ সীমাক পাছলৈ দুখন ৰাজ্যৰ সীমালৈ পৰিৱৰ্তন কৰোঁতে ভাৰত চৰকাৰে প্ৰায়েই অসন্তুষ্টিৰ বীজ ৰোপণ কৰিছিল। মই ভাবোঁ যে সীমা অধ্যয়নলব্ধ অভিজ্ঞতাই আমাক বহু কথাত সহায় কৰিব পাৰে। পুনৰগঠনৰ সীমিত পৰিপ্ৰেক্ষিতততহে মই ইয়াক বুজিবলৈ যত্ন কৰিছোঁ। এই বিশ্লেষণ যোল্ল অনা সম্পূৰ্ণ নহয়, সেয়ে, ইয়াৰ সিদ্ধান্তবোৰ সম্ভাৱনাময় বুলিহে ক'ব লাগিব।

এই বিষয়ে মনোনিৱেশ কৰিবলৈ লওঁতে মই নিজৰ ভিতৰতে ইতিহাসবিদ ফ্ৰেডৰিক জেকছন টাৰ্নাৰৰ প্ৰতিধ্বনি শুনিবলৈ পাইছোঁ। তেওঁৰ 'ফ্ৰণ্টিয়াৰ থিয়ৰি'য়ে আমেৰিকাত তথাকথিত 'জাৰ্ম থিয়ৰি'ক অপসাৰণ কৰিছিল। আজিৰ দিনত টাৰ্নাৰৰ থিয়ৰিয়ে আমাক বৰকৈ আকৰ্ষণ নকৰে যদিও ৰাজনৈতিক ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত সীমান্তৰ গুৰুত্ব অস্বীকাৰ কৰা অনুচিত বুলি তেওঁৰ পৰা আমি শিক্ষা পাইছোঁ। কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত আঞ্চলিক আৰু ৰাষ্ট্ৰীয় স্তৰত সীমান্ত অধ্যয়নৰ বাধ্যবাধকতা বাঢ়িবলৈ লৈছে।

১৮৭৪ চনৰ পৰা অসমখন চীফ কমিছনাৰৰ প্ৰদেশ হ'ল। এইখন 'অসম' ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছখন জিলা ক্ৰমে— গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লখিমপুৰ জিলা লৈ গঠিত অসমখনতকৈ বেলেগ আছিল আৰু ইয়াৰ ভিতৰত গোৱালপাৰাৰ বাদে বাকী জিলা কেইখন ১৮৩০ ৰ দশকৰপৰা গুৱাহাটীক কেন্দ্ৰ কৰি স্থাপন হোৱা প্ৰাদেশিক শাসন ব্যৱস্থাৰ মাজেৰে গঢ় লৈ উঠিছিল। ভাৰত চৰকাৰে ১৮৭৪ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে জাৰি কৰা ঘোষণা অনুসৰি আগৰ ছখন জিলাৰ লগত নতুনকৈ আৰু চাৰিখন জিলা সংযোগ কৰি 'অসম' নামৰ প্ৰদেশখন গঠন কৰা হৈছিল। নতুন জিলাকেইখন হ'ল কাছাৰ, গাৰোপাহাৰ জিলা, খাচী আৰু জয়ন্তীয়া পাহাৰ জিলা আৰু নগাপাহাৰ জিলা। একে বছৰৰে ছেপ্টেম্বৰ মাহলৈ অসমৰ লগত যোগ দিয়া হ'ল শ্ৰীহট্ট জিলাখন। ব্ৰিটিছৰ অসমখন তেতিয়াও যেন সম্পূৰ্ণ হ'বলৈ বাকী আছিল; বিছ বছৰৰ পাছত লুচাই পাহাৰ জিলাক ইয়াৰ লগত সংযুক্ত কৰা হ'ল। এই অঞ্চলটোৰ ৰাজনৈতিক ভূগোল ইয়াৰ সামাজিক তথা ঐতিহাসিক মূলৰ পৰা বিচ্ছিন্ন হোৱাৰ সেয়ে আৰম্ভণি বুলিব পাৰি। ৰাজনৈতিক ভূগোলৰ পৰিৱৰ্তনে ইয়াৰ অধিবাসীসকলৰ মনস্তত্ত্বৰো ধীৰ আৰু নিশ্চিত পৰিৱৰ্তন ঘটালে।

ঔপনিৱেশিক শাসনৰ হুকুম অবিহনে এনেকুৱা এখন অসম্ভৱ প্ৰদেশ সম্ভৱ নহ'লহেঁতেন। ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ সম্প্ৰসাৰণ আৰু নতুন নতুন প্ৰদেশ গঠন বা সীমা নিৰ্ধাৰণ কৰাত তেওঁলোকৰ সীমাহীন স্বেচ্ছাচাৰিতাৰ ইতিহাস খুঁচৰিলেও এনেমাত্ৰ এটা উদাহৰণ নোলাব, য'ত পৰস্পৰ সম্পৰ্কহীন আঠোটা গোট তাৰ পাঁচিছ গুণতকৈ অধিক ভিন ভিন জনগোষ্ঠীৰ লোকৰ বাসভূমি যিসকলৰ ভিন ভিন ভাষা আৰু দোৱান নিকটতম প্ৰতিৱেশীৰ পক্ষেও দুৰ্বোধ্য, যিসকলৰ ঐতিহাসিক স্মৃতি গাইগুটীয়া— এনে বহু বিচিত্ৰ বাস্তৱতা সামৰি এখন প্ৰদেশ কৰা হৈছে।

এই বৈচিত্ৰ্যময় পৰিৱেশৰ মাজত গোটবোৰে সুখ পোৱা নাছিল। তেওঁলোকৰ ফালৰপৰা গাইগুটীয়াকৈ বা সমূহীয়াকৈ সেই জোঁটটো ওফৰাই দিবলৈ তেতিয়া প্ৰতিবাদ হোৱা নাছিল। তথাপি নজিৰ আছে যে প্ৰদেশবাসীৰ একাংশই বিশেষকৈ তেতিয়ালৈকে পাহাৰত মুক্ত জীৱন যাপন কৰা সকলে তেওঁলোকৰ আপত্তি অব্যাহত ৰাখিছিল আৰু ছেগ পালেই ব্ৰিটিছ কৰ্তৃপক্ষক ব্যতিব্যস্ত কৰি তুলিছিল।

১৮৭৪ চনৰ আজ্ঞাপত্ৰই অনিচ্ছুক অংশবোৰক এনেকৈ সামৰিছিল যে গোটবোৰে পৰস্পৰে পৰস্পৰক সন্দেহ কৰিছিল আৰু মূল প্ৰদেশখনৰ প্ৰতি সম্পূৰ্ণ আনুগত্যহীনভাৱে চলিবলৈ ভাল পাইছিল। প্ৰদেশখন আছিল এটা কৃত্ৰিম প্ৰশাসনিক নিৰ্মিতি আৰু গোটবোৰৰ মাজত কোনো আৱেগিক ঐক্য গঢ়ি নুঠিল। প্ৰতিটো গোট জনগোষ্ঠীয় স্মৃতি, গোষ্ঠীগত স্বাৰ্থচিন্তা আৰু নিজৰ ভূগোল উপাসনাতে মগ্ন আছিল। এনেহে লাগে যেন প্ৰতিটো গোটে প্ৰদেশখনৰ অঙ্গীভূত নহওঁ বুলি ভিতৰি ভিতৰি সংকল্পহে লৈছিল। তেওঁলোকে হয়তো ভাবিছিল অঙ্গীভূত হোৱা মানেই আত্মবিলুপ্তি হোৱা।

২

কিন্তু এই গোটবোৰৰনো উদ্ভৱ হৈছিল কেনেকৈ? সেই আহুকলীয়া ঘটনাক্ৰম এবাৰ চকু ফুৰাই চোৱা হওক। ওঠৰ শতিকাৰ শেষৰ দশককেইটাত ক্ষমতা আৰু গৃহযুদ্ধৰ হেঁচাত আহোম ৰাজতন্ত্ৰৰ অন্তিম দশা উপস্থিত হৈছিল। ইয়াৰ দুঃখজনক পৰিণতি ১৮১৯ চনৰ পৰা ১৮২৪ চনলৈকে অসমত চলা 'বৰ্মী শাসন' বা 'মানৰ দিন'। সিহঁতৰ ব্যভিচাৰী শাসনত হত্যালীলা আৰু ধ্বংসৰ তুলনা এই অঞ্চলৰ ইতিহাসত পাবলৈ নাই। পলাতক হৈ থকা আহোম ৰজাৰ অনুৰোধ ৰক্ষা কৰি ব্ৰিটিছ সৈন্য অসমত প্ৰৱেশ কৰি মান সৈন্যবাহিনীক খেদি পঠিয়ায়। ইপিনে ব্ৰহ্মপুত্ৰ উপত্যকাত লুণ্ঠন চলাই একাংশ মান সৈন্য কাছাৰত গৈ উপস্থিত হ'ল। তাতো এই আক্ৰমণকাৰীসকলক বাধা দিবলৈ কাৰো শক্তি নাছিল। মান সৈন্যৰ পৰৱৰ্তী লক্ষ্য আছিল মণিপুৰ। চৌদিশে মানসৈন্যৰ হত্যা আৰু লুটপাট চলি থাকিল। কাছাৰৰ ভগনীয়া ৰজা গোৱিন্দচন্দ্ৰই ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায় বিচাৰিলে। অঞ্চলটোৰ ভৌগোলিক অৱস্থান এনে আছিল যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁলোকৰ নিচেই সমীপতে মান সৈন্যবাহিনীৰ টিঘিল-ঘিলনি ভাল চকুৰে চোৱা নাছিল। ১৮২৩ চনৰ শেষভাগত ব্ৰিটিছে কঠোৰ আঘাত হানি মানসৈন্যৰ কঁকাল ভাঙিলে। ১৮২৪ চনৰ

১৩ ফেব্ৰুৱাৰী তাৰিখে সুৰমা নদীৰ কাষতে বদৰপুৰত হোৱা এখন নিৰ্ণায়ক যুদ্ধত মানসৈন্যই ছত্ৰভঙ্গ দিলে। মাৰ্চ মাহত ইংৰাজে গোবিন্দচন্দ্ৰক কাছাৰৰ অধিপতি পাতিলে। কিন্তু তেতিয়ালৈ গোবিন্দচন্দ্ৰৰ শাসন ক্ষমতা প্ৰায় নোহোৱা হৈছিল। দুমাহৰ পাছত গোবিন্দচন্দ্ৰ কোম্পানীৰ লগত চুক্তিবদ্ধ হ'ল আৰু তেওঁ 'কাছাৰ বা হিৰুম্বা প্ৰদেশৰ ৰক্ষণাবেক্ষণ' ইংৰাজৰ হাতত সমৰ্পণ কৰিলে। ব্ৰিটিছ সৈন্যই তাৰ পাছত মানহঁতৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাত অভিযান আৰম্ভ কৰিলে আৰু ১৮২৫ চনৰ ভিতৰত মান সৈন্যক সম্পূৰ্ণৰূপে উৎখাত কৰিলে। অসমৰ পাছত মণিপুৰৰপৰা মানবাহিনী বহিষ্কৃত হ'ল। ব্ৰিটিছ সৈন্য এইবাৰ ব্ৰহ্মদেশত গৈ প্ৰৱেশ কৰিলে আৰু এফালৰপৰা সকলো মহতিয়াই নিলে। ব্ৰহ্মদেশৰ ৰজাই শান্তিৰ প্ৰস্তাৱ আগবঢ়ালে আৰু ১৮২৬চনৰ ফেব্ৰুৱাৰী মাহৰ ২৪ তাৰিখে য়ান্দাবুৰ চুক্তি স্বাক্ষৰিত হ'ল। মান ৰজাই অসম প্ৰদেশকে ধৰি তেওঁলোকৰ অধীনৰ সকলো অঞ্চলত থকা অধিকাৰ ত্যাগ কৰিলে। তেতিয়ালৈকে আৰ্যভাৰতৰ ভাষা আৰু সংস্কৃতিৰ পূব সীমান্তৰ অধিষ্ঠানৰূপে থকা অসমখন কোম্পানী শাসনৰ অধীন হ'ল আৰু ৰাজনৈতিক ভাৰতৰ অঙ্গ হৈ পৰে।

১৮৩২ চনৰ আগষ্ট মাহত কাছাৰ ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল হ'ল। ১৮৫৩ চনত উত্তৰ কাছাৰ মহকুমা গঠন কৰা হ'ল। পাছৰ বছৰ ডিমাছা অধিপতি তুলাৰামৰ ৰাজ্যখন উত্তৰ কাছাৰৰ লগত সংলগ্ন কৰা হ'ল। উত্তৰ কাছাৰ মহকুমাই ১৮৮০ চনতহে পূৰ্ণাঙ্গ ৰূপ লয়।

মানৰ দিন অসমৰ ইতিহাসৰ এক বিপৰ্যয়। সিহঁতে আহোম ৰাজতন্ত্ৰৰ ডিঙি চেপি ধৰি সৰ্বত্ৰ আতংক আৰু নিৰাপত্তাহীনতা সৃষ্টি কৰি অসমীয়া সমাজ ব্যৱস্থাক থান-বান কৰি পেলাইছিল। সিহঁতৰ বিভীষিকাময় শাসন মাত্ৰ পাঁচটা বছৰ বৰ্তি আছিল যদিও ৰাইজে নিজৰ চেতনা ঘূৰাই পাওঁতে পাঁচ বছৰৰ পাঁচ গুণ সময় লাগিল। এয়া কম পৰিহাসৰ কথা নহয় যে উত্তৰ-পূব ভাৰতৰ বিচ্ছিন্নতাবাদী শক্তিসমূহে বহুদিন ধৰি একেখন ব্ৰহ্মদেশৰ উত্তৰ অঞ্চলত এক নিশ্চিত আশ্ৰয় লৈ আৰু পাই আহিছে কাচিন ইণ্ডিপেণ্ডেণ্ট আৰ্মিৰ ৰক্ষণাবেক্ষণত এই বৃহৎ অঞ্চল অবৈধ অস্ত্ৰ শস্ত্ৰ ব্যৱসায়ৰ ভূস্বৰ্গ।

ওচৰ চুবুৰীয়া পাহাৰীয়া জনজাতিসমূহৰ ব্ৰিটিছৰ প্ৰতি থকা কৌতূহল আৰু প্ৰত্যাশামিশ্ৰিত মনোভাব অতি কম দিনৰ ভিতৰতে বৈৰীভাবলৈ ৰূপান্তৰিত হ'ল। মানবিৰোধী অভিযানৰ সময়ৰ প্ৰশাসনিক শিথিলতাৰ সুযোগ লৈ জয়ন্তীয়া ৰজাই

নগাঁৱৰ চাপৰমুখত এটা সীমান্ত ছাউনী পাতিছিল। সেই ঘাটি উঠাই নিবলৈ ইংৰাজৰ বাৰম্বাৰ নির্দেশলৈ জয়ন্তীয়া ৰজাই কেৰেপ কৰা নাছিল। ঘটনা আৰু বেয়াৰ পিনে ঢাল খালে যেতিয়া তেওঁৰ আদেশত তিনিজনকৈ ব্ৰিটিছ প্ৰজাক কালী গোসাঁনীৰ আগত বলি দিয়া হ'ল। এনে দুষ্কৰ্মৰ পৰোক্ষ সহযোগী বুলি অভিযুক্ত জয়ন্তীয়া ৰজাক ইংৰাজ চৰকাৰে সেই নিষ্ঠুৰ কাণ্ডব লগত জড়িত কথা লোকসকলক কৰায়ত্ত কৰি দিব লাগে বুলি দাবী জনালে। কিন্তু বিষয়টো লৈ জয়ন্তীয়া ৰজাই বাৰে বাৰে মূৰ পোলোকা দিবলৈ ধৰিলে। দুবছৰৰ অপেক্ষাৰ পাছতে ব্ৰিটিছ সৈন্যই জয়ন্তীয়া ৰাজ্য দখল কৰিলে। জয়ন্তীয়া পাহাৰ অধিকাৰ কৰাৰ পাছত ৰজাক পেঞ্চন দি শ্ৰীহট্ট চহৰত থকাৰ ব্যৱস্থা কৰিলে।

ব্ৰিটিছৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাৰ গুৱাহাটীৰপৰা খাচী আৰু জয়ন্তীয়া ৰাজ্যৰ (বৰ্তমান মেঘালয়)ৰ মাজেদি সুৰমা উপত্যকাৰ কাছাৰ আৰু শ্ৰীহট্ট সংযোগী এটা পোনপটীয়া পথ যোগাযোগ ব্যৱস্থা অতিকৈ প্ৰয়োজন হৈছিল। পাহাৰৰ মাজেৰে দুই উপত্যকাক যুক্ত কৰি এটা পথ নিৰ্মাণৰ বাবে অনুমতি বিচাৰি তেওঁলোকে নাংক্লৌৰ ৰজা আৰু আন কেতবোৰ খাচী মুখিয়ালক খাটনি ধৰিছিল। আলোচনা চলি থাকোঁতেই ১৮২৯ চনত খাচীসকল উত্তেজিত হৈ সৃষ্টি কৰা এক স্থানীয় বিদ্ৰোহত ব্ৰিটিছ সেনাবাহিনীৰ দুজন জ্যেষ্ঠ বিষয়াৰ লগতে ভালেমান চিপাহীৰ প্ৰাণ নাশ হয়। ইংৰাজ সেনাৰ অভিযান চলিল। উতিৰোত সিঙৰ নিৰ্ভীক নেতৃত্বত খাচী বিদ্ৰোহীসকলে প্ৰায় চাৰি বছৰমানলৈ পাহাৰত খোপনি এৰি দিয়া নাছিল। কিন্তু প্ৰতিকূল পৰিস্থিতিয়ে উ তিৰোত সিঙক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰিলে। বিচাৰৰ পাছত তেওঁক ঢাকালৈ নিৰ্বাসিত কৰা হ'ল আৰু তাতেই ১৮৩৫ চনত তেওঁৰ মৃত্যু হয়। যেতিয়াই প্ৰতিৰোধ মষিমূৰ হ'ল, ব্ৰিটিছে খাচী নেতাসকলৰ লগত সুসম্পৰ্ক গঢ়ি তুলিলে; তেওঁলোকক কেতবোৰ পৰম্পৰাগত অধিকাৰ তথা বিশেষ সা-সুবিধা দিয়াৰ প্ৰতিশ্ৰুতিৰে বৃহৎ গাঁও ইংৰাজে নিজৰ হাতলৈ আনিলে। ১৮৩৫ চনৰপৰা খাচী আৰু জয়ন্তীয়া পাহাৰৰ নিয়মীয়া শাসনভাৰ পলিটিকেল এজেণ্ট নামেৰে জিলা বিষয়া এজনৰ অধীনলৈ অনা হ'ল। ১৮৬২ চনত জয়ন্তীয়াসকলৰ শক্তিকেন্দ্ৰ জোৱাইত ছিনটেঙসকলে কৰা এক চমু বিদ্ৰোহৰ বাদে খাচী আৰু জয়ন্তীয়া পাহাৰ জিলা দুখনৰ পৰা ব্ৰিটিছ চৰকাৰে আমনি পোৱা নাছিল।

১৮৪৬ চনত মৈমনসিংহ জিলাৰ এচাম জমিদাৰৰ মাজত সৃষ্টি হোৱা

কন্দলৰ বাবে পশ্চিমৰ গাৰো পাহাৰ অঞ্চলে বংগদেশৰ চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰে। যদিও ১৭৯৩ চনৰ চিৰস্থায়ী বন্দোবস্তৰ অধীনত গাৰো পাহাৰৰ ক'তো মৈমনসিংহ জিলাৰ কোনো জমিদাৰক ভূমি দিয়া হোৱা নাছিল, দক্ষিণে গাৰো পাহাৰৰ ঠায়ে ঠায়ে জমিদাৰসকলে জোৰ-জবৰদস্তিৰে ভূমি গ্ৰাস কৰিব খুজিছিল। পাহাৰীয়া জনজাতিবোৰে সেই চক্ৰান্ত ব্যৰ্থ কৰি দিলে। কিন্তু গাৰো পাহাৰৰপৰা সঘনাই অনুপ্ৰৱেশৰ অভিযোগ আহিবলৈ ধৰিলে। তাত জনজাতিসমূহে চৰকাৰৰ হস্তক্ষেপ বিৰোধী নীতিৰ প্ৰতিও ইতিবাচক সঁহাৰি জনোৱা নাছিল। ১৮৬৬ চনত গাৰো পাহাৰৰ এটা অংশ ব্ৰিটিছৰ অধীনলৈ আহে। ইংৰাজে ক্ৰমবৰ্ধমান গতিত গাঁওসমূহৰ পৰা আনুগত্য লাভ কৰিলে। তুৰাক জিলা সদৰ ৰূপে লৈ ১৮৬৯ চনত গাৰো পাহাৰ জিলা গঠন কৰা হয়। দূৰৰ আওহতীয়া কিছুমান গাঁৱে তাক মানিবলৈ টান পালে আৰু তাৰ মানুহে সুযোগ পালেই চৰকাৰী কৰ্মচাৰী আৰু ইংৰাজ সুৰক্ষিত গাঁওবোৰ আক্ৰমণ কৰিছিল। ১৮৭২-৭৩ চনত চৰকাৰে চলোৱা এক সুপৰিকল্পিত অভিযানে অৱশিষ্ট প্ৰতিৰোধ নিশ্চিহ্ন কৰিলে।

নাগালেণ্ডৰ চামিলকৰণ হৈছিল ক্ৰমাগতভাৱে। নগা এক জাতিবাচক আখ্যা, ই যোল্লটাকৈ মুখ্য জনগোষ্ঠীক সামৰি লৈছে। সিবিলাকৰ মাজৰ কেইবাটাও উপজনগোষ্ঠীয়ে সুকীয়া জনগোষ্ঠীৰূপে স্বীকৃতি দাবী বা লাভ কৰাত এই সংখ্যা বাঢ়ি গৈ আছে। নগাসকলৰ প্ৰতি ব্ৰিটিছৰ নীতি দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ মাজেদি গঢ়ি উঠিছিল। আদিতে তেওঁলোকে 'বাহিৰৰ পৰা' নিয়ন্ত্ৰণৰ নীতি পোষকতা কৰিছিল। প্ৰশাসনে নগা জনগোষ্ঠীসমূহক, বিশেষকৈ আংগামীসকলক নিয়ন্ত্ৰণলৈ আনিবলৈ প্ৰতিশোধমূলক অভিযান চলাইছিল। ১৮৩৫ চনৰপৰা ১৮৫১চনলৈ এনে দহটা সামৰিক অভিযান চলোৱা হৈছিল। কিন্তু তাৰপৰা আশানুৰূপ ফল পোৱা নগ'ল। "মাত্ৰ ১৮৫১ চনৰ বছৰটোতেই ৫৫ জনক হত্যা কৰা হ'ল, ১০ জন গুৰুতৰভাৱে আহত হ'ল আৰু ১১৩ জনক বন্দী কৰি লৈ গ'ল।" এইবাৰ চৰকাৰে 'ভিতৰৰ পৰা নিয়ন্ত্ৰণ' নীতি গ্ৰহণ কৰিলে। তেওঁলোকে নগাপাহাৰৰ ঠায়ে ঠায়ে নিয়ন্ত্ৰণৰ চৌকি পাতিলে। এই নীতিয়ে জনগোষ্ঠীসমূহক শান্ত কৰাৰ পৰিৱৰ্তে প্ৰৰোচিতহে কৰিলে। সেই পৰিপ্ৰেক্ষিতত চৰকাৰে অহস্তক্ষেপ নীতি আৰু সহযোগিতামূলক আচৰণৰ বাবে প্ৰতিদানমূলক ব্যৱস্থা, এই দ্বৈত পন্থা অৱলম্বন কৰিলে। এই নীতিও ফলপ্ৰসূ নহ'ল। ১৮৫৪ চনৰপৰা ১৮৬৫ চনলৈ

আংগামী নগাই ঊনৈশবাৰ উপদ্ৰৱ চলালে যাৰ ফলত ২৩২ ইংৰাজ প্ৰজা নিহত, আহত অথবা বন্দী হৈছিল। অৱশেষত ১৮৬৬ চনত চৰকাৰে আংগামী নগা অধ্যুষিত অঞ্চলবোৰ দখল কৰিলে। কালক্ৰমে লোথা আৰু আও জনগোষ্ঠীৰ বসতিস্থল নিয়ন্ত্ৰণাধীন হ'ল। যদিও ১৮৬৬ চনতেই নগাপাহাৰ জিলা গঠন কৰা হৈছিল, ইয়াক ব্ৰিটিছ সাম্ৰাজ্যৰ লগত আনুষ্ঠানিকভাৱে চামিল কৰা হৈছিল ১৮৭৪ চনত। যেতিয়া কাৰ্যক্ষম প্ৰশাসনিক ব্যৱস্থা এটা গঢ়ি তোলাৰ স্বাৰ্থত জিলা সদৰ নাগালেগুৰ আৰু ভিতৰলৈ নিয়াৰ পৰামৰ্শৰ প্ৰতি ভাৰত সচিবে অনুমোদন জনালে তেতিয়া তেওঁলোকে কহিমাকে উপযুক্ত স্থান বুলি নিৰ্বাচন কৰিলে। অতি অলপ দিনৰ ভিতৰতে জিলাসদৰ ৰূপে কহিমা চহৰ আকৰ্ষণীয় হৈ উঠিল।

লুচাই মিজোসকলৰ মাজৰ এক প্ৰধান জনগোষ্ঠী। চট্টগ্ৰামত ইংৰাজসকলে এটা সামৰিক ঘাটি পতাৰ পাছত লুচাইসকলৰ লগত ব্ৰিটিছৰ সংযোগ ঘটিছিল পশ্চিমফালেদি। নগাসকলৰ দৰে লুচাইবিলাকেও কাছাৰ আৰু শ্ৰীহট্টৰ সমতলভূমিত সময়ে সময়ে লুটপাট চলাই আহিছিল। মাজে মাজে তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক অভিযানো পঠিওৱা হৈছিল। শান্তিপূৰ্ণ পৰিৱেশৰ বাবে আলাপ আলোচনাও চলিছিল। তথাপি লুচাই আক্ৰমণৰ পৰা সমতলবাসীয়ে ৰক্ষা পোৱা নাছিল। কিয়নো এজন জনগোষ্ঠীয় নেতাৰে সৈতে কৰা শান্তি চুক্তি আন ফৈদৰ মুৰব্বীয়ে মানি লোৱা নাছিল। ১৮৫০ চনমানত লুচাইসকলে আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ শিকিছিল আৰু তাৰ পাছত সমতলত সিহঁতৰ আক্ৰমণ আৰু মাৰাত্মক হৈ উঠিছিল। লুচাইসকলৰ বিৰুদ্ধে ইংৰাজে ১৮৭১-৭২, ১৮৮৮-৮৯ আৰু ১৮৮৯-৯০ চনত তিনিবাৰ সামৰিক অভিযান চলোৱাৰ পাছত যেনিবা ১৮৯০ চনত উত্তৰ লুচাই পাহাৰত ইংৰাজে নিজৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিলে। পাছৰ বছৰতে দক্ষিণ লুচাই পাহাৰ জিলাও গঠন কৰা হ'ল। দক্ষিণ লুচাই পাহাৰ জিলাৰ শাসনভাৰ ন্যস্ত হৈছিল বঙ্গৰ চৰকাৰৰ হাতত। আনুষ্ঠানিকভাৱে লুচাই পাহাৰ জিলা ইংৰাজৰ লগত চামিল হ'ল ১৮৯৫ চনত। ১৮৯৮ চনত দুয়োখন জিলা লগ লগাই লুচাই পাহাৰ জিলা গঠন কৰি অসমৰ চীফ কমিছনাৰৰ অধীনলৈ অনা হ'ল। ১৯৫৪ চনৰ পৰা লুচাই পাহাৰ জিলাখনৰ নাম হ'ল মিজোপাহাৰ জিলা।

লক্ষণীয়ভাৱে ব্ৰিটিছৰ গাৰোপাহাৰ, নগাপাহাৰ আৰু লুচাই পাহাৰৰ বিশাল ভূখণ্ডৰ অধিকাৰ আৰু ব্ৰিটিছ সাম্ৰাজ্যৰে সৈতে চামিলকৰণ কাৰ্য মহাৰাণী

ভিক্টোৰীয়াই ১৮৫৮ চনৰ ভাৰতত আৰু ব্ৰিটিছ্ সাম্ৰাজ্যৰ বিস্তাৰ কৰা নহয় বুলি কৰা গুৰুত্বপূৰ্ণ ঘোষণাৰ স্পষ্ট উলংঘন।

উত্তৰ-পূব ভাৰতত ব্ৰিটিছৰ শাসনৰ বহুমাত্ৰিক সফলতা আৰু প্ৰশাসনিক দক্ষতা প্ৰশংসাৰ যোগ্য। কিন্তু অসমৰ বাৰখনকৈ জিলাৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত তেওঁলোকৰ বিচক্ষণতাই হাৰ মানিলে।

৩

অসমৰ প্ৰথম চীফ কমিছনাৰ আছিল কৰ্ণেল ৰিচাৰ্ড হাৰ্ট কিটিং। তেওঁ ১৮৭৪ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীত কাৰ্যভাৰ গ্ৰহণ কৰিছিল। কিন্তু তেওঁ গুৱাহাটীত থকাৰ মুঠেই আগ্ৰহী নাছিল। যদিও অধিক জনবসতিপূৰ্ণ সমতলৰ ছখন জিলাৰ লোকে সহজেই গুৱাহাটীলৈ অহা-যোৱা কৰিব পাৰিছিল, ছিলঙলৈ মাত্ৰ তিনিখন জিলাৰপৰাহে পথসংযোগ ব্যৱস্থা আছিল। কৰ্ণেল কিটিঙে মাৰ্চ মাহৰ ২০তাৰিখে অধিসূচনা জাৰি কৰিলে যে ১৮৬৬ চনৰে পৰা খাচী আৰু জয়ন্তীয়া পাহাৰ জিলাৰ সদৰ হিচাপে থকা ছিলঙ চহৰেই চীফ কমিছনাৰ প্ৰশাসনিক কেন্দ্ৰ হ'ব। চীফ কমিছনাৰৰ প্ৰদেশ গঠনৰ ঘোষণাত নতুন প্ৰদেশৰ ৰাজধানী ক'ত হ'ব তাৰ উল্লেখ নাছিল। তাৰ স্বাভাৱিক ব্যাখ্যা এইটোৱেই হ'ব পাৰে যে মূল ৰাজ্যখনৰ ৰাজধানীস্বৰূপ প্ৰশাসনিক কেন্দ্ৰ গুৱাহাটীয়েই হ'ব নতুন প্ৰদেশৰ ৰাজধানী।

যদিও প্ৰাদেশিক ৰাজধানী গুৱাহাটীৰপৰা ছিলঙলৈ স্থানান্তৰ কৰাৰ বিৰুদ্ধে চকুত লগাকৈ প্ৰতিক্ৰিয়া দেখা নগ'ল বিষয়টোক কেন্দ্ৰ কৰি কিছুদিনলৈ অসন্তোষৰ জুই উমি উমি জ্বলি আছিল। অসমৰ সৰ্বসাধাৰণ ৰাইজ যে ছিলঙলৈ ৰাজধানী স্থানান্তৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আছিল সেই বিষয়ে সন্দেহ নাই। কলিকতাৰ পৰা প্ৰকাশিত '*বংগবন্ধু*' নামৰ এক ব্ৰাহ্ম পত্ৰিকাই এই কথাৰ সঠিক উমান পাইছিল আৰু পত্ৰিকাখনে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছিল। '*বংগবন্ধু*'ৰ মতে গুৱাহাটী প্ৰদেশখনৰ কেন্দ্ৰস্থল, ইয়াৰ জলবায়ু ভাল আৰু ছিলঙৰে সৈতে তেতিয়ালৈকে ভাল বাট-পথৰ সংযোগেই হোৱা নাই। তাৰ তুলনাত গুৱাহাটীৰ দাবী অধিক যুক্তিযুক্ত।

(মণিপুৰ পুনৰগঠিত প্ৰদেশখনৰ অন্তৰ্ভুক্ত নাছিল। কিন্তু অসমৰ চীফ কমিছনাৰজনক মণিপুৰৰ পলিটিকেল এজেণ্টজনৰ ওপৰত তত্ত্বাৱধায়কৰ কৰ্তৃত্ব দিয়া হৈছিল।)

সেয়ে অসমক প্ৰদেশ হিচাপে ঘোষণা কৰাৰ অৰ্থ হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছখন জিলাৰ লগত পৰস্পৰ সম্পৰ্কহীন আৰু ছখন জিলাক সংযুক্ত কৰা। নতুন প্ৰদেশ গঠনৰ জিলাগোটসমূহৰ মাজত বিশ্বাস-সদ্ভাৱ আৰু সমমৰ্যাদা বোধৰ অভাৱে প্ৰথমৰপৰাই বিসঙ্গতিৰ বীজ বহন কৰিছিল। চাৰিখন পাহাৰীয়া জিলাৰ কথা বাদেই, কাছাৰ আৰু শ্ৰীহট্ট জিলাৰ চামিলকৰণো সমালোচনাৰ উৰ্ধ্বত নাছিল। ঐতিহাসিক জয়ন্তভূষণ ভট্টাচাৰ্যই কৈছে, 'সুৰমা উপত্যকা বঙ্গদেশৰ সমতলেৰে সৈতে অবিচ্ছিন্নভাৱে সংযুক্ত বাঙালী লোকৰ বাসভূমি। সেইফালৰ পৰা চালে কাছাৰ আৰু শ্ৰীহট্ট বঙ্গদেশৰে অঙ্গ হৈ থকা উচিত আছিল।' তেওঁৰ মতে সেয়া আছিল 'প্ৰথম বঙ্গ-ভঙ্গ'।

আনহাতে শ্ৰীহট্টৰ চামিলকৰণে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঢ়ি অহা শিক্ষিত চামৰ বাবে কামৰ আকাল সৃষ্টি কৰিলে। অভিযোগ উঠিছিল যে যি সামান্য সংখ্যক চাকৰি ওলাইছিল চিলেটীয়া প্ৰাৰ্থীয়ে প্ৰায় সকলো হস্তগত কৰিছিল। বহুদিনীয়া অস্বস্তিকৰ অভিজ্ঞতা আৰু বিদ্বেষমূলক প্ৰচাৰৰ পৰিণতিত চিলেট প্ৰসঙ্গই অসমীয়া মানুহৰ মনত হুলে বিন্ধা দি বিন্ধিছিল। এইবোৰ আছিল অপ্ৰত্যাশিত বিভ্ৰান্তি। ১৯৪৭ চনত অনুষ্ঠিত গণভোটৰ ৰায় অনুসৰি চিলেট পাকিস্তানৰ বুকুত সোমাল। অসমক পূব পাকিস্তানৰ থৈলাত নিক্ষেপ কৰাৰ বাবে কেবিনেট মিছনে দিয়া প্ৰস্তাৱ গোপীনাথ বৰদলৈৰ প্ৰচেষ্টাত উফৰি গ'ল।

অসমত যে সুশাসনৰ অভাৱ সেই কথা যি কোনো অনুভৱশীল মানুহৰ চকুত নপৰাকৈ নাছিল। ১৮৯৩ চনৰ মে' মাহৰ দা-ষ্টেটচমেন কাকতৰ এটি সম্পাদকীয় টোকাত আক্ষেপেৰে কোৱা হৈছিল, "অসমখন আগৰে পৰা আৰু এতিয়াও বঙ্গৰ 'আগচোতালৰ বাগিচা' বুলিয়েই জনাজাত। ষাঠি বছৰৰো ওপৰকাল ব্ৰিটিছৰ অধীনত থকা, নানা সম্পদৰে উভৈনদী প্ৰদেশখন তুলনামূলকভাৱে এতিয়াও অনগ্ৰসৰ হৈ আছে।... যথাযথ প্ৰশাসনৰ অভাৱত প্ৰদেশখন যেনেকৈ পাৰে তেনেকৈ চলি গৈছে। শকত পৰিমাণৰ ৰাজহ সংগ্ৰহ নোহোৱা প্ৰদেশখন প্ৰথমৰে পৰা অৱহেলিত হৈ আহিছে। চাক্ষুস প্ৰমাণ বাদেই, প্ৰত্যায়িত তথ্য পৰম্পৰায়ো নিসন্দেহে দেখুৱায় যে দুশ বছৰ আগলৈকে অসমখন আছিল জনবসতিপূৰ্ণ; ইয়াৰ পৰা খাদ্য শস্য, খনিজদ্ৰব্য, কাঠ পাট-বস্ত্ৰ ঢাকালৈ গৈছিল; ঢাকা চহৰখন বঙ্গদেশৰ বাণিজ্য কেন্দ্ৰ ৰূপে গঢ়ি উঠাত অসমৰ এই সামগ্ৰীবোৰৰ অৱদান কম নাছিল।" অসমৰ সকলো কথা যে ঠিকে-ঠাকে চলা

নাছিল এই সম্পাদকীয় মন্তব্য তাৰ উৎকৃষ্ট পূৰ্বানুমান বুলি প্ৰমাণিত হ'বলৈ বেছি দিন নালাগিল। কেইমাহমানৰ ভিতৰতে এক প্ৰচণ্ড কৃষক বিদ্ৰোহৰ ধুমুহা কামৰূপ আৰু দৰঙৰ ওপৰেদি পাৰ হৈ গ'ল।

৪

পাহাৰীয়া জিলাসমূহৰ সামাজিক আৰু ৰাজনৈতিক চেতনাৰ উন্মেষত খ্ৰীষ্টধৰ্ম আৰু ইনাৰ লাইন্ ৰেগুলেছন আছিল দুটা প্ৰধান সংঘটক। পাহাৰ অঞ্চলত খ্ৰীষ্টধৰ্ম প্ৰচাৰত আগ-ভাগ লোৱা অনুষ্ঠানবোৰৰ ভিতৰত নগা আৰু গাৰো পাহাৰত আমেৰিকান বেপ্টিষ্ট মিছন, মিজো, খাচী আৰু জয়ন্তীয়া পাহাৰত ৱেলছ মিছন উল্লেখযোগ্য। অলপ দিনৰ ভিতৰতে আন বহুকেইটা মিছন আগবাঢ়ি আহিল আৰু পাহাৰ অঞ্চলত নিজ নিজ কৰ্মসূচী হাতত ল'লে। যদিও মিছনেৰীসকলক সততে 'সাংস্কৃতিক আৰু প্ৰাতিষ্ঠানিক ঔপনিৱেশিকতাবাদ'ৰ এজেণ্ট বুলি গণ্য কৰা হয়, দ্বিতীয় বিশ্বযুদ্ধৰ শেষলৈকে অসমৰ পাহাৰীয়া জিলাসমূহত খ্ৰীষ্টান মিছনসমূহৰ মহান ভূমিকাক লঘুভাৱে চাব নোৱাৰি। এই মিছনসমূহেই স্থানীয় ভাষাৰ বিকাশ, অভিধান আৰু ব্যাকৰণ প্ৰণয়ন ইংৰাজী ভাষা আৰু ধৰ্ম নিৰপেক্ষ শিক্ষাৰ প্ৰচলন, স্বাস্থ্য সচেতনতা আৰু সাংস্কৃতিক উন্নয়নৰ দায়িত্ব মূৰ পাতি লৈছিল। গীৰ্জাক ঔপনিৱেশিক নিয়ন্ত্ৰণৰ পৰোক্ষ আহিলা বুলি সঘনে সমালোচনা কৰিলেও, ইয়েই নৰবলি দিয়া জনগোষ্ঠীসমূহৰ দৃষ্টি-ভঙ্গীৰ আমূল পৰিৱৰ্তন আনিলে। জনগোষ্ঠীয় সমাজত স্বাৰ্থান্বেষী চৰ্দাৰ আৰু স্থানীয় গাঁওপ্ৰধানবোৰৰ ক্ষতিকাৰক প্ৰভাৱ হ্ৰাস কৰাত গীৰ্জাবোৰৰ এটা মহৎ ভূমিকা আছিল। এনেকৈ ক'লেও অত্যুক্তি কৰা নহ'ব যে এসময়ত গীৰ্জাই আছিল অসমৰ পাহাৰীয়া জিলা সমূহত সভ্যতাৰ ইঞ্জিন। ১৯৪৬ চনমানৰ পাছৰপৰা একাংশ খ্ৰীষ্টান মিছনেৰী ৰাজনীতিত প্ৰত্যক্ষভাৱে জড়িত হোৱাত তেওঁলোক কঠোৰ সমালোচনাৰ সন্মুখীন হ'ল। অভিযুক্তসকলৰ তালিকাৰ শীৰ্ষত আছিল ৰেভাৰেণ্ড মাইকেল স্কট নামৰ এজন ব্ৰিটিছ মিছনেৰী।

অসমীয়া অভিজাত শ্ৰেণীয়ে পাহাৰীয়া জিলাকেইখনক সাংস্কৃতিক মৰুভূমি বুলিয়েই গণ্য কৰিছিল। পাহাৰৰ মানুহৰ জীৱনচৰ্যাৰ প্ৰতি তেওঁলোকৰ মুঠেই কৌতূহল নাছিল। সীমান্তৰ স্থানীয় ব্যৱসায়ীসকলৰ যোগেদি তেওঁলোকে পাহাৰীয়া জনজাতিসকলৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ সুফলৰ বিষয়ে ঠিকেই উপলব্ধি কৰিছিল যদিও কোনো পক্ষই দীৰ্ঘম্যাদী বন্ধুত্বৰ হাত আগনবঢ়ালে।

ইনাৰ লাইন ৰেগুলেছন প্ৰণয়ন আৰু ৰূপায়ণ ১৮৭৩ চনৰ বেংগল ফ্ৰন্টিয়াৰ ৰেগুলেছনৰ আধাৰত কৰা হৈছিল। ব্ৰিটিছ প্ৰজাৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ লোৱা এক পদক্ষেপ হিচাপে ইনাৰ লাইন নামৰ সীমাৰেখা নিৰ্ধাৰণ কৰা হৈছিল। সেই কাল্পনিক ৰেখাই তাৰ সিপাৰে বসবাস কৰা পাহাৰীয়া জনজাতিসকলক লেশমাত্ৰ সাৰ্বভৌম ক্ষমতাৰ প্ৰতিশ্ৰুতি দিয়া নাছিল। এইৰেখা তেওঁলোকৰ আনুগত্য লাভৰো আহিলা নাছিল। এই কৃত্ৰিম সীমানিষেধ ইপাৰ-সিপাৰ কোনো দিশৰ মানুহে ভালপোৱা নাছিল। অবাধ আহ-যাহ নিয়ন্ত্ৰণৰ কৌশলৰূপে গ্ৰহণ কৰা এই কাল্পনিক ৰেখাডাল কালক্ৰমত ভাৰতৰ মেছন-ডিক্সন লাইনত পৰিণত হ'ল। যদিও ঠায়ে ঠায়ে সেই ৰেখাৰ স্থিতি থৰক-বৰক তথাপি অদূৰ ভৱিষ্যতে সি উঠি যোৱাৰ সম্ভাৱনা নাই। পৰিহাসৰ কথা হ'ল শিকলিডালৰ যিটো দুৰ্বলতম অংশ সেইটোৱেই চলি আছে তাৰ সবলতম অংশ হিচাপে।

এসময়ত অসম আৰু মণিপুৰ চৰকাৰে উপৰ্যুপৰি চলা নগা আক্ৰমণত ব্যতিব্যস্ত হৈ সিহঁতৰ পৰা ৰক্ষাপাবলৈ আৰু সিহঁতক ভেটা দিবলৈ দুয়োখন প্ৰদেশৰ চৰকাৰে নিৰ্দিষ্ট কিছুমান এলেকাত কুকিসকলক গাঁওপাতি থকাৰ সুবিধা কৰি দিছিল। পৰৱৰ্তী কালত ইয়াক লৈ নগা-কুকিৰ অন্তহীন গোষ্ঠীসংঘৰ্ষ চলিব লাগিছে। ইনাৰ লাইনক স্থানীয় অৱস্থাৰ লগত খাপখুৱাবলৈ আৰু নগাপাহাৰৰে সৈতে ৰেল সংযোগ স্থাপন কৰিবলৈ ১৯১৩ চনত শিৱসাগৰ জিলাৰ ডিমাপুৰ মৌজা নগাপাহাৰ জিলাৰ লগত চামিল কৰা হৈছিল।

দুখন জিলাৰ মাজৰ সীমা আৰু ইনাৰ লাইন, য'ত যি প্ৰযোজ্য, ঠিক একেডাল ৰেখাই নহয়। ইনাৰ লাইন আছিল সীমাৰ মাজৰ সীমা। কোনো জিলালৈ ইনাৰ লাইন পাৰ হৈ যাবলগীয়া হ'লে সেইখন জিলাৰ কৰ্তৃপক্ষৰ পৰা ইনাৰ লাইন পাৰ্মিট নোলোৱাকৈ কোনো ব্যক্তিয়েই ইনাৰ লাইন অতিক্ৰম কৰিব নোৱাৰে। সমতলৰ পৰা ইনাৰ লাইনৰ সিপাৰৰ ভূখণ্ড ব্যাপকভাৱে অনাৱিষ্কৃত হৈ ৰৈ গৈছিল। সাধাৰণ মানুহৰ কথাই নাই উচ্চপদস্থ চৰকাৰী বিষয়াসকলেও নাজানিছিল 'ফৰ্ৱাৰ্ড পলিচি' বা অগ্ৰসৰ নীতিলৈ আগবাঢ়িলে সেইবোৰৰপৰা কি লাভালাভ হ'ব। অসম সাহিত্য সভাই ইনাৰ লাইনক 'লৌহপৰ্দা' বুলি অভিহিত কৰিছিল। ৰাজ্য পুনৰ গঠন আয়োগে ইনাৰ লাইনৰ কাৰ্যকাৰিতাৰ বিষয়ে অধ্যয়ন কৰাৰ সুযোগ পাইছিল। আয়োগ এই সিদ্ধান্তলৈ আহিছিল যে 'পাৰ্বত্য জনজাতিৰ বাবে সুকীয়া ৰাজ্য গঠনৰ দাবীৰ' বাবে ইনাৰ লাইন ৰেগুলেছন অধিকভাৱে দায়ী। আয়োগে লক্ষ্য কৰিছিল যে,

'আন ভাৰতীয় মানুহৰ ক্ষেত্ৰত এই নীতি যিমান কঠোৰভাৱে প্ৰয়োগ কৰা হৈছিল ইউৰোপীয় আৰু খ্ৰীষ্টানলোকৰ ক্ষেত্ৰত সি সিমান কঠোৰ নাছিল।' ৰাজ্যপুনৰ গঠন আয়োগে অসম আৰু বঙ্গৰ কিছু অংশ কৰ্তন কৰি পূৰ্বাচল নামেৰে এখন বাংলাভাষী ৰাজ্য গঠনৰ দাবীও প্ৰত্যাখ্যান কৰিছিল।

এজন সমসাময়িক ঐতিহাসিক সজল নাগে মিজোৰামৰ বিষয়ে লেখা তেওঁৰ শেহতীয়া গ্ৰন্থত একে সিদ্ধান্তত উপনীত হৈছে— 'ঔপনিৱেশিক প্ৰশাসন আৰু খ্ৰীষ্টান মিছনেৰীসকলৰ সন্মিলিত প্ৰচেষ্টাৰে জনজাতীয় লোকসকলক পৰ্বতৰ মাজত বিচ্ছিন্নভাৱে গঢ়ি তোলা হ'ল। বহিৰ্বিশ্বৰ লগত তেওঁলোকৰ সংযোগ আছিল অতি সীমিত।'

## ৫

অসম প্ৰদেশ গঠন হোৱাৰ একত্ৰিশ বছৰৰ পিছত ভাৰতৰ ভাইচৰয় লৰ্ড কাৰ্জনৰ আমোলত ইয়াৰ মৃত্যু-ঘণ্টা বাজিল। বঙ্গ বিভাজনৰ যিটো বিষয়লৈ কিছুদিন আগৰেপৰা চৰকাৰী মহলত গুণাগঁথা চলি আহিছিল, ১৯০৫ চনৰ জুলাই মাহত কাৰ্জনে স্থিৰ সিদ্ধান্তলৈ তাক কাৰ্যকৰী কৰিলে। বঙ্গৰ ঢাকা, চট্টগ্ৰাম আৰু ৰাজশাহী এই তিনিটা ডিভিজন (জিলা সমষ্টি) অসম প্ৰদেশৰ লগত জাপি দি ইষ্টাৰ্ণ বেঙ্গল এণ্ড আছাম বা পূৰ্ববঙ্গ আৰু অসম নামৰ প্ৰদেশ এখন সৃষ্টি কৰা হ'ল। দ্বিতীয়বাৰৰ বাবে এই অঞ্চলৰ ৰাজনৈতিক ভূগোল ওলট-পালট কৰা হ'ল। মৌলিক অৰ্থত অসমৰ বাৰখন জিলাৰ লগত বঙ্গৰ আৰু বাৰখন জিলা লগলগাই এই নতুন প্ৰদেশখন গঠন কৰা হৈছিল। অসমৰ চীফ কমিছনাৰ ছাৰ জোছেফ বেমফিল্ড ফুলাৰ নতুন প্ৰদেশখনৰ লেফটেনেণ্ট গৱৰ্ণৰ হ'ল। চীফ কমিছনাৰ পদ উঠি গ'ল। পূৰ্ববঙ্গ আৰু অসমৰ ৰাজধানী হ'ল ঢাকা। অসমৰ পৰা দূৰ আৰু দুৰ্গম চহৰ ঢাকা। নতুন প্ৰদেশখনে চৰকাৰৰ পৰা বিশেষ মনোযোগ আৰু বহু প্ৰকাৰ সুবিধা লাভ কৰিব বুলি লেফটেনেণ্ট গৱৰ্ণৰ ফুলাৰৰপৰা ভাইচৰয় কাৰ্জনলৈকে অঢেল প্ৰতিশ্ৰুতি পোৱা গৈছিল। কিন্তু বাস্তৱত তাৰ চিন-মোকাম দেখা নগ'ল। বঙ্গ বিভাজনৰ লগে লগেই চৰকাৰে সৰ্বশক্তি প্ৰয়োগ কৰিবলগীয়া হৈছিল বঙ্গভঙ্গ বিৰোধী আন্দোলন দমন কৰিবলৈ।

বছৰটো শেষ হ'বলৈ নৌপাওঁতেই সেনাধ্যক্ষ এইছ. এইছ. কিচ্চেনাৰৰ লগত মতবিৰোধ হৈ কাৰ্জনে হঠাতে পদত্যাগ কৰিলে। আনহাতেদি কাৰ্জনৰ উত্তৰাধিকাৰী

ভাইচৰয় লৰ্ড মিণ্টোৱে বেমফিল্ড ফুলাৰৰ প্ৰতি তুচ্ছভাব পোষণ কৰিছিল। ফুলাৰে এই কথা জানিব পাৰি ১৯০৬ চনৰ আগষ্ট মাহত পদত্যাগ কৰিলে। ছাৰ লেন্সলট হেয়াৰ তেওঁৰ স্থলাভিষিক্ত হ'ল। লৰ্ড মিণ্টোৱে হেয়াৰক ভাল পাইছিল যদিও মিণ্টোৰ উত্তৰাধিকাৰী ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জে তেওঁক দেখিব নোৱাৰিছিল। হাৰ্ডিঞ্জে কৈছিল, 'হেয়াৰ আঁতৰি গ'লেই মই ৰক্ষা পাওঁ।' লেন্সলট হেয়াৰ বংগদেশৰ স্বদেশী চৰমপন্থী আন্দোলনক লৈ এনেকৈ নিমজ্জিত আছিল যে চৰকাৰৰ চলি থকা আঁচনিবোৰ বাহাল ৰখা আৰু নিয়মমাফিক দৈনন্দিন চৰকাৰী কৰ্তব্য পালনৰ বাহিৰে অসমৰ বিষয়ে চিন্তা কৰিবলৈ তেওঁৰ অকণো সময় নাছিল। এই কথা বহলাই কোৱাৰ প্ৰয়োজন নাই যে ইয়াৰ ফলত আটাইতকৈ উপেক্ষিত হৈছিল অসমৰ পাহাৰীয়া জিলাকেইখন।

প্ৰকৃততে অসমৰ অৱস্থা দুৰ্বিসহ হৈ পৰে ১৮৯৭ চনৰ ১২ জুনত হোৱা বৰ ভুঁইকঁপৰ পাছৰপৰা। পৰৱৰ্তী কেইবাটাও দশকলৈকে এই চৰম দুৰ্দশাৰ কথা চৰকাৰী প্ৰতিবেদনত সঘনে উচ্চাৰিত হৈছিল। তেতিয়াৰ চীফ ছেক্ৰেটেৰী ছাৰ এডৱাৰ্ড গেইটে তেওঁৰ 'ৰিপৰ্ট অন দা প্ৰগ্ৰেছ অৱ হিষ্টৰিকেল ৰিচাৰ্ছ ইন আছাম'খন ১৮৯৭ চনত সম্পূৰ্ণ কৰিছিল মাত্ৰ। তেওঁ ভূমিকম্পটোৰ বিষয়েও এটি বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিছিল। এই ভূমিকম্পটোৰ বিষয়ে তেওঁৰ 'এ হিষ্টৰি অৱ আছাম' গ্ৰন্থত এটি সংক্ষিপ্ত অথচ মনোগ্ৰাহী টোকা সন্নিৱিষ্ট কৰিছিল।

বৰ ভুঁইকঁপৰ পাছত পুনৰনিৰ্মাণ আৰু সকলো থান-থিত লগোৱাৰ গুৰু দায়িত্ব ল'ব লগা হ'ল চীফ কমিছনাৰ ছাৰ হেনৰি কটনে (নৱেম্বৰ ১৮৯৬- এপ্ৰিল ১৯০২)। ভাৰত চৰকাৰৰ সহানুভূতিহীন মনোভাব দেখি তেওঁ হতাশ হৈছিল। তেওঁৰ স্মৃতিকথাত তেওঁ লিখিছে, 'এতিয়া মই ক'ব পাৰোঁ যে ভাৰত চৰকাৰৰ পৰা আমি অকণো সহায় নাপালোঁ। মোৰ কাৰ্যকালৰ গোটেই সময়ছোৱা জনসেৱামূলক ব্যৱস্থাটো পুনৰস্থাপন কৰিবলগীয়া হোৱাত ৰাজ্যখনৰ অৰ্থনীতি পঙ্গু হৈ পৰিছিল, উন্নতি ব্যাহত হৈছিল।'

কাৰ্জনে কাৰ্যভাৰ লৈছিল ১৮৯৯ চনৰ জানুৱাৰী মাহত। পাছৰ বছৰ মাৰ্চ মাহত তেওঁ অসমলৈ আহিছিল। চীফ কমিছনাৰ হেনৰি কটনে তেওঁক জনালে যে ১৮৯৭ চনৰ প্ৰাকৃতিক বিপৰ্যয়ৰ পাছত ৰাজ্যখনে তেতিয়ালৈকে গা টঙাব পৰা নাই। লগতে তেওঁ ৰাজ্যখনৰ প্ৰতি সুবিচাৰ দাবী কৰিলে। গুৱাহাটীত কাৰ্জনক উষ্ণ ৰাজহুৱা আদৰণি জনোৱা হৈছিল। সকলোৱে আশাত চেঁচাপানী ঢালি কাৰ্জনে

কোনো সহায়ৰ প্ৰতিশ্ৰুতি যে নিদিলেই ৰাজ্যখনৰ প্ৰতি সহানুভূতিসূচক শব্দ এটাও উচ্চাৰণ নকৰিলে। পূৰ্বৰ চৰকাৰে, তেওঁৰ মতে, দীঘলীয়া কণ্টকাকীৰ্ণ পথেৰে অসম-বঙ্গদেশৰ মাজত ৰে'লপথ নিৰ্মাণ কৰা কাৰ্যৰো সমালোচনা কৰিলে। ভাৰত চৰকাৰে অসমক অৱহেলা কৰা অভিযোগ তেওঁ পোনে পোনেই নাকচ কৰিলে। কাৰ্জনে ক'লে, "তোমালোকে ভাৰত চৰকাৰ বিৰুদ্ধে অৱহেলাৰ অভিযোগ উত্থাপন কৰাটো উচিত হোৱা নাই। বৰং সঁচা কথা এইটোহে যে প্ৰদেশখনৰ প্ৰতি ভাৰত চৰকাৰে সদায় যথোচিত গুৰুত্ব দি আহিছে। আচলতে অসমৰ দুখ দুৰ্দশাৰ প্ৰকৃত কাৰণটো ডিজৰেলীয়ে আয়াৰলেণ্ডৰ দুখৰ কাৰণ বুলি কোৱা কথাটোৰে সৈতে একে। তেওঁ কৈছিল যে আয়াৰলেণ্ডৰ দুখৰ কাৰণ হ'ল সাগৰে আৱৰি থকা আয়াৰলেণ্ডখন সদায় উচুপি থকা আকাশৰ তলত থাকে।"

বঙ্গবিভাজন ৰদ কৰাৰ কথা ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জে দিল্লী দৰবাৰত ১৯১১ চনৰ ১২ ডিচেম্বৰ তাৰিখে নিজে ঘোষণা কৰিছিল। অসম সম্পৰ্কে তেওঁ ঘোষণা কৰিছিল এই বুলি, "যথাসম্ভৱ শীঘ্ৰে অসমত পুনৰ চীফ কমিছনাৰৰ শাসন প্ৰৱৰ্তন কৰা হ'ব।... প্ৰয়োজনীয় প্ৰশাসনিক ৰদ-বদল আৰু প্ৰদেশখনৰ নতুন সীমাৰ বিষয়টো সপৰিষদ গৱৰ্ণৰ জেনেৰেলে যথাসময়ত নিৰ্দ্ধাৰণ কৰিব।"

গতিকে চীফ কমিছনাৰ পদটো পুনৰ আৱিৰ্ভাৱ হ'ল। ১৯১২ চনৰ ১ এপ্ৰিল তাৰিখে নতুন চীফ কমিছনাৰ ছাৰ আৰ্চডেল আৰ্লে কাৰ্যভাৰ গ্ৰহণ কৰিলে। অসমৰ ৰাইজে নিজৰ অভিজ্ঞতাৰ পৰা লেফটেনেণ্ট গৱৰ্ণৰৰ শাসনতকৈ চীফ কমিছনাৰৰ শাসনকে বেছি ভাল পাইছিল। বঙ্গভঙ্গৰ বছৰকেইটাত অসমৰ স্বাৰ্থ বৰকৈ বিঘ্নিত হ'ল।

অসম এছোচিয়েছনৰ নেতা মাণিকচন্দ্ৰ বৰুৱাই পূৰ্ববঙ্গ আৰু অসমৰ বিধান পৰিষদত মন্তব্য কৰিছিল, 'বৰ্তমান ৰূপত বঙ্গ বিভাজন কৰাটো ভুল আছিল আৰু বিভাজনৰ দ্বাৰা অসমে বেয়াকৈ ভুগিলে।' এই অস্থায়ী প্ৰদেশখনৰ ৰাজনৈতিক ভূগোলৰ ভয়ঙ্কৰ পৰিণতি সোনকালেই দেখা গ'ল। পোন প্ৰথমবাৰৰ বাবে ই পূৰ্ববঙ্গৰ পৰা নামনি অসমৰ জিলাবোৰলৈ অবাধ কৃষক প্ৰব্ৰজনৰ পথ মুকলি কৰি দিলে। অসমলৈ সেই বৃহৎ প্ৰব্ৰজন সম্ভৱ হৈছিল ৰে'লপথেদি। চট্টগ্ৰাম বন্দৰ আৰু মধ্য অসমৰ লামডিং সংযোগী অসম-বেঙ্গল ষ্টেট ৰেলৱে নিৰ্মাণ ১৯০৫ চনত সম্পূৰ্ণ হৈছিল। এইটোৱেই আছিল প্ৰব্ৰজনৰ ঘাইপথ। অলপ দিনৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰো ৰে'লপথেৰে কলিকতাৰ সৈতে সংযুক্ত হৈছিল। উজনি আৰু নামনি অসমত

কেইটামান শাখা লাইন নির্মাণ কৰাত অসমত ৰে'লসেৱাৰ আন্তঃগাঁথনি শক্তিশালী হৈছিল।

অসমলৈ অবাধ প্ৰব্ৰজন আৰম্ভ হৈছিল ১৯০৫ চনৰপৰা। কিন্তু কথাটো ধৰা পৰিল ১৯১১ চনৰ লোকপিয়লত। অসমত যিসকলে প্ৰৱেশ কৰি মাটি দখল কৰিছিল তেওঁলোকে মাটিৰ পট্টাৰ বাবেও আৱেদন কৰাৰ আৱশ্যকতা অনুভৱ কৰা নাছিল। ১৯০৭ চনৰ এটা চৰকাৰী প্ৰতিদেনত কোৱা হৈছে,— 'অসমত পতিত মাটিৰ পৰিমাণ বহুত বেছি আৰু ৰায়তসকলে সদায় কম কম পৰিমাণৰ মাটিহে বিচাৰে। এনে পৰিস্থিতিত ভূমি পট্টনৰ বাবে আৱেদন আহ্বান কৰা, তাৰ পূৰ্বে সকলো ক্ষেত্ৰতে প্ৰয়োজনীয় তদন্ত সম্পন্ন কৰা বাস্তৱিকতে সম্ভৱ নহয় আৰু যদি কেনেবাকৈ কৃষিভূমি বিচৰা সকলো মানুহকে মাটিৰ বাবে আৱেদন কৰিবলৈ কোৱা হয়, সি এক পৰ্বত প্ৰমাণ কাম হ'ব, ভূমি ৰাজহ বিভাগে পৰ্যাপ্ত বিষয়া-কৰ্মচাৰীৰ অভাৱত সেই কাম কোনোপধ্যেই সম্পন্ন কৰিব নোৱাৰে।[২৭] আক্ষেপৰ কথা হ'ল পৰিকল্পিতভাৱে নিজৰ আঁচনি ৰূপায়ণ কৰিবলৈকো প্ৰদেশখনত সুদক্ষ প্ৰশাসন ব্যৱস্থা এটা নাছিল। সমস্যাটোৰ আন এটা দিশ আছিল ভাষিক। ঢাকা আৰু মৈমন সিংহ জিলাৰ মুছলমান লোকসকলৰ সমৰ্থন পাবলৈ কাজৰ্নে তেওঁলোকক ৰাজহুৱাভাৱে কৈছিল যে বঙ্গ বিভাজনে সৃষ্টি কৰা প্ৰদেশখনত তেওঁলোকৰ বাংলা ভাষা কোৱা মানুহৰ সংখ্যা হৈছেগৈ চাৰে চৈধ্য নিযুত। তেওঁ আৰু ক'লে 'অসমীয়া ভাষাটো....লোপেই পাব।' গতিকে বঙ্গৰপৰা অসমলৈ প্ৰব্ৰজন কৰিবলৈ কাৰো তিলমাত্ৰ শংকা নাছিল। প্ৰব্ৰজনকাৰী কৃষকসকলৰ বাবে ই আছিল দৈৱলব্ধ সুযোগৰ দৰে।

অসমত কৃষিৰ সম্প্ৰসাৰণ আৰু বাণিজ্যিকীকৰণত বঙ্গদেশৰ পৰা অহা কৃষকসকলৰ এটা কেন্দ্ৰীয় ভূমিকা আছিল। কিন্তু যেতিয়া তেওঁলোকৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ ধৰিলে চৰকাৰ আৰু ৰাজনৈতিক নেতাসকল পৰিস্থিতিৰ ভয়াবহতা সম্পৰ্কে সজাগ হ'ল আৰু প্ৰব্ৰজনকাৰীসকলক ভূমি বেদখল কৰাৰ পৰা সম্পূৰ্ণ বন্ধ কৰিব নোৱাৰিলেও নিয়ন্ত্ৰণ কৰিবলৈ সচেষ্ট হ'ল। অমলেন্দু গুহই লিখিছে, "১৯২১ চনৰ ভিতৰত সৰ্বমুঠ ১,৪১,০০০ পূৰ্ববঙ্গৰ প্ৰব্ৰজনকাৰী গোৱালপাৰাত আৰু ১,৭১,০০০ প্ৰব্ৰজনকাৰী ব্ৰহ্মপুত্ৰ উপত্যকাত বহি গৈছিল।" কোনো বাধা নোপোৱাকৈ জনপ্ৰবাহ চলিয়েই থাকিল।

'এ হিষ্ট্ৰি অৱ বাংলাদেশ' গ্ৰন্থৰ প্ৰণেতা উইলহেলম ফান শ্বেন্দেলে লিখিছে, "ঊনবিংশ শতিকাৰ শেষলৈ কৃষিৰ সম্প্ৰসাৰণে তাৰ স্বাভাৱিক শীৰ্ষবিন্দু লাভ

কৰিছিল।.... পূৰ্ববঙ্গৰ কৃষকসকলৰ বাবে কৃষিযোগ্য মাটিৰ আকাল হ'বলৈ ধৰিলে। নানা কৌশলেৰে তেওঁলোক পৰিস্থিতিৰ সন্মুখীন হ'ল...। উৰ্বৰ বদ্বীপ অঞ্চল ত্যাগ কৰি তেওঁলোক আৰাকান অসম আৰু ত্ৰিপুৰালৈ ধাবমান হ'ল। সি আছিল আজিলৈকে চলি থকা এটা দীৰ্ঘদিনীয়া প্ৰৱণতাৰ আৰম্ভণি মাত্ৰ। যাৰ ফলত বহু নিযুত মানুহে উন্নততৰ জীৱনৰ বাবে নিজৰ গৃহভূমি ত্যাগ কৰিছে।" যি হয় হ'ব 'থকা ঠাই আৰু সংস্থান বিচাৰি' তেওঁলোক ওলাই যাবই লাগিব।

৬

অসমৰ ৰাজনৈতিক ভূগোলৰ প্ৰতি আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আহিল নগাপাহাৰৰ পৰা। নগাসকলৰ এটা প্ৰতিনিধিমূলক অনুষ্ঠান নগা ক্লাবে ১৯২৯ চনত ছাইমন কমিছনক আবেদন জনাইছিল যে প্ৰস্তাৱিত শাসন সংস্কাৰৰ আওতাৰ পৰা নগাসকলক বাহিৰত ৰাখি তেওঁলোকক 'প্ৰত্যক্ষ ব্ৰিটিছ চৰকাৰৰ অধীনলৈ' নিব লাগে। ১৯৪৬ চনত নগাসকলৰ প্ৰথম ৰাজনৈতিক অনুষ্ঠান নাগা নেছনেল কাউন্সিল (এন. এন. চি)ৰ জন্ম হ'ল। স্বাধীনতাৰ দুমাহৰ পূৰ্বে এন. এন. চি. য়ে সিদ্ধান্ত ল'লে যে ভাৰত স্বাধীন হোৱাৰ লগে লগে নগাপাহাৰ জিলা ভাৰতৰ অংগ হৈ নাথাকিব। দীঘলীয়া আলোচনা আৰম্ভ হ'ল। জাপু-আঙ্গামী ফিজোৰ নেতৃত্বত এন. এন. চি. য়ে কেউফালে ত্ৰাসৰ সৃষ্টি কৰি নাগা ফেডাৰেল চৰকাৰ নামৰ অবৈধ চৰকাৰ পাতি ১৯৫৬ চনত ভাৰতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। সেয়ে আছিল নগা বিদ্ৰোহৰ সূচনা। উত্তৰ-পূব ভাৰতৰ বিদ্ৰোহী আন্দোলনৰ বিষয়ে এগৰাকী তথ্যভিজ্ঞ চিভিলিয়ান ব্ৰিজেন্দ্ৰসিং জাফাই মন্তব্য কৰিছে— "নগা বিদ্ৰোহ উত্তৰ-পূব ভাৰতৰ সকলো বিদ্ৰোহী আন্দোলনৰ ধাতৃ।" কিন্তু নগা বিদ্ৰোহ এটা নহয়। ই হ'ল এটাৰ পাছত আনটো ৰূপত চলি থকা এলানি বিদ্ৰোহ। প্ৰথম পৰ্ব আছিল ভাৰতৰ বিৰুদ্ধে ফিজোৰ ব্যক্তিগত যুদ্ধ। শেহতীয়া পৰ্বত নেছনেল ছচিয়েলেষ্ট কাউন্সিল অৱ নাগালেণ্ড নাগালিমৰ নামত দুটা ফৈদে চলোৱা বিদ্ৰোহ। উত্তৰ-পূব ভাৰতৰ বিদ্ৰোহী সংগঠনবিলাকে সমস্বৰে আওৰোৱা মূলমন্ত্ৰ নিৰ্ধাৰণ কৰি দিছে এন. এছ. চি এনে।

আনটো প্ৰত্যাহ্বান আহিল মিজো নেছনেল ফ্ৰণ্টৰ (এম. এন. এফ)পৰা। ১৯৬৬ চনৰ ১ মাৰ্চ তাৰিখে এম. এন. এফে স্বাধীনতা ঘোষণা কৰিলে। নগাপাহাৰ আৰু মিজোপাহাৰ জিলা দুখন সশস্ত্ৰ সংগ্ৰামৰ বাবে ভৌগোলিকভাৱে অনুকূল আছিল। তাৰ সুযোগ বিদ্ৰোহীবিলাকে বাৰুকৈয়ে লৈছিল। নগা নেছনেল কাউন্সিল,

নেছনেল ছচিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড আৰু মিজো নেছনেল ফ্ৰণ্টে অসম চৰকাৰৰ সমান্তৰাল প্ৰশাসন আৰু ক'বলৈ গ'লে তেওঁলোকৰ প্ৰভাৱাধীন অঞ্চলবোৰত বিদ্ৰোহৰ অনুকূলে ৰাজনৈতিক অৰ্থনীতি গঢ়ি তুলিছিল।

যদিও পাহাৰীয়া জনজাতিসকল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বাহিৰতে ৰৈ গৈছিল, স্বাধীনতাৰ পূৰ্ব মুহূৰ্তত তেওঁলোকে প্ৰফেছৰ ৰেজিনেল্ড কুপলেণ্ডৰ প্ৰভাৱত প্ৰস্তাৱিত ক্ৰাউন ক'লনি বা ইংলেণ্ডৰ ৰাজমুকুটৰ অধীন উপনিৱেশৰ ফান্দত ভৰি দিয়া নাছিল। সেই প্ৰস্তাৱৰ বিৰুদ্ধে সকলোতকৈ আগত আছিল দূৰদৰ্শী খাচী নেতা ৰেভাৰেণ্ড জে. জে. এম. নিকলছ ৰয়। তথাকথিত ক্ৰাউন ক'লনিত চট্টগ্ৰামৰ পাৰ্বত্য অঞ্চলক লৈ চট্টগ্ৰামৰ বন্দৰেদি সমুদ্ৰ সংযোগী নিৰ্গম পথ থকাৰ কথা আছিল।

অসম বিধান সভাই ১৯৬১ চনত অসম ৰাজ্যভাষা আইন পাছ কৰাত অসমৰ পাহাৰীয়া জিলা কেইখনৰ ৰাজনৈতিক নেতাসকল ক্ষুব্ধ হৈছিল। ১৯৬০ চনৰপৰা এই বিষয় লৈ ৰাজ্যখনত ধুমুহাৰ সৃষ্টি হৈছিল। অসমৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা আছিল নিষ্ঠাবান গান্ধীবাদী আৰু উদাৰ গণতন্ত্ৰবাদী নেতা। কিন্তু অসম উপত্যকাৰ ৰাজনীতিত বৰ্তি থাকিবলৈ আনসকল অসমীয়াতকৈ তেওঁ কোনো গুণে কম অসমীয়া হ'ব নোৱাৰে। ১৯৬০ চনৰ জুলাই মাহত অল পাৰ্টি হিল লীডাৰ্ছ কনফাৰেন্স (এ. পি. এইচ. এল. চি)গঠন হ'ল। তেওঁলোকে অসমৰ সকলো পাহাৰীয়া জিলা লগ লগাই ইষ্টাৰ্ন ফ্ৰণ্টিয়াৰ ষ্টেট নামৰ এখন সুকীয়া ৰাজ্য গঠনৰ দাবী জনালে। কালক্ৰমত এখন নহয় তেওঁলোকে কেইবাখনো ৰাজ্য লাভ কৰিলে। অসমে এতিয়াও সুকীয়া ৰাজ্যগঠন আৰু বিচ্ছিন্নতাবাদী আন্দোলনৰ পৰা পৰিত্ৰাণ পোৱা নাই।

৭

হৰি বিষ্ণু পাটাস্কাৰ কমিছন, গুলজাৰিলাল নন্দ, অশোক মেহতা, পি. এছ. কৃষ্ণস্বামী, তাৰলোক সিং আদিৰ নেতৃত্বত গঠিত বিভিন্ন কমিটি আৰু চৰকাৰৰ নিজা বিভাগবোৰৰ প্ৰতিবেদনসমূহ চালি-জাৰি চাই ভাৰত চৰকাৰে, পূৰ্বতে ঢাপে ঢাপে নিৰ্মাণ কৰা ৰাজ্যখনৰ গোটবোৰৰ প্ৰত্যাহ্বানৰ প্ৰতি সঁহাৰি জনাই পৰ্যায়ক্ৰমে সুকীয়া ৰাজ্য গঠন কৰিবলৈ সিদ্ধান্ত ল'লে। সেয়ে আছিল সময়ৰ গ্ৰহণযোগ্য সমাধান। ১৯৭২ চনৰ ২১ জানুৱাৰী তাৰিখে মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ে পূৰ্ণ

পৰ্যায়ৰ ৰাজ্য আৰু মিজোৰাম আৰু অৰুণাচলে কেন্দ্ৰীয়শাসিত অঞ্চলৰ মৰ্যাদা লাভ কৰিলে। উত্তৰ-পূব ভাৰতৰ সি আছিল ৰাজনৈতিক বসন্তৰ সমাহাৰ, য'ত প্ৰতিটো গোটেই নতুন নতুন ৰূপত আত্মপ্ৰকাশ কৰিলে। ১৯৬৩ চনৰ ১ ডিচেম্বৰ তাৰিখেই নাগালেণ্ড ৰাজ্য গঠন হৈছিল। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে অৰুণাচল প্ৰদেশ আৰু মিজোৰাম পূৰ্ণ পৰ্যায়ৰ ৰাজ্য হ'ল। এই নতুন ৰাজ্যসমূহ গঠনৰ দ্বাৰা অসম প্ৰদেশখন অবাঞ্ছিত ভৌগোলিক বোজাৰপৰা মুক্ত হ'ল। এই কথা স্পষ্টভাৱে প্ৰতিপন্ন হ'ল যে অসমক কেন্দ্ৰ ৰূপে লৈ কৰ্তৃত্ব বিস্তাৰৰ বাবে নতুন নতুন সীমা নিৰ্ণয় বা পৰিৱৰ্তন কাৰ্য আছিল এলানি প্ৰশাসনিক বিভ্ৰম, যাৰ ফলত অসম দীৰ্ঘদিন ধৰি যুঁজ-বাগৰত ব্যস্ত থাকিবলগীয়া হৈছিল। ওচৰ চুবুৰীয়াৰে সৈতে আহুকলীয়া সীমাবিবাদবোৰ অসমে অতীতৰেপৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা সমস্যা। প্ৰতিটো সীমাই জাতীয়তাবাদ নহ'লেও জনগোষ্ঠীয় বাসভূমিৰ পৰিচয় সীমা। সাধাৰণতে এই সীমাবোৰ একো একোটা ভাষাগোষ্ঠীৰে সীমাৰেখা; লুঁচিয়া ফেব্ৰুৱে কোৱাৰ দৰে এনে সীমা প্ৰকৃত অৰ্থত 'নৈতিক সীমাৰেখা'ও হ'ব পাৰে। যি গৰাকী কাৰ্জনে স্বেচ্ছাচাৰীভাৱে বঙ্গদেশৰ ওপৰত ৰাজনৈতিক অস্ত্ৰোপচাৰ চলাইছিল, তেওঁৱেই ১৯০৭ চনত লেখিছিল যে ভাল সীমান্তৰেখাক 'শান্তিৰ আহিলা আৰু দৃষ্টান্তলৈ ৰূপান্তৰ কৰিব পাৰি।' পিছে নিজে তেওঁ সেই কাম কৰা নাছিল। স্বাভাৱিক উদাৰতাৰে মানুহে অ'ত-ত'ত হোৱা ভৌগোলিক মানচিত্ৰৰ আগ্ৰাসন নীৰৱে মানি লৈছে। এইদৰে উত্তৰ-পূব ভাৰতৰ শেহতীয়া, আশা কৰিব পাৰি, অন্তিমটো পুনৰ গঠন ১৯৭২ চনত সু-সম্পন্ন হৈছে। ১৮৭৪ চনৰপৰা ১৯৭২ চনলৈ প্ৰায় এশ বছৰীয়া যাত্ৰাৰ অন্তত উত্তৰ-পূবৰ ৰাজনৈতিক সম্প্ৰদায়বোৰে এটা সুসংগত পৰিৱেশ লাভ কৰিছে। ৰাজ্যখনে তেওঁলোকক আৰু তেওঁলোকে ৰাজ্যখনক আপোন বুলি ভাবিব পৰা হ'ল। এই প্ৰক্ৰিয়াত তেওঁলোকে জনগোষ্ঠীকেন্দ্ৰিক সংকীৰ্ণতা অতিক্ৰম কৰি বহুত্ববাদী সমাজধৰ্ম ল'বলৈ অগ্ৰসৰ হৈছে। তদুপৰি, শেহতীয়া পুনৰগঠনৰ ফলত অঞ্চলটোৰ ৰাজনৈতিক ভূগোলে এটা স্থানিক সুস্থিৰতা লাভ কৰা দেখা গৈছে। সাধাৰণ বিচক্ষণতা আৰু নীতিনিষ্ঠ একাগ্ৰতাৰে প্ৰতিটো গোটেই নিজৰ শ্ৰীবৃদ্ধিৰ আভাস দাঙি ধৰিছে। অৱশ্যে নেতৃবৃন্দৰ মাজত উন্নয়নৰ স্বাৰ্থত আদৰ্শগত নিষ্ঠা আৰু আনুগত্যৰ কোনো নিশ্চয়তা চকুত নপৰে। প্ৰত্যাহ্বান সম্পূৰ্ণ নিৰসন এতিয়াও হোৱা নাই আৰু উত্তৰ-পূৰ্বাঞ্চল অসন্তোষৰ মৰ্মৰধ্বনিৰ পৰা এতিয়াও সম্পূৰ্ণ মুক্ত হোৱা নাই।

প্ৰাসঙ্গিক টোকা ঃ

ৰাজেন শইকীয়াই ভাৰতীয় ইতিহাস কংগ্ৰেছৰ দিল্লী বিশ্ববিদ্যালয়ত অনুষ্ঠিত (১৫-১৭ মে' ২০১০) সত্তৰতম অধিৱেশনত দিয়া The Political Geography of Assam : Construction and Contestations শীৰ্ষক অভিভাষণৰ অসমীয়া অনুবাদ। অনুবাদ কৰিছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা ড° অৰণি শইকীয়াই।

সম্পাদক

**ড° ৰাজেন শইকীয়া ঃ** মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, বিশিষ্ট ইতিহাসবিদ। সাহিত্য অকাডেমি অনুবাদ বঁটা বিজয়ী।

# অসমৰ ইতিহাস চিন্তা-চেতনাৰ পৰম্পৰা
## প্ৰাক্‌কথন ঃ ইতিহাস প্ৰসঙ্গ

ডাঃ ধ্ৰুৱজ্যোতি বৰা

আমাৰ অতীতে আমাৰ বৰ্তমান আৰু বহু পৰিমাণে ভৱিষ্যতকো ৰূপ দিয়ে। এই কথাখিনি প্ৰায় সকলোৱেই জানে, মানিও লয়। কিন্তু কেনেদৰে অতীতে আমাৰ আজিৰ আৰু কাইলৈৰ দিনবোৰ গঢ় দিয়াত ভূমিকা লয় সেই কথা বুজিবৰ বাবে কিছু চিন্তা কৰাৰ প্ৰয়োজন হয়। খুব সহজভাৱে এই প্ৰক্ৰিয়াটোৰ বিষয়ে হয়তো এনেদৰে ক'ব পৰা যায়— মানৱ সমাজৰ বিকাশ এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া আৰু ই নিৰ্ভৰ কৰে সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থা আৰু ইয়াৰ পৰিৱৰ্তনবোৰৰ ওপৰত। আদিম মানৱসমাজ আছিল অঘৰী মানুহৰ সমাজ; পশুপালন, চিকাৰ আৰু খাদ্য সংগ্ৰহ আছিল এই সমাজৰ জীৱন ধাৰণৰ উপায়। এটা সময়ত মানুহে খেতি-বাতি কৰিবলৈ শিকিলে আৰু লাহে লাহে আদিম কৃষিজীৱী সমাজৰ আৰম্ভ হ'ল। তাৰপৰাই বিকাশৰ বিভিন্ন পৰ্যায়ৰ মাজেদি আহি বৰ্তমানৰ সমস্যাবহুল বহল ভাৰতীয় কৃষক সমাজখনৰ সৃষ্টি হৈছেহি। ঔপনিৱেশিক শাসনকালত ব্ৰিটিছে বনাই যোৱা ভূমি আৰু ৰাজস্ব নীতিৰ যিবোৰ পৰিৱৰ্তন স্বাধীনতাৰ পাছত কৰা হ'ল, তাৰেই ফলশ্ৰুতি হিচাপে আজিৰ সমস্যাবোৰে গা কৰি উঠিছে। উদাহৰণস্বৰূপে মাটি, খেতিয়ক, ব্যৱসায়ী আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কবোৰৰ আমূল পৰিৱৰ্তন সাধন নকৰাকৈ কিছু সংস্কাৰৰ লগতে প্ৰচুৰ অৰ্থ আৰু বৈজ্ঞানিক কাৰিকৰী কৌশলৰ জাপি দিয়া প্ৰয়োগৰ ফলত পাঞ্জাৱকে

মুখ্য কৰি ভাৰতৰ কিছুমান অংশত সেউজ বিপ্লৱৰ জৰিয়তে খাদ্যশস্যৰ উৎপাদনৰ পৰিমাণ বঢ়াৰ লগে লগে এটা ধনী খেতিয়ক শ্ৰেণীৰ জন্ম হ'ল। নিজৰ স্বাৰ্থৰক্ষাৰ বাবেই ৰাজনৈতিক ক্ষমতা বিচাৰি তেওঁলোকৰ একাংশই সৰ্বভাৰতীয় দলত অৱস্থান কৰিছে আৰু আন একাংশই আঞ্চলিক দলৰ পৃষ্ঠপোষকতা কৰি সন্ত ভিন্দ্ৰানৱলে আৰু বিচ্ছিন্নতাবাদৰ পোষকতা কৰিছে। আজিৰ ভাৰতীয় সমাজৰ সমস্যাবোৰ কেনেদৰে আৰু কিয় সৃষ্টি হৈছে, সেইটো ভালদৰে জানিবৰ বাবে আমি বিকাশৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ বিষয়ে দূৰ আৰু অদূৰ অতীতৰপৰা জনাটো প্ৰয়োজন। অতীতৰ ঘটনাই আজিৰ পৰিস্থিতি জন্ম দিয়াত ভূমিকা লৈছে— আৰু আজিৰ পৰিস্থিতিয়ে আমাৰ বৰ্তমানৰ জীৱনতেই যে ডাঙৰ প্ৰভাৱ পেলাইছে তেনে নহয়, ভৱিষ্যতৰ ক্ষেত্ৰতো ই এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। অতীতক নাজানিলে বৰ্তমানক বুজিব নোৱাৰি, বৰ্তমানক ভালদৰে বুজিব নোৱাৰিলে ভৱিষ্যতক নিয়ন্ত্ৰণ কৰিব নোৱাৰি, আৰু সেয়েই অতীতৰ জ্ঞান, ইতিহাসৰ জ্ঞান অতি প্ৰয়োজনীয় হৈ পৰে। বৰ্তমানৰ পৰিস্থিতিক বুজি পোৱা আৰু ভৱিষ্যতৰ বাবে নিৰ্ভুল পৰিকল্পনা প্ৰস্তুত কৰাৰ প্ৰয়োজনতেই অতীতৰ ইতিহাসৰ চৰ্চাৰ যথাৰ্থতা নিহিত থাকে।

দৰাচলতে অতীত, বৰ্তমান আৰু ভৱিষ্যৎ তিনিটা সুকীয়া আৰু বিচ্ছিন্ন পৰ্যায় নহয়, ইবোৰ এক চলন্ত আৰু সামগ্ৰিক সামজজীৱনৰ আপেক্ষিক ৰূপহে— ই এক জীৱন্ত সম্পূৰ্ণতা— ইয়াৰ এটা পৰ্যায় মৃত হ'বই নোৱাৰে। ইতিহাস বিজ্ঞান মূলতে এৰি অহা দিনবোৰৰ শিক্ষামূলক বিশ্লেষণ যদিও ইয়াৰ গুৰুত্ব আৰু ব্যাপ্তি বৰ্তমানক চেৰাই ভৱিষ্যতলৈকো সম্প্ৰসাৰিত।

ইতিহাস চৰ্চাৰ ক্ষেত্ৰত দুটা প্ৰধান ধাৰাৰ ইতিহাস দেখিবলৈ পোৱা যায়। এটা ধাৰাৰ ইতিহাস হ'ল 'ব্যক্তি ইতিহাস'। এই ধাৰাত ব্যক্তিৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিয়া হয়। একো একোটা ঐতিহাসিক পৰ্যায়ত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা এজন ব্যক্তিক কেন্দ্ৰ কৰি সেই যুগটো চিনাক্ত কৰা হয়, যেনে নাপোলেয়ঁৰ শাসন কালক য়ুৰোপৰ 'নাপোলেয়ঁ যুগ' বুলি অভিহিত কৰা হয়। ৱিল ডুৰাণ্ট, কাৰ্লাইল আদি এই ধাৰাৰ আধুনিক ঐতিহাসিক। এই ঐতিহাসিকসকলে সমগ্ৰ সামাজিক কৰ্মকাণ্ড এনে এজন বিখ্যাত ব্যক্তিক কেন্দ্ৰ কৰি; তেওঁৰ প্ৰতিভা, নিয়ন্ত্ৰণ, কাম আৰু চিন্তা-চৰ্চাৰ পৰিণতিত হোৱা বুলি ব্যাখ্যা কৰে। ইয়াৰ ফল হয় মূলতে দুটা ঃ প্ৰথমে, একোজন ঐতিহাসিক ব্যক্তিক তেওঁৰ যুগৰ পৰিপ্ৰেক্ষিতৰপৰা বিচ্ছিন্ন কৰি খুব ডাঙৰকৈ প্ৰতিষ্ঠা

কৰি পোলোৱা হয় আৰু দ্বিতীয়তে, এনে কৰাৰ ফলত তেওঁৰ ব্যক্তিত্ব আৰু কামৰ বৰ্ণনাৰ আঁৰত সেই যুগৰ সামজজীৱন, সামাজিক শক্তিসমূহ আৰু ৰাইজৰ ভূমিকাৰ কথা ইতিহাসৰ আলোচনাত একেবাৰেই আঁৰ হৈ পৰে। স্বাভাৱিকতেই এনে ইতিহাসে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। ৰজা-মহাৰজা, শাসক ব্যক্তিসকলক কেন্দ্ৰ কৰি যিবোৰ নেতাপ্ৰধান ইতিহাস সচৰাচৰ আমাৰ চকুত পৰে, প্ৰায়বোৰেই এই ধৰণে লেখা ইতিহাস। এনে ইতিহাসে আমাক অতীত সম্পৰ্কে শুদ্ধ শিক্ষা দিব নোৱাৰে আৰু সেয়ে বৰ্তমানক বুজি ভৱিষ্যতৰ বাবে সাজু হোৱাতো আমাক সহায় নকৰে।

দ্বিতীয় ধাৰাৰ ইতিহাস হ'ল সমাজৰ 'শ্ৰমৰ ইতিহাস'। এখন সমাজৰ মানুহবোৰে কেনেদৰে, কি পৰিস্থিতিত, কিবোৰ সম্পৰ্কৰ অধীনত শ্ৰম কৰিছে তাৰ ওপৰতেই সেই সমাজখনত কিমান আৰু কেনেকুৱা উৎপাদন হয় সেইটো নিৰ্ভৰ কৰে। অকল সেয়ে নহয়, এই সম্পৰ্কবোৰে উৎপাদিত সামগ্ৰী কেনেধৰণে আৰু কাৰ স্বাৰ্থত ব্যৱহাৰ হ'ব সেইটোও নিৰ্ণয় কৰে। শ্ৰম আৰু উৎপাদনৰ ওপৰতেই যিহেতু সমাজৰ বিকাশ নিৰ্ভৰশীল, সেয়ে এই দ্বিতীয় ধাৰাৰ ইতিহাস চৰ্চাই আমাৰ আগত সমাজ বিকাশৰ প্ৰকৃত ছবিখন তুলি ধৰে।

কিছু নিৰ্দিষ্ট ঐতিহাসিক উদাহৰণেৰে আলোচনা কৰিলে এই কথাখিনি বুজাত সহায় হ'ব। নাপোলেয়ঁ বনাপাৰ্টৰ উত্থানৰ কাহিনীভাগকে চোৱা যাওক। ফৰাচী বিপ্লৱৰ আগতে ফ্ৰান্সত সম্ৰাট, অভিজাত জমিদাৰ আৰু ওপৰ খাপৰ ধৰ্মযাজকসকলৰ এটা গোটে দেশ শাসন কৰিছিল আৰু দেশৰ খেতিৰ মাটি আৰু আন আন প্ৰাকৃতিক সম্পদ একচেটিয়াকৈ নিয়ন্ত্ৰণ কৰিছিল। ফ্ৰান্সৰ গৰিষ্ঠ সংখ্যক খেতিয়ক প্ৰজা তেওঁলোকৰ ৰায়ত আছিল আৰু এক সামন্তীয় উৎপাদন সম্পৰ্কৰ অধীনত তেওঁলোকে কাম কৰিছিল। খেতিয়কে হাড়ক মাটি, তেজক পানী কৰি কৰা উৎপাদন এই শ্ৰেণীটোৱে নানান সামন্তীয় ব্যৱস্থা আৰু কৰ-কাটলেৰে শোষণ কৰি লাহ-বিলাহত ব্যয় কৰিছিল। নিজৰ হাতত মাটি নথকা সাধাৰণ খেতিয়কসকলে চৰম দাৰিদ্ৰ্যৰ মাজত জীৱন-যাপন কৰিছিল। যেতিয়া সমাজত গঢ়ি উঠা বুৰ্জোৱাজী আৰু বণিক শ্ৰেণীটোৱে এই খেতিয়কসকলৰ সহায়ত অভিজাত আৰু যাজকসকলৰ সামন্ততন্ত্ৰক ফৰাচী বিপ্লৱত ধ্বংস কৰিলে, তেতিয়া খেতিয়কে মাটি পালে আৰু বুৰ্জোৱাসকলে ব্যৱসায়-বাণিজ্যৰ মুক্ত সুবিধা, সামাজিক প্ৰতিপত্তি আৰু শাসনক্ষমতাৰ ভাগ পালে। সমাজত সামন্তীয় সম্পৰ্কৰ অৱসান হৈ নতুন বুৰ্জোৱা উৎপাদন সম্পৰ্কৰ প্ৰতিষ্ঠা হ'ল আৰু লগে লগে প্ৰাচীন বাধা-নিষেধৰপৰা মুক্তি লাভ কৰা ফৰাচী সমাজত কৃষি আৰু

শিল্প-উদ্যোগৰ ক্ষেত্ৰত প্ৰচুৰ উৎপাদন হ'বলৈ ধৰিলে। বিপ্লৱোত্তৰ সামাজিক স্বাধীনতাৰ মুক্ত পৰিৱেশত বিভিন্ন ভাবাদৰ্শ, ৰাজনৈতিক মতবাদ আৰু স্বাৰ্থৰ মুকলি প্ৰতিদ্বন্দ্বিতা চলিল। স্বাভাৱিকতেই চাৰিওফালে বিশৃঙ্খলতাৰ সৃষ্টি হ'ল আৰু বিপ্লৱৰ মাজেৰে জন্ম লোৱা বুৰ্জোৱা ৰাষ্ট্ৰ-ব্যৱস্থাই বহিঃশত্ৰু আৰু আভ্যন্তৰীণ বিশৃঙ্খলতাত নিজকে বচাই ৰাখিবৰ বাবে প্ৰচণ্ড ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ল। এনে পৰিস্থিতিত এই নতুন শ্ৰেণীটোক নেতৃত্ব দিবৰ বাবে এজন শক্তিশালী নেতাৰ প্ৰয়োজনীয়তা আহি পৰিল। ব্ৰিটিছ বুৰ্জোৱাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি ফৰাচী অৰ্থনীতিৰ বাবে কেঁচামালৰ উৎস আৰু বজাৰ দখল কৰিবৰ বাবে এজন দিগ্বিজয়ী বীৰ লাগে। ফ্ৰান্সৰ বুৰ্জোৱা বিপ্লৱৰ পাছত সামাজিক সম্পৰ্কৰ পৰিৱৰ্তনে যি নতুন উৎপাদিকা শক্তিৰ বিকাশৰ বাট মুকলি কৰি দিলে, সেই শক্তিয়ে নিজৰ স্বাৰ্থতে নাপোলেয়ঁ বনাপাৰ্টক সৃষ্টি কৰিলে। এনে এক পৰিস্থিতিয়ে নাপোলয়েঁ নামৰ কৰ্চিকাৰ যুৱকজনৰ পৃথিৱীত যদি জন্মও নহ'লহেঁতেন, তেতিয়া আন এজন তেনে ধৰণৰ নেতাক সৃষ্টি কৰি ল'লেহেঁতেন। এনেদৰেই যুগে যুগে সমাজত উঠি অহা শ্ৰেণীটোৱে নিজস্ব নেতা সৃষ্টি কৰি লয়, যি নেতাই আকৌ নিজস্ব প্ৰতিভাৰে এই শ্ৰেণীটোক আগবঢ়াই লৈ যায়।

ইতিহাসক এনেদৰেই চাব লাগিব। তেতিয়াহে সামাজিক শক্তিবোৰৰ উত্থানৰ লগে লগে হোৱা পৰিৱৰ্তন, বিশেষকৈ শ্ৰম আৰু উৎপাদনৰ সম্পৰ্ক আৰু অৰ্থনীতিৰ পৰিৱৰ্তনে ইতিহাসৰ অগ্ৰগতিৰ মূল সূত্ৰসমূহ কেনেদৰে নিৰ্ণয় কৰে সেই কথা বুজিব পৰা যাব। লগতে সমাজ আৰু ইতিহাসত একোজন বিখ্যাত ব্যক্তিৰ স্থান আৰু ভূমিকাও বুজিব পৰা যাব।

ব্যক্তিৰ জীৱনকাল তেনেই চুটি— তেওঁৰ কাম-কাজৰ মূল্যও মূলতে এটা যুগৰ মাজত সীমাবদ্ধ। কিন্তু এখন সমাজৰ মানুহৰ যৌথ কাম-কাজৰ বা শ্ৰমৰ ফচল হয় যুগ যুগ বিয়পা। আৰু এটা উদাহৰণ চোৱা যাওক; ১৮৫৭ চনৰ আগৰপৰা ১৯৪৭ চনলৈকে এক শতিকাৰ ওপৰ কাল ভাৰতীয় ৰাইজে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে যুঁজি আহিছে; আৰু ভাৰতীয় ৰাইজৰ এই নিৰৱচ্ছিন্ন সংগ্ৰামৰ ফলশ্ৰুতিয়েই হ'ল আমাৰ স্বাধীনতা। এই সংগ্ৰামকালত গঢ়ি উঠা সামাজিক শক্তিবোৰেই বিভিন্ন সময়ত, বিভিন্ন পৰিস্থিতিত বেলেগ বেলেগ নেতাক গঢ়ি তুলিছে। এই নেতাসকল সামাজিক সংগ্ৰামৰ প্ৰক্ৰিয়াটোৰ ফলশ্ৰুতিহে। ব্যক্তিৰ ইতিহাস নহয়, সামাজিক শ্ৰমৰ ইতিহাসহে মানৱসমাজৰ প্ৰকৃত ইতিহাস।

এইখিনিতে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰসঙ্গটো উত্থাপন কৰাৰ আৰু এটা কাৰণ আছে। সমাজ-বিকাশৰ ক্ষেত্ৰত— ইতিহাস গঢ়াৰ ক্ষেত্ৰত ভূমিকা লোৱা সংগ্ৰামবোৰৰ চৰিত্ৰ সম্পৰ্কে কিছু কথা আলোচনা কৰাটো প্ৰয়োজন।

ভাৰতৰ স্বাধীনতা সংগ্ৰাম কিন্তু ফৰাচী বা ৰুছ্ বিপ্লৱৰ দৰে স্পষ্ট শ্ৰেণীসংগ্ৰাম নহয়। আনকি চীনৰ জাতীয় মুক্তি সংগ্ৰামৰ মাজত যিমানখিনি শ্ৰেণীসংগ্ৰামৰ উপাদান আছিল, তেনে উপাদানো ইয়াত বহুত কম আছিল। অথচ এই সংগ্ৰামৰ ফলাফলে ভাৰতবৰ্ষৰ ইতিহাসকেই যে সলাই পেলালে তেনে নহয়, পৃথিৱীৰ বুকুৰপৰা ঔপনিৱেশিক যুগৰ অৱসান ঘটাই এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ সৰু সৰু দেশবোৰৰ স্বাধীনতা লাভৰ ক্ষেত্ৰতো এটা বিৰাট ঐতিহাসিক ভূমিকা পালন কৰিলে। অথচ এই সংগ্ৰাম শ্ৰেণীসংগ্ৰাম প্ৰকৃতাৰ্থত নাছিল, ৰাজনৈতিক মুক্তিৰ লগতে অৰ্থনৈতিক উন্নয়নৰ প্ৰশ্নটো ইয়াত জড়িত হৈ থাকিলেও এই সংগ্ৰাম আচলতে আছিল ঔপনিৱেশিক নিপীড়নৰ বিৰুদ্ধে ভাৰতীয় সমাজৰ প্ৰায় সকলোবোৰ প্ৰধান শ্ৰেণীৰ সন্মিলিত জাতীয় সংগ্ৰাম। ইয়াৰ নেতৃত্বত যদিও সমাজৰ আগবঢ়া শ্ৰেণীবোৰেই স্বাভাৱিকতে আছিল, তথাপি ই আছিল জাতীয় মুক্তিৰ এক সন্মিলিত সংগ্ৰাম।

এই আলোচনাৰ দ্বাৰা এটা কথাকেই স্পষ্ট কৰিব বিচৰা হৈছে যে ইতিহাসক সকলো সময়তে অৰ্থনৈতিক বৈষম্যই জন্ম দিয়া শ্ৰেণীসংগ্ৰামেই গতি নিদিয়ে। কোনো কোনো সময়ত সাধাৰণতে পৰস্পৰবিৰোধী শ্ৰেণীবোৰো একেলগ হৈ কিছুমান সামাজিক আন্দোলনৰ সূত্ৰপাত কৰে যিবোৰে ইতিহাসক গতি দিয়ে। বিশেষকৈ বিদেশী শক্তিৰ বিৰুদ্ধে জাতীয় সংগ্ৰামৰ ক্ষেত্ৰত এই কথা বেছি সত্য। এনে সময়ত শ্ৰেণীবোৰৰ মাজৰ সংগ্ৰাম নাইকিয়া হৈ নাযায়, ই মাত্ৰ এক আশু কাৰ্যসূচীত সকলো সন্মিলিত হোৱাৰ বাবে তাপ মাৰি থাকে। জাতীয় মুক্তি সংগ্ৰামৰ সাফল্যৰ পিছত সেয়ে সমাজত কেতিয়াবা তীব্ৰ শ্ৰেণীসংগ্ৰামে গা কৰি উঠে; বিশেষকৈ যেতিয়া সন্মিলনলৈ অহা শ্ৰেণীবোৰ সচেতনভাৱে শ্ৰেণী ভিত্তিত সংগঠিত হৈ থাকে— যেনে চীন; নাইবা এনেদৰে সংগঠিত অৱস্থাত নাথাকিলে শ্ৰেণীবোৰৰ মেৰু বিভাজন দ্ৰুততৰ হোৱা আৰু ভৱিষ্যৎ শ্ৰেণীসংগ্ৰামৰ ভেটি তৈয়াৰ হোৱা আৰম্ভ হয়— যেনে ভাৰতবৰ্ষ।

সাম্যবাদী ইস্তাহাৰত কোৱা কথাষাৰ— মানৱ সংগ্ৰামৰ বিকাশৰ কাহিনী নিৰন্তৰ শ্ৰেণীসংগ্ৰামৰ ফলশ্ৰুতি ই এটা মূল সত্যৰ সৰলীকৰণ ৰূপহে। সাম্যবাদী ভাৱধাৰা সাধাৰণ মানুহৰ মাজলৈ লৈ যাবলৈ এই কথা ইমান সৰলভাৱে ইয়াক কোৱা হৈছে।

কিন্তু ইয়াৰ সমৰ্থক আৰু বিৰোধীসকলে যেতিয়া কেৱল এই কথাষাৰকে কেন্দ্ৰ কৰি তৰ্কত প্ৰবৃত্ত হয় আৰু মানৱ সমাজৰ বিকাশৰ ঐতিহাসিক প্ৰক্ৰিয়াটোৰ গভীৰলৈ গৈ সকলো দিশ খৰচি মাৰি আলোচনা নকৰে, তেতিয়াই ই ইতিহাস চৰ্চা সম্পৰ্কে সকলো ফালে সহজ বিভ্ৰান্তিৰ সৃষ্টি কৰে।

সামাজিক শ্ৰমৰ ইতিহাসেই যিহেতু মানৱ সমাজৰ প্ৰকৃত ইতিহাস আৰু শ্ৰম বুলিলেই যিহেতু উৎপাদনৰ কাম কৰা আৰু নকৰা শ্ৰেণীবোৰ আৰু তেওঁলোকৰ কামৰ পৰ্যায়ভেদ তথা পাৰস্পিৰক সম্পৰ্কৰ কথা এৰাব নোৱৰা ধৰণে আহি পৰে— গতিকেই শ্ৰমৰ ইতিহাস স্বাভাৱিকতেই সামাজিক শ্ৰেণীবোৰৰ ইতিহাস হ'বলৈ বাধ্য।

মানৱ সমাজৰ শ্ৰমৰ ইতিহাসে কেৱল অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগ্ৰামৰ কাহিনীকেই সামৰি নলয়— ই মানুহৰ জীৱন ধাৰণৰ ক্ষেত্ৰত শ্ৰমৰপৰা উদ্ভৱ হোৱা সকলো দিশ যেনে সামাজিক আচাৰ-নীতি, কলা-কৃষ্টি, ধৰ্ম, বৌদ্ধিক চিন্তা-ভাবনা— অৰ্থাৎ বহল অৰ্থত সাংস্কৃতিক দিশটোকো সমান গুৰুত্বেৰে সামৰি লয়। মানৱ-সমাজৰ সংস্কৃতি যুগ অনুযায়ী সলনি হৈ থাকে, কিয়নো সংস্কৃতি হ'ল এক বিশেষ সমাজ-ব্যৱস্থাত বাস কৰা মানুহখিনিৰ সামগ্ৰিক বৌদ্ধিক ফচলৰ প্ৰকাশ। এই বৌদ্ধিক ফচল কলা, সাহিত্য, গীত-মাত-নৃত্য, চিত্ৰশিল্প, ধৰ্ম, জীৱন ধাৰণৰ ৰীতি-নীতি সকলো দিশতেই সৃষ্টি হয়। যিহেতুকে এক নিৰ্দিষ্ট সমাজ-ব্যৱস্থাত মানুহে এক নিৰ্দিষ্ট অৰ্থনৈতিক সম্পৰ্কৰ অধীনতহে শ্ৰম আৰু উৎপাদন কৰে, গতিকে সেই সমাজৰ সংস্কৃতি স্বাভাৱিকতেই নিৰ্ভৰ কৰে সমাজৰ অৰ্থনৈতিক গঠন আৰু সম্পৰ্কৰ ওপৰত। গতিকে সংস্কৃতিও শেষ বিচাৰত শ্ৰেণী নিৰ্ভৰশীল— প্ৰতি শ্ৰেণীৰ নিজস্ব সংস্কৃতিত সেই শ্ৰেণীৰ জীৱনৰ প্ৰতিফলন হয়। এখন নিৰ্দিষ্ট সমাজৰ শ্ৰমসম্পৰ্কই নিৰ্ণয় কৰে সেই সমাজৰ সাধাৰণ মানুহে কেনেদৰে বাস কৰিব, চিন্তা কৰিব, কিমানখিনি অৱসৰৰ সময় পাব— এই সম্পৰ্কৰ মাজত থকা দ্বন্দ্ববোৰে মানুহক নতুন নতুন দিশত চিন্তা কৰায়।

শ্ৰেণী-বিভক্ত সমাজত বিভিন্ন শ্ৰেণীৰ নিজস্ব সাংস্কৃতিক ধাৰা থাকে যদিও, প্ৰচাৰ মাধ্যম আৰু আনবোৰ দিশতো সমাজত শাসন কৰা প্ৰতিপত্তিশালী শ্ৰেণীটোৰ সংস্কৃতিয়েহে প্ৰাধান্য লাভ কৰে। যেতিয়া সামাজিক দ্বন্দ্ববোৰ প্ৰকট হৈ পৰে আৰু আন এটা শ্ৰেণীয়ে সংগঠিত ৰূপত সংগ্ৰামৰ বাটত আগবাঢ়ে তেতিয়া সমাজত এই শ্ৰেণীটোৰ সংস্কৃতি আৰু চিন্তা-ভাবনায়ো তোলপাৰ লগায়। বস্তুতো সাংস্কৃতিক উপাদানৰ

দেশৰ প্ৰতিপত্তিশালী শ্ৰেণীটোৰ পৃষ্ঠপোষকতাতে জন্ম হয়। যদিও এই উপাদানবোৰৰ কিছুমানে এনেদৰে উৎকৰ্ষ লাভ কৰে যে সেইবোৰ এটা শ্ৰেণীৰ সম্পত্তি হৈ নাথাকি শিল্পীৰ প্ৰতিভাৰ বলত জাতীয় সম্পদলৈ ৰূপান্তৰিত হয়। উদাহৰণস্বৰূপে ভাৰতৰ ৰাগপ্ৰধান উচ্চাঙ্গ সংগীতৰ জন্ম মোগল ৰাজশক্তি বা সামন্তীয় অভিজাতসকলৰ পৃষ্ঠপোষকতাত হ'লেও ই কালক্ৰমত ভাৰতৰ জাতীয় সম্পদ হৈ পৰিছে।

শেষ বিচাৰত দেখা যায় যে মানৱ সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সকলো দিশেই সমাজৰ শ্ৰেণীবিন্যাস আৰু শ্ৰমসম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল। সেয়ে শ্ৰমৰ ইতিহাসেই হ'ল এখন সমাজৰ প্ৰকৃত তথা সাৰ্থক ইতিহাস। আৰু এই আটাইবোৰ দিশকে সামৰি ল'লেহে শ্ৰমৰ ইতিহাসে আকৌ ঐতিহাসিক সাৰ্থকতা লাভ কৰিব পাৰে।

এখন দেশৰ, এটা জাতিৰ ঐতিহাসিক পৰম্পৰাৰো এটা ঐতিহ্য থাকে। এই ঐতিহ্য গঠিত হয় অতীতৰ সমাজবদ্ধ মানুহৰ কৃতিত্ব আৰু বীৰত্বৰ কাহিনী তথা শিক্ষাৰে। এনে ঐতিহাসিক ঐতিহ্যৰ উদাহৰণ হ'ল শোষণ-নিৰ্যাতনৰ বিৰুদ্ধে, মুক্তি আৰু স্বাধীনতাৰ বাবে মানুহৰ চিৰন্তন সংগ্ৰামৰ কাহিনী। ভাৰতৰ ক্ষেত্ৰতেই— ভাৰতীয় জনতাই যুগে যুগে অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছে— কেতিয়াবা এনে সংগ্ৰামবোৰ সফল হৈছে, কেতিয়াবা বিফল হৈছে। এনে সংগ্ৰামবোৰ যেতিয়া উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে হৈছে, তেতিয়া জাতি, ধৰ্ম, ভাষাৰ দেৱালেৰে ভাগ ভাগ হৈ থকা ভাৰতৰ মানুহ একগোট হৈ পৰিছে। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা ৰাইজৰ বিভিন্ন সংগ্ৰামবোৰো উপনিৱেশবিৰোধী সংগ্ৰাম হিচাপে এক সামগ্ৰিক ঐতিহাসিক সত্তাত একাত্ম হৈ পৰিছে আৰু আমাক বৰ্তমান কালত শিক্ষা আৰু ভৱিষ্যতৰ বাবে প্ৰেৰণা দিয়া এক মহান ঐতিহাসিক ঐতিহ্যলৈ পৰিণত হৈছে।

এনে ঐতিহ্য কেৱল অৰ্থনীতি আৰু ৰাজনৈতিক সংগ্ৰামৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়। বৰঞ্চ ই সমাজ-জীৱনৰ সকলো দিশ যেনে কলা-শিল্প, সাহিত্য-সংস্কৃতি আৰু ধৰ্মবিশ্বাসকো সাঙুৰি লয়। অৰ্থনৈতিক ব্যৱস্থা হ'ল সমাজৰ ভেটি, ইয়াৰ ওপৰত গঢ়ি উঠে ৰাজনীতি আৰু সাহিত্য-সংস্কৃতি আদি অন্যান্য দিশ যাক বোলা হয় উপৰিসৌধ। কলা-কৃষ্টি, সাহিত্য, দৰ্শন, ধৰ্ম, এই আটাইবোৰ উপৰিসৌধৰ বস্তু। যেতিয়া মানৱ সমাজৰ অৰ্থনৈতিক ভেটিটোৰ পৰিৱৰ্তন হৈ এটা নতুন উন্নত ভেটি তৈয়াৰ হয়,

তেতিয়া সমাজৰ ইতিহাস খুব দ্ৰুত গতিত আগবাঢ়ে— পৰিৱৰ্তনবোৰ হয় খৰতকীয়া আৰু এইবোৰ কেৱল অৰ্থনৈতিক ভেটিটোতেই সীমাবদ্ধ নাথাকি উপৰিসৌধৰ সকলো দিশলৈ বিয়পি পৰে। অৰ্থনৈতিক ভেটিৰ পৰিৱৰ্তনৰ কাহিনী হ'ল ইতিহাসৰ যুগ পৰিৱৰ্তনৰ কাহিনী। উদাহৰণেৰে গভীৰ আলোচনালৈ নগৈ থোৰতে সামন্তবাদৰপৰা পুঁজিবাদলৈ বাট কটা ফৰাচী বিপ্লৱ, পুঁজিবাদৰপৰা সমাজবাদলৈ বাট কটা ৰুছ বিপ্লৱৰ নাম লৈ থ'লেই যথেষ্ট। এনে ঘটনা ইতিহাসৰ অমোঘ নিয়ম— অৱধাৰিত প্ৰক্ৰিয়া, কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল এই কথাটো বুজি পোৱাটোহে যে এই প্ৰক্ৰিয়াৰ আৰম্ভণি হয় কিন্তু পূৰ্ববৰ্তী সমাজৰ উপৰিসৌধৰ মাজতহে। এই কথাটো অলপ ব্যাখ্যা কৰা প্ৰয়োজন।

সামন্তীয় সমাজৰ গৰ্ভতে ব্যৱসায়ী, বণিক আৰু বুৰ্জোৱা শ্ৰেণী আৰু তেওঁলোকৰ পুঁজিৰ জন্ম হয়। এই পৰিৱৰ্তনৰ লগে লগে প্ৰাচীন সামন্ত শাসক আৰু নতুন ধনী বুৰ্জোৱা শ্ৰেণীৰ মাজত শ্ৰেণী-দ্বন্দ্ব প্ৰকট হয় আৰু আধুনিক বিকাশৰ বাটত বাধা হিচাপে থিয় হোৱা সামন্ত শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামে দানা বান্ধি উঠে। এই সংগ্ৰামৰ বহিঃপ্ৰকাশ প্ৰথমেই অৰ্থনৈতিক ভেটিটোত নঘটি উপৰিসৌধৰ দাৰ্শনিক চিন্তা-চৰ্চা, সাহিত্য, কলা আদিৰ মাজত ঘটে। বুৰ্জোৱাই নিজৰ শ্ৰেণীটোৰ বাবে প্ৰয়োজনীয় দৰ্শন আৰু আদৰ্শৰ সৃষ্টি কৰি লয়। সকলো ধৰণৰ সামাজিক, ধৰ্মীয়, ৰাজনৈতিক, সাংস্কৃতিক বাধা-নিষেধৰপৰা মানুহৰ মন মুক্ত কৰি ব্যক্তি-স্বাতন্ত্ৰ্য আৰু সামাজিক স্বাধীনতা প্ৰতিষ্ঠা হ'ল এই দৰ্শন আৰু আদৰ্শৰ মূল। ব্যক্তি-স্বাধীনতা আৰু ব্যৱহাৰিক যুক্তিবাদ— এয়ে য়ুৰোপৰ উদাৰনৈতিক সমাজ-দৰ্শনৰ মূল কথা যি মানুহক পুৰণি সমাজব্যৱস্থাক বিপ্লৱৰ জৰিয়তে ওফৰাই দি নতুন সমাজ সৃষ্টিৰ বাটত প্ৰেৰণা যোগাইছিল। বিপ্লৱৰ বহু আগতেই ফ্ৰান্সৰ পুৰণি অভিজাত-সামন্তীয় সমাজৰ উপৰিসৌধত এই দাৰ্শনিক আৰু আদৰ্শাত্মক সংগ্ৰামৰ সূচনা হৈছিল। ভলটেৰঁ, ৰুচ' আদিয়ে প্ৰাচীন সমাজৰ ধৰ্ম, চিন্তা-চৰ্চা, শিক্ষা, অন্ধবিশ্বাস, লোকাচাৰ আৰু অৰ্থনীতিক অপ্ৰয়োজনীয় আৰু ক্ষতিকাৰক বুলি নস্যাৎ কৰি নতুন বুৰ্জোৱা সমাজৰ চিন্তাধাৰা, ভাবাদৰ্শ প্ৰতিষ্ঠা কৰা আৰু ইয়াৰ জৰিয়তে সমাজ পৰিৱৰ্তনৰ বাট সুচল কৰাত আগভাগ লৈছিল। আধুনিক যুগতো য়ুৰোপৰ ঔদ্যোগিক সমাজৰ উপৰিসৌধত হোৱা দাৰ্শনিক সংগ্ৰামেই সমাজবাদী সমাজৰ ধাৰণা প্ৰতিষ্ঠা কৰা আৰু শেষত ৰুছ বিপ্লৱৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। এই আলোচনাৰপৰা এটা কথা এতিয়ালৈ স্পষ্ট হৈ পৰিছে যে ইতিহাসৰ চৰ্চা আৰু আলোচনা ক্ষেত্ৰত অৰ্থনৈতিক ভিত্তি আৰু সম্পৰ্কৰ ক্ষেত্ৰত পৰিৱৰ্তন আৰু

ৰাজনৈতিক শ্ৰেণীসংগ্ৰামৰ আলোচনাই কেৱল যথেষ্ট নহয়— সমাজৰ উপৰিসৌধৰ সমগ্ৰ আদৰ্শাত্মক, দাৰ্শনিক, সাংস্কৃতিক আৰু ধৰ্মীয় চিন্তা-ভাৱনা তথা সংগ্ৰামবোৰকো গুৰুত্ব সহকাৰে ইয়াৰ প্ৰকৃত প্ৰেক্ষাপটত আলোচনা কৰাটো প্ৰয়োজন। নহ'লে ইতিহাস-চৰ্চা অসম্পূৰ্ণ হৈ থাকে।

ধৰ্ম আৰু ইতিহাসৰ মাজৰ সম্পৰ্কতো, বিশেষকৈ ধৰ্মৰ ঐতিহাসিক ভূমিকা আৰু গুৰুত্বৰ বিষয়ে এইখিনিতে কিছু কথা বোধকৰো আলোচনা কৰাটো সমীচীন হ'ব। বহু মাৰ্ক্সবাদী ঐতিহাসিকে ধৰ্মক Opium of the masses বা জনসাধাৰণক নিচা লগাই শুৱাই থোৱা আফিং বুলি বৰ সহজভাৱে এটা প্ৰচলিত উক্তিৰ উদ্ধৃতি দি ধৰ্মৰ সামাজিক আৰু ঐতিহাসিক ভূমিকাক উলাই কৰিব খোজে; আনহাতে বিৰোধীসকলেও এই উক্তিটোক মাৰ্ক্সবাদী দৰ্শনৰ এটা আসোঁৱাহ বা ভুল হিচাপে দেখুৱাই ইয়াৰ বিৰোধিতা কৰিবৰ বাবে ব্যৱহাৰ কৰে। এই দুইটা কামেই তৰাং আৰু ভুল কাম। এনে কৰাৰ ফলত ইতিহাসৰ আলোচনাত ধৰ্মৰ প্ৰকৃত ভূমিকাটো ধুৱলী-কুঁৱলী হৈ পৰে।

আদিম লোক-বিশ্বাসৰ ভিত্তিতেই আনুষ্ঠানিক ধৰ্মৰ জন্ম। আদিম লোক-বিশ্বাসবোৰ আকৌ প্ৰকৃতিৰ বুকুত জীৱন ধাৰণৰ ক্ষেত্ৰত মানুহে সন্মুখীন হোৱা অন্তহীন ৰহস্য আৰু খাদ্য তথা যৌনজ উৎপাদনৰ লগত— অৰ্থাৎ শ্ৰমৰ লগত জড়িত। সমাজ-বিকাশৰ ফলত লাহে লাহে যেতিয়া শ্ৰেণীবিভাজন হ'ল, তেতিয়া এটা সুকীয়া পুৰোহিত শ্ৰেণী আৰু আনুষ্ঠানিক ধৰ্মৰো জন্ম হ'ল। ধৰ্ম-বিশ্বাসৰপৰাই এটা সময়ত দৃশ্যমান আৰু অজান পৃথিৱীৰ ৰহস্যৰ ব্যাখ্যা হিচাপে জন্ম পালে বিভিন্ন দৰ্শনে। এনেদৰে গঢ়ি উঠা ধৰ্ম দৰ্শনে একোটা যুগৰ মানুহৰ জীৱনধাৰা, নৈতিকতা, কলা-কৃষ্টি, সামাজিক চেতনা, উৎপাদন প্ৰক্ৰিয়া আৰু চিন্তা-ভাবনাক প্ৰভাৱান্বিত কৰি গঢ় দিবলৈ ধৰিলে। ধৰ্ম, মানুহৰ সমাজ-জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰা জৰিয়তে ই মানুহৰ আধ্যাত্মিক সংস্কৃতিৰ (Spiritual culture) প্ৰকাশ হৈ পৰিল।

অৱশ্যে আনুষ্ঠানিক ধৰ্মক শাসকশ্ৰেণী আৰু এওঁলোকৰ সহযোগী পুৰোহিতসকলে নতুন বৈজ্ঞানিক চিন্তাধাৰাৰ জন্ম আৰু সমাজ পৰিৱৰ্তনৰ বাটত বাধা দিবলৈ অস্ত্ৰ হিচাপে সদায়েই ব্যৱহাৰ কৰি আহিছে। শাসকশ্ৰেণী আৰু সমাজত স্থিতাৱস্থাক বজাই ৰাখিবলৈ ৰজাক ঈশ্বৰৰ অংশ আৰু ৰাজকীয় বা চলিত শাসনক ঈশ্বৰৰ ইচ্ছাপ্ৰসূত বুলি মানুহক ধৰ্মীয় অনুশাসনেৰে ভুলাই ৰাখিবলৈ চেষ্টা কৰি আহিছে। ধৰ্মৰ নামত গণহত্যাকে আদি কৰি বহুতো ভয়াবহ অপৰাধ সংঘটিত হৈ

আহিছে। কিন্তু সমাজত ধৰ্মৰ এইটোৱেই একমাত্ৰ ভূমিকা নহয়, ইয়াৰ বিপৰীত দিশ এটাও আছে। ধৰ্ম নিজেই কেতিয়াবা সমাজ পৰিৱৰ্তনৰ আহিলা আৰু আন্দোলন হৈ পৰিছে। সমাজত ধৰ্মৰ নামত চলা ভণ্ডামি, অন্ধবিশ্বাস আৰু ৰীতি-নীতিৰ বিৰুদ্ধে পৰিৱৰ্তিত সময়ৰ দাবীত একোটা নতুন ধৰ্মৰ জন্ম হৈছে নাইবা এটা ধৰ্মৰ নিজৰ মাজতেই সুদূৰপ্ৰসাৰী সংস্কাৰ হৈছে। এনে ঘটনাই, এনে সংস্কাৰে সমাজক, মানুহক নতুনকৈ আগুৱাই নিছে। উদাহৰণস্বৰূপে, মাৰ্টিন লুথাৰৰ নেতৃত্বত প্ৰটেষ্টাণ্ট খ্ৰীষ্টান ধৰ্মৰ আৰম্ভণি, আৰবৰ মৰুভূমিত ইছলাম ধৰ্মৰ জন্ম আৰু অতি কম সময়ৰ ভিতৰতে পৃথিৱীৰ এক ব্যাপক অঞ্চলত ইয়াৰ দ্ৰুত বিস্তাৰ বা ভাৰতবৰ্ষত জন্ম লোৱা বৌদ্ধ, জৈনধৰ্ম বা হিন্দুধৰ্মৰ মাজত গঢ়ি উঠা ভক্তি আন্দোলনসমূহলৈ আঙুলিয়াব পাৰি। এই ভক্তি-আন্দোলনবোৰ ভাৰতত ইছলাম ধৰ্মৰ প্ৰসাৰৰ প্ৰতিক্ৰিয়াস্বৰূপে যেনেদৰে গঢ়ি উঠিছিল, তেনেদৰে ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ ভেদাভেদ আৰু দুষ্টৰ আচাৰ-নীতিৰ সংকীৰ্ণতা আঁতৰাই মানুহৰ মাজত সমতা সৃষ্টিও এই আন্দোলনবোৰৰ অন্যতম লক্ষ্য আছিল। ইয়াৰ উপৰিও, ইতিহাসৰ কোনো কোনো পৰ্যায়ত ধৰ্ম নিজেই সমাজৰ নিপীড়িত শ্ৰেণীবোৰৰ সংগঠনৰ মঞ্চ হৈ পৰিছিল আৰু সমাজত শ্ৰেণীসংগ্ৰামক তীব্ৰতৰ কৰি তোলাতো সহায় কৰিছিল। আমাৰ অসমতে আহোম ৰাজশক্তিৰ ৰাষ্ট্ৰীয় শ্ৰমশোষণৰ বিৰুদ্ধে মোৱামৰীয়া প্ৰজাই বৈষ্ণৱ ধৰ্মক সংগঠনৰ মঞ্চ হিচাপে ব্যৱহাৰ কৰি আহোম ৰাজশক্তিক বাৰে বাৰে বিপৰ্যস্ত কৰাই নহয়, অসমৰ সমাজ-ইতিহাসৰ গতি ধাৰাই সলনি কৰি দিছিল। ইতিহাসৰ কোনো কোনো পৰ্যায়ত আনুষ্ঠানিক ধৰ্মই এনেদৰে নিজেই সমাজ-পৰিৱৰ্তনৰ আহিলা হৈ পৰা দেখা যায়। ধৰ্মৰ এনে ভূমিকা ঐতিহাসিক কালসাপেক্ষে প্ৰগতিশীল ভূমিকা। ধৰ্মৰ গুৰুত্বপূৰ্ণ সামাজিক আৰু ঐতিহাসিক ভূমিকাৰ এইবোৰেই উদাহৰণ। আজিৰ আৰ্থ-সামাজিক অৱস্থাত ধৰ্মৰ কিবা সামাজিক ভূমিকা অৱশিষ্ট আছে নে নাই সেই বিষয়টো সম্পূৰ্ণ এটা সুকীয়া বিষয়, কিন্তু ধৰ্মৰ ঐতিহাসিক ভূমিকা আৰু গুৰুত্বৰ বিষয়ে গভীৰ আলোচনা অবিহনে কোনোধৰণৰ ইতিহাস চৰ্চায়েই সম্পূৰ্ণ হ'ব নোৱাৰে।

অসমত ইতিহাস-চৰ্চাৰ এটা প্ৰাচীন আৰু সমৃদ্ধ ধাৰা আছে। নানা ধৰণৰ দোষ-ত্ৰুটি থাকিলেও ইতিহাস-চৰ্চাৰ এই ঐতিহ্য আমাৰ সকলোৰে এক গৌৰৱৰ বস্তু। এই ইতিহাস-চৰ্চাৰ পৰম্পৰা এটা থকা বাবেই নানন প্ৰতিকূল সময়ৰ মাজতো অসমীয়া জাতিৰ গঠনৰ কাম আৰু অস্তিত্ব ৰক্ষাৰ সমস্যাত বহুখিনি সহায় হৈ আহিছে।

ইতিহাস সাহিত্যও সেইবাবেই আমাৰ সাহিত্য-জগতত এখন সুকীয়া মৰ্যাদাৰ অসন দখল কৰিবলৈ সক্ষম হৈছে। অসমৰ ইতিহাস-চৰ্চাৰ এই পৰম্পৰাটোৰ বিষয়ে আলোচনা যথেষ্ট কম হৈছে আৰু তাৰ ফলতেই ইয়াৰ প্ৰকৃতি আৰু স্বৰূপ সম্পৰ্কে মানুহৰ মাজত অস্পষ্টতা আছে। অসমত ইতিহাস চৰ্চাৰ যি নিৰৱচ্ছিন্ন পৰম্পৰা আছে সি কিন্তু সকলো সময়তে একে ঠাঁচৰ হৈ থকা নাই। সময় আৰু যুগ পৰিৱৰ্তনৰ লগে লগে বেলেগ বেলেগ ধাৰাত ইতিহাসৰ চৰ্চা অসমত হৈছে। বেলেগ বেলেগ ঐতিহাসিকে সুকীয়া সুকীয়া সময় আৰু পৰিস্থিতিত নতুন নতুন ধৰণে ইতিহাস-চৰ্চাত প্ৰবৃত্ত হৈছে। এনেদৰে জন্ম লাভ কৰা ধাৰাবোৰৰ মাজত চাৰিটা প্ৰধান ধাৰা আমাৰ চকুত স্পষ্টকৈ পৰে। এই চাৰিটা ধাৰা আকৌ অসমৰ সমাজ-জীৱনৰ চাৰিটা পৰ্যায়ৰ লগত ওতপ্ৰোতভাৱে জড়িত। নিবন্ধৰ এই অংশত সাধাৰণভাৱে এই ধাৰাকেইটাৰ বিষয়েই আলোচনা কৰিম।

অসমত নিয়মতান্ত্ৰিকভাৱে ইতিহাস ৰচনাৰ কাম আৰম্ভ হয় আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰাৰ সময়ৰপৰা। তাৰ আগতেই ইতিহাস ৰচনাৰ কোনো ঐতিহ্য ইয়াত নাছিল। সেয়ে প্ৰাক্-আহোম কালছোৱাৰ কোনো ধৰণৰ ইতিহাস আমি নাপাওঁ, যদিও এই কালৰ বহুত প্ৰাচীন কিংবদন্তি, লোক-কথা, লোকাচাৰ আৰু বিশ্বাসৰ কথা আমি জানো। প্ৰত্নতাত্ত্বিক, নৃতাত্ত্বিক আৰু ভগ্নাৱশেষ তথা প্ৰাচীন কিছু শিলালিপি, তাম্ৰশাসন, ফলি, মন্ত্ৰপুথি, তান্ত্ৰিক পুথি, হিৱেন চাং আদিৰ বিৱৰণ আৰু মহাকাব্য দুখনকে ধৰি নানান কাহিনীত থকা কাহিনীত থকা কহিনী আৰু আন সূত্ৰৰপৰা এই কালছোৱাৰ ইতিহাস আমি উলিয়াব লাগে। এই সময়ৰ ইতিহাস ৰচনাৰ কাম-কাজ কিছু চলিছে যদিও বৈজ্ঞানিক প্ৰণালী, বিশ্লেষণ আৰু সংশ্লেষণৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ কালটোৰ ইতিহাস ৰচনাৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই। ৰাজমোহন নাথকে আৰম্ভ কৰি কেইবাজনো ঐতিহাসিকে বিভিন্ন সূত্ৰৰপৰা সমল গোটাই সংকলিত কৰিছে যদিও এই সমলবোৰৰ মাজত বহুত ৰূপকথা আৰু কিংবদন্তিয়ে আলোচনা আৰু বিশ্লেষণ নোহোৱাকৈয়েই ঠাই পাইছে। ফলত এইবোৰৰ ঐতিহাসিক মূল্য কমি গৈছে। প্ৰাচীন লোককথা আৰু কিংবদন্তিও ইতিহাসৰ সমল হ'ব পাৰে যদিহে সেইবোৰক বৈজ্ঞানিক দৃষ্টিভংগী আৰু বৰ্তমানৰ যুগৰ জ্ঞানেৰে বিশ্লেষণ কৰি সিদ্ধান্তমূলক আলোচনা কৰা হয়।

প্ৰাক্-আহোম যুগৰ অসমৰ ইতিহাস এতিয়াও ধুৱলী-কুঁৱলী। আহোমসকলৰ

প্ৰব্ৰজনৰ সময়ৰপৰা শাসকসকলৰ আজ্ঞা আৰু পৃষ্ঠপোষকতাত 'বুৰঞ্জী ৰচনা' বা ইতিহাস-চৰ্চাৰ এই প্ৰথম ধাৰাটোৰ জন্ম হয়। এই ধাৰাক আমি প্ৰাচীন ধাৰা বুলি অভিহিত কৰিব পাৰোঁ। চুকাফাৰ দিনৰপৰাই ৰাজআজ্ঞাত দেশৰ গুৰুত্বপূৰ্ণ-ঘটনাৱলী— বিশেষকৈ দেশ বিজয়, যুদ্ধ-বিগ্ৰহ, নতুনকৈ দখল কৰা দেশ আৰু নকৈ লগ পোৱা মানুহৰ কথা, ৰজা তথা শাসক পৰিয়ালৰ ঘটনাবোৰ লিখি ৰখা হৈছিল। এইবোৰ আছিল প্ৰকৃত অৰ্থত ঘটনাৱলীৰ ৰেকৰ্ড বা ঘটনাপঞ্জী। এইবোৰেই পৰৱৰ্তীকালত বুৰঞ্জী বুলি বিখ্যাত হৈ পৰে। এনেদৰে বুৰঞ্জী লিখাৰ নিয়মতান্ত্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তনেই অসমত ইতিহাস ৰচনা আৰু চৰ্চাৰ গৌৰৱময় পৰম্পৰাৰ আৰম্ভণি।

শাসকশ্ৰেণীৰ পৃষ্ঠপোষকতাত লিখিত এই বুৰঞ্জীসমূহৰ স্বভাৱিকতেই ৰজা-মন্ত্ৰীসকলৰ কাম-কাজেই প্ৰাধান্য পাইছিল। আহোম ৰাজ্যত কালক্ৰমত যেতিয়া পাইক ব্যৱস্থাৰ মাজেদি এটা সামন্ততান্ত্ৰিক শ্ৰেণী গঢ়ি উঠিছিল, তেতিয়া এই শ্ৰেণীৰ সামন্ত প্ৰভুসকলৰ পৃষ্ঠপোষকতা আৰু তত্ত্বাৱধানতো এনেদৰে বুৰঞ্জী লেখাৰ পৰম্পৰা এটা গঢ়ি উঠিবলৈ ধৰিলে। এনেদৰেই একো একোটা পৰিয়ালৰ কাম-কাজৰ বৰ্ণনাপঞ্জী হিচাপে কিছুমান বুৰঞ্জীৰ সৃষ্টি হ'ল। এনে পাৰিবাৰিক বুৰঞ্জীবোৰে মাজে মাজে কিছুমান নতুন কথাৰো সম্ভেদ দিয়ে।

সামন্ততান্ত্ৰিক ৰাজতন্ত্ৰত সাধাৰণতেই সামন্ত-প্ৰভুসকলৰ মাজত বিভিন্ন জোঁটবন্ধন আৰু মিত্ৰতা গঢ়ি উঠে আৰু এনে গোটবোৰে দেশৰ ক্ষমতা দখলৰ বাবে একো একোজন ৰাজকুমাৰ বা সিংহাসনৰ দাবীদাৰক আগত লৈ ক্ষমতাৰ প্ৰতিদ্বন্দ্বিতাত লিপ্ত হয়। ই সামন্তীয় ৰাজতন্ত্ৰৰ এটা সাধাৰণ আৰু সাৰ্বজনীন লক্ষণ। অসমৰ ইতিহাসতো এনে ঘটনা ঘটিছিল ঃ আতন বুঢ়াগোহাঁই, দেবেৰা বৰবৰুৱা, লালুকসোলা বৰফুকন, কীৰ্তিচন্দ্ৰ বৰবৰুৱা আদি বিষয়াসকলে ৰজা ভঙা-পতা কৰা আৰু দেশৰ প্ৰকৃত ক্ষমতা নিয়ন্ত্ৰণৰ কাহিনী সকলো বুৰঞ্জীতেই আছে। এনে গোটবোৰৰ মাজৰ দ্বন্দ্বৰ প্ৰতিফলন কেতিয়াবা বুৰঞ্জীবোৰতো পৰে, আনকি কীৰ্তিচন্দ্ৰ বৰবৰুৱাক হেনস্থা কৰিবলৈ তেওঁৰ বিৰোধী বিষয়াসকলে 'চকৰিফেটি' নামৰ বুৰঞ্জী এখনো ৰচনা কৰে বুলি জনা যায়। ইয়াৰ ফলশ্ৰুতিতেই কীৰ্তিচন্দ্ৰই বুৰঞ্জী দাহ কৰিছিল। এনে বুৰঞ্জীবোৰৰ মাজত কেতিয়াবা প্ৰতিদ্বন্দ্বীৰ বিৰোধী কথা লেখোতে সময়ত দেশৰ ঘটনাৰ সঁচা ছবিখনো ওলাই পৰে। (বিতৰ্কমূলক 'চকৰিফেটি' বুৰঞ্জীখন সম্পূৰ্ণভাৱে হেৰাই যোৱা বুলি ভবা হৈছিল, কিন্তু ড° লীলা গগৈয়ে তেখেতৰ 'বেলি মাৰ গ'ল' নামৰ কিতাপত সাঁচিপতীয়া চকৰিফেটি বুৰঞ্জী এখন চোৱা বুলি গ্ৰন্থপঞ্জীত

উল্লেখ কৰিছে।)। বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জী, শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ তুংখুঙীয়া বুৰঞ্জী আদি পুথিবোৰ মূলতে এনেধৰণৰ পাৰিবাৰিক বুৰঞ্জীহে।

এনেদৰে লেখা বুৰঞ্জীবোৰৰ উপৰি সেই যুগটোৰ কথা আন কিছুমান সূত্ৰৰপৰাও জনা যায়। বিশেষকৈ অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সময়ৰপৰা লিপিবদ্ধ হোৱা গুৰুচৰিত পুথিবোৰৰ মাজতো বহু ঐতিহাসিক উপাদান আছে। বহু প্ৰাচীন সত্ৰ-সংগঠন আদিৰো নিজা বুৰঞ্জী আৰু বংশাৱলী আছে। ইয়াৰ উপৰিও ৰজাঘৰীয়া দলিল, পেৰাকাকত, পিয়ল হিচাপ, নথিপত্ৰ আদিও এই প্ৰাচীন ধাৰাৰ ঐতিহাসিক সমলৰ ভিতৰতেই পৰে। সেই সময়ত আহোম ৰজাৰপৰা কাষৰীয়া ৰাজ্যৰ ৰজাসকললৈ দিয়া শুভেচ্ছামূলক আৰু কূটনৈতিক চিঠি-পত্ৰ, চুক্তি বা সন্ধি-পত্ৰ এইবোৰেও বহু ঐতিহাসিক সমলৰ যোগান ধৰে আৰু সেই যুগটোৰ বিষয়ে এটা ঐতিহাসিক অন্তৰ্দৃষ্টি লাভ কৰাত সহায় কৰে।

অসমৰ এই প্ৰথম ইতিহাস-চৰ্চাৰ ধাৰাটোৰ কিছুমান দুৰ্বলতা আছে; অৱশ্যে এই দুৰ্বলতা বা ঘাটিসমূহ থকাটো স্বাভাৱিক। শাসকগোষ্ঠী আৰু মুখিয়াল লোকসকলৰ তত্ত্বাৱধানত নাইবা ধৰ্মগুৰুসকলৰ বংশ বৰ্ণনা কৰি লেখা এই বুৰঞ্জীবোৰত সাধাৰণ মানুহৰ সমাজখনৰ কথা প্ৰায় নায়েই। মুখ্য লোকসকলৰ ঘটনা আৰু কথা বৰ্ণনা কৰোঁতেহে মাজে মাজে সাধাৰণ প্ৰজাৰ কথা তাত সোমাই পৰিছে। কোনো কোনো ক্ষেত্ৰত এনে কিছুমান ঘটনাৰ বৰ্ণনা আৰু এনে কিছুমান তথ্য ইয়াত পোৱা যায় যিবোৰে অৱশ্যে সমাজৰ ওপৰত এক গভীৰ অন্তৰ্দৃষ্টি দান কৰে।

আমাৰ অসমৰ যিসকল ঐতিহাসিকে অসমৰ মধ্যযুগটোৰ ওপৰত লেখা-মেলা; চৰ্চা কৰে, তেওঁলোকে সাধাৰণতে প্ৰাচীন বুৰঞ্জীৰ ঘটনা আৰু তথ্যবোৰক নকৈ সজাই-পৰাই ৰহণ সানি সংকলন আৰু উপস্থাপন কৰে। আজিৰ মানৱ সমাজৰ জন্ম, বিকাশ, বিৱৰ্তন সম্পৰ্কে আমি যি সমাজবিদ্যাৰ জ্ঞান লাভ কৰিছোঁ, তাৰ সহায় লৈ অতীতৰ তথ্যবোৰক বৈজ্ঞানিকভাৱে বিশ্লেষণ কৰিবলৈকো তেওঁলোক আগ্ৰহী নহয়। বৰ্তমানৰ বিজ্ঞান আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈকো কুণ্ঠিত আৰু অপাৰগ। ফলত তেওঁলোকৰ ইতিহাস-চৰ্চা 'নতুন বটলত পুৰণা মদ'ৰ লেখীয়া হয় ঃ খোলাটো মাথোন নতুন, কথা সেই আওপুৰণি সিদ্ধান্তসোপাই। অৱশ্যে তেওঁলোকৰ দৃষ্টিভংগী বহুক্ষেত্ৰত ঐতিহাসিকভাৱে সীমাবদ্ধ হ'বলৈ বাধ্য। ইয়াৰ কাৰণৰ উমান আমি পাছৰ দুটা ইতিহাস-চৰ্চাৰ ধাৰাৰ বিষয়ে আলোচনা কৰোঁতে পাই যাম।

১৮২৬ চনত ইয়াণ্ডাবু চুক্তিৰ পাছত অসম ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পেনীৰ

তলতীয়া হয়। তেতিয়াৰ পৰাই লাহে লাহে সমগ্ৰ অসমত ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰম্ভ হয়। ১৮৫৭ চনৰ পাছত সমগ্ৰ ভাৰতৰ লগতে অসমো কোম্পেনীৰ তলৰপৰা প্ৰত্যক্ষভাৱে ব্ৰিটিছ শাসনৰ অধীন হয়। তেতিয়াৰপৰাই সাম্ৰাজ্যবাদী প্ৰয়োজন আৰু পৃষ্ঠপোষকতাত অসমৰ বুকুত এটা ইতিহাস-চৰ্চাৰ সুকীয়া ধাৰাৰ জন্ম হয়। এই ধাৰাটোক আমি বহলভাৱে ঔপনিৱেশিক ধাৰা বুলি অভিহিত কৰিব পাৰোঁ। এই ধাৰাটোৰ জন্মৰ কাৰণ আৰু ইয়াৰ লক্ষণ বৰ বিচিত্ৰ আছিল।

আন বহুতৰ দৰে এই লেখকেও আগতে এটা সৰল মন্তব্য কৰিছিল যে ইংৰাজ চাহাবসকলে উপনিৱেশ গঢ়ি তোলা, শাসন আৰু শোষণ কৰাৰ স্বাৰ্থতেই ইতিহাস-চৰ্চা আৰু ৰচনা কৰিছিল। কথাটো মূলতে সঁচা। কিন্তু, ইয়েই এই বিষয়ে একমাত্ৰ কথা নহয়। ইংলেণ্ডৰ মধ্যবিত্ত শ্ৰেণীৰ যিসকল বিষয়াই উপনিৱেশবোৰত চাকৰি কৰিবলৈ আহিছিল, তেওঁলোকে সেই সময়ৰ য়ুৰোপৰ উদাৰনৈতিক আৰু মানৱতাবাদী দৰ্শনৰ লগতে ইংৰাজ জাতিৰ অনুসন্ধিৎসা আৰু জ্ঞান-পিপাসাৰ বীজো কিছু পৰিমাণে কঢ়িয়াই আনিছিল। কেৱল অসমতেই নহয়; সমগ্ৰ ভাৰততে এনে বহুতো বিষয়াই ইতিহাস, প্ৰত্নতত্ত্ব আৰু পুৰাতত্ত্ব সম্পৰ্কীয় এনে বহুমূলীয়া কাম কৰি গ'ল— যি ভাৰতৰ বুকুত এই দিশত আধুনিক চিন্তা-চৰ্চাৰ সূচনা কৰিলে। চাকৰিৰ দায়ত কৰা কামতকৈ এই অৱদান বেলেগ ঃ অৱশ্যে তেওঁলোকৰ গৱেষণা আৰু পৰিশ্ৰমৰ ফলাফল আকৌ ভাৰত তথা অসমত ঔপনিৱেশিক শাসনক দৃঢ় কৰাৰ কামত খটুওৱা হৈছিল। ঔপনিৱেশিক প্ৰশাসনে নিজৰ স্বাৰ্থতেই এই ব্যক্তিসকলৰ ইতিহাস অনুসন্ধানক উৎসাহ দিছিল আৰু পৃষ্ঠপোষকতা কৰিছিল। এনেদৰেই তেওঁলোকৰ ব্যক্তিগত সততা ঔপনিৱেশিক স্বাৰ্থৰ মাজত বিলীন হৈ গৈছিল।

ব্ৰিটিছ শাসন গঢ়ি তোলা আৰু তাক ৰক্ষা কৰা তথা লাভজনক কৰি তোলাৰ খাতিৰতেই অধিকৃত অঞ্চলবোৰৰ অতীত ইতিহাস, সমাজৰ গঠন, অৰ্থনীতি, ৰাজনীতি, সামাজিক আৰু অৰ্থনৈতিক সম্পৰ্ক তথা ধৰ্মবিশ্বাসৰ বিষয়ে শাসকসকলে জনাটো প্ৰয়োজন হৈ পৰিছিল। চিৰাচৰিত ব্ৰিটিছ নিয়মতান্ত্ৰিকতাৰে সেয়ে ঔপনিৱেশিক বিষয়া আৰু সামৰিক নেতাসকলে এইবোৰ অঞ্চলৰ বিষয়ে সকলো ধৰণৰ তথ্য-পাতি সংগ্ৰহ কৰা আৰু সেইবোৰ লিখি ৰখাৰ কাম হাতত লৈছিল। এই তথ্যবোৰৰ ওপৰত ভিত্তি কৰিয়েই ঔপনিৱেশিক স্বাৰ্থৰ অনুকূলে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সিদ্ধান্তবোৰ গ্ৰহণ কৰা হৈছিল। বেছি গভীৰ উদাহৰণৰ মাজলৈ নগৈ অসমৰ প্ৰাথমিক ৰাজস্ব প্ৰশাসনৰ ব্যৱস্থালৈ চালেই এই কথাৰ সত্যতা ধৰিব পাৰি। ব্ৰিটিছে অসম দখল

কৰাৰ পাছত প্ৰথমে নামনি আৰু তাৰ পাছত মধ্য আৰু উজনি অসমত দেশৰ কৃষি আৰু কৃষি-অৰ্থনীতি সম্পৰ্কে জৰীপ আৰু অধ্যয়ন কৰিছিল। বিভিন্ন সামাজিক সম্পৰ্কবোৰো পৰীক্ষা কৰিছিল। তেওঁলোকে দেখিবলৈ পাইছিল যে অসমৰ সামন্তীয় অৰ্থনীতি মূলতে খাজনা শোষণতকৈ ৰায়ত পাইকৰ শ্ৰম শোষণৰ ওপৰত নিৰ্ভৰশীল। নগদ পইচাৰ সলনি সামন্ত প্ৰভুসকলে তলতীয়া প্ৰজাৰপৰা শ্ৰম গ্ৰহণ কৰিছিল। স্বাভাৱিকতেই এনে অৰ্থনীতিৰ মাজত ৰাজহ সংগ্ৰহৰ বাট কম। ব্ৰিটিছে সেয়ে লাহে লাহে এনে কিছুমান ব্যৱস্থা ল'লে যাৰ ফলত দেশত সৰু সৰু অথচ স্বতন্ত্ৰৰীয়া খেতিয়কৰ বহল সমাজ এখন গঢ়ি উঠে, কৃষিৰ উৎপাদন বাঢ়ে আৰু এওঁলোকৰ ওপৰত ৰাজহ লগাই ঔপনিৱেশিক শোষণ চলোৱা সহজ হয়। প্ৰথমে তেওঁলোকে মোৱামৰীয়া গণ-অভ্যুত্থান আৰু মানৰ আক্ৰমণত ভাগি যোৱা পাইক আৰু খেল ব্যৱস্থা পুনৰ প্ৰচলন হ'বলৈ নিদিলে, ধনী মানুহৰ ঘৰত থকা বন্ধা, গোলাম আদি ক্ৰীতদাসবোৰক মুকলি কৰি দিলে আৰু সৰু সৰু একোখণ্ড ৰুপিত মাটিত খেতিয়কসকলে চৰকাৰক কৰ দি খেতি কৰিব পৰা ব্যৱস্থা কৰিলে। তাৰ পাছতে এনে কৰ তুলিবলৈ একো একোটা মৌজা সৃষ্টি কৰি বন্দৱস্তী আৰু নিযুক্তি ভিত্তিত একোজন এজেণ্ট বা মৌজাদাৰক নিয়োজিত কৰিলে।। ব্ৰিটিছ শক্তিৰ ওপৰত জন্মৰপৰাই নিৰ্ভৰশীল এই লোকসকল ঔপনিৱেশিক সামন্ত শোষণৰ স্থানীয় খুঁটি হৈ পৰিল। এয়ে ৰায়তৱাৰী ব্যৱস্থা। এই ব্যৱস্থা গঢ়ি তোলাৰ ফলত ক্ৰমাগতভাৱে খেতিয়ক প্ৰজাক খাজনা শোষণৰ বাট মুকলি হ'ল। ইয়াকে কৰিবলৈ যাওঁতে প্ৰায় পাঁচ দশক ধৰি যিবোৰ অনুসন্ধান, জীৰপ, পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছিল, যিবোৰ ৰিপ'ৰ্ট প্ৰস্তুত কৰা হৈছিল— সেইবোৰ আজি গুৰুত্বপূৰ্ণ ঐতিহাসিক সমল হৈ পৰিছে।

এই ঔপনিৱেশিক ধাৰাৰ ইতিহাস ৰচনাৰ আন এটা দিশ আছিল। ইংৰাজসকলে তথা য়ুৰোপে যিসময়ত ভাৰতবৰ্ষক আৱিষ্কাৰ কৰিলে সেই সময়ত ভাৰতৰ সমাজ ব্যৱস্থা অত্যন্ত পশ্চাৎপদ হৈ পৰিছিল; জাত-পাত আদি এশ এটা ভাগ বিভেদেৰে বিভক্ত আছিল ভাৰতীয় সমাজ। য়ুৰোপৰ সেই উত্থানৰ যুগত স্বাভাৱিকতেই ভাৰত সম্পৰ্কে এটা তাচ্ছিল্য আৰু অৱজ্ঞাৰ মনোভাব এহাতে যেনেদৰে প্ৰকাশ পাইছিল, আনহাতে তেনেদৰে প্ৰাচীন ভাৰতীয় দৰ্শন আৰু আধ্যাত্মিকতাক প্ৰশংসাৰ দৃষ্টিৰে চোৱা হৈছিল। ভাৰতীয় আধ্যাত্মিক দৰ্শনক তাৰ জাগতিক ভিত্তিৰপৰা বিচ্ছিন্ন কৰি বহুত ওখৰ কিবা এটা অতীন্দ্ৰিয় বস্তু হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। এনে কামৰ ফলত এহাতে প্ৰাচীন দৰ্শনক ভাল বুলি কিছু লোকক, বিশেষকৈ বুদ্ধিজীৱীসকলক ফুচুলাই থোৱা হ'ল

আৰু আনহাতে বাকী সকলো ভাৰতীয় বস্তুকেই যুৰোপ আৰু ব্ৰিটিছৰ তুলনাত বেয়া আৰু হীন বুলি প্ৰতিপন্ন কৰিবলৈ বিচৰা হ'ল। ইয়াৰ ফলো হ'ল। ভাৰতীয় বহুতেই নিজৰ প্ৰাচীন ঐতিহ্যক সম্পূৰ্ণ বাদ দি ইংৰাজৰ বহতীয়া দালাল হৈ পৰিল। ঔপনিৱেশিক আৰু সাম্ৰাজ্যবাদী ইতিহাস ৰচনাৰ এই ধাৰা অসমতো চাহাব ঐতিহাসিকসকলৰ মাজত দেখা যায়। পদ্মনাথ গোহাঞিবৰুৱা, হলিৰাম ঢেকিয়াল ফুকন আদিয়েও ইয়াৰে প্ৰতিধ্বনি তোলাৰ চেষ্টা কৰিছিল। চাহাব শাসকসকলে লেখা অসমৰ ইতিহাসবোৰত প্ৰধানতে সেয়ে ৰজা, ৰাজ-পৰিয়াল আৰু শাসকসকলৰ কাম-কাজৰ বৰ্ণনাই মূল ঠাই পালে আৰু এই বৰ্ণনাৰ মাজেৰে মহাৰাজ ৰুদ্ৰসিংহ আৰু দুই-এজন ৰজাৰ ব্যতিক্ৰমে আন সকলো শাসককে নিষ্ঠুৰ, অবিবেচক, পশ্চাৎপদ, অত্যাচাৰী, স্বৈৰাচাৰী বুলি প্ৰতিপন্ন কৰিবলৈ বিচৰা হ'ল। ইয়াৰ বিপৰীতে নকৈ প্ৰতিষ্ঠিত ব্ৰিটিছ ঔপনিৱেশিক শাসন, শাসক আৰু ৰজাৰ গুণানুকীৰ্তন কৰি অসমৰ ৰাইজে যে এই ঔপনিৱেশিক শোষণ প্ৰতিষ্ঠাৰ বাবে ব্ৰিটিছৰ ওচৰত চিৰকৃতজ্ঞ থকা উচিত— এনে এক স্পৰ্ধাসূচক মনোভাব গঢ় দিয়াৰ চেষ্টা কৰা হ'ল।

ঔপনিৱেশিক শাসকসকলৰ এনে শিক্ষাৰ বীজ আজিও আমাৰ অসমৰ বহু ঐতিহাসিকৰ লেখাৰ মাজত স্পষ্টকৈ দেখিবলৈ পোৱা যায়। চাহাব গুৰুসকলে যিমানখিনি অতীত অসম সম্পৰ্কে অনুসন্ধান আৰু বিশ্লেষণ কৰি গ'ল, যিবোৰ সিদ্ধান্ত তেওঁলোকে দি গ'ল, সেইবোৰতকৈ অধিক বিশ্লেষণ কৰা আৰু নতুন সিদ্ধান্তলৈ অহাৰ সাহস তেওঁলোকৰ নাই। যদি ক'ৰবাত কোনোবা চাহাবে কোনো এজন অসমৰ ৰজাক অত্যাচাৰী বুলি বৰ্ণাই গৈছে, তেন্তে আজিও এই ঐতিহাসিকসকলে তাকেই দোহাৰে। নিজৰ দেশৰে এসময়ৰ এজন শাসকৰ কাম-কাজৰ সেই সময়ৰ সমাজ বাস্তৱৰ অধ্যয়নৰ জৰিয়তে সততাৰে বিশ্লেষণ কৰিবলৈ তেওঁলোকে নিবিচাৰে।

চাহাব ঐতিহাসিকসকলৰ ব্যক্তিগত জ্ঞান-পিপাসা, উদাৰতা আৰু অনুসন্ধিৎসাৰ কথা বাদ দিলে ঔপনিৱেশিক কালছোৱাত গঢ়ি উঠা ইতিহাস-চৰ্চাৰ সমগ্ৰ ধাৰাটোৱেই ঔপনিৱেশিক স্বাৰ্থৰক্ষাৰ কামতেই গঢ়ি উঠিছিল আৰু নিয়োজিত হৈছিল। অসমৰ ঔপনিৱেশিক ইতিহাসো এনে। ঔপনিৱেশিক শাসকৰ ছত্ৰছায়াত এই সময়ত অসমৰ সমাজত প্ৰতিষ্ঠা লাভ কৰা অসমীয়া বুৰঞ্জীবিদসকলো স্বাভাৱিক কাৰণেই সেয়ে শাসকশ্ৰেণীৰ প্ৰশংসাত পঞ্চমুখ আছিল। মোৱামৰীয়া প্ৰজা অভ্যুত্থান আৰু তাৰ পাছত মানৰ আক্ৰমণত থান-বান হোৱা অসমীয়া সমাজখনক উদ্ধাৰ কৰা বুলি ব্ৰিটিছৰ

বিষয়ে তেওঁলোক প্ৰশংসাত পঞ্চমুখ হৈ পৰিছিল। ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জাতীয় স্বাধীনতা বিচাৰি প্ৰতিৰোধৰ পতাকা উৰুওৱা গদাধৰ কোঁৱৰ, গমধৰ কোঁৱৰ, পিয়লি ফুকন, উতিৰৎ সিংহ আদিৰ সংগ্ৰামক তেওঁলোকে খোলাখুলিকৈ গৰিহণা দিছিল। ইয়াৰ বিপৰীতে অসমৰ খেতিয়ক সমাজক ক্ৰমবৰ্ধমান খাজনা শোষণেৰে শুহি পেলোৱা আৰু অসমত কানিৰ বেপাৰ মেলি অসমীয়া জাতিক কানীয়া, সোৰোপা, নিচাগ্ৰস্ত কৰি ঔপনিৱেশিক ৰাজকোষ পূৰণ কৰাৰ প্ৰচেষ্টা তেওঁলোকে দেখা নাছিল। এই ক্ষেত্ৰত বহু সময়ত তেওঁলোকে ব্ৰিটিছক বিশেষকৈ খাজনা সংগ্ৰহত সহায়হে কৰিছিল। পদ্মনাথ গোহাঞিবৰুৱা আৰু মণিৰাম দেৱানৰ কাম-কাজ আৰু লেখাত এই দিশ দেখা পোৱা যায়। ১৮৫৭ চনৰ প্ৰথম ভাৰতীয় স্বাধীনতা যুঁজৰ সক্ৰিয় অংশীদাৰ হৈ পৰা মণিৰামৰ ঐতিহাসিক অৱস্থান শেষলৈ সলনি হৈছিল, কিন্তু সেয়া এটা সুকীয়া প্ৰসংগ।

ঔপনিৱেশিক কালছোৱাতে খ্ৰীষ্টান মিছনেৰীসকলৰ উদ্যোগত উজনি অসমত অসমীয়া ভাষা ৰক্ষা, চৰ্চা, বিকাশ আৰু অসমৰ ইতিহাস-চৰ্চাৰ কাম-কাজ ভালদৰেই আৰম্ভ হৈছিল। কিন্তু 'অৰুনোদই'ৰ মিছনেৰীসকলৰ ইতিহাস-চৰ্চা ঔপনিৱেশিক শাসনৰ স্বাৰ্থ ৰক্ষাৰ কামতেই নিয়োজিত আছিল। নতুন কিছু তথ্য থাকিলেও নতুন অন্তৰ্দৃষ্টি এই চৰ্চাৰ মাজত নাছিল। খোলাখুলিকৈয়ে এওঁলোকে শাসক শ্ৰেণীৰ গুণগান কৰিছে আৰু অসমৰ ৰাইজৰ ঔপনিৱেশিক শোষণবিৰোধী সংগ্ৰামবোৰক গৰিহণা দিছে। ব্ৰিটিছৰ বিৰোধিতা নকৰি শাসকৰ তলতীয়া হৈ থাকিবলৈ দিয়া উপদেশৰো অভাৱ নাই। মৰ্মবস্তুৰ দিশৰপৰা 'অৰুনোদই'ৰ ইতিহাস-চৰ্চাই ঔপনিৱেশিক ধাৰাকেই সমৃদ্ধ কৰিছিল।

ঔপনিৱেশিক যুগত অসমৰ ইতিহাস ৰচনা কৰা এজন ঐতিহাসিকৰ কাম-কাজৰ ওপৰত কিছু মন্তব্য কৰা এইখিনিতেই প্ৰয়োজন। এওঁ হ'ল ছাৰ এডৱাৰ্ড গেইট। অসমৰ আধুনিক ইতিহাস চৰ্চাৰ ক্ষেত্ৰত তেওঁ বাটকটীয়াৰ কাম কৰি গৈছে। তেওঁৰ 'অসম বুৰঞ্জী' বোলা কিতাপখন মূলতে ঔপনিৱেশিক স্বাৰ্থ আৰু পৰিৱেশতেই ৰচনা কৰা; ৰজা-মহাৰাজৰ বৰ্ণনায়েই ইয়াত প্ৰাধান্য পাইছে, দৃষ্টিভংগীও একেই, তথাপি তথ্যৰ প্ৰাচুৰ্য, প্ৰায় সকলো দিশৰ ওপৰত আলোকপাত কৰিব পৰা গুণ আৰু কিছু পৰিমাণে ইংলণ্ডৰ বুৰ্জোৱা উদাৰনৈতিক চিন্তাধাৰাৰ চাপে এই ৰচনাক এক বিৰল ঐতিহাসিক গুৰুত্ব প্ৰদান কৰিছে। গেইটে লিখি যোৱাতকৈ সেই যুগৰ অসমৰ ইতিহাস

ৰচনাৰ কামত ড° সূৰ্য্যকুমাৰ ভূঞাৰ বাদে আন কোনেও অধিক তথ্যসমৃদ্ধ আৰু গভীৰ কাম কৰিবলৈ সক্ষম হোৱা নাই।

ঔপনিৱেশিক শাসনকালৰ শেষৰ ফালে অসমত (ভাৰততো) ইতিহাস-চৰ্চাৰ এটা নতুন ধাৰাৰ জন্ম হয়। সেই সময়লৈ সমগ্ৰ ভাৰতবৰ্ষজুৰি ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে জাতীয় স্বাধীনতাৰ সংগ্ৰামবোৰ গঢ় লৈ উঠিছে। এই সময়ত এই সংগ্ৰামৰ তাগিদাতেই অতীতক নতুনকৈ চোৱাৰ প্ৰয়োজন আহি পৰিল। ব্ৰিটিছসকলৰ বিৰুদ্ধে যুঁজ কৰিবলৈ প্ৰয়োজন হ'ল অতীতৰ অনুপ্ৰেৰণা। ব্ৰিটিছ ঔপনিৱেশিক ইতিহাস-চৰ্চাৰ ধাৰাই ভাৰতৰ অতীতক এক অন্ধকাৰাছন্ন যুগ বুলিয়েই চিহ্নিত কৰি গৈছে। অশোক, আকবৰ আদি কেইজনমান মুষ্টিমেয় ৰজাৰ শাসনকালৰ বাহিৰে ভাৰতৰ অতীতত কোনো গৌৰৱময় ঐতিহ্য নাইকিয়া বুলিয়েই প্ৰতিপন্ন কৰিব বিচাৰিছে। ব্ৰিটিছ শাসনেহে ভাৰতত আধুনিক সভ্যতাৰ পোহৰ পেলাই ভাৰতবাসীক উদ্ধাৰ কৰিলে বুলি ক'বলৈ প্ৰয়াস কৰিছে। ইয়াৰ বিপৰীতে ভাৰতবাসীৰ মাজত আত্মগৌৰৱ আৰু সাহস যোগাবৰ বাবে অতীতৰ গৌৰৱোজ্জ্বল কাহিনী আৰু বীৰত্ব গাথাবোৰক তুলি ধৰি নকৈ ইতিহাসক চোৱাৰ প্ৰয়োজন আহি পৰিল। বহু ঐতিহাসিকে এই সময়ত নতুনকৈ ইতিহাস-চৰ্চা আৰম্ভ কৰিলে, ভাৰতৰ প্ৰাক্-ব্ৰিটিছ যুগটোক স্বৰ্ণ যুগ বুলি অভিহিত কৰি এওঁলোকে ঔপনিৱেশিক শাসনবিৰোধী ইতিহাস লেখাৰ কামত ব্ৰতী হ'ল। এওঁলোকৰ লিখনিতো মূলতে ৰজা-মহাৰজাসকলৰ কাহিনীয়েই ঠাই পালে যদিও ব্ৰিটিছ বিৰোধী সংগ্ৰামবোৰেও ঠাই পালে। অসমতো ইতিহাস-চৰ্চাৰ এই ধাৰাটো আৰম্ভ হ'ল। ঔপনিৱেশিক যুগৰ মাজতেই ইতিহাস-চৰ্চা আৰম্ভ কৰা ড° সূৰ্য্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা আদিৰ লেখনি সলনি হ'ল। ভাৰতীয় জনতাৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ জাগৰণে তেওঁলোকৰ ইতিহাস-চৰ্চাক এটা নতুন ধাৰা দিলে। ঔপনিৱেশিক মানসিকতাৰ বহু অৱশেষ ৰৈ গ'লেও এই ধাৰাটোৱে অসমত অসমৰ জাতীয় গৌৰৱ প্ৰতিষ্ঠাৰ বাবে ইতিহাস-চৰ্চাৰ কাম আৰম্ভ কৰিলে। ফলশ্ৰুতিত ইতিহাস-চৰ্চাৰ যিটো ধাৰাৰ জন্ম হ'ল, তাক আমি জাতীয়তাবাদী ধাৰা বুলি ক'ব পাৰোঁ। সমগ্ৰ ভাৰতৰ লগতে অসমতো ৰাইজৰ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় সংগ্ৰামৰ ফলশ্ৰুতিত ইতিহাস-চৰ্চাৰ এই জাতীয়তাবাদী ধাৰাটোৰ সূচনা হ'ল।

জাতীয়তাবাদী ধাৰাত অসমত যি ইতিহাস-চৰ্চা আৰম্ভ হ'ল, তাৰ মাজত জাতীয়

গৌৰৱ উদ্ধাৰৰ লগতে পুনৰুত্থানবাদৰ প্ৰৱণতাবোৰ স্পষ্টকৈ প্ৰকাশ পাবলৈ ধৰিলে। ইয়াত অতীত অসমক আখ্যা দিয়া হ'ল সোণালী যুগ হিচাপে। ৰুদ্ৰ সিংহৰপৰা ৰাজেশ্বৰ সিংহৰ শাসনকালছোৱাই অসমৰ ইতিহাসৰ আটাইতকৈ গৌৰৱমণ্ডিত অধ্যায় বুলি অভিহিত কৰা হ'ল। ব্ৰিটিছ শাসনৰ সুফল কিছুক স্বীকাৰ কৰি ল'লেও অসমৰ এই অতীতৰ স্বৰ্ণ যুগৰ 'নষ্টালজিয়া'ত ঐতিহাসিকসকল আপ্লুত হৈ পৰিল। ফলস্বৰূপে সৰু সৰু বীৰক দিয়া হ'ল জাতীয় বীৰৰ আখ্যা, ডাঙৰ বীৰসকলক কৰি তোলা হ'ল বিৰাট কিবা এটা। বিশেষণ আৰু উপাধিৰ পয়োভৰেৰে তেওঁলোকৰ প্ৰকৃত সামাজিক ঐতিহাসিক ভূমিকা ধুৱলী-কুঁৱলী কৰি পেলোৱা হ'ল। এনে কাম আজিও চলি আছে। অসমৰ ইতিহাসৰ এজন অন্যতম সেনানায়ক চিলাৰায়ক বিশ্ব মহাবীৰ, নৃপশ্ৰেষ্ঠ আদি বিশেষণ দিয়া আমি অলপতে দেখা পাইছোঁ। এনে বিশেষণ সৰ্বস্বতাই এনে ঐতিহাসিক ব্যক্তিসকলৰ ভূমিকাকেই যে কেৱল অস্পষ্ট কৰি তোলে তেনে নহয়, ই বাস্তৱিকতেই আমাৰ ইতিহাস-চেতনা আৰু চৰ্চাৰ ক্ষেত্ৰত চিন্তাৰ দৈন্যকো প্ৰকাশ কৰে।

ড° সূৰ্য্যকুমাৰ ভূঞা আৰু বেণুধৰ শৰ্মা এই দুজন ঐতিহাসিকৰো লিখনিত আমি এনে ধৰণৰ আসোঁৱাহ থকাটো দেখিবলৈ পাওঁ। ড° ভূঞাৰ লিখনিৰ মাজত প্ৰচুৰ তথ্য আৰু কিছু বৈজ্ঞানিক ব্যাখ্যাৰ প্ৰয়াস আৰু কষ্টসাধ্য গৱেষণাৰ মূল্যবান স্বাক্ষৰ থাকিলেও ঐতিহাসিক আৰু ব্যক্তি হিচাপে ড° ভূঞাৰ জনজীৱনৰ লগত প্ৰত্যক্ষ সম্বন্ধ নথকাৰ বাবে তেওঁৰ কামৰ মাজত অসমৰ সাধাৰণ মানুহৰ জীৱনৰ কোনো জীৱন্ত ছবি আমি দেখিবলৈ নাপাওঁ। ড° ভূঞাই সাধাৰণভাৱেই শাসকপক্ষত অৱস্থান লৈয়েই ইতিহাস চৰ্চা কৰিছিল, সেয়ে তেওঁৰ ইতিহাসত প্ৰজাসকলৰ উদ্যম আৰু কাম-কাজৰ কিছুমান ভুল আৰু একপক্ষীয় বৰ্ণনায়ো ঠাই পাইছে। উদাহৰণ এটা চোৱা যাওক ঃ মোৱামৰীয়া গণ-অভ্যুত্থানৰ প্ৰথম জাগৰণৰ পাছত চাৰিওফালে বিশৃংখলতাৰ সুবিধা লৈ জনসাধাৰণৰ ধন-সম্পত্তি লুট-পাট কৰি ফুৰা ডকাইত দলৰ সৃষ্টি হৈছিল। এই ডকাইত দলবোৰ গঠন কৰিছিল অভ্যুত্থানত ক্ষমতাচ্যুত হোৱা পুৰণা প্ৰশাসনৰ কেতবোৰ বিষয়াই। এই ডকাইত দলবোৰৰ অত্যাচাৰক ৰজাঘৰীয়া বুৰঞ্জীবোৰত বিদ্ৰোহী প্ৰজাসকলৰ দৌৰাত্ম্য বুলি বাৰে বাৰে বৰ্ণনা কৰি অহা হৈছে। ড° সূৰ্য্যকুমাৰ ভূঞা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা আৰু মণিৰাম দেৱানৰ লিখনিতো এই কথাকেই কোৱা হৈছে। কিন্তু টাই ভাষাত লিখিত আহোম পুৰোহিত দেওধাইসকলে লিখা 'আহোম বুৰঞ্জী'ত এই দৌৰাত্ম্য আৰু ডকাইতিবোৰ ভগা বিষয়াসকলে কৰা বুলি নামে সৈতে দিয়া আছে আৰু অভ্যুত্থানৰ পাছৰ প্ৰজা-

প্ৰশাসনে এইবোৰ দমন কৰি দেশত শান্তি-শৃংখলা ৰক্ষা কৰাৰ চেষ্টা চলোৱাৰ কথা আছে। (বিতং বিৱৰণৰ বাবে চাওক, লিখকৰ 'মোৱামৰীয়া গণ-অভ্যুত্থান', পৃ. ১২০-২২)। এই উদাহৰণে এনে ঐতিহাসিকসকলৰ, বিশেষকৈ জাতীয়তাবাদী ইতিহাস-চৰ্চাৰ ধাৰাৰ চৰিত্ৰ আৰু অৱস্থান স্পষ্ট কৰি দিয়ে।

অসমৰ জাতীয়তাবাদী ইতিহাস-চৰ্চাৰ ধাৰাৰ এজন অন্যতম প্ৰধান ঐতিহাসিক বেণুধৰ শৰ্মা এই ক্ষেত্ৰত কিছু ব্যতিক্ৰম। ব্ৰিটিছ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা সংগ্ৰামৰ এজন আগৰণুৱা কৰ্মী বেণুধৰ শৰ্মাৰ লিখনিত জনসাধাৰণৰ লগত এক সহজ আত্মীয়তা আৰু গণতান্ত্ৰিক চিন্তাধাৰাৰ প্ৰভাৱ স্পষ্ট। মানুহৰ সংগ্ৰামৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু সহৃদয়তাই তেওঁৰ লিখনিলৈ প্ৰচুৰ সীমাবদ্ধতা থকা সত্ত্বেও আনি দিছে এক নতুন বাস্তৱধৰ্মিতা।

জাতীয়তাবাদী ইতিহাস-চৰ্চাৰ ধাৰাৰ মাজত পুনৰুত্থানবাদী ভাবধাৰা নিহিত হৈ থকাৰ কথা আগতেই কৈ অহা হৈছে। এনে পুনৰুত্থানবাদী চিন্তাধাৰাই কেতিয়াবা ডাঙৰ বিপদৰো সূচনা কৰিব পাৰে, কাৰণ ই অতীত ইতিহাসক কেতিয়াবা একপাক্ষিক দৃষ্টিৰে পৰীক্ষা কৰে আৰু ঐতিহাসিক তথ্যক বিশেষ স্বাৰ্থত নিয়োজিত কৰিব খোজে। এটা সাম্প্ৰতিক উদাহৰণৰে আলোচনা কৰিলে এই কথা হয়তো অধিক স্পষ্ট হ'ব। অসম আন্দোলনৰ আৰম্ভণিতে এটা কথা সঘনাই উচ্চাৰিত হোৱা শুনা গৈছিল যে ১৮২৬ চনৰ আগত অসম স্বাধীন দেশ আছিল, তাৰ পাছত ব্ৰিটিছ ঔপনিৱেশিকসকলে পৰাধীন কৰিলে, ১৯৪৭ চনতো অসমীয়া জাতিয়ে ভাৰতীয় ইউনিয়নত নিজস্ব আত্মনিয়ন্ত্ৰণৰ অধিকাৰ নাপালে। সেয়ে আজি অসমীয়া জাতিয়ে আত্মনিয়ন্ত্ৰণৰ বাবে সংগ্ৰাম কৰা প্ৰয়োজন। অৰ্থাৎ, আজি অসমীয়াই পুনৰ স্বাধীন হ'বলৈ চেষ্টা কৰা ভাল। ইতিহাসৰ এনে ব্যাখ্যাই এহাতে যেনেদৰে অতীতৰ অবাস্তৱ ব্যাখ্যা কৰে আনহাতে তেনেদৰে বিচ্ছিন্নতাবাদৰ ঐতিহাসিক ভিত্তিও প্ৰস্তুত কৰাত সহায় কৰে। ইতিহাসৰ এনে ব্যাখ্যাই পুনৰুত্থানবাদৰ লক্ষণ। এনে ধাৰাত, অতীতক এনেদৰে বিশ্লেষণ কৰি সোণালী যুগ বুলি দেখুওৱা হয় যেন ভৱিষ্যতেও আমি অতীতত থকাৰ দৰে এটা অৱস্থালৈ ঘূৰি যোৱা বাঞ্ছনীয়। এনে ব্যাখ্যাই ভাৰতবৰ্ষখন গঢ় লৈ উঠাৰ ঐতিহাসিক প্ৰক্ৰিয়াটোকে অস্বীকাৰ কৰে। পুনৰুত্থানবাদী ইতিহাস-চৰ্চাই প্ৰগতিতকৈ পশ্চাৎপদতাৰহে বাট উলিয়ায়। অতীতৰ

গৌৰৱময় কথাৰপৰা ভৱিষ্যতৰ বাবে অনুপ্ৰেৰণা লোৱা সুকীয়া কথা আৰু আকৌ অতীতলৈ ঘূৰি যোৱাৰ চেষ্টা চলোৱাটো সুকীয়া কথা।

পুনৰুত্থানবাদী ইতিহাস-চৰ্চাৰ আন এটা বিপদৰ কথাও উনুকিওৱা ভাল হ'ব। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এটা পৰ্যায়ত সাম্ৰাজ্যবাদী প্ৰৰোচনাত ভাৰতত ধৰ্মীয় সাম্প্ৰদায়িকতাই গা কৰি উঠিছিল। হিন্দু আৰু মুছলমান দুটা সুকীয়া ৰাষ্ট্ৰসত্তা বুলি বৰ্ণনা কৰা হৈছিল। মুছলমানসকলক সুকীয়া ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বহু মুছলমান ঐতিহাসিকে ভাৰতত মুছলমান ৰজাসকলৰ শাসনক স্বৰ্ণযুগ আখ্যা দি আকৌ ভাৰতৰ সকলোতে নহ'লেও কিছুমান সীমিত এলেকাত মুছলমান শাসন পুনৰ প্ৰৱৰ্তনৰ সপোন দেখিছিল। হিন্দু সাম্প্ৰদায়িকতায়ো এই ক্ষেত্ৰত ইন্ধন নোযোগোৱা নহয়। ভাৰতত এই সময়তেই, আংশিকভাৱে মুছলমান ঐতিহাসিকসকলৰ ইতিহাস ব্যাখ্যাৰ ফলতো হিন্দু সাম্প্ৰদায়িক ইতিহাস-চৰ্চাও আৰম্ভ হৈছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু ইয়াৰ প্ৰবক্তাসকলে এনে হিন্দু পুনৰুত্থানৰ পোষকতা কৰিছিল। তেওঁলোকে ভাৰতৰ হিন্দু শাসনৰ যুগটোক স্বৰ্ণযুগ আৰু মুছলমানসকলক আক্ৰমণকাৰী বুলি অভিহিত কৰিছিল আৰু ছত্ৰপতি শিবাজী, ৰাণা প্ৰতাপ আদি আঞ্চলিক হিন্দুবীৰক ভাৰতৰ ৰাষ্ট্ৰীয় বীৰৰ মৰ্যাদা দিছিল। ইতিহাসৰ এনে ব্যাখ্যানে কেৱল যে হিন্দু-মুছলমানৰ যুগ্ম অৱদানেৰে আধুনিক ভাৰতীয় সমাজ গঢ়ি উঠাৰ প্ৰক্ৰিয়াটোক অস্বীকাৰ কৰিছিল তেনে নহয়, ই ভাৰতত সাম্প্ৰদায়িক চিন্তৰ বীজ স্বাধীনতাৰ পাছৰ কাললৈকো ৰোপণ কৰি গৈছিল। এই কথাখিনি উত্থাপন কৰাৰ উদ্দেশ্য হ'ল যে অসমৰ ইতিহাস-চৰ্চাৰ মাজতো সময়ে সময়ে এনে সাম্প্ৰদায়িক চিন্তৰ প্ৰভাৱ নপৰা নহয়। প্ৰায়কেইজন লিখকৰে লিখনিত ইয়াৰ প্ৰভাৱ দেখা যায়। ইয়াৰ উপৰি অসমত ইতিহাস-চৰ্চাৰ ক্ষেত্ৰত ভাষিক সাম্প্ৰদায়িকতাৰ ইন্ধনো যোগ হয়। এই বিপদৰ প্ৰতি ভৱিষ্যতেও ইতিহাস অনুৰাগীসকল সচেতন হোৱা প্ৰয়োজন।

ষাঠিৰ দশকৰ আৰম্ভণিৰপৰা অসমতো বস্তুবাদী দৰ্শনৰ প্ৰভাৱত ইতিহাস চৰ্চাৰ এটা নতুন ধাৰাৰ জন্ম হয়। এই ধাৰাটোক আমি বৈজ্ঞানিক ধাৰা বুলি ক'ব পাৰোঁ। অসমৰ ৰাইজৰ উৎপাদনমুখী কৰ্মকাণ্ডৰ জৰিয়তে হোৱা অৰ্থনৈতিক বিকাশ আৰু ইয়াৰ ওপৰত ভিত্তি কৰি আগবঢ়া সামাজিক প্ৰগতি, অসমৰ সমাজৰ উৎপাদন পদ্ধতি আৰু উৎপাদন সম্পৰ্কৰ আলোচনা, ৰাইজৰ সংগ্ৰাম আৰু জনজীৱনৰ বিভিন্ন দিশ বস্তুনিষ্ঠ অধ্যয়ন কৰাৰ প্ৰয়াস এই ধাৰাটোৰ মাজত দেখিবলৈ পোৱা যায়। অন্ধ অতীত প্ৰেম, সংকীৰ্ণতা আৰু

পুনৰুত্থানবাদী ভাবধাৰাৰ বিপৰীতে অতীতৰ অভিজ্ঞতাৰপৰা শিক্ষা আৰু প্ৰেৰণা সংগ্ৰহ কৰি ভৱিষ্যতে এখন নতুন সমাজ গঢ় দিবৰ বাবে বৰ্তমানত জাতিৰ ইতিহাস তথা জীৱনৰ নৱমূল্যায়নৰ ওপৰত এই ধাৰাই প্ৰাথমিক গুৰুত্ব আৰোপ কৰে। অসমত এই ধাৰাৰ ইতিহাস-চৰ্চাই এতিয়ালৈকে বহুখিনি বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে। সমগ্ৰ পৃথিৱীতে, সকলো দেশতে সমাদৃত ইতিহাস-চৰ্চাৰ দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদৰ শিক্ষাৰ আধাৰত গঢ়ি উঠা এই ধাৰাই অসমৰ ইতিহাস-চৰ্চাৰ প্ৰধান আৰু বৈজ্ঞানিক ধাৰা হৈ পৰিব। বহু দোষ-ত্ৰুটি দুৰ্বলতা সত্ত্বেও অসমত এই ইতিহাস-চৰ্চাৰ ধাৰাটোৱেই হ'ল বিকাশমান ধাৰা।

অসমৰ ইতিহাস-চৰ্চাৰ ক্ষেত্ৰত কিছুমান ডাঙৰ অভাৱ কিন্তু ৰৈ গৈছে। এনে এটা অভাৱ হ'ল অসমত বসবাস কৰা বিভিন্ন জাতি আৰু জনগোষ্ঠীসকলৰ ইতিহাস সম্পৰ্কে আমাৰ অজ্ঞতা। এই অভাৱ পূৰণ নোহোৱালৈকে অসমৰ পূৰ্ণাঙ্গ ইতিহাস-চৰ্চাৰ আৰু ৰচনাৰ দিশত আগবাঢ়িব পৰা নাযায়। আগতে উল্লেখ কৰি অহা কোনো এটা ধাৰাতেই এই দিশটো সমৃদ্ধ নহয়। প্ৰাচীন বুৰঞ্জীবোৰত এনে জাতিবোৰৰ সঘন উল্লেখ থাকিলেও সি সাধাৰণতে যুঁজ-বাগৰ, জয়-পৰাজয়, চিঠি-পত্ৰৰ আদান-প্ৰদানৰ ৰেকৰ্ড আৰু কিছু উপাখ্যানতেই সীমাৱদ্ধ। ঔপনিৱেশিক শাসকসকলে এই জাতিবোৰৰ বিষয়ে বিশদ অধ্যয়ন কৰিছিল যদিও ইয়াৰ লক্ষ্য আছিল ঔপনিৱেশিক শাসন কাঠামোত তেওঁলোকক সুমুৱাই লোৱা বা ভৈয়ামৰ জনজীৱনৰপৰা তেওঁলোকক বিচ্ছিন্ন কৰি তোষণৰ জৰিয়তে সৈমান কৰি সীমান্ত নিৰাপদে ৰখা। জাতীয়তাবাদী ঐতিহাসিকসকলৰ লিখনিতো তেওঁলোকৰ কথা তেনেকৈ নাই, বৰঞ্চ কেতিয়াবা উচাত্মিকা মনোভাৱেৰে তেওঁলোকক হীন প্ৰতিপন্ন কৰাৰহে চেষ্টা দেখা যায়। ই এটা বৰ লজ্জাজনক কথা। এই ক্ষেত্ৰত, প্ৰচলিত অৰ্থত ঐতিহাসিক নহ'লেও বিষ্ণুপ্ৰসাদ ৰাভাৰ ইতিহাস চেতনা আৰু চৰ্চাৰ কথা উল্লেখযোগ্য। তেৱেঁই প্ৰথমে অসমীয়া জাতি আৰু অসমৰ সমাজ গঢ়ি উঠাৰ ক্ষেত্ৰত জনজাতীয়সকলৰ ভূমিকা আৰু অৱদানৰ কথা সাব্যস্ত কৰি তেওঁলোকৰ সমাজ ইতিহাসৰ অনুসন্ধানৰ প্ৰাৰম্ভিক কাম-কাজ বৈজ্ঞানিকভাৱে আৰম্ভ কৰে। এয়ে ইতিহাসৰ ক্ষেত্ৰত বিষ্ণু ৰাভাৰ মৌলিক অৱদান।

ইতিহাস-চৰ্চাৰ বাবে জনসাধাৰণৰ জীৱন আৰু চিন্তাৰ লগত আত্মিক সম্পৰ্ক গঢ়ি তোলাটো প্ৰয়োজন আৰু ইয়েইহে প্ৰকৃত ঐতিহাসিক চেতনা গঢ় লোৱাত সহায় কৰে। পুথিগত জ্ঞানেই ইয়াৰ বাবে যথেষ্ট নহয়। পুনৰুত্থানবাদী আৰু সাম্প্ৰদায়িক ঐতিহাসিক

আৱৰ্জনাৰ বিৰুদ্ধে সংগ্ৰামৰ বাবে প্ৰয়োজনীয় অনুসন্ধান, গৱেষণা আৰু ঐতিহাসিক অন্তৰ্দৃষ্টিৰ বাবে মানুহৰ লগত প্ৰত্যক্ষ আৰু নিবিড় যোগাযোগৰ বৰ প্ৰয়োজন। আজিও অসমৰ ভাষা-সংস্কৃতি আৰু ইতিহাসৰ বিষয়ে কাম-কাজ কৰা বহু পণ্ডিতৰ জনজীৱনৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নথকাৰ বাবে তেওঁলোকৰ লিখনিত তথ্যৰ প্ৰাচুৰ্য থাকিলেও বিশ্লেষণ আৰু সিদ্ধান্তত প্ৰচুৰ ভুল থকা দেখা যায়। আৰু সময়ে সময়ে সেয়ে তেওঁলোকৰ ইতিহাস-চৰ্চা পুনৰুত্থানবাদী চিন্তা আৰু সাম্প্ৰদায়িক সংকীৰ্ণতাত আৱদ্ধ গৈ শাসকশ্ৰেণীৰ ৰাজনৈতিক ভেদ-নীতিৰো হাতিয়াৰ হৈ পৰে।

ঐতিহাসিকসকল নিৰপেক্ষ হ'ব লাগে বুলি এষাৰ কথা সঘনেই শুনা যায়। কিন্তু এই নিৰপেক্ষতা কি? শ্ৰেণী নিৰপেক্ষতা? শ্ৰেণীবিভক্ত সমাজত কোনো লোকেই শ্ৰেণীৰ স্বাৰ্থৰ উৰ্দ্ধত সম্পূৰ্ণ নিৰপেক্ষ হৈ থাকিব নোৱাৰে। ই এটা অবাস্তৱ, অবৈজ্ঞানিক কথা। আন সকলোৰে দৰে ইতিহাস ৰচনাৰ ক্ষেত্ৰতো ৰজাঘৰীয়া আৰু প্ৰজাঘৰীয়া এই দুটা অৱস্থাত স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। বহু ঐতিহাসিকে খোলাখুলিকৈ ৰজাঘৰৰ পক্ষ লয় আৰু আন বহুতে নিৰপেক্ষতাৰ নামত প্ৰচলিত ধ্যান-ধাৰণাকে টিকাই ৰখাত সহায় কৰি ৰজাঘৰৰেই স্বাৰ্থ ৰক্ষা কৰে। গতিকে, এনে নিৰপেক্ষতাৰ চৰিত্ৰ আমি স্পষ্টভাৱে বুজি পোৱাটো দৰকাৰ। এই কথা আমি উপলব্ধি কৰিব লাগিব যে ইতিহাস সৃষ্টি কৰে জনগণে। ৰজা, মহাৰজা আৰু শাসকসকলৰ কাহিনীয়েই ইতিহাস নহয়, বীৰপুৰুষ আৰু সেনানায়কসকলৰ প্ৰশস্তিগাথাও বুৰঞ্জী নহয়, কাৰণ এওঁলোকক আকৌ জনসাধাৰণৰ সংগ্ৰামেই জন্ম দিয়ে। অসমৰ ইতিহাসক গঢ় দিছে অসমৰ শ্ৰমজীৱী জনগণে, তেওঁলোকৰ উৎপাদনে সমাজ আগবঢ়াই নি ইতিহাসক গতি দিছে। এওঁলোকক বাদ দি অসমৰ সাৰ্থক ইতিহাস ৰচনাৰ কথা কল্পনাও কৰা নাযায়। ইতিহাস ৰচনাৰ ক্ষেত্ৰত ই এটা আদৰ্শগত আৰু মৌলিক প্ৰশ্ন। এই প্ৰশ্নত কোনো ঐতিহাসিকেই নিৰপেক্ষ হ'ব নোৱাৰে। অসমৰ সমাজৰ সাৰ্থক ইতিহাস ৰচনাৰ বাবে দ্বিধাহীনভাৱে তেওঁলোকৰ পক্ষত থিয় দিবই লাগিব যি ইতিহাসক জন্ম দিয়ে। থিয় হ'ব লাগিব অসমৰ শ্ৰমজীৱী আৰু খেতিয়ক ৰাইজৰ স্বাৰ্থৰ পক্ষত। আজিৰ দিনত বৈজ্ঞানিক ইতিহাস-চেতনা আৰু চৰ্চাৰ আন কোনো দ্বিতীয় বাট এটা আৰু নাই।▸▸

**ডাঃ ধ্ৰুৱজ্যোতি বৰা** ঃ ঔপন্যাসিক, প্ৰাবন্ধিক আৰু ইতিহাসবিদ। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু সাহিত্য অকাদেমি বঁটা বিজয়ী

# Middle Class Hegemony in an Internal Colony : National Aspirations in Assam

**Prof. Apurba Kumar Baruah**

It is not difficult to demonstrate that nationalism in any, land develops under the patronage of the most dominant class or classes of the area. These forces make use of nationalism to protect their own interest but since most successful ruling classes rule with the help of what Gramsci called hegemony[1] and since such hegemony is not possible without mobilizing the consent of the subordinate classes it becomes necessary for all dominant classes aspiring to exercise hegemony to articulate at least some interest of the strata below them. Articulation of 'national' interest by dominant classes, or aspirants of such domination, often seems to fulfil this require-ment because 'national interest' is defined by their propagators as interest of the entire community. The cultural, economic and political demands embraced by such interest are publicized as de-mands for the entire community. It is true that the concept of hege-mony is usually connected with the ruling classes but as Manorama Sharma has shown there exists a concept of

political hegemony even in the case of non-ruling classes in Gramsci himself[2]. If we look at the multi-cultural poly-ethnic countries like India and especially at the processes of formation of national consciousness of the big and also of small nationalities in such countries, we come to realise that the exercise of hegemony by advanced sections of the respective communities does influence the issues connected with nationality question.

In the hey days of Indian nationalism, when the torch bearers of this nationalism, the Indian bourgeoisie and the middle classes mainly belonging to the Brahminical tradition[3] led the struggle against British imperialism, the middle classes, and sometimes even nascent regional bourgeoisie, of the small nationalities accepted the ideology of Indian nationalism. One cannot, however, ignore the fact that even at that point of Indian history these nationalities never forgot their own identities. As we have shown in a discussion of the ideas of Ambikagiri Roy Chaudhury, *Asamiya,* for instance, were worried about its own identity[4]. So were Bengalis and Oriyas. But they did accept Indian nationalism and took active part in the struggle against British imperialism. The reason behind this is not difficult to understand. As Nihar Ranjan Ray says:

"When we speak of India as being one territorial unit, one should not forget that this larger unit consists of a number of smaller territorial units, each inhabited by human com-munities characterized by cultural forms that are mutually inter-dependent but which are functionally different from those of other human communities inhabiting other territo-rial units. This means that each of these smaller cultural units has a personality of its own."[5]

In the post independence period the path of development, which began under British, perpetuated uneven development but at the same time led to the emergence of new social forces in the smaller territorial units referred to by Ray, like regional bourgeoisie, middle Classes and educated elite. Since some non-indigenous communities are already dominant in the areas, perceived by the small nationalities as their own homeland, these new forces of the regions entered into a situation of unequal competition with the dominant communities

led by respective elites. The elites of the smaller nationalities began to mobilize their own communities under the banner of nationalism. The protagonists of Indian nationalism were able to advance their cause by mobilizing the Indian masses against British imperialism. The newly emerging western educated elites were at the forefront of that struggle. In the same way the educated elites of the small nationalities are launching a series of struggles against their perceived enemies, the hegemonic state of India and its dominant culture led by Hindi-Hindu Brahminical forces and at a different level the really disadvantaged cultural communities or really small nationalities are struggling against the dominant communities in the regions/states of India. Even at the risk of elaborating the obvious I need to state that since almost all small nationalities view the intolerant and expansionist tendencies of Indian Nationalism of the Hindi-Hindu-Brahminical variety as a threat to their cultural identity and also have genuine grievances against the relatively advanced communities occupying dominant position at a regional level, this battle is, therefore, being fought at two different levels. But because of the urgency of the situation for the regional politics the battle at the regional level against local dominant forces becomes more important, and at times, the resistance against the expan-sionism of Indian nationalism takes a back seat. The liberal democratic process initiated during the British rule and car-ried on after independence has of course created a fellow feeling among Indians, even if only politically. This feeling embraces even those communities who have not been a part of the traditional Indian culture in any sense. The political integration of these culturally non-Indian communities has been taking place mainly through their newly emerging educated elites who while getting integrated in the political process harp on the theme of separate cultural identities. It is interesting to note that it is their assertion of separate cultural identity which very often enables them to acquire considerable po-litical power. But the compulsions of participating in the liberal democratic politics of the state of India make them accept the po-litical reality of this state. Since the mainstream politicians use the term nation to refer eyen to the state of India

these groups also use the term nation though they actually mean the state. Their attitude to the Hindi language is also intriguing. Because of the compulsions of the market Hindi has become almost a lingua franca even in these areas. But at the same time the elites of these communities jealously promote the cause of their own languages. It is interesting to note that even those groups who have demanded secession at some point of time are gradually beginning to accept the reality of the Indian state[6]. But such con-versions need not necessarily imply that they have come under the fold of Indian nationalism. As we have argued above many small na-tionalities do distinguish between the state of India and Indian na-tionalism. Attempts at integrating the various communities at the cultural level under the banner of Indian nationalism will continue to be resisted by the small nationalities. Thus, on the one hand, the emergence of new social forces at the regional level generates conditions for strengthening the nationalist politics of the smaller nationalities, on the other, the expansionist trend of 'Indian nationalism' and its attempt at identi-fying the state of India as embodiment of this nationalism give tremendous boost to the process of mobilization of the smaller nationalities. Each linguistic community, with viable educated elites is claiming the status of a nationality, primarily at the persuasions of such elites. More and more linguistic communi-ties of India are staking their claims as nationalities under the leadership of respective educated elite. This has created a very complex situation because the so-called Indian mainstream has been taking a very intolerant attitude towards these nationalities in India. However, what is important for our purpose here is to realise that the aspirations of the small nationalities and problems created by these aspirations must be understood only in the context of the character of the social forces that articulate these aspirations.

## II

Prior to the British conquest in 1826 most of the areas covered by the province of Assam, created by the British were politically outside all the great empires that were established in the Indian sub-

continent. However. culturally the Brahmaputra valley, where the *Asamiya* emerged as a distinct community under the six hundred years of Ahom rule had very close cultural links with the north Indian Hindu tradition.

Various historians have tried to show Assam's early contact with the Aryan India by pointing out the references in the Ramayana and Mahabharata[7]. While it is possible to prove that there was some contact it is not possible to maintain that there was any sig-nificant migration of Aryans to this region prior to 6th century A.D. There is of course considerable historical evidence to show that in the early centuries of the Christian era a significant number of Aryans came and settled in the region. Some of them travelled as far as Sadiya in eastern Assam and established settlements and brought various sections of the earlier inhabitants to their fold. As Barua says, "The Aryan influence became so widespread, and penetrating that even minor Vedic customs and rituals became deep- rooted in the life of the common people[8]. This Aryanisation led to a unification of the innumerable tribal groups particularly in the Brahmaputra valley primarily through the development of a lan-guage which was a direct descendant of *Magadhi Apabhramsa*[9]. The Ahoms came to Assam at a much later stage (13th Century). Though they got assimilated, to the ex-tent that they not only adopted *Asamiya* as the court language but from the beginning of the seventeenth century also began to write their prose chronicles called Buranjis in*Asamiya*[10]. The emer-gence of this new language seems to have given birth to a linguistic community in the Brahmaputra valley which embraced the various communities which were living in this area. The *Asamiya* underwent a process of Aryanisation and in the process brought Assam culturally so close to the rest of India that by the 15th century Sankardeva took pride in the fact that he was born in the 'Bharata Barsha'.

However, these close cultural ties could not completely dilute the effects of political and administrative independence of Assam. On the eve of the British con-quest the economy of Assam, in comparison to the rest of the country, was very backward. During the six hundred years of Ahom rule the economy did not even reach

a proper feudal stage. As Manorama Sharma says "communal ownership of land was. . . the basis of the entire of Ahom state, and although in the sixteenth and seventeenth centuries with the further development of the Ahom monarchy in Assam there were some changes and modifications, the basic structure, which was primarily tribal in nature, remained unchanged"[11]. The same author argues that even at the height of Ahom rule in Assam in the seventeenth and the first half of eighteenth century the basic condi-tions remained the same. At the political level a certain number of feudal characteristics had developed, but these could not sustain themselves because development of economic feudalism was very difficult under the conditions which prevailed in Assam during Ahom rule[12]. The British rule too did not change the situation radi-cally. Sharma goes points out that till 1900 no spectacular change had taken place in the British province of Assam. There was a general stagnation in all fields except in tea plantations.[13] Amalendu Guha maintains that during the period 1826 to 1873 the British capital penetrated the economy of Assam and started building an infrastructure to sustain the capi-talist set up. He points out that collaborating traders, bankers, law-yers and clerks from other Indian provinces came as camp follow-ers[14]. These immigrants benefited from the changes introduced by the British and monopolized internal trade, government jobs and profession.

British administration in Assam opened a flood gate of migration from other parts of India[15]. These immigrants came to dominate the economic life of Assam in such a manner that the Asamiya entrepreneurs found themselves in a very unenviable position. Guha had pointed out that throughout the nineteenth cen-tury a small band of enlightened *Asamiya* businessmen continued to break fresh grounds for themselves but "paucity of capital" and "of opportunities under the domination of British and the comprador Marwari capital in different fields of business . . . ultimately killed this spirit"[16]. The policies followed by the British administration and the changes introduced by them slowly led to the emergence of new indigenous social forces which began to emerge as a middle class in the last

সাধাৰণতে, চলতি স্কুল ব্যৱস্থাৰ পৰা দ্বাদশ শ্রেণীৰ স্কুলীয়া শিক্ষা সাং কৰি কলেজত ভৰ্তি হোৱা ছাত্ৰহঁতে তেওঁলোকৰ নৱলব্ধ স্বাধীনতা বিভিন্ন পৰীক্ষা-নিৰীক্ষাত প্ৰয়োগ কৰি চাব খোজে— তেওঁলোক শক্তিমন্ত আৰু তেওঁলোকৰ মনত বহুত উদ্যম আৰু আশা। বিশেষকৈ, সকলো ধৰণৰ বৃত্তিমূলক প্ৰতিষ্ঠান বাদ দি, ইচ্ছাকৃতভাৱে কলেজত সোমোৱা অতি কম সংখ্যাৰ সেই সকল ছাত্ৰৰ ক্ষেত্ৰত এই কথাটো ঘাইকৈ প্ৰযোজ্য। কিন্তু তেওঁলোকৰ ভাগ্যত কি থাকে? তেওঁলোক সন্মুখীন হয় এনে এক ব্যৱস্থাৰ য'ত থাকে মাথোঁ নিৰ্লিপ্ততা, নিষ্ক্ৰিয়তা আৰু সম্পূৰ্ণ লক্ষ্যহীনতাৰ। নিৰ্লিপ্ত, নিৰুৎসুক, অমেধাৱী আৰু অমননশীল শিক্ষক কিছুমানক কলেজত লৈ আমি সেই সকল উদ্যমী আৰু উৎসুক ছাত্ৰৰ অসীম সম্ভাৱনীয়তাৰে অপচয় নঘটাওঁ, তেওঁলোকক বৌদ্ধিকভাৱে জীৱনলৈ পঙ্গু কৰিও পেলাওঁ আৰু তেওঁলোকৰ শিক্ষকসকলৰে একো একোটা প্ৰতিৰূপ সৃষ্টি কৰোঁ। কলেজৰ সকলো শিক্ষকেই সমানে স্থূলবুদ্ধিৰ বুলি মই ক'ব খোজা নাই, কিন্তু ছাত্ৰহঁতৰ প্ৰত্যাশা পূৰণত তেওঁলোকৰ ব্যৰ্থতা ইমান বেছি যে ই এক প্ৰকৃত দুৰ্বিপাকৰ বাহিৰে আন একো নহয়, আৰু এই সমস্যাটো সমাধানকল্পে ঐকান্তিকভাৱে নকৈ চিন্তা কৰাৰ প্ৰয়োজন আছে।

শিক্ষক এগৰাকী যদি অন্ততঃ তেওঁৰ নিজৰ বিষয়টো ভালদৰে জনা হয় তেন্তে তেওঁক আন সকলো কথাৰ বাবে মাফ কৰি দিব পাৰি। কিন্তু বছৰৰ পিছত বছৰ ধৰি একেটা পাঠ্যক্ৰমকে শিকাই থকা শিক্ষক এজনৰ পৰা তেনে আশা কৰা নাযায়। বহুত বছৰ পূৰ্বে, কলেজৰ শিক্ষকতা আৰম্ভ কৰোঁতেই লিখি লোৱা আৰু কালক্ৰমত ধূসৰ হৈ পৰা টোকাবহীৰপৰা টোকা দি থকা শিক্ষকৰপৰা উন্নত মানৰ শিক্ষণ কেনেকৈ আশা কৰিব পাৰি? সেইবাবেই পাঠ্যক্ৰমৰ সলনি ঘটাবলৈ ওলালেই কলেজ শিক্ষকসকল প্ৰতিবাদত জাণ্ডুৰ খাই উঠাত আচৰিত হ'ব লগা একো নাই। প্ৰচলিত ব্যৱস্থাটোৱে কলেজ শিক্ষকসকলক তেওঁলোকৰ পুৰাতন জ্ঞানৰ উৎকৰ্ষ সাধন আৰু নৱীকৰণৰ বাবে কি পদক্ষেপ লয়? তেওঁলোকে সময়ে সময়ে Orientation Course বা Refresher Course কৰিব লাগে। ইয়াকে কৰিবলৈ কলেজ শিক্ষকসকলে মাজে মাজে উৎসাহ প্ৰদৰ্শন কৰাও দেখা যায়। কিন্তু বিষয়টোৰ প্ৰতি আগ্ৰহৰ বাবেহে তেওঁলোকে তেনে কৰে বুলি ভাবিলে ভুল হ'ব। তেওঁলোকৰ অধিক সংখ্যকে এনে কৰাৰ কাৰণটো হ'ল যে পদোন্নতি পাবৰ বাবে ই প্ৰয়োজনীয়। মোৰ মতে আমাৰ শিক্ষা ব্যৱস্থাত এইটোৱেই হ'ল আটাইতকৈ দুৰ্ভাগ্যজনক কথা— ট্ৰেজেদি।

কলেজবোৰ অপ্ৰয়োজনীয় বুলি মই সদায় কৈ আহিছোঁ। কলেজ এখন বুলিলে

ভাৰতত যি বুজা যায়, সেই অৰ্থত বিশ্বৰ অধিকাংশ ঠাইতে কলেজ নাই বিশ্ববিদ্যালয়সমূহত কৰিব নোৱাৰা কি কাম কলেজবোৰে কৰিব পাৰে? যদি খাতিৰত কোৱা হয় যে ভাৰতৰ নিচিনা এখন দেশত বহুতেই স্নাতক পৰ্যায়ৰ শিক্ষাৰ সমাপ্তি ঘটায় আৰু সেইবাবেই নিম্ন স্নাতক পৰ্যায়টোৰ ব্যৱস্থা সুকীয়াকৈ লাগে, তেনেহ'লে ইমানবোৰ গ্ৰেজুৱেট লৈ আমি কি কৰিম বুলি ঘূৰাই প্ৰশ্ন পাৰি। উচ্চ শিক্ষা প্ৰকৃততে লাভ কৰিব খোজাসকলে (বা উচ্চতৰ প্ৰতিযোগিতামূলক পৰীক্ষাত বহিব খোজাসকলে) তেওঁলোকৰ স্নাতক পৰ্যায়ৰ বাবে চিধাচিধি বিশ্ববিদ্যালয়তে ভৰ্তি হৈ স্নাতক, স্নাতকোত্তৰ আদি পাঠ্যক্ৰম কৰি আগবাঢ়ি যাব পাৰে।

## অকাৰ্যকৰী ডিগ্ৰীতকৈ কাৰিকৰী শিক্ষাই ভাল

বাকীসকলৰ বাবে, তেওঁলোকৰ জীৱনৰ তিনিটা স্তৰ খৰচ কৰি মাত্ৰ চৰকা অফিচৰ কেৰাণী বা অভ্যাৰ্থনাকাৰীৰ বাবেহে উপযুক্ত চাকৰি এটা পাবৰ বাবে যোগ্য অৰ্জন কৰিবলৈ যোৱাৰ কোনো অৰ্থ নাই। দ্বাদশ শ্ৰেণীৰপৰাই তেওঁলোকে পৰৱ সময়ত ল'ব খোজা বৃত্তিটোৰ ওপৰত আলোকপাত কৰাটোৱেই বেছি ভাল নহ'বনে? মই বৃত্তিমূলক কলেজ, আই টি আই আৰু পলিটেকনিকবোৰৰ কথা চি কৰিছোঁ। সেইবোৰত অসংখ্য বৃত্তিৰ বাবে ডিপ্লমা পাঠ্যক্ৰমৰ শিক্ষা দিব পৰা যা মুঠতে মোৰ কথা হ'ল কলেজবোৰ উঠাই দিব লাগে, আৰু সেইবোৰৰ পৰিৱ বিশ্ববিদ্যালয়বোৰক অধিক উন্নতমানৰ কৰিব লাগে আৰু ছাত্ৰসকলক তেওঁলোক পছন্দৰ বৃত্তিবোৰৰ বিষয়ে গুণগত মানৰ তত্ত্বীয় আৰু ব্যৱহাৰিক শিক্ষা আগবঢ় পৰাকৈ আৰু অধিক সংখ্যক বৃত্তিমূলক কলেজ স্থাপন কৰিব লাগে।

অৱশ্যে মাত্ৰ দুটা শৈক্ষিক বৰ্ষৰ বাবে জুনিয়ৰ কলেজ কিছুমান প্ৰতিষ্ঠা কৰাটো সম্পদৰ বিৰাট অপচয় হ'ব বুলি মই বুজিব পাৰিছোঁ। উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী দুটা হাইস্কুল পৰ্যায়ৰ সৈতে লগ লগাব লাগিব আৰু পি জি টি শিক্ষকসকলক তাৰ দায়ি দিব লাগিব। তেতিয়া হ'লে তেওঁলোকে দৈনিক অতি বেছি দুটা মাত্ৰ 'ক্লাছ' কৰি সংসাৰৰ আন সমস্ত চিন্তাৰপৰা মুক্ত হৈ দিনটো কটাব নালাগিব। ইয়াকে কৰা হ'লে আমি এটা অধিক নিয়াৰি আৰু ফলপ্ৰসূ (Streamlined) ব্যৱস্থা পাব পাৰিম। তাত থাকিব তিনি প্ৰকাৰৰ শিক্ষানুষ্ঠান— স্কুল, কাৰিকৰী শিক্ষানুষ্ঠান (Vocational College) আৰু বিশ্ববিদ্যালয়সমূহ। পিছৰ দুটাই দ্বাদশ শ্ৰেণী পাৰ হোৱাৰ পিছৰ দুই

শ্রেণীৰ ওপৰা-উপৰি নোহোৱা (Non-overlaping) ছাত্রসমূহৰ দায়িত্ব ল'ব। অৱশ্যে মই ইয়াত দেখদেখকৈয়ে আলোচনাটো সাধাৰণ শাখা (General stream)বোৰতে আবদ্ধ ৰাখিছোঁ, ইঞ্জিনিয়াৰিং স্কুল, মেডিকেল স্কুল, ল (Law) স্কুল আদি বৃত্তিমূলক শিক্ষানুষ্ঠানবোৰক ইয়াৰ আওতালৈ অনা নাই।

## শ্রেণীকোঠাৰ শিক্ষাৰ বাহিৰত

মই আগতেই কৈছোঁ যে কলেজ বা বিশ্ববিদ্যালয়ৰ শিক্ষক এজনে ভালদৰে শিকাবলৈ হ'লে তেওঁ বিষয়টো ভালদৰে জানিব লাগিব, আৰু বিষয়টো ন ন ভাব-চিন্তাৰে কিদৰে বিস্তাৰিত হৈছে সেই সম্পৰ্কেও ওৱাকি বাহাল হ'ব লাগিব। কিন্তু সেয়ে যথেষ্ট নহয়, কাৰণ এজন ভাল শিক্ষক হ'বলৈ অন্ততঃ দুটা কথাৰ একান্ত প্ৰয়োজন। প্ৰথমটো হ'ল— শিক্ষক এগৰাকীয়ে তেওঁৰ ছাত্ৰক বিষয়টো ভালদৰে শিকিবৰ বাবে (অকল সৰহ নম্বৰ পাই পৰীক্ষা পাচ কৰিবলৈকে নহয়) সহায় কৰাই নহয়, বিষয়টোৰ প্ৰতি ছাত্ৰগৰাকীৰ মনত এক স্থায়ী আগ্ৰহো জগাই তুলিব পাৰিব লাগিব। (প্ৰশ্ন এটাৰ) উত্তৰবোৰ কি হ'ব ছাত্ৰজনক মাত্ৰ সেইটো ক'লেই নহ'ব, উত্তৰটো কেনেকৈ গোটাব লাগিব— কিতাপ পঢ়ি, আলোচনী আদিত প্ৰকাশিত প্ৰবন্ধাদি পঢ়ি, নেটত চাই-চিতি (by searching the net) আৰু আলোচনা-বিলোচনা আদি অন্যান্য বিভিন্ন উপায়েৰে। দ্বিতীয়টো কথাৰ এটা সামাজিক উপাদান (Social component) আছে। শিক্ষক এগৰাকীয়ে তেওঁৰ ছাত্ৰগৰাকীক অকল বিষয়টো ভালকৈ শিকিবলৈ সহায় কৰিলেই নহ'ব, তেওঁক ভাল মানুহ হ'বলৈ, দায়িত্ব ল'বলৈ, সততা, সাধুতা আৰু কঠোৰ পৰিশ্ৰমৰ মূল্য বুজিবলৈকো শিকাব লাগিব। কলেজ আৰু বিশ্ববিদ্যালয়ৰ পৰ্যায়ত ছাত্ৰবোৰ এজন আনজনৰ বন্ধু হ'ব লাগে, আৰু শিক্ষকসকল হ'ব লাগে ছাত্ৰসকল তেওঁলোকৰ সহজে ওচৰ চাপিব পৰা, আৰু অকল বিষয়টো শিকাৰ কথাই নহয়, ব্যক্তিগত সমস্যাও তেওঁৰ লগত আলোচনা কৰিব পৰা হ'ব লাগে।

প্ৰতি বছৰে শিক্ষানুষ্ঠানবোৰত অসংখ্য ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰোৱা হয়, সেইবোৰত তেওঁলোকে বিষয়টো শিকে ঠিকেই, কিন্তু তাত এই তৰুণ মনবোৰৰ সৰ্বপ্ৰকাৰ বিকাশ হ'ব লাগে, প্ৰশ্ন সোধাৰ স্বাধীনতা সেইবোৰত তেওঁলোকক দিব লাগে, আনকি তেওঁলোকৰ বিষয়টোৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক নথকা প্ৰশ্নও তেওঁলোকক সোধাৰ অৱকাশ দিব লাগে। তেওঁলোকে মনোযোগ বিচাৰে, কোনোবাই তেওঁলোকৰ কথা শুনাটো তেওঁলোকে বিচাৰে, তেওঁলোকে পৰামৰ্শ বিচাৰে, বিতৰ্ক আৰু আলোচনাৰ

বাবে তেওঁলোকে মধ্য বিচাৰে, তেওঁলোকে শিকিব খোজে, জানিবলৈ বিচাৰে। আৰু তেওঁলোকক এইবিলাক উত্তৰ দিবৰ বাবে তেওঁলোকৰ শিক্ষানুষ্ঠানসমূহে উপকৰণতে কাৰোবাক নিয়োগ কৰাৰ প্ৰয়োজন নাই— শিক্ষক-ছাত্ৰৰ সমাজখনৰ ভিতৰতে এইবোৰ হোৱাটোৱেই ভাল কথা। শিক্ষকসকল ছাত্ৰসকলৰ ওচৰ চাপিব লাগে, তেওঁলোকৰ মতামত আৰু সমস্যা কি জানিবৰ বাবে তেওঁলোকে অধিক সক্ৰিয় ভূমিকা লব লাগে। ছাত্ৰসকলৰ লগত তেওঁলোকৰ বন্ধুত্বৰ সম্পৰ্ক স্থাপিত হ'ব লাগে। মোৰ পূৰ্বৰ সহকৰ্মী কেইগৰাকীমানে এনে ভূমিকা লৈছিল, আৰু তাৰ দ্বাৰা তেওঁলোকৰ ছাত্ৰসকল উপকৃত হৈছিল। এনে সম্পৰ্ক অধিকতৰ হোৱাটো কাম্য।

**গৱেষণা জানো কেৱল কৰ্মজীৱনত উন্নতিৰ বাবেহে?**

শিক্ষাৰ বিষয়ে এইখিনি কথা কোৱা হ'ল। এতিয়া গৱেষণাৰ কথা কোৱা যাওক। কলেজ আৰু বিশ্ববিদ্যালয়ত চমকপ্ৰদ কৃতিত্ব প্ৰদৰ্শন কৰা ছাত্ৰ এজন তেওঁৰ বিষয়টোত এজন সুদক্ষ শিক্ষক আৰু গৱেষক হ'ব বুলি কৰা ধাৰণাটো শুদ্ধ নহয়। ভাল ছাত্ৰ হ'লেই ভাল শিক্ষক বা গৱেষক হ'ব বুলি কৰা ধাৰণাটো ভ্ৰান্ত। এজন ভাল শিক্ষক হ'বলৈ বা এজন ভাল গৱেষক হ'বলৈ এজন ভাল ছাত্ৰ হ'বলৈ লগা গুণখিনিৰ ওপৰঞ্চি কিছুমান গুণ লাগে। অধিকন্তু, এগৰাকী তত্বাৱধায়কৰ অধীনত গৱেষণা কৰি পিএইচ ডি ডিগ্ৰীটো পোৱা লোক এজনক বিষয়টো সম্যকভাৱে আয়ত্ত কৰিবলৈ কেইবছৰমান সময় লাগে, তেহে তেওঁ নিজাকৈ গৱেষণা কৰিব পৰা হয়। তেতিয়াহে তেওঁ নিজাকৈ পিএইচ ডি ছাত্ৰ লোৱা উচিত। বিশ্বৰ সৰহভাগ বিশ্ববিদ্যালয়তে Post doctoral পৰ্যায়টোৰ উদ্দেশ্য সেইটোৱেই। কিন্তু ভাৰতবৰ্ষত, আপুনি আজি ডক্টৰেট ডিগ্ৰীটো পালে, কালিলৈ এজন গৱেষণা তত্বাৱধায়ক হ'বলৈ যোগ্য হৈ পৰিল। ততোধিক আচৰিত কথা, আপুনি তেনে কৰাটো আশা কৰা হয়। ফলত আমাৰ দেশত শিক্ষা আৰু গৱেষণাৰ মানৰ বিস্তৰ গুণগত অৱনতি ঘটিছে।

মই কেৱল গণিতৰ কথা কৈছোঁ। কিন্তু এই কথাটো আন আন বিষয়তো প্ৰযোজ্য। মোৰ ধাৰণা ভাৰতত উচ্চ শিক্ষাৰ ব্যৱস্থাটোতে কিবা এটা ত্ৰুটি সোমাই আছে। কাৰণ ভাৰতৰ বহুতো বিশ্ববিদ্যালয়ত, বিশ্ববিদ্যালৰ বহুতো শিক্ষকে (আটাইবোৰে পিএইছ ডি ডিগ্ৰী থকা আৰু একাধিক ছাত্ৰৰ পিএইচ ডি গৱেষণাৰ তত্বাৱধায়ক হোৱা) গৱেষণানো কি তাকে নাজানে। নিজেও এগৰাকী গৱেষিকা বাবেই মই এই কথাটো ক'ব পাৰিছোঁ। ভাৰতীয় ব্যৱস্থাটোত গৱেষণাৰ নামত বহুত জাবৰ-জোথৰ প্ৰকাশ

হয়— ইয়াৰ একমাত্ৰ কাৰণ হ'ল ফল প্ৰদৰ্শন কৰাৰ বাবে অহা প্ৰবল চাপটো। প্ৰমোচনৰ বাবে দৰ্খাস্ত কৰিবলৈ, দৰমহাৰ ক্ষেত্ৰত উচ্চতৰ নিৰিখ পাবলৈ, কেইজন ডক্তৰেট উলিওৱা হ'ল, কেইখন 'পেপাৰ' প্ৰকাশ কৰা হ'ল এইবোৰৰ লেখ লোৱা হয়। সংখ্যাটোহে কথা, গুণগত মান নাথাককেই লাগে। গৱেষণা পত্ৰ পাঠ কৰা, প্ৰকাশ কৰা, ছেমিনাৰ, সভা-সমিতি, ইটো সিটো courseত উপস্থিত থকা এইবোৰ ভাল কথা, কিন্তু তাক শুদ্ধভাৱে ল'ব লাগে। কিন্তু এই কথাবোৰ আজিকালি ব্যয়সাধ্য প্ৰহসনলৈ পৰিণত হ'বলৈ ধৰিছে। মানহীন আলোচনীত কিবা এটা প্ৰকাশ কৰাটো, প্ৰকাশ কৰিব লাগে বাবেই প্ৰকাশ কৰাটো 'মই আপোনাৰ কামটো অনুমোদন কৰিম, আপুনি মোৰটো কৰিব— দুয়োৰে লাভ হ'ব— এই মতলবেৰে আলোচনা সভা, কৰ্মশালা আদি পতাৰ পৰা কোনো উদ্দেশ্য সাধন নহয়। প্ৰকৃত মানৰ গৱেষণা হোৱা অনুষ্ঠান ভাৰতত কেইটামানহে আছে। কিন্তু সেই কেইটায়ো আনক বাট দেখুৱাব পৰা নাই।

চমুতে মোৰ বক্তব্য সামৰোঁ! মই ভাবো কেইটামান মৌলিক, ব্যৱস্থামূলক পৰিৱৰ্তনে আমাৰ শিক্ষা ব্যৱস্থাটোক অধিক কৰ্মদক্ষ, ছাত্ৰৰ প্ৰতি সৌহাৰ্দ্যসূচক আৰু সময়ৰ লগত খাপ খোৱা কৰিব।

১) বিদ্যালয় পৰ্যায়ত শিক্ষকসকলে স্বাভাৱিক প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীবোৰ বাছি উলিয়াব লাগে। মাক-বাপেক আৰু শিক্ষকসকল একগোট হৈ, ল'ৰা-ছোৱালীবোৰে যাতে সিহঁতে ভালপোৱা বৃত্তি এটা ল'ব পাৰে আৰু ভাল পোৱা কাম কৰিব পাৰে তাৰ প্ৰতি যত্নপৰ হ'ব লাগে। সিহঁতৰ কোনটো কিহত ভাল সেইটোও বিচাৰি উলিয়াব লাগে।

পৰীক্ষাত ল'ৰা এটা বা ছোৱালী এজনীয়ে উচ্চ স্থান পালেই তেওঁলোকক প্ৰশংসা কৰোঁতেও সমাজে বাস্তৱবোৰ ৰক্ষা কৰা উচিত। (মোৰ মনত পৰে, মোৰ বি এচচি পৰীক্ষাৰ ফলাফল ওলোৱাৰ লগে লগেই মোৰ পিতৃ-মাতৃয়ে মোৰ বিয়াৰ প্ৰস্তাৱ এটা পাইছিল।)

২) জুনিয়ৰ কলেজবোৰ উঠাই দিব লাগে— স্কুল ব্যৱস্থাটোৰ এনেভাৱে পুনৰ্বিন্যাস কৰিব লাগে যাতে সকলো ছাত্ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে যাব পাৰে আৰু স্কুলৰ শেষৰ চাৰিটা শ্ৰেণীক (নৱম-শ্ৰেণী— দ্বাদশ শ্ৰেণী) এটা বিশেষ গুৰুত্ব দি, PGT শিক্ষকৰ দায়িত্বত দিব লাগে। সকলো ল'ৰা-ছোৱালীকে অষ্টম শ্ৰেণীলৈকে স্কুললৈ যোৱাটো বাধ্য কৰিব লাগে। (সৰ্বশিক্ষাত সেইটো হৈছেই)

৩) নিম্ন-স্নাতক কলেজবোৰ উঠাই দিব লাগে। সেইবোৰৰ পৰিৱৰ্তে তিনি

বহুবীয়া, নিম্ন স্নাতক পাঠ্যক্ৰম এটা বিশ্ববিদ্যালয়বোৰত অতিৰিক্তভাৱে প্ৰৱৰ্তন কৰিব লাগে। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ দায়িত্ব ল'বৰ বাবে বিশ্ববিদ্যালয়বোৰক উপযুক্তভাৱে সক্ষম কৰি তুলিব লাগে। নিম্ন স্নাতক পৰ্যায়ত নামভৰ্তি ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা আৰু ভৱিষ্যতৰ সম্ভাৱনাৰ ভিত্তিত কঠোৰভাৱে নিয়ন্ত্ৰিত হ'ব লাগিব।

৪) বৃত্তিমূলক স্কুলসমূহৰ উপৰি প্ৰযুক্তি বিদ্যা, পৰিচালনা ব্যৱসায় আদি বিষয়ক শিক্ষানুষ্ঠান আমাৰ ইতিমধ্যে আছেই, কিন্তু সেইবোৰবো সম্প্ৰসাৰণ হ'ব লাগে। তদুপৰি খেলা-ধূলা, সঙ্গীত, আৰ্ট, নাটক আৰু স্থাপত্য বিদ্যা বিষয়ক ক্ষেত্ৰত কামো কৰিব লগা আছে।

সকলো পৰ্যায়ৰে শিক্ষানুষ্ঠানবোৰে এটা কথা মানি ল'ব লাগিব যে একান্তই সাৰস্বত প্ৰয়োজনৰ বাহিৰেও ছাত্ৰহঁতৰ আন কিছুমান প্ৰয়োজন থাকে— শিক্ষক আৰু পৰামৰ্শদাতাসকলে ছাত্ৰসকলক তেনেবোৰ বিষয়ত সহায় কৰিবলৈ সাজু থাকিব লাগে।

৫) নতুন ব্যৱস্থাটোত আটাইতকৈ জৰুৰী কথাটো হ'ব উচ্চ মানৰ কিছুমান বৃত্তিগত শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সৃষ্টি কৰাটো। বৰ্তমানে থকা পলিটেক্নিক আৰু আই টি আইবোৰ এনে ধৰণৰ প্ৰতিষ্ঠানেই। এইবোৰে দ্বাদশ শ্ৰেণী সমাপ্ত কৰা অসংখ্য যুৱক-যুৱতীক বৃত্তিগত শিক্ষা আগবঢ়াব লাগিব আৰু সেইবোৰ হ'ব লাগিব উচ্চ মানৰ। সেইবোৰৰ ভিতৰত পৰিব প্লাম্বাৰ, দৰ্জী, ৰাজমিস্ত্ৰি, ইলেক্ট্ৰিচিয়ান, মেকানিক, মালী, বিউটিচিয়ান, ৰান্ধনী, কেঁচুৱা তদাৰক কৰা লোক— বেবী চিটাৰ— আৰু গৃহপৰিচাৰিকা। আৰু থাকিব ফেশ্বন মডেল, ডিজাইনাৰ, চেটশ্ব' হষ্টেচ (chat-show hosteses), আৰু ফ্লাইট ষ্টিৱাৰ্ডচ (flight stewards)।

আই টি আই, পলিটেক্নিকবোৰৰ দৰে যিবোৰ অনুষ্ঠানে এইবোৰ বিষয়ত মানৱ-সম্পদৰ যোগান ধৰি আহিছে সেইবোৰকো নকৈ গঢ় দিয়াৰ প্ৰয়োজন হৈছে। ইতিমধ্যে উল্লেখ কৰা বিষয়বোৰৰ ভিতৰত চেক্ৰেটৰী আৰু কেৰাণীৰ প্ৰশিক্ষণ দিয়া অনুষ্ঠান, নাৰ্চৰ বাবে থকা নাৰ্চিং স্কুল, তত্ত্বাৱধায়কৰ প্ৰশিক্ষণ দিয়া অনুষ্ঠানবোৰো এনেভাৱে উৎকৰ্ষ সাধন হোৱাৰ প্ৰয়োজন যাতে সেইবোৰৰ শিক্ষাৰ্থীহঁতে অধিক উন্নতমানৰ সেৱা আগবঢ়াব পাৰে। এইবোৰৰ পাঠ্যকালৰ সীমা বৃদ্ধি কৰি ডিপ্লোমা দিবৰ যোগ্য কৰিব লাগে। শিক্ষাৰ্থীসকলক প্ৰায়োগিক আৰু তাত্ত্বিক উভয় দিশতে এনে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে অধিক উন্নত পৰ্যায়ৰ সেৱা আগবঢ়োৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে। তেওঁলোকৰ কামটোৰ বিভিন্ন

দিশ তেওঁলোকে খবচি মাৰি যাতে আয়ত্ত কৰিব পাৰে তালৈ দৃষ্টি দিয়াটো প্ৰয়োজন।

শিক্ষণ-প্ৰশিক্ষণ আৰু গৱেষণা সম্পৰ্কে লোৱা সিদ্ধান্তসমূহ অত্যন্ত সাৱধানতাৰে পুনৰীক্ষণ কৰিব লাগে। আওপুৰণি হৈ প্ৰহসনত পৰিণত হোৱা ব্যৱস্থা কিছুমান আঁতৰাব লাগে, যেনে কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰমোচনৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা ক্ৰেডিট পদ্ধতিটো। সংশ্লিষ্টসকলে সুবিধা ল'ব পৰা পদ্ধতি বা ব্যৱস্থা বিশেষকৈ চলি থাকিবলৈ দিয়াটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। মাত্ৰ কাগজতহে কাৰ্যকৰী কৰিব পৰা আৰু বাস্তৱত অকাৰ্যকৰ ব্যৱস্থা একোটাই একো নকৰাতকৈ থকাতকৈও অধিক ক্ষতি কৰে।

মই ইয়াত আগবঢ়োৱা পৰামৰ্শসমূহে যে বৰ্তমান চলি থকা শিক্ষণ পদ্ধতিটোৰ মৌলিক সাল-সলনি বিচাৰিব সেই কথা মই স্বীকাৰ কৰিছোঁ। মই দিয়া পৰামৰ্শসমূহ কাৰ্যত ৰূপায়িত কৰাটো সহজ নহ'ব, আৰু সেইবোৰ সকলো পিনৰ পৰা প্ৰতিৰোধ আৰু প্ৰতিবাদৰ সন্মুখীন হ'ব বুলি মই জানো। পিছে এই পৰিৱৰ্তনবোৰ সাধন কৰি ল'লেহে যদি আমি বিশ্বৰ আৰু নিজৰো দৃষ্টিত হৃত গৌৰৱ আৰু সন্মান ঘূৰাই পাব পাৰোঁ। ইয়াত মই আগবঢ়োৱা বিকল্পটোৱেই শ্ৰেষ্ঠ বিকল্প বুলি মই ক'ব খোজা নাই। ইয়াতকৈয়ো ভাল বিকল্প ওলাব পাৰে— এই প্ৰবন্ধটো লিখি মই মাত্ৰ বুজাব খুজিছোঁ যে আমাৰ শিক্ষা ব্যৱস্থাত সকলো ঠিক আছে বুলি ভাও ধৰি নাথাকি, আমি সন্মুখীন হোৱা কিছুমান প্ৰকৃত সমস্যাৰ আমি সমাধান বিচাৰিবৰ সময় হ'ল।

সমাপ্ত কৰাৰ আগতে মই ক'ব খোজো যে আন সকলো কথাৰ আগতে আমাৰ মানসিক দৃষ্টিভঙ্গী সলনি কৰিব লাগিব। মাক-বাপেকে মানি ল'ব লাগিব যে তেওঁলাকৰ ল'ৰা-ছোৱালীয়ে নিজৰ কৰ্মজীৱনত কি হ'ব বা কৰিব সেইটো বাছি লোৱাৰ অধিকাৰ আছে, শিক্ষকসকলে উপলব্ধি কৰিব লাগিব যে শিক্ষক হোৱা মানে এটা চাকৰি কৰাতকৈ বহুত বেছি কিবা এটা, কাৰণ তেওঁ শিকোৱা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ জীৱন তেওঁ কি শিকাইছে তাৰ দ্বাৰা প্ৰভাৱিত হয়, গৱেষকসকলে স্বীকাৰ কৰিব লাগিব যে গৱেষণাৰ গুণগত মানটোহে প্ৰকৃততে লেখৰ কথা, সংখ্যাটো নহয়, আৰু চলতি ব্যৱস্থাটোক চল-চাতুৰীৰে নিজৰ স্বাৰ্থত পোনাই নিয়াটোত কোনো বাহাদুৰি নাই আৰু আমাৰ ৰাজনীতিক, শিক্ষাবিদ আৰু কৰ্মপন্থা নিৰ্ধাৰকসকলে কিবা প্ৰকাৰে স্পষ্টকৈ বুজাব পাৰিব লাগিব যে মানুহ এজন প্ৰকৃততে শিক্ষিত মানে কি বুজায় সেই কথা তেওঁলোকে বুজি পালে আৰু শিক্ষা ব্যৱস্থাটোৱে সেই উদ্দেশ্য যাতে সাধন কৰে সেই বিষয়ে তেওঁলোক সচেষ্ট; তাৰ বাবে প্ৰয়োজন হ'লে সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ

মৌলিক পৰিবৰ্তন সাধন কৰিবলৈকো তেওঁলোক প্ৰস্তুত। এই কথাখিনি কোৱাৰ বাবে মই যে আক্ৰমণৰ সন্মুখীন হ'ম, সেই কথা মই জানো। কিন্তু সেইটো মোৰ সমস্যা, এই প্ৰবন্ধটো পঢ়ি আপোনাৰ মনত কিবা নহয় কিবা প্ৰকাৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে, সেইটোৱেই হ'ব আৰম্ভণি। ▸▸

*প্ৰবন্ধটো মূল ইংৰাজীৰপৰা অসমীয়ালৈ অনুবাদ কৰিছে ড° প্ৰফুল্ল কটকীয়ে।*

**ড° মীনাক্ষি বৰকটকী ঃ** গণিত শাস্ত্ৰত অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ ডি-ফিল। IASST, গুৱাহাটী বিশ্ববিদ্যালয় আৰু IIT Guwahati ৰ এসময়ৰ শিক্ষক। বৰ্তমান জাৰ্মানীত নৃতত্ত্ব বিষয়ত গৱেষণাৰত।

# স্বৰাজোত্তৰ কালৰ অসমৰ শিক্ষা ব্যৱস্থাৰ অগ্ৰগতি ঃ এক পৰ্যালোচনা

ড° দুলুমণি গোস্বামী

শিক্ষা বিকাশে মানৱ সম্পদ সৃষ্টি কৰাৰ লগতে মানুহৰ সামাজিক, মানসিক, সাংস্কৃতিক, বৌদ্ধিক আৰু অৰ্থনৈতিক সকলো ধৰণৰ বিকাশৰ সূচনা কৰে। ইয়াৰ বাবেই আধুনিক যুগত শিক্ষাৰ গুৰুত্ব যথেষ্ট বৃদ্ধি হোৱাৰ লগতে বিশ্বৰ প্ৰায় সকলো দেশে জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাচীন ভাৰতবৰ্ষতো আনুষ্ঠানিক শিক্ষা ব্যৱস্থা প্ৰচলন হৈছিল যদিও তেতিয়াৰ শিক্ষাব্যৱস্থা আজিৰ দৰে সুসংগঠিত নাছিল। ভাৰতবৰ্ষত আধুনিক শিক্ষাৰ প্ৰচলন হোৱাৰ পৰাহে ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাই এটা সুসংগঠিত ৰূপ ল'লে। ভাৰতবৰ্ষ তথা অসমতো আধুনিক শিক্ষাৰ বিকাশ হৈছিল ব্ৰিটিছ উপনিৱেশ স্থাপন হোৱাৰ পাছৰ পৰাহে। ব্ৰিটিছ উপনিৱেশৰ সময়তে আৰম্ভ হোৱা ভাৰতবৰ্ষৰ আধুনিক শিক্ষাব্যৱস্থাই ব্ৰিটিছ শাসনকালত যদিও কিছু মন্থৰ গতিত আগবাঢ়িছিল, কিন্তু ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰেপৰা শিক্ষা ব্যৱস্থাত যথেষ্ট পৰিৱৰ্তন সাধন হৈছে। বিশেষকৈ যোৱা দুটামান দশকৰ ভিতৰত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই অভাৱনীয় পৰিৱৰ্তনৰ দিশত গতি কৰিছে যাৰ ফলত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধিৰপৰা আদি কৰি ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণকে ধৰি সকলো ক্ষেত্ৰতে কিছু সফলতা লাভ কৰিছে। অৱশ্যে আশা কৰা ধৰণে সফলতা অৰ্জন কৰিবলৈ এতিয়াও বহু বাকী। যোৱা দুটামান দশকজুৰি সমগ্ৰ বিশ্বতে যি

বিশ্বায়নৰ ধুমুহা বলিছে, ইয়াৰ প্ৰভাৱে বিশ্বৰ উন্নত দেশসমূহৰ লগতে উন্নয়নশীল দেশসমূহতো ভালদৰে জোকাৰণি তুলিছে। সমাজৰ বিভিন্ন দিশৰ লগতে শিক্ষা ক্ষেত্ৰতো বিশ্বায়নৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। এইটো কথা সত্য যে বিশ্বায়নৰ প্ৰভাৱৰ ফলত আজি ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বতে শিক্ষাখণ্ডত অভূতপূৰ্ব পৰিবৰ্তন সাধন হৈছে। বৰ্তমান ভাৰতবৰ্ষত শিক্ষাখণ্ডত যথেষ্ট সংস্কাৰ সাধন কৰা হৈছে। প্ৰাথমিক শিক্ষাৰপৰা আদিকৰি উচ্চ শিক্ষা ব্যৱস্থালৈকে সকলো স্তৰতে হোৱা সংস্কাৰে ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাক এক নতুন ৰূপ দিছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ শিক্ষাখণ্ডতো ভাৰত চৰকাৰ আৰু অসম চৰকাৰে লোৱা বিভিন্ন শিক্ষামূলক আঁচনিয়ে শিক্ষাখণ্ডৰ দৃশ্যপট যথেষ্ট সলনি কৰিছে। বৰ্তমান ভাৰতবৰ্ষত শিক্ষা ব্ৰিটিছৰ দিনৰ নিচিনাকৈ কেৱল মুষ্টিমেয় এচামৰ হৈ নাথাকি জনমুখীকৰণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। সন্তোষৰ কথা যে ইতিমধ্যে ভাৰত চৰকাৰে শিক্ষাক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে ২০০২ চনত। ভাৰতবৰ্ষৰ জনসাধাৰণক ২১ শতিকাৰ বাবে উপযোগী কৰি গঢ়ি তুলিবৰ বাবে ১৯৮৬ চনত ভাৰত চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰৱৰ্তন কৰাৰ লগে লগে অসমৰ শিক্ষা ব্যৱস্থাতো ব্যাপক পৰিবৰ্তন দেখা গৈছে। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি অসমত প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ, অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধা প্ৰদান, শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা, প্ৰাপ্তবয়স্ক নিৰক্ষৰতা দূৰীকৰণ আদি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱে শিক্ষাৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰাৰ লগতে শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিবলৈ বাধ্য কৰিছে যাৰ ফলত এই সম্পৰ্কে শিক্ষানুৰাগীসকলৰ মাজত যথেষ্ট চিন্তা-চৰ্চা হোৱা দেখা গৈছে। সাম্প্ৰতিক অসমৰ শিক্ষা ব্যৱস্থাত বিশেষভাৱে গুৰুত্ব দিয়া বিষয়সমূহ হৈছে— সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰা আৰু লগতে সকলোৰে বাবে গুণগত শিক্ষা নিশ্চিত কৰা, উচ্চশিক্ষাৰ ভৰ্তিকৰণৰ হাৰ বৃদ্ধি কৰাৰ লগতে উচ্চশিক্ষাৰ গুণগত মান বৃদ্ধি কৰা, শিক্ষাৰ ক্ষেত্ৰত লিঙ্গ আৰু সামাজিক বৈষম্য দূৰ কৰা আদি। অসমৰ শিক্ষা ব্যৱস্থালৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে চৰকাৰে গ্ৰহণ কৰা সকলোবোৰ উদ্দেশ্য আৰু আঁচনি যদিও সফল হোৱা নাই তথাপিও যোৱা দুটামান দশকত অসমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ লগতে আন্তঃগাঁথনিও বহুখিনি উন্নত হৈছে। উচ্চশিক্ষাৰ ভৰ্তিকৰণৰ হাৰো আগতকৈ কিছু বৃদ্ধি হৈছে। মুঠতে স্বাধীনতাৰ পাছৰেপৰাই অসমৰ শিক্ষা ব্যৱস্থা ক্ৰমান্বয়ে উন্নতিৰ দিশত অগ্ৰসৰ নিশ্চয় হৈছে যদিও আৰু বহুখিনি বাকী। আমাৰ এই প্ৰবন্ধত স্বাধীনতাৰ

পাছৰ পৰাই অসমৰ সকলো স্তৰৰে শিক্ষা ব্যৱস্থাৰ অগ্ৰগতিৰ এক খতিয়ান দিবলৈ প্ৰয়াস কৰা হৈছে।

**অসমত সাক্ষৰতা আৰু সাক্ষৰতা অভিযান**

অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে নিৰক্ষৰতা এটা ডাঙৰ সামাজিক ব্যাধিস্বৰূপে পৰিগণিত হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ অৰ্থে বিভিন্ন প্ৰকাৰৰ কাৰ্যসূচী গ্ৰহণ কৰি অহা দেখা গৈছে। এই কাৰ্যসূচীসমূহৰ ফলস্বৰূপে অসমত সাক্ষৰতাৰ হাৰ যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে যদিও অসমক সম্পূৰ্ণ নিৰক্ষৰমুক্ত কৰিবৰ বাবে এতিয়াও বাকী। ১৯৫১ চনৰপৰা ২০১১ চনলৈ অসমত সাক্ষৰতাৰ হাৰ তলৰ তালিকাখনত উল্লেখ কৰা হৈছে।

তালিকা . ১

**অসমৰ সাক্ষৰতাৰ হাৰ**

| বছৰ | মুঠ সাক্ষৰতা (%) | পুৰুষ (%) | মহিলা (%) |
|---|---|---|---|
| ১৯৫১ | ১৮.৫৩ | ২৮.০১ | ৭.৫৮ |
| ১৯৬১ | ৩২.৯৫ | ৪২.৯৬ | ১৮.৬২ |
| ১৯৭১ | ৩৩.৯৪ | ৪৪.২৮ | ২২.৭৬ |
| ১৯৮১ | | | |
| ১৯৯১ | ৫২.৮৯ | ৬১.৮৭ | ৪৩.০৩ |
| ২০০১ | ৬৪.২৮ | ৭১.৯৩ | ৫৬.০৩ |
| ২০১১ | ৭৩.১৮ | ৭৮.৮১ | ৬৭.২৭ |

*সমল ঃ ভাৰতৰ লোকপিয়ল*

উপৰোক্ত তালিকাৰপৰা দেখা গ'ল যে ১৯৫১ চনত অৰ্থাৎ স্বাধীনতাৰ ঠিক পিছতে অসমৰ সাক্ষৰতা হাৰ আছিল অতি নিম্ন আৰু এই ক্ষেত্ৰত পুৰুষ-মহিলাৰ ব্যৱধানো আছিল আতি বেছি। সেই বছৰ মুঠ সাক্ষৰতা ১৮.৫৩ শতাংশৰ বিপৰীতে পুৰুষৰ আছিল ২৮.০১ আৰু মহিলাৰ আছিল মাত্ৰ ৭.৫৮ শতাংশহে। অৱশ্যে দেখা গৈছে যে প্ৰতিটো লোকপিয়লত সাক্ষৰতাৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি হৈ আহিছে। অসমত শেহতীয়া লোকপিয়ল (২০১১) অনুসৰি সাক্ষৰতাৰ হাৰ বৃদ্ধি হৈ ৭৩.১৮ শতাংশ হৈছে। মহিলাৰ সাক্ষৰতাৰ হাৰ ৬৭.২৭ শতাংশলৈ বৃদ্ধি পাইছে যদিও এতিয়াও পুৰুষ-মহিলাৰ ব্যৱধান স্পষ্ট। এতিয়াও বহুসংখ্যক প্ৰাপ্তবয়স্ক লোক নিৰক্ষৰতাত পতিত হৈ আছে, যিয়ে অসমৰ প্ৰগতিৰ ক্ষেত্ৰত নিঃসন্দেহে অন্তৰায় সৃষ্টি কৰিছে। আকৌ

অসমৰ সাক্ষৰতাৰ হাৰ সৰ্বভাৰতীয় হাৰ ৭৪.০৪ তকৈ কিছু কম হোৱা দেখা যায় ২০১১ চনৰ লোকপিয়লত, যদিও আগৰ সকলো লোকপিয়লতে কিছু বেছি আছিল। ২০০১ চনলৈকে অসমে সৰ্বভাৰতীয় হাৰতকৈ কিছু ওপৰত থাকিবলৈ সক্ষম হৈছিল। আনহাতে সাক্ষৰতাৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ ব্যৱধান আছে যদিও ক্ৰমান্বয়ে কমি অহা পৰিলক্ষিত হৈছে। ১৯৯১ চনত এই ব্যৱধান আছিল ১৯.৬৪, ২০০১ চনত কমি ১৫.৯০ আৰু ২০১১ চনত এই ব্যৱধান হয়গৈ ১১.৫৪। অসমৰ বিভিন্ন শিক্ষা আঁচনিসমূহত মহিলাৰ শিক্ষা আৰু মহিলাৰ সবলীকৰণৰ ওপৰত গুৰুত্ব দি অহাৰ ফলতে এই ব্যৱধান কমি আহিছে বুলি ভাবিব পাৰি।

ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ লগতে অসম চৰকাৰেও সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিবৰ বাবে বিভিন্ন পৰ্যায়ত কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ১৯৭৮ চনৰ ২ অক্টোবৰৰ দিনা সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা আঁচনি (NAEP) আৰম্ভ কৰা হৈছিল। এই আঁচনিখনৰ উদ্দেশ্য আছিল পৰিবৰ্তিত চিন্তাধাৰা, নতুন মূল্যবোধ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সৃষ্টি কৰা ক্ষমতাৰ লগত নিৰক্ষৰ লোকসকলক খাপ খুৱাই তুলিব পৰাকৈ মানসিকভাৱে প্ৰস্তুত কৰা। ইয়াৰ মূল বিষয় আছিল সাক্ষৰতা, ব্যৱহাৰিকতা আৰু সচেতনতা। এই আঁচনিয়ে ১৫ৰ পৰা ৩৫ বছৰৰ বয়সৰ নিৰক্ষৰ লোকসকলক সামৰি লৈছিল। ১৯৮৪ চনৰ ভিতৰত সকলো নিৰক্ষৰ লোককে সাক্ষৰ কৰি তুলিবলৈ অসম চৰকাৰৰ প্ৰাপ্তবয়স্ক শিক্ষা বিভাগে পৰিকল্পনা লয় যদিও ১৯৮১ চনত এই আঁচনিৰ ম্যাদ ১৯৯০ চনলৈ বৃদ্ধি কৰা হ'ল।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে দেশৰপৰা নিৰক্ষৰতা সম্পূৰ্ণৰূপে দূৰীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলে আৰু দেশৰ বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক, যুৱক-যুৱতী, কৰ্মচাৰী আৰু স্বেচ্ছাসেৱী সংগঠনক সাক্ষৰতা অভিযানত অংশগ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিলে। ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ ৰ নিৰ্দেশনা মতে ১৯৮৮ চনত ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ লগতে অসমতো ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন (National Litercy Mission) আৰম্ভ কৰা হ'ল। এই অভিযানৰ উদ্দেশ্য আছিল ১৫ ৰপৰা ৩৫ বছৰ বয়সৰ নিৰক্ষৰ লোকসকলক ১৯৯৫ চনৰ ভিতৰত ব্যৱহাৰিক সাক্ষৰতাৰ যোগেদি সাক্ষৰ কৰি তোলা হ'ব। ১৯৯০ চনত ভাৰতবৰ্ষত পূৰ্ণ সাক্ষৰতা অভিযান (TLC) আৰম্ভ কৰা হৈছিল আৰু অসমতো এই অভিযান আৰম্ভ কৰা হয় ১৯৯২ চনৰপৰা ৰাষ্ট্ৰীয় সাক্ষৰতা মিছনৰ (NLM) অধীনত। ১৯৯২ চনত অসমৰ যোৰহাট জিলাত প্ৰথমবাৰৰ বাবে পূৰ্ণ সাক্ষৰতা অভিযান ৰূপায়ণ কৰা হৈছিল। এই অভিযান অৱশ্যে সম্পূৰ্ণ সফল হৈছিল বুলি ক'ব নোৱাৰি যদিও এইটো স্বীকাৰ কৰিব লাগিব যে এই

অভিযানে জনসাধাৰণৰ মাজত যথেষ্ট সজাগতাৰ সৃষ্টি কৰিছিল। ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত ভাৰত চৰকাৰে সাক্ষৰ ভাৰত অভিযান আৰম্ভ কৰে। ২০০১ চনৰ লোকপিয়ল অনুসৰি সাক্ষৰতাৰ হাৰ ৫০ শতাংশৰ তলত থকা জিলাসমূহত এই অভিযান ৰূপায়ণ কৰা হ'ব। বৰ্তমান অসমতো সাক্ষৰতাৰ হাৰ ৫০ শতাংশৰ তলত থকা ১২ খন জিলাত সাক্ষৰ ভাৰত অভিযান আঁচনিৰ ৰূপায়ণ কৰি থকা হৈছে। অসমত ইতিমধ্যে ২০১৭ চনৰ এপ্ৰিল মাহলৈ মুঠ ৯,২৫,১৩ নিৰক্ষৰ লোকক সাক্ষৰ কৰা হৈছে বুলি ঘোষণা কৰা হৈছে।

## অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ

দেশ আৰু জাতিৰ বিকাশৰ বাবে তথা শিক্ষাৰ ভেটি সুদৃঢ় কৰিবৰ বাবে প্ৰাথমিক শিক্ষাৰ গুৰুত্ব সকলোৱে স্বীকাৰ কৰিব। সেইবাবে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছতে ভাৰত চৰকাৰে বিশেষভাৱে গুৰুত্ব দি অহা এটা অন্যতম বিষয় হৈছে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ। ভাৰতবৰ্ষৰ সংবিধানে ইয়াৰ ৪৫ নং অনুচ্ছেদৰ যোগেদি ৬ বছৰ বয়সৰপৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰক নিৰ্দেশ দিয়ে। সংবিধান বলৱৎ হোৱাৰ ১০ বছৰৰ ভিতৰত এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ দিয়া হৈছিল যদিও আজিও আমি সম্পূৰ্ণভাৱে সাৰ্বজনীন প্ৰাথমিক শিক্ষাত উপনীত হ'ব পৰা নাই। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছতেই গান্ধীজীৰ আদৰ্শ অনুসৰণ কৰি অসমৰ চৰকাৰেও ১৯৫৪ চনৰ ছেপ্টেম্বৰ মাহত অসম বুনিয়াদী শিক্ষা আইন গৃহীত কৰি অসমৰ সকলো প্ৰাথমিক বিদ্যালয়ক বুনিয়াদী বিদ্যালয়লৈ ৰূপান্তৰিত কৰিবলৈ প্ৰয়াস কৰে যদিও অধিকাংশ বুনিয়াদী বিদ্যালয় প্ৰকৃত অৰ্থত বুনিয়াদী বিদ্যালয় নহৈ আগৰ প্ৰাথমিক শিক্ষাৰ দৰেই চলি থাকিল। ইতিমধ্যে চৰকাৰে বুনিয়াদী শিক্ষাৰ এখন ৰাষ্ট্ৰীয় পৰিষদো গঠন কৰে। বুনিয়াদী বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে চৰকাৰে ১৯৬০ চনৰ ভিতৰত ৬ খন নতুন নৰ্মাল স্কুল আৰু ২০ খন বুনিয়াদী প্ৰশিক্ষণ বিদ্যালয় স্থাপন কৰে। বিভিন্ন বেমেজালিৰ বাবে বুনিয়াদী শিক্ষা ব্যৱস্থা অসমত সফল নহ'ল আৰু জনসাধাৰণৰো মোহভঙ্গ হ'ল বুনিয়াদী শিক্ষাৰ প্ৰতি। অৱশ্যে এই আইন প্ৰৱৰ্তন কৰাৰ পাছত অসমত বিদ্যালয়ৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হোৱাটো লক্ষণীয়। ১৯৫৪-৫৫ চনত অসমত ২০ খন উচ্চ বুনিয়াদী বিদ্যালয় আৰু ৪৮৫ খন নিম্ন বুনিয়াদী বিদ্যালয় আছিল যদিও ১৯৫৯-৬০ চনত এই সংখ্যা বৃদ্ধি হৈ ১৫৮ খন উচ্চ বুনিয়াদী আৰু ২১১ খন নিম্ন বুনিয়াদী বিদ্যালয় হয়। তেনেদৰে প্ৰাথমিক বিদ্যালয়ৰ মুঠ

সংখ্যাও ১৯৫৪-৫৫ চনত ১২,৫৬৫ খন আছিল যদিও ১৯৫৯-৬০ চনত এই সংখ্যা হয়গৈ ১৪,৯৪০ খন। প্ৰাথমিক শিক্ষাৰ কিছু বিকাশ হ'লেও কিন্তু বুনিয়াদী শিক্ষা আঁচনিখন সামগ্ৰিকভাৱে অসমত সফল নহ'ল আৰু সেয়েহে অসম চৰকাৰে এই আইন বাতিল কৰি ১৯৬২ চনত আন এখন প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্তন কৰে। এই আইনত ৰাজ্যিক পৰিষদৰ যোগেদি প্ৰাথমিক শিক্ষাৰ দায়িত্ব সামূহিকভাৱে গ্ৰহণ কৰা, শিক্ষা পৰিচালনাৰ ক্ষেত্ৰত স্থানীয় কৰ্তৃপক্ষক কৰ্তৃত্ব দিয়া, অষ্টম শ্ৰেণীলৈ বিনামূলীয়া শিক্ষাদান, বাধ্যতামূলক প্ৰাথমিক শিক্ষা ইত্যাদি ব্যৱস্থাবোৰ বিশেষভাৱে উল্লেখযোগ্য। এই আইন অনুসৰি চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষ উভয়ে প্ৰাথমিক শিক্ষাৰ পৰিচালনাত জড়িত হোৱাৰ বাবে প্ৰাথমিক শিক্ষাৰ কিছু উল্লেখযোগ্য বিকাশ সাধন হৈছিল যাৰ ফলস্বৰূপে ১৯৬১-৬২ চনৰপৰা ১৯৭৫-৭৬ চনলৈ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ১৬,৯৬১ ৰপৰা ২০,২৪৮ খনলৈ বৃদ্ধি হৈছিল। তেনেদৰে মজলীয়া বিদ্যালয়ৰ সংখ্যাও ১৮৯৯ ৰপৰা ৩৫৩৫ লৈ বৃদ্ধি হৈছিল। ইতিমধ্যে ১৯৬৬ চনত কোঠাৰী আয়োগে সমগ্ৰ ভাৰতবৰ্ষতে শিক্ষাৰ পুনৰ্গঠনৰ বাবে পৰামৰ্শ দিয়ে আৰু কোঠাৰী আয়োগৰ পৰামৰ্শ অনুসৰি অসমতো শিক্ষাৰ নতুন গাঁথনি তৈয়াৰ কৰা হয়। ইতিমধ্যে ১৯৭৪ চনত অসমৰ প্ৰাথমিক শিক্ষা ব্যৱস্থা প্ৰাদেশিকীকৰণ কৰা হয় আৰু প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ উপযুক্ত পৰিচালনা কৰিবৰ বাবে প্ৰথমবাৰৰ বাবে ১৯৭৭ চনত অসম চৰকাৰে প্ৰাথমিক শিক্ষাৰ সুকীয়া সঞ্চালকালয় প্ৰতিষ্ঠা কৰে।

১৯৮৬ চনত ভাৰত চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰে আৰু এই শিক্ষা নীতিত প্ৰাথমিক শিক্ষাৰ গুণগত মান বৃদ্ধি কৰি প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰিবৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি 'অপাৰেচন ব্লেকবোৰ্ড'ৰ আঁচনি অসমতো গ্ৰহণ কৰি স্কুলঘৰ নিৰ্মাণ আৰু বিনামূলীয়া পাঠ্যপুথি, শিক্ষাৰ সা-সঁজুলি আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰা হৈছে। তাৰ উপৰি প্ৰাথমিক শিক্ষাৰ মান উন্নত কৰাৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে ভাৰতবৰ্ষৰ প্ৰতিখন জিলাতে জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ আঁচনি লোৱা হৈছে। অসমতো ১৯৮৯ চনত প্ৰথমে ৬ খন জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ পাছত বৰ্তমান ইয়াৰ সংখ্যা ২৩ খন হৈছে।

প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তুলিবৰ বাবে ভাৰত চৰকাৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে যদিও আশানুৰূপ ফল এতিয়াও লাভ কৰিব পৰা নাই। ১৯৯৪ চনত বিশ্ববেঙ্কৰ আৰ্থিক সাহায্যৰে ভাৰতবৰ্ষৰ ৭ খন ৰাজ্যৰ ৪২ খন জিলাত জিলা প্ৰাথমিক শিক্ষা আঁচনি ৰূপায়ণ কৰা হয় আৰু ইয়াৰে ৯ খন জিলা আছিল অসমৰ।

এই আঁচনিয়ে এক বৃহৎ সংখ্যক শিশুক বিদ্যালয়লৈ আনিছিল যদিও আধাতে বিদ্যালয় ত্যাগ কৰা ল'ৰা-ছোৱালীৰ সংখ্যা নিয়ন্ত্ৰণ কৰিব নোৱৰাৰ ফলত এই আঁচনি ব্যৰ্থ হৈছিল। উল্লেখযোগ্য যে ১৯৯৫-৯৬ চনৰ সময়ছোৱাত প্ৰায় ৫০% তকৈও অধিক ল'ৰা-ছোৱালীয়ে বিদ্যালয় ত্যাগ কৰিছিল। ইতিমধ্যে ২০০১ চনত সমগ্ৰ ভাৰতবৰ্ষতে 'সৰ্বশিক্ষা অভিযান' আৰম্ভ কৰা হয়। ২০০৫ চনৰ ভিতৰত সকলো শিক্ষকে বিদ্যালয়ত ভৰ্তিকৰণ নিশ্চিত কৰাৰ লগতে ২০০৭ চনৰ ভিতৰত মাজতে পঢ়া ত্যাগ নকৰাকৈ সকলো শিশুকে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰা আৰু ২০১০ চনৰ ভিতৰত সকলো শিশুকে ৮ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাটোৱে আছিল সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য। বৰ্তমান ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ লগতে অসমতো সৰ্বশিক্ষা অভিযান পূৰ্ণ গতিত চলি আছে। কেৱল সৰ্বশিক্ষা অভিযানে নহয় সকলোৰে বাবে গুণগত মাধ্যমিক শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে ২০০৭ চনৰপৰা ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানো ইতিমধ্যে অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত আৰম্ভ কৰা হৈছে। 'ইউনেস্ক'ৰ দ্বাৰা ঘোষিত সহস্ৰাব্দৰ বিকাশৰ লক্ষ্য অনুসৰি ২০১৫ চনৰ ভিতৰত বিশ্বৰ সকলো শিশুৰ প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ উপৰি শিক্ষাৰ ক্ষেত্ৰত থকা লিঙ্গ বৈষম্য দূৰ কৰিব লাগে। ইতিমধ্যে ২০১৫ চন অতিক্ৰম কৰা ৩ বছৰে হ'ল, তদুপৰি সৰ্বশিক্ষা অভিযানৰ লক্ষ্যও কেতিয়াবাই সমাপ্ত হৈছে। কিন্তু অসমৰ নিচিনা ৰাজ্যৰ শিক্ষাৰ সামগ্ৰিক অৱস্থা এতিয়াও আশা কৰা অৱস্থাতকৈ বহু দূৰত।

২০০৯ চনত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন প্ৰক্ৰিয়াক আইনগত ৰূপ দিবৰ বাবে শিক্ষা লাভৰ অধিকাৰ আইন প্ৰৱৰ্তন কৰা হয় আৰু অসমতো ২০১০ চনৰ এপ্ৰিল মাহৰপৰা এই আইন বলৱৎ কৰা হৈছে। শিক্ষা লাভৰ অধিকাৰ আইনখন প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ বুলি ভবা হৈছিল যদিও এই আইনখন প্ৰৱৰ্তন কৰা আজি ৮ বছৰ অতিক্ৰম কৰিলে কিন্তু সকলো শিশুকে বিদ্যালয়লৈ আনি প্ৰাথমিক শিক্ষা সমাপ্ত কৰোৱা আৰু সকলোৰে বাবে গুণগত প্ৰাথমিক শিক্ষা এতিয়াও সপোন হৈয়ে আছে। অৱশ্যে সৰ্বশিক্ষা অভিযান আৰম্ভ হোৱাৰ পাছৰপৰা প্ৰাথমিক বিদ্যালয়ত ভৰ্তিকৰণ যথেষ্ট বৃদ্ধি হৈছে, তথাপিও এতিয়াও সমগ্ৰ ভাৰতবৰ্ষতে প্ৰায় ৮৩ লাখ শিশু বিদ্যালয়ৰ বাহিৰত আছে। ২০১২-১৩ চনৰ তথ্য অনুসৰি অসমত ৫৭,১২,৩৬৪ জন শিশুৰ (৬ৰ পৰা ১৪ বছৰৰ) ভিতৰত এতিয়াও ১০,২,৫১৮ জন অৰ্থাৎ ১.৭৯% জন আছে বিদ্যালয়ৰ বাহিৰত। আনহাতে বিদ্যালয় আধাতে ত্যাগ কৰা শিশুৰ সংখ্যা আগতকৈ হ্ৰাস হৈছে যদিও এতিয়াও যথেষ্ট বেছি। ২০০২-৩ চনত বিদ্যালয় ত্যাগ কৰা শিশুৰ সংখ্যা আছিল ৩৫.১৯, ২০১২-১৩ চনতো এই সংখ্যা প্ৰায়

১০.৯% হৈয়ে আছে। অৰ্থাৎ শিক্ষা লাভৰ অধিকাৰ আইন বলবৎ হোৱাৰ পাছতো এক বৃহৎ সংখ্যক শিশুৱে প্ৰাথমিক শিক্ষা সমাপ্ত নকৰাকৈ বিদ্যালয় ত্যাগ কৰিছে আন এটা উল্লেখযোগ্য বিষয় হ'ল বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী যিমান ভৰ্তি হৈছে তাৰ অনুপাতে উপস্থিতিৰ সংখ্যা খুব কম। ৩০% তকৈও অধিক ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত নাথাকে।

সৰ্বশিক্ষা অভিযান আৰম্ভ কৰাৰ পাছত সন্দেহ নাই যে অসমৰ প্ৰাথমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনি যথেষ্ট উন্নত হৈছে, কিন্তু গুণগত প্ৰাথমিক শিক্ষা এতিয়াও বহু দূৰত। ২০১২-১৩ চনত অসমত মুঠ বিদ্যালয়ৰ সংখ্যা আছিল ৬১,৬৮৯ খন আৰু এবছৰৰ পাছত ২০১৩-১৪ চনত ইয়াৰ সংখ্যা হৈছে ৬৪,১৭১ খন। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। ২০০২-৩ চনত অসমৰ প্ৰাথমিক শিক্ষাত ছাত্ৰ-ছাত্ৰী আছিল ৪১,৫৪০,৭৭ আনহাতে ২০১২-১৩ ইয়াৰ সংখ্যা বৃদ্ধি হৈ ৫৭,০৪,০৪৪ জন আৰু ২০১৩-১৪ চনত হ'লগৈ ৫৮,০৬,১৮৪ জন।

অসমত বৰ্তমান ব্যক্তিগত খণ্ডতো বহুতো বিদ্যালয় গঢ়ি উঠাটো লক্ষণীয়। চৰকাৰী শিক্ষা ব্যৱস্থাৰ দুৰ্বলতাৰ বাবেই এনে ধৰণৰ বহুতো বিদ্যালয় কেৱল বাণিজ্যিক লাভালাভৰ বাবে গঢ়ি উঠিছে। অসমৰ ১৯.২% চৰকাৰী প্ৰাথমিক বিদ্যালয়ত আছে মাত্ৰ এটা কোঠা, ৮% বিদ্যালয় চলি আছে এজনীয়া শিক্ষকেৰে, মাত্ৰ ৫৯.৩% বিদ্যালয়ত আছে ছোৱালীৰ বাবে আছুতীয়া প্ৰস্ৰাৱগাৰ আৰু মাত্ৰ ৭.৭% বিদ্যালয়ত আছে কম্পিউটাৰৰ সুবিধা। ৩০% তকৈয়ো অধিক প্ৰাথমিক বিদ্যালয়ত নাই খোৱাপানীৰ সুবিধা। গতিকে অসমৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাক এক গুণগত শিক্ষা ব্যৱস্থালৈ উন্নত কৰিবৰ বাবে আৰু বহু কৰণীয় আছে। শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটোও আসোঁৱাহপূৰ্ণ আছিল যদিও শেহকতীয়াভাৱে 'টেট' (Teacher Eligibility Test)ৰ যোগেদি শিক্ষক বাছনি কৰাটো উত্তম হৈছে। কিন্তু টেটৰ যোগেদি নিযুক্ত শিক্ষকসকলৰ বিভিন্ন সমস্যা আছে যিবোৰ চৰকাৰে এতিয়াও সমাধান কৰিব পৰা নাই।

### অসমত মাধ্যমিক শিক্ষাৰ অগ্ৰগতি

অসমৰ মাধ্যমিক শিক্ষাৰ ইতিহাস ১৮৩৫ চনৰপৰাহে প্ৰকৃততে আৰম্ভ হৈছিল যদিও বৰ্তমান এই স্তৰৰ শিক্ষাৰ দ্ৰুত সম্প্ৰসাৰণৰ উপৰি বহুতো সংস্কাৰ সাধন কৰা দেখা গৈছে। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পাছত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ অসমৰ মাধ্যমিক শিক্ষাতো পৰা পৰিলক্ষিত হয়। ইয়াৰ আগলৈকে অসমৰ মাধ্যমিক শিক্ষা কলিকতা বিশ্ববিদ্যালয়ে চলাই আছিল, কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়

প্ৰতিষ্ঠা হোৱাৰ লগে লগে অসমৰ সকলো মাধ্যমিক বিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ আহিল আৰু যাৰ ফলত মাধ্যমিক বিদ্যালয়ৰ সংখ্যাও দ্ৰুতগতিত বৃদ্ধি হোৱা দেখা গ'ল। ১৯৪৭-৪৮ চনত অসমত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা আছিল ১৯১ খন আৰু মাত্ৰ ৫ বছৰৰ ভিতৰত অৰ্থাৎ ১৯৫৩-৫৪ চনত ইয়াৰ সংখ্যা বৃদ্ধি হৈ ৩৩৮ খন হয়গৈ। আকৌ ২০১০-১১ চনৰ তথ্য অনুসৰি অসমত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা হয় ৫৭৪১ খন, উচ্চতৰ মাধ্যমিকৰ সংখ্যা হয় ৯৩৩ খন আৰু কনিষ্ঠ মহাবিদ্যালয় ২১৭ খন। ইয়াৰ পাছত ১৯৫২-৫৩ চনত মাধ্যমিক শিক্ষা আয়োগ নাইবা মুদালিয়াৰ আয়োগৰ পৰামৰ্শ অনুসৰি মাধ্যমিক শিক্ষাৰ গাঁথনিৰ পৰিৱৰ্তন কৰা হয়। এই আয়োগৰ পৰামৰ্শ অনুসৰি মাধ্যমিক শিক্ষাৰ গাঁথনি ১১ বছৰীয়া কৰি তোলা হয় আৰু পূৰ্বৰ ২ বছৰীয়া ইণ্টাৰমিডিয়েট শিক্ষা পৰ্যায়টো উঠাই দি ইয়াৰে প্ৰথম বছৰটো স্কুলৰ লগত আৰু দ্বিতীয় বছৰটো কলেজৰ লগত সংযোগ কৰি দিয়া হয়। কিন্তু পুনৰ ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শমতে শিক্ষাৰ গাঁথনি নতুন কৰা হয় আৰু নতুনকৈ ১০+২+৩ শিক্ষাৰ গাঁথনি সমগ্ৰ দেশৰ লগতে অসমতো প্ৰৱৰ্তন কৰা হয়।

১৯৬১ চনত অসম মাধ্যমিক শিক্ষা আইন গৃহীত কৰা হয় আৰু এই আইন অনুসৰি ১৯৬২ চনত অসম মাধ্যমিক শিক্ষা পৰিষদ প্ৰতিষ্ঠা কৰা হয় মাধ্যমিক শিক্ষাৰ শৈক্ষিক তত্বাৱধান কৰাৰ বাবে আৰু উন্নীতকৰণৰ বাবে। অসমত মাধ্যমিক শিক্ষাৰ উন্নতি আৰু প্ৰসাৰৰ ক্ষেত্ৰত বৰ্তমান অসম মাধ্যমিক শিক্ষা পৰিষদে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই পৰিষদে প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰে ইয়াৰ অন্তৰ্গত মাধ্যমিক বিদ্যালয়সমূহৰ বাবে। পৰীক্ষা অনুষ্ঠিত কৰাৰ উপৰি মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম নিৰ্মাণ, বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা, শিক্ষকৰ বাবে সময়ে সময়ে হ্ৰস্বকালীন প্ৰশিক্ষণ আদিৰো ব্যৱস্থা কৰি আহিছে এই পৰিষদে। ১৯৮৪ চনত প্ৰতিষ্ঠা কৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, অসমত মাধ্যমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক অসমত উচ্চতৰ মাধ্যমিক শিক্ষা স্তৰৰ বাবে পাঠ্যক্ৰম নিৰ্মাণ, পৰীক্ষা অনুষ্ঠিত কৰা আৰু বিকাশৰ বাবে দায়িত্ব দিয়া হৈছে। এই সংসদ প্ৰতিষ্ঠা হোৱাৰ পিছত অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰ্যায় সম্পূৰ্ণৰূপে সংসদৰ অধীনলৈ যায় আৰু আগৰ বিশ্ববিদ্যালয়ৰ অধীনত থকা প্ৰাক্ বিশ্ববিদ্যালয় শিক্ষা বিলুপ্ত কৰা হয়।

১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰাৰ লগে লগে অসমৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰো আমূল পৰিৱৰ্তন ঘটে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি মাধ্যমিক শিক্ষাক বৃত্তিমুখী কৰিবলৈও প্ৰয়াস কৰা হৈছে। ১৯৮৬ চনৰ এই শিক্ষানীতি অনুসৰি ১৯৯০

চনৰ ভিতৰত মাধ্যমিক বিদ্যালয়ৰ ১০ শতাংশ ল'ৰা-ছোৱালীক আৰু ১৯৯৫ চনৰ ভিতৰত ২৫ শতাংশ ল'ৰা-ছোৱালীক বৃত্তিমুখী মাধ্যমিক শিক্ষাৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা হৈছিল। এই শিক্ষানীতি অনুসৰিয়ে গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ অথচ মেধাৱী ল'ৰা-ছোৱালীক উন্নত মানৰ মাধ্যামিক শিক্ষা দিয়াৰ উদ্দেশ্যে জৱাহৰ নৱোদয় বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছে আৰু অসমতো নতুনকৈ গঠিত জিলাকেইখনৰ বাহিৰে প্ৰতিখন জিলাতে গ্ৰাম্য অঞ্চলত একোখনকৈ জৱাহৰ নৱোদয় বিদ্যালয় ইতিমধ্যে প্ৰতিষ্ঠা কৰা হৈছে।

ভাৰতবৰ্ষৰ সকলো ল'ৰা-ছোৱালীৰ বাবে গুণগত মাধ্যমিক শিক্ষা প্ৰদান কৰিবৰ বাবে ২০০৯ চনতে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA) আৰম্ভ কৰে। এই অভিযানৰ উদ্দেশ্য হ'ল ২০১৭ চনৰ ভিতৰত ১৪ৰ পৰা ১৮ বছৰৰ সকলো ল'ৰা-ছোৱালীৰ বাবে মাধ্যমিক শিক্ষা প্ৰদান আৰু মাধ্যমিক স্তৰত মুঠ ভৰ্তিকৰণৰ হাৰ ৭৫% লৈ বৃদ্ধি কৰা। ইয়াৰ বাবে প্ৰতি ৫ বৰ্গ কিলোমিটাৰৰ দূৰত্বত অন্ততঃ এখন মাধ্যমিক বিদ্যালয় স্থাপন কৰা হ'ব। ২০১১ চনৰ তথ্য অনুসৰি অসমত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা হৈছে ২,৬০৭ খন আৰু ২০১৭ চনৰ ভিতৰত ৯,৮৭৭ খন মাধ্যমিক বিদ্যালয় স্থাপনৰ লক্ষ্য লোৱা হৈছে। অসমৰ চৰকাৰী খণ্ডৰ মাধ্যমিক বিদ্যালয়ৰ অৱস্থা খুব সন্তোষজনক নহয়, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰম্ভ কৰাৰ পাছত অৱশ্যে আন্তঃগাঁথনি কিছু উন্নত হৈছে যদিও প্ৰকৃত লক্ষ্যত উপনীত হ'বলৈ বহু বাকী। ২০০৯-১০ চনত অসমত মাধ্যমিক শিক্ষাত ভৰ্তিকৰণৰ হাৰ আছিল ৪৬.৪% আৰু ২০১২-১৩ চনত বৃদ্ধি হৈ ৭২% হৈছে। অৱশ্যে এইটো কথাও সত্য যে ল'ৰা-ছোৱালীৰ ভৰ্তিৰ সংখ্যা দেখাত বৃদ্ধি হ'লেও আধাতে বিদ্যালয় ত্যাগ কৰা ল'ৰা-ছোৱালীৰ সংখ্যা যথেষ্ট বেছি আৰু বিদ্যালয়ত উপস্থিতিৰ হাৰ যথেষ্ট কম। অসমত চৰকাৰীকৰণ নোহোৱাকৈ বহু বিদ্যালয় আছে যিবোৰৰ অৱস্থা অতি শোচনীয়। যোৱা কেইটামান বৰ্ষত অৱশ্যে অসম চৰকাৰে বহুতো বিদ্যালয় প্ৰাদেশিকীকৰণ কৰাটো প্ৰশংসনীয়।

## অসমত উচ্চ শিক্ষাৰ বিকাশ

বৰ্তমান বিশ্বৰ সকলো দেশতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে আৰু সংস্কাৰ সাধন কৰিছে, যিহেতু জ্ঞানৰ বিকাশ আৰু পৰিৱৰ্তনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় হ'ল উচ্চ শিক্ষাৰ বিকাশ আৰু সংস্কাৰ। বিশ্বায়ন আৰু বিশ্বত হোৱা উদাৰ অৰ্থনীতিৰ ফলত সমগ্ৰ বিশ্বতে শিক্ষাৰ ক্ষেত্ৰত যি সংস্কাৰ আৰম্ভ হৈছে তাৰ প্ৰভাৱ

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ উচ্চ শিক্ষাৰ আন্তৰ্জাতিককৰণৰ ওপৰত প্ৰায় সকলোবোৰ উন্নত আৰু উন্নয়নশীল দেশে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। বৰ্তমান যিকোনো দেশৰে উচ্চ শিক্ষা ব্যৱস্থা আন্তৰ্জাতিক মানৰ কৰি তুলিব নোৱাৰিলে হয়তো এসময়ত তিষ্ঠি থকাটোৱেই কঠিন হ'ব। উল্লেখযোগ্য যে যোৱা দুটা দশক ধৰি ভাৰতবৰ্ষৰ উচ্চ শিক্ষাত অভূতপূৰ্ব বিকাশ সাধন হৈছে, যাৰ ফলত আজি সমগ্ৰ ভাৰতবৰ্ষতে বিশ্ববিদ্যালয়ৰ আৰু মহাবিদ্যালয়ৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱা দেখা গৈছে। ১৯৪৭-৪৮ চনত সমগ্ৰ ভাৰতবৰ্ষত বিশ্ববিদ্যালয়ৰ সংখ্যা আছিল মাত্ৰ ২০খন আৰু ২০১৪-১৫ চনৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি ভাৰতবৰ্ষত মুঠ বিশ্ববিদ্যালয়ৰ সংখ্যা হৈছে ৭১১ খন আৰু আছে ৭৫খন Institutions of National Importance, ঠিক তেনেকৈ উচ্চ শিক্ষাত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ০.২ মিলিয়নৰ পৰা ২০১৪-১৫ চনত হৈছেগৈ প্ৰায় ২৬.৬৬ মিলিয়ন। মহাবিদ্যালয়ৰ সংখ্যা হৈছেগৈ প্ৰায় ৪০,৭৬০ খন।

উচ্চ শিক্ষাৰ এনেদৰে দ্ৰুত বিকাশৰ প্ৰভাৱ অসমতো পৰিলক্ষিত হৈছে। ১৯৪৮ চনত অসমত প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটী বিশ্বাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ পাছত অসমৰ উচ্চ শিক্ষাত এক নতুন যুগৰ সূচনা হোৱা বুলি ক'ব পাৰি। স্বাধীনতা লাভ কৰাৰ সময়ত অসমত মুঠ কলেজৰ সংখ্যা আছিল ১৬খন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৫৪৩৯ জন। কিন্তু দেশে স্বাধীনতা লাভ কৰাৰ পাছত শিক্ষাৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়া বাবে তথা জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সচেতনতা বৃদ্ধি পোৱাৰ ফলত অসমত খুব কম সময়ৰ ভিতৰতে উচ্চ শিক্ষাৰ বিকাশ হৈ ১৯৬৪-৬৫ চনত মহাবিদ্যালয় সংখ্যা ৭৭ খনলৈ বৃদ্ধি পালে আৰু ২০১০-১১ চনত এই সংখ্যা হয়গৈ ৩৬৬, তেনেদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও হ'লগৈ ১,৯৭,৬৪৪জন। ১৯৬৫ চনত অসমত দ্বিতীয়খন বিশ্ববিদ্যালয় ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয় আৰু তাৰ ৪ বছৰৰ পিছত ১৯৬৯ চনত যোৰহাটত প্ৰতিষ্ঠা হয় অসম কৃষি বিশ্ববিদ্যালয়। ইয়াৰ পিছত সুদীৰ্ঘ ২৫ বছৰকাল অসমত কোনো নতুন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱা নাছিল। ১৯৯৪ চনটো অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য বুলি ক'ব পাৰি এই কাৰণে যে সেই বছৰতে অসমত প্ৰথমবাৰৰ বাবে দুখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় তেজপুৰ বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয় ক্ৰমে তেজপুৰ আৰু শিলচৰত। একেটা বছৰতে গুৱাহাটীত সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠা কৰা হয় ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি)। ২০০২ চনত শিলচৰত আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ

উন্নীতকৰণ কৰা হয়। ২০০৫ চনত অসম চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি উচ্চ শিক্ষা হাবিয়াস থকা অথচ গতানুগতিক বিশ্ববিদ্যালয়ৰ যোগেদি শিক্ষাৰ সুবিধা লাভ কৰিব নোৱৰা বহুজনলৈ শিক্ষাৰ সুবিধা প্ৰদান কৰি অসমৰ শিক্ষাজগতলৈ এক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। ১৯০১ চনতে প্ৰতিষ্ঠা হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন কলেজ কটন কলেজখন ইতিমধ্যে অসম চৰকাৰে পূৰ্ণাঙ্গ বিশ্ববিদ্যালয়লৈ উন্নীত কৰে। বিশ্ববিদ্যালয়ৰ লগতে অসমে কাৰিকৰী আৰু অভিযান্ত্ৰিক শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ১৯৫৫ চনত জালুকবাৰীত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ পিছৰেপৰা বৰ্তমান অসম চৰকাৰৰ পৃষ্ঠপোষকতাত ৪খনকৈ অভিযান্ত্ৰিক মহাবিদ্যালয়, ১০খন অভিযান্ত্ৰিক প্ৰতিষ্ঠান আৰু ১৩খন চিকিৎসা মহাবিদ্যালয় (হোমিঅ', আয়ুৰ্বেদিক, দন্ত চিকিৎসা, নাৰ্চিং ইত্যাদি ধৰি) প্ৰতিষ্ঠা কৰা হৈছে। অসমৰ ৫খন সম্পূৰ্ণৰূপে চৰকাৰী মহাবিদ্যালয়ৰ বাহিৰে আন সকলো মহাবিদ্যালয় ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় হিচাপে স্বীকৃতি দিয়া হৈছিল যদিও ২০০৫ চনত অসম চৰকাৰে 'অসমৰ কলেজ প্ৰাদেশিকীকৰণ আইন' প্ৰণয়ন কৰি সকলো ঘাটিমঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ক প্ৰাদেশিকীকৰণ কৰে। ১৯৮৯ চনত অসমত উচ্চ শিক্ষাৰ বাবে সুকীয়া সঞ্চালকালয় প্ৰতিষ্ঠা কৰা হয়, অৱশ্যে কাৰিকৰী শিক্ষাৰ বাবেও সুকীয়া সঞ্চালকালয় প্ৰতিষ্ঠা কৰা হৈছে। ২০০৭ চনত অসম চৰকাৰে ব্যক্তিগত বিশ্ববিদ্যালয় আইন গৃহীত কৰাৰ লগে লগে অসমতো ব্যক্তিগত খণ্ডত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ দুৱাৰ মুকলি হৈছে আৰু ইতিমধ্যে ৫খনকৈ ব্যক্তিগত খণ্ডত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত যোৱা কেইটামান বছৰত অসমেও ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ দৰে অভাৱনীয়ভাৱে অগ্ৰগতি লাভ কৰিছে যাঁৰ ফলত অসমত বৰ্তমান বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ সংখ্যা হৈছেগৈ প্ৰায় ২১খন আৰু মহাবিদ্যালয় হৈছে ৫৫৮ খন, ইয়াৰে ১২খন অসম চৰকাৰে প্ৰতিষ্ঠা কৰা বিশ্ববিদ্যালয়। অসমত উচ্চ শিক্ষাত মুঠ ভৰ্তিকৰণৰ হাৰ মাত্ৰ কিছু বছৰ আগলৈকে আছিল ৫.৬ % আৰু শেহতীয়া তথ্য অনুসৰি অসমত উচ্চ শিক্ষাত মুঠ ভৰ্তিৰ হাৰ হৈছে ১৪.৮%। অৱশ্যে এইটো ৰাষ্ট্ৰীয় হাৰ ২৪.৩% তকৈ বহু কম। উচ্চ শিক্ষাত ভৰ্তিকৰণৰ ক্ষেত্ৰত অসমৰ স্থান হৈছে ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ ভিতৰত ২৮তম। ২০৩০ চনত ভাৰতবৰ্ষই বিশ্বৰ এখন উন্নত ৰাষ্ট্ৰ হিচাপে আৰু সমগ্ৰ বিশ্বক নেতৃত্ব দিয়াৰ সপোন দেখিছে, গতিকে এইক্ষেত্ৰত উচ্চ শিক্ষাত ভৰ্তিকৰণৰ হাৰ বৃদ্ধি কৰাটো নিতান্তই প্ৰয়োজন। ইয়াৰ বাবে একাদশ আৰু দ্বাদশ পৰিকল্পনাত বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল। ইতিমধ্যে দ্বাদশ পৰিকল্পনাৰ

অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) আৰম্ভ কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে ২০২২ চনৰ ভিতৰত দেশত উচ্চ শিক্ষাত ভৰ্তিৰ হাৰ ৩২% লৈ বৃদ্ধি কৰাটো আৰু ৰাজ্যিক উচ্চ শিক্ষানুষ্ঠানসমূহ সবলীকৰণ কৰা। ইয়াৰ বাবে আৰ্থিক অনুদানৰ ব্যৱস্থা কৰা হৈছে। কাৰণ ভাৰতবৰ্ষৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ অৱস্থা কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহৰ তুলনাত শোচনীয়, যদিও মাত্ৰ ৪৬খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বিপৰীতে ৰাজ্যিক বিশ্বাবিদ্যালয় আছে প্ৰায় ৩২৭খন। আকৌ RUSA ৰ অধীনত আৰ্থিক অনুদানৰ অংশ যদিও কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত ৬৫ : ৩৫ অনুপাতত কিন্তু অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এই অনুপাত হৈছে ৯০ : ১০। অৰ্থাৎ ৰাজ্যিক চৰকাৰে খৰচ কৰিব মাত্ৰ ১০ শতাংশহে। অসমকে ধৰি ভাৰতবৰ্ষৰ বেছিভাগ সাধাৰণ মহাবিদ্যালয়ৰ অৱস্থা কিন্তু অতি শোচনীয়। অসমত প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে আছে ১৩খন মহাবিদ্যালয় কিন্তু ৰাষ্ট্ৰীয় পৰ্যায়ত আছে প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে ২৩খন মহাবিদ্যালয়। অসমত প্ৰতিখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ গড় হৈছে ১০০৭ জন আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত হৈছে প্ৰতিখন মহাবিদ্যালয়ত ৭০০ জন। ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ ফলত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ উচ্চ শিক্ষাতো বহুতো আশা কঢ়িয়াই আনিছে। অসমত উচ্চ শিক্ষাৰ যথেষ্ট সংস্কাৰৰ প্ৰয়োজন আছে। যোৱা বছৰত অসমত অসম চৰকাৰে ১৩৪খন মহাবিদ্যালয় নতুনকৈ প্ৰাদেশিকীকৰণ কৰাটো প্ৰশংসনীয়। ফলত বৰ্তমান অসমত প্ৰাদেশিক মহাবিদ্যালয়ৰ সংখ্যা হৈছে ৩২৩ খন। অৱশ্যে অসমত আছে বহুকেইখন অপ্ৰাদেশিকৃত মহাবিদ্যালয়, যিবোৰ চৰকাৰী অনুদান অবিহনে চলি আছে অথচ নানা সমস্যাৰে জৰ্জৰিত। অসম চৰকাৰে ১২খন জিলাত একোখনকৈ মডেল কলেজ প্ৰতিষ্ঠা কৰিবলৈ লোৱাটো প্ৰশংসনীয়।

## অসমত শিক্ষকৰ শিক্ষা আৰু প্ৰশিক্ষণ

শিক্ষাৰ গুণগত মানৰ উন্নতিৰ বাবে শিক্ষকৰ প্ৰশিক্ষণ বা দক্ষতা অতি প্ৰয়োজন, কিন্তু অসমত শিক্ষকৰ প্ৰশিক্ষণৰ দিশটো অতি অৱহেলিত বিষয় বুলি ক'ব পাৰি। অসমৰ শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থা অৱশ্যে বেছি পুৰণি নহয়। ১৮৫৫ চনত আনন্দৰাম ঢেকিয়াল ফুকনৰ উদ্যোগত অসমত প্ৰথমবাৰৰ বাবে শিক্ষক প্ৰশিক্ষণৰ অনুষ্ঠান নৰ্মাল স্কুল প্ৰতিষ্ঠা হৈছিল। ১৯২০ চনলৈ ১১খন নৰ্মাল স্কুল প্ৰতিষ্ঠা হৈছিল যদিও বৰ্তমানে ৭খন নৰ্মাল স্কুলেহে শিক্ষকৰ প্ৰশিক্ষণ দি আছে। নৰ্মাল স্কুলৰ বাহিৰেও প্ৰাথমিক পৰ্যায়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে অসমত ১৯৪৮ চনত বুনিয়াদী

প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হয় আৰু বৰ্তমান ১৯ খন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰই শিক্ষকৰ প্ৰশিক্ষণ দি আছে। ভিক্ৰুগড়ত এটা প্ৰাক্-প্ৰাথমিক শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে যদিও এই কেন্দ্ৰটোৱে মূলতঃ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ বাবে কৰ্মকালীন প্ৰশিক্ষণৰ যোগান ধৰি আছে।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শিক্ষাৰ সকলো স্তৰৰ শিক্ষকৰ বাবে প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু এই অনুসৰি ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো ১৯৮৯ চনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) প্ৰতিষ্ঠা কৰা হৈছে। ১৯৮৯ চনত প্ৰথম পৰ্যায়ত ৬খন DIET প্ৰতিষ্ঠা হৈছে যদিও বৰ্তমান ইয়াৰ সংখ্যা ২৩ খন হৈছে। ইয়াৰ উপৰি যোৰহাটত অৱস্থিত ৰাজ্যিক শিক্ষা প্ৰতিষ্ঠান, ইংৰাজী ভাষা শিক্ষণ প্ৰতিষ্ঠান আদিয়েও শিক্ষকসকলৰ বাবে বিভিন্ন সময়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। শিক্ষক প্ৰশিক্ষণ সম্পৰ্কত প্ৰশাসনীয় আৰু শৈক্ষিক দিশ তদাৰক কৰাৰ বাবে অসম চৰকাৰে ১৯৮৫ চনত ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ প্ৰতিষ্ঠা কৰে। আনহাতে মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ দায়িত্ব হ'ল বিশ্ববিদ্যালয়সমূহৰ। অসমৰ ৪খন বিশ্ববিদ্যালয়ে শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ যোগেদি বৰ্তমান ২ বছৰীয়া বি এড পাঠ্যক্ৰম প্ৰদান কৰি আছে। ১৯৮৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত একাডেমিক ষ্টাফ কলেজ প্ৰতিষ্ঠা কৰা হয় আৰু এই কলেজে উচ্চ শিক্ষানুষ্ঠানৰ নৱ নিযুক্ত আৰু কৰ্মৰত শিক্ষকসকলৰ বাবে ২৮ দিনৰ অনুশীলন পাঠ্যক্ৰম আৰু ২১ দিনৰ পৰিশীলন পাঠ্যক্ৰম প্ৰদান কৰি আছে। বৰ্তমান এই কলেজৰ নতুন নামকৰণ কৰা হৈছে— মানৱ সম্পদ বিকাশ কেন্দ্ৰ হিচাপে।

অসমত বৰ্তমান অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যা বহুত বেছি। ২০০৯-১০ চনৰ তথ্য অনুসৰি অসমত চৰকাৰী খণ্ডত ৫৬,৯৭৬ জন মাধ্যমিক বিদ্যালয় শিক্ষকৰ ভিতৰত মাত্ৰ ১৬,৫২০ জনহে (২৯%) আৰু উচ্চতৰ মাধ্যমিক স্তৰত ২১,১৯৯ জন শিক্ষকৰ ভিতৰত মাত্ৰ ৬,৩৬০ জনহে (৩০%) প্ৰশিক্ষণপ্ৰাপ্ত। গতিকে মাধ্যমিক স্তৰত ৭১% আৰু উচ্চতৰ মাধ্যমিক স্তৰত প্ৰায় ৭০% শিক্ষকেই অপ্ৰশিক্ষণপ্ৰাপ্ত। অহা কেইটামান বছৰৰ ভিতৰত অসমত বহুতো শিক্ষক নিযুক্তি দিবলগীয়া হ'ব মাধ্যমিক বিদ্যালয়সমূহত। গতিকে পুৰণা অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ লগতে নতুনকৈ নিযুক্তি দিবলগীয়া শিক্ষকসকলৰ প্ৰশিক্ষণ দিয়াটো নাইবা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক লাভ কৰাটো হ'ব এটা ডাঙৰ প্ৰত্যাহ্বান? বৰ্তমান অসমত ৫৭খন বি এড কলেজত আসনৰ সংখ্যা হৈছে মাত্ৰ ৪৭৮০ টা। প্ৰাথমিক স্তৰৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে অসমত আছে এন চি টি ইৰ স্বীকৃতিপ্ৰাপ্ত ২২খন শিক্ষানুষ্ঠান। ইয়াৰে ১৮খন জিলা শিক্ষা আৰু প্ৰশিক্ষণ

প্ৰতিষ্ঠান আৰু ৪খন নৰ্মাল স্কুল। ইতিমধ্যে অৱশ্যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ক দূৰশিক্ষাৰ যোগেদি বছৰি ১০,০০০ শিক্ষকক প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰম দিবলৈ এন চি টি ইয়ে স্বীকৃতি দিছে আৰু এই পাঠ্যক্ৰম আৰম্ভ হৈছে। অসমত শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত হয়তো বহুতো নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। ইতিমধ্যে শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদে শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত হয়তো বহুতো নতুন নীতি নিৰ্ধাৰণ কৰাৰ পৰিকল্পনা হাতত লৈছে আৰু এই অনুসৰি হয়তো সকলোতে ৪ বছৰীয়া সংহত বি এড পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব। তদুপৰি নতুনকৈ কোনো বি এড কলেজ পাতিবলৈ অনুমতি নিদি সাধাৰণ শিক্ষাৰ কলেজসমূহক বি এড পাঠ্যক্ৰম খুলিবলৈ উৎসাহিত কৰিব। চাৰিবছৰীয়া সংহত বি এড পাঠ্যক্ৰমৰ বাবে শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়সমূহক লাগিব অতিৰিক্ত আন্তঃগাঁথনি আৰু শিক্ষক। মুঠতে অসমৰ সকলো স্তৰতে শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ প্ৰয়োজন হ'ব। আমি আশাবাদী যে আগন্তুক দিনত অসমৰ শিক্ষাৰ ক্ষেত্ৰত বহুতো ইতিবাচক পৰিৱৰ্তন আহিব আৰু অসমৰ শিক্ষাব্যৱস্থাই ৰাষ্ট্ৰীয় পৰ্যায়ত সম্পূৰ্ণৰূপে ফেৰ মাৰিব পাৰিব। ইয়াৰ বাবে প্ৰয়োজন সকলোৰে আশাশুধীয়া প্ৰচেষ্টা।

## সামৰণি

স্বাধীনোত্তৰ কালৰ অসমৰ শিক্ষা ব্যৱস্থাৰ অগ্ৰগতিৰ বিষয়ে আমি কৰা আলোচনাৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে অসমৰ শিক্ষা ব্যৱস্থাত নিসন্দেহে এক আমূল পৰিৱৰ্তন সাধন হৈছে। অৱশ্যে আমি শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত বৰ্তমান যিটো পৰ্যায়ত উপনীত হৈছোঁ ই যথেষ্ট নহয়। একবিংশ শতিকাৰ বিশ্বৰ লগত সমানে খোজ মিলাই যাব খুজিলে আমাক লাগে এটা অধিক উচ্চ মানৰ শিক্ষা ব্যৱস্থা। তদুপৰি উন্নত মানৰ শিক্ষা ব্যৱস্থা এটা সকলোলৈকে সম্প্ৰসাৰিত কৰিব পৰাটোও এটা গুৰুত্বপূৰ্ণ বিষয়। অসমত এতিয়াও বহুসংখ্যক ল'ৰা-ছোৱালী বিদ্যালয়ৰ বাহিৰত থকাটো দুৰ্ভাগ্যজনক, শিক্ষাৰ ক্ষেত্ৰত লিঙ্গ বৈষম্য এতিয়াও সম্পূৰ্ণভাৱে আঁতৰ কৰিব পৰা নাই, যদিও হ্ৰাস পাইছে। বৃত্তিমুখী শিক্ষাৰ অভাৱত আৰু দক্ষতাৰ অভাৱত বহুত সংখ্যক শিক্ষিত যুৱক-যুৱতী এতিয়াও নিৱনুৱা হৈ থাকিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক। অৱশ্যে ইয়াৰ বাবে লাগিব চৰকাৰৰ সদিচ্ছাৰ লগতে জনসাধাৰণৰ সক্ৰিয় সহযোগ। তেনেদৰে উচ্চ শিক্ষাক অধিক বাস্তৱমুখী আৰু বৃত্তিমুখী কৰি তোলাটো নিতান্তই প্ৰয়োজন। উচ্চ শিক্ষাৰ বিকাশৰ ওপৰতে যিহেতু দেশ আৰু জাতিৰ মানৱ সম্পদৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে, গতিকে এই ক্ষেত্ৰত

চৰকাৰৰ পৃষ্ঠপোষকতাও অতি প্ৰয়োজন। অসমত ব্যক্তিগত খণ্ডতো শিক্ষাৰ যথেষ্ট বিকাশ হোৱা দেখা গৈছে যদিও জনসাধাৰণৰ প্ৰকৃত প্ৰয়োজন পূৰণৰ বাবে আমাক লাগে চৰকাৰী খণ্ডৰ শিক্ষা খণ্ডৰ বিকাশ। মুঠতে অসমৰ সকলো স্তৰৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ প্ৰয়োজন হ'ব। আমি আশাবাদী যে আগন্তুক দিনত অসমৰ শিক্ষাৰ ক্ষেত্ৰত বহুতো ইতিবাচক পৰিবৰ্তন আহিব আৰু অসমৰ শিক্ষা ব্যৱস্থাই ৰাষ্ট্ৰীয় পৰ্যায়ত সম্পূৰ্ণৰূপে ফেৰ মাৰিব পাৰিব। ইয়াৰ বাবে প্ৰয়োজন সকলোৰে আশাশুধীয়া প্ৰচেষ্টা। ▸▸

ড° দুলুমণি গোস্বামী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শি

# 'Primordial politics': Issues and Processes in North-East India

**Dr. Nani G. Mahanta**

North-east India is referred to be a part of 'Zomia'-a new name for virtually all the lands at altitudes above roughly three hundred meters all the way from the central Highlands of Vietnam to Northeastern India and traversing five Southeast Asian nations and four provinces of China. [1] People living across the periphery of national borders of mainland Southeast Asia is inhabited by peoples linguistically and culturally distinct from the populations that dominate the State cores. They are scattered "promiscuously across national frontiers, generating multiple identities and possible foci of irredentism or secession ..." [2] This landmass has been referred to as the 'Shatter zone'—the diagnostic characteristics of shatter zones are their relative geographical inaccessibility and the enormous diversity of tongues and cultures. [3]

The journey of Northeast India as an inalienable, inseparable unit of Indian Nation-State is relatively new in comparison to its past history of community relations which was conspicuously marked by a boundary less, mutually competitive yet fulfilling relationship. In number of Assam's historical analyses there are references of

the possibility of the borders of Assam not being historically immutable and consistent.[4]

Multiple sovereignties and fluid cultural and territorial boundaries marked the socio-political fabric of Assam which went unabated till the Ahom rule came to an end by the British take over of Assam in 1826. Even the Britishers decided on a limited administration of the Northeast. The inner line regulations ensured that the tribal regions like Tripura, Manipur remain as their dependencies once they accept the suzerainty of the British. As Alexander Mackenzie had shown the Northeast remained as the frontier for the British administration.[5]

As an associational federating unit of the Indian Nation-State, North-East region has got a chequered history. The region in general and Assam in particular had to fight for its legitimate share from the very beginning. The region's urge for a separate independent existence was visible from the pre-independence period itself. However an overarching nationalist struggle could pre-dominate the social base of Brahmaputra valley which had essentially dominated the entire politics of the region.

In other words, the Northeastern indigenous people of Mongoloid origin whose roots spread out in the South-East Asian region are yet to feel comfortable with the idioms of Indian Nation-State. The purpose of this chapter, however, is not to give an evolutionary journey of India's Northeast with the Indian Nation-State. The introduction would make a modest attempt to see the changes in the identity crystallization process of the region since the dawn of independence. In the process the chapter would highlight the changing or the continuum of conflict in the region.

**Burden of History binds us all:**

1) The notion of Northeast doesn't depict the heterogeneity of the region. But due to lack of any other nomenclature we accept this definition
2) The idiom of Northeast politics is that we are the "hostage of colonialism" and "burden of History" binds us all. All the present problems of the region that we have been

confronting are legacies of British History and we have not been able to overcome that.

3) These issues are –"uniqueness of Naga history" and emergence of insurgency in Nagaland; the problem of illegal migration; 'the ethnic homeland or separate state demand —particularly 6th schedule and autonomous homeland". "From a land linked region to a land locked region' or our inability to handle our vast tract of international border with the neughbouring countries; "Inter-regional border dispute", Inter and intra tribal disputes, control over resources and so on.

***Ist Phase of Conflict : national struggle and fight for a distinct Regional identity (1830-1947) :***

A search for a cohesive Assamese identity went along with Pan Indian nationalism. Three trends of Assamese nationalism were noticeable during the time of nationalist struggle from 1830-1947— Fight against the domination by another regional group, i.e. the Bengali. This was done in a subtle manner by persuading the Britishers to accept the Assamese as distinct language.[6] The attempt was to assert Assamese language and literature.

The second trend was a pan Indian identity which the congress leaders were successful to establish with the help of anti-British nationalist struggle that had engulfed the entire nation.

১৯৬৭ চনৰ ১৭ ফেব্রুৱাৰীত অনুষ্ঠিত অসম বিধানসভাৰ চতুর্থ নির্বাচনৰ পৰাই অসমৰ বিধানসভা সমষ্টি ১২৬টা হৈছিল। নির্বাচনত লুংলে সমষ্টিত কোনো এজন প্রার্থীয়েই মনোনয়ন পত্র দাখিল নকৰাৰ পৰিপ্রেক্ষিতত ১২৫টা সমষ্টিৰ নির্বাচন অনুষ্ঠিত হৈছিল। নির্বাচনত কংগ্রেছে আধিপত্য বিস্তাৰ কৰিছিল যদিও নির্দলীয় বিধায়কে সেইবাৰ বিধানসভাত শক্তিশালী ভূমিকা গ্রহণ কৰিছিল। বিধানসভালৈ নির্দলীয় প্রার্থী হিচাপে তেজপুৰ সমষ্টিৰ পৰা কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা নির্বাচিত হোৱাটো উল্লেখযোগ্য ঘটনা আছিল। অসমৰ সাংস্কৃতিক জগতৰ প্রাণকেন্দ্র তেজপুৰ সমষ্টিত বিষ্ণুপ্রসাদ ৰাভাই মুঠ ২৪,২৩২টা বৈধ ভোটৰ ভিতৰত ১০,৩৩৭টা (৪২.৬৬%) ভোট লাভ কৰিছিল। বিষ্ণুপ্রসাদ ৰাভাৰ সহযোগী সুধাকণ্ঠ ড° ভূপেন হাজৰিকায়ো নাওবৈচা সমষ্টিৰ পৰা বিপুল হাৰত ভোট লাভ কৰি অসম বিধানসভালৈ নির্বাচিত হৈছিল। নাওবৈচাৰ মুঠ বৈধ ২৪,৪৬১টা

ভোটৰ নিৰ্দলীয় প্ৰাৰ্থী ভূপেন হাজৰিকাই ১৪,২১৭টা (৫৮.১২%) ভোট লাভ কৰিছিল। পূৰ্বৰ কেইবাটাও বিধানসভা নিৰ্বাচন আৰু ১৯৫২ চনৰ লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হোৱা লক্ষ্যধৰ চৌধুৰী কমলপুৰ সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত হৈছিল। বিধানসভালৈ নিৰ্বাচিত হৈছিল গৌৰীশংকৰ ভট্টাচাৰ্যও। অৱশ্যে ভট্টাচাৰ্য ইয়াৰ পূৰ্বেও বিধায়ক হৈছিল। নিৰ্বাচনৰ পিছত পুনৰ কংগ্ৰেছৰ বিমলাপ্ৰসাদ চলিহাই মুখ্যমন্ত্ৰী হৈছিল। বিধানসভাত বিষ্ণুপ্ৰসাদ ৰাভা, ড° ড° ভূপেন হাজৰিকা, পি এছ পিৰ নেতা লক্ষ্যধৰ চৌধুৰী, গৌৰীশংকৰ ভট্টাচাৰ্য আদিয়ে সক্ৰিয় বিৰোধীৰ ভূমিকা গ্ৰহণ কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই চৰকাৰৰ বাজেটৰ ব্যৰ্থতা উদঙাই বিত্তমন্ত্ৰী কামাখ্যাপ্ৰসাদ ত্ৰিপাঠীক বিপদত পেলাইছিল। স্পষ্টবাদী ড° ভূপেন হাজৰিকাই ১৯৬৭ চনৰ ৮ নৱেম্বৰত গৌৰীশংকৰ ভট্টাচাৰ্যই উত্থাপন কৰা বিমলাপ্ৰসাদ চলিহা নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে অনাস্থাসূচক প্ৰস্তাৱৰ সমৰ্থন কৰি কৈছিল— 'আমি নিমখহাৰাম নহয় কাৰণে আমি মাত্ৰ ইয়াত সেই অনাস্থা প্ৰস্তাৱটো দাখিল কৰিছোঁ।'

লক্ষ্যধৰ চৌধুৰীয়েও বিধানসভাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। বিৰোধীৰ এনে সন্মিলিত গঠনমূলক আক্ৰমণৰ বাবেই চলিহা চৰকাৰে ৰাইজৰ কিছু কাম কৰিবলৈ বাধ্য হৈছিল। অসমৰ চাহ আৰু তেল উদ্যোগে মৰ্যাদা লাভ কৰিছিল। শোধনাগাৰ হোৱাৰ লগতে নতুন তৈল ক্ষেত্ৰ আৱিষ্কাৰ হৈছিল। এনে বিৰোধী নেতা অসমত এতিয়া প্ৰয়োজন হৈছে। বিৰোধী নেতাৰ বলিষ্ঠ ভূমিকাৰ বাবেই বহুক্ষেত্ৰত চৰকাৰ সক্ৰিয় হ'বলৈ বাধ্য হয়।

**জৰুৰীকালীন অৱস্থা আৰু শ্বিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ ঃ**

১৯৭২ চনৰ ৭ মাৰ্চত অনুষ্ঠিত অসমৰ পঞ্চমটো বিধানসভা নিৰ্বাচন কেইবাটাও দিশৰ পৰা গুৰুত্বপূৰ্ণ আছিল। ভৌগোলিকভাৱে অসমৰ মানচিত্ৰ সংকুচিত হোৱাৰ লগতে সেই সময়ত দেশৰ ৰাজনৈতিক দিশতো বহু পৰিৱৰ্তন হৈছিল। কেইবাজনো মুখ্যমন্ত্ৰী সলনি হৈছিল নিৰ্বাচনৰ আগে-পাছে। দেশত জৰুৰীকালীন অৱস্থা বলবৎ হোৱাত অসমতো ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছিল। তদুপৰি নিৰ্বাচনত প্ৰথমবাৰৰ বাবে জয়লাভ কৰা ৰেণুকা দেৱী বৰকটকীৰ দৰে নেত্ৰী পাছৰ পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী হৈছিল। মুঠতে পঞ্চমটো বিধানসভা নিৰ্বাচন ৰাজনৈতিক আৰু অসমৰ আৰ্থ-সামাজিক দিশতো এক ঐতিহাসিক নিৰ্বাচন আছিল।

উল্লেখ্য যে ১৯৬৭ চনৰ পৰাই অসমৰ বিধানসভা সমষ্টি ১২৬টা আছিল যদিও ১৯৭২ চনৰ নিৰ্বাচনত ১১৪ টা সমষ্টিৰহে নিৰ্বাচন অনুষ্ঠিত হৈছিল। মেঘালয় সুকীয়া

ৰাজ্য হোৱাৰ লগতে মিজোৰামৰো ৰাজ্য গঠন প্ৰক্ৰিয়াৰ সূচনা হৈছিল। অসমৰ পুনৰ বিভাজন হোৱাত অসমৰ মানচিত্ৰ সলনি হৈছিল। সুকীয়া ব্যৱস্থা সম্পূৰ্ণ হোৱাৰ লগে লগে এতিয়াৰ মিজোৰামৰ লুংলে, পূব আৰু পশ্চিম আইজল, মেঘালয়ৰ [illegible] জোৱাই, ছিলং, নংপু, নংষ্টইন, চেৰাপুঞ্জী, বাঘমাৰা, তুৰাকে ধৰি ১২টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। ১৯৭২ চনৰ ২১ জানুৱাৰীত মেঘালয় সুকীয়া ৰাজ্য হোৱাত মেঘালয়ৰ সমষ্টিকেইটা অসম বিধানসভাৰ অংশৰ পৰা বাতিল কৰা হৈছিল। মিজোৰামে ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত পূৰ্ণ ৰাজ্যৰ মৰ্যাদা লাভ কৰে যদিও পাহাৰীয়া অঞ্চলটো কেন্দ্ৰীয় শাসিতৰ মৰ্যাদা পোৱাত অসমৰ পৰা পৃথক হৈছিল। ৰাজ্য পুনৰ গঠনৰ এনে ঘটনাত অসমৰ এচাম ৰাইজে দুখ অনুভৱ কৰিছিল। অৱশ্যে নিৰ্বাচনৰ পিছত শ্বিলঙৰ পৰা অসমৰ ৰাজধানী গুৱাহাটীলৈ স্থানান্তৰৰ প্ৰক্ৰিয়াও সম্পূৰ্ণ কৰা হৈছিল।

পঞ্চম বিধানসভা নিৰ্বাচনৰ সময়ত দেশৰ ৰাজনৈতিক পৰিস্থিতি অস্থিৰ হৈ পৰিছিল। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বও সংকটৰ সন্মুখীন হৈছিল। অৱশ্যে অসমত কংগ্ৰেছ চৰকাৰ ভংগ হোৱা নাছিল। দেশত কংগ্ৰেছৰ বিভাজন হৈছিল। কংগ্ৰেছৰ ঐতিহাসিক বিভাজনৰ প্ৰভাৱ প্ৰত্যক্ষভাৱে অসমত পৰা নাছিল। কিন্তু কেইবাটাও দলৰ সহায়ত ইন্দিৰা গান্ধী পুনৰ শক্তিশালী হোৱাত অসমৰ মুখ্যমন্ত্ৰী ভঙা-পতাৰ ৰাজনীতি গান্ধীৰ জৰিয়তে হৈছিল। লক্ষণীয় যে ১৯৭২ চনৰ বিধানসভা নিৰ্বাচনৰ আগতেই অসমৰ মুখ্যমন্ত্ৰী সলনি হৈছিল।

১৯৫৭ চনৰ পৰাই মুখ্যমন্ত্ৰী হৈ থকা বিমলাপ্ৰসাদ চলিহা ১৯৭০ চনৰ ৬ নৱেম্বৰ পৰ্যন্ত মুখ্যমন্ত্ৰী হৈ আছিল যদিও তাৰ আগে আগে তেওঁ অসুস্থ হৈছিল। মুখ্যমন্ত্ৰীৰ কাম-কাজ মহেন্দ্ৰমোহন চৌধুৰীয়েহে চোৱা-চিতা কৰিছিল। চলিহাৰ মৃত্যু হোৱাত ১৯৭০ চনৰ ১১ নৱেম্বৰত মহেন্দ্ৰমোহন চৌধুৰী দিল্লীৰ আশীৰ্বাদত মুখ্যমন্ত্ৰী হৈছিল। কিন্তু তেওঁ ১৯৭২ চনৰ ৩০ জানুৱাৰী পৰ্যন্তহে মুখ্যমন্ত্ৰী হৈছিল। পুনৰ শক্তিশালী হৈ পৰা ইন্দিৰা গান্ধীৰ নিৰ্দেশত ১৫ মাহ কাৰ্যকালৰ অন্তত চৌধুৰীয়ে পদত্যাগ কৰিছিল। গান্ধীৰ নিৰ্দেশত ১৯৭২ চনৰ ৭ মাৰ্চত পঞ্চম বিধানসভা নিৰ্বাচনৰ পিছতো মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই হৈছিল। আৰু সিংহই ১৯৭৮ চনৰ ১২ মাৰ্চ পৰ্যন্ত অসমৰ মুখ্যমন্ত্ৰী হৈ আছিল। মহেন্দ্ৰমোহন চৌধুৰীৰ কাৰ্যকালত ৰাজহ বিভাগত খিলঞ্জীয়াৰ স্বাৰ্থত কেইবাটাও গুৰুত্বপূৰ্ণ কাম হৈছিল। চৌধুৰীৰ সময়তেই পেট্ৰ' কেমিকেল উদ্যোগ, কাগজ কল আদি স্থাপন হৈছিল। একেদৰে শৰৎ চন্দ্ৰ সিংহৰ দিনতো চৌধুৰীৰ সময়ৰ দৰে ৰাজহ বিভাগত ঐতিহাসিক কাম হৈছিল। চিলিং আইন প্ৰৱৰ্তন কৰি উদ্বৃত্ত মাটি অধিগ্ৰহণ কৰাৰ লগতে

শ্বিলঙৰ পৰা গুৱাহাটীলৈ অসমৰ ৰাজধানী স্থানান্তৰিত কৰা হৈছিল। অৱশ্যে দিছপুৰ ট্ৰাইবেল বেল্টৰ অন্তৰ্ভুক্ত আছিল। সিংহৰ দিনত সমবায়, বৈদ্যুতিক খণ্ডৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছিল। মাধ্যম আন্দোলনে ৰাজ্যত আলোড়ন সৃষ্টি কৰিছিল। কংগ্ৰেছী নেতা প্ৰভাত নাৰায়ণ চৌধুৰীৰ পুত্ৰ প্ৰসন্ন নাৰায়ণ চৌধুৰীয়ে মাধ্যম আন্দোলনৰ গুৰি ধৰিছিল। অৱশ্যে শিক্ষাৰ মাধ্যম আন্দোলনৰ নেতা নগাঁৱৰ অনিল বৰা, মণ্ডলদৈৰ মোজাম্মিল হকৰ ৰহস্যজনকভাৱে মৃত্যু হৈছিল। সেই সময়ৰ সিংহ চৰকাৰৰ কাম-কাজত সেয়ে বিতৰ্কৰ সৃষ্টি হৈছিল। সিংহ চৰকাৰৰ সময়তেই ১৯৭৫ চনৰ ২৫ জুনৰ পৰা ১৯৭৭ চনৰ ২১ মাৰ্চলৈ সমগ্ৰ দেশৰ লগতে অসমতো চৰকাৰে বাক স্বাধীনতাকে ধৰি মৌলিক অধিকাৰ খৰ্ব কৰিছিল। ৰেণুকা দেৱী বৰকটকী, দুলাল বৰুৱা, গোপাল বৰবৰাৰ লগতে শ শ লোকক জে'ললৈ প্ৰেৰণ কৰিছিল। গান্ধীৰ নিৰ্দেশ চৰকাৰে পালন কৰি অস্থিৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। ফলত অসমতো জনতা পাৰ্টিৰ ঢৌ আৰম্ভ হৈছিল।

**প্ৰথম অকংগ্ৰেছ চৰকাৰ আৰু অসম আন্দোলন ঃ**

১৯৭৫ চনৰ ২৫ জুনৰ পৰা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদৰ জৰিয়তে ভাৰতবৰ্ষত জৰুৰীকালীন অৱস্থা জাৰি কৰাত ইয়াৰ প্ৰভাৱ অসমতো পৰিছিল। বিৰোধী দলৰ গোলাপ বৰবৰা, ৰেণুকা দেৱী বৰকটকী, দুলাল বৰুৱা প্ৰমুখ্যে অসংখ্য লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। জৰুৰী অৱস্থা ১৯৭৭ চনৰ ২৯ মাৰ্চলৈ অব্যাহত থকাৰ সময়ত দেশৰ লগতে অসমতো ৰাজনৈতিক পৰিৱৰ্তন হৈছিল। কংগ্ৰেছৰ পৰা আঁতৰি যোৱা নেতা, জনসংঘ, ভাৰতীয় লোকদল, ছ'চিয়েলিষ্ট পাৰ্টি আদি সৰু-ডাঙৰ দলসমূহে লগ লাগি ইন্দিৰা গান্ধীৰ স্বৈৰাচাৰৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টি কৰিছিল। এই জাগৰণত অটল বিহাৰী বাজপেয়ী, জয়প্ৰকাশ নাৰায়ণ, মোৰাৰজী দেশাই, জৰ্জ ফাৰ্ণাণ্ডেজ, চৌধুৰী চৰণ সিং, কামৰাজৰ দৰে নেতা জড়িত হৈ আছিল। গণতন্ত্ৰ ভূলুণ্ঠিত কৰাৰ প্ৰতিবাদত হোৱা জাগৰণৰ অন্তত মোৰাজী দেশাইৰ নেতৃত্বত 'জনতা পাৰ্টি' নামৰ এটা ৰাষ্ট্ৰীয় দল গঠন হৈছিল। সৰু-ডাঙৰ দলক লৈ গঠিত জনতা পাৰ্টিয়ে লোকসভা নিৰ্বাচনত অভিলেখ সৃষ্টি কৰিছিল আৰু মোৰাৰজী দেশাই প্ৰধানমন্ত্ৰী হৈছিল। ইন্দিৰা গান্ধীৰ বিৰুদ্ধে হোৱা এই জাগৰণে অসমৰ ৰাজনীতিতো পৰিৱৰ্তনৰ ঢৌ সৃষ্টি কৰিছিল। ১৯৭৭ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰায় এবছৰ পিছত ১৯৭৮ চনৰ ২৫ ফেব্ৰুৱাৰীত অসমৰ ১২৬ টা সমষ্টিত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচনত

অসমৰ ৰাজনীতিত প্ৰথমবাৰৰ বাবে ইণ্ডিয়ান নেচেনেল কংগ্ৰেছ (আই [illegible]) [illegible]
হৈছিল। ইণ্ডিয়ান নেচেনেল কংগ্ৰেছো (আই) বিধ্বস্ত হৈছিল। [illegible]
বাবে অসমত অকংগ্ৰেছ চৰকাৰ গঠন হৈছিল। ১৯৭৮ চনৰ ১১ মাৰ্চত [illegible]
মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈ দ্বিতীয় বাৰে অসমতো জনতা পাৰ্টিৰ চৰকাৰ গঠন কৰিছিল। ববৰা চৰকাৰৰ সময়তেই প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে ব্ৰহ্মপুত্ৰৰ ওপৰত কলিয়াভোমাৰাত দ্বিতীয়খন দলঙৰ আধাৰশিলা স্থাপন কৰিছিল। ববৰা চৰকাৰৰ সময়ত কৃষি, গ্ৰামোন্নয়নৰ কামত গুৰুত্ব দিয়া হৈছিল। কিন্তু নতুন উদ্যমেৰে আৰম্ভ হোৱা চৰকাৰত ক্ষমতাৰ ৰাজনীতি আৰু দুৰ্নীতিয়ে শিপাইছিল। একেদৰে অবৈধ বাংলাদেশী সমস্যা চূড়ান্ত পৰ্যায় পাইছিল। সাংসদ হীৰালাল পাটোৱাৰীৰ ১৯৭৯ চনৰ ২৮ মাৰ্চত মৃত্যুৰ পিছত মঙলদৈত বিদেশী থকাৰ তথ্য উদ্ধাৰ হৈছিল। ফলত ১৯৭০ চনৰ মাহৰ পৰা বিদেশী বিতাড়নৰ আন্দোলন আৰম্ভ হৈছিল। পাটোৱাৰীৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ভোটাৰ তালিকাত বিদেশীৰ নাম থকাৰ অভিযোগত আছুৰ নেতৃত্বত ৰাজ্যজুৰি তীব্ৰ আন্দোলন আৰম্ভ হৈছিল। আন্দোলনত সদৌ অসম গণ সংগ্ৰাম পৰিষদ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পি এল পি, একাংশ কৰ্মচাৰী আদিয়ে অংশগ্ৰহণ কৰি প্ৰতিবাদ, ধৰ্ণাৰে সমগ্ৰ অসমৰ পৰিৱেশ উত্তাল কৰিছিল। আছুৰ আন্দোলন অহিংস আছিল যদিও অঞ্চলবিশেষে হিংসাত্মক ঘটনাও সংঘটিত হৈছিল। বঙালী আৰু অসমীয়াৰ মাজতো সংঘৰ্ষ হৈছিল। সান্ধ্য আইন, সত্যাগ্ৰহৰ মাজতে কিছুমান অঞ্চলত হিংসাত্মক ঘটনাত মানুহৰ মৃত্যু হৈছিল। আন্দোলন আৰম্ভ হোৱাৰ প্ৰায় দুমাহ পিছত বৰপেটা জিলাৰ সৰুপেটাৰ ওচৰৰ উজান বৰবড়ি গাঁৱৰ যুৱক খৰ্গেশ্বৰ তালুকদাৰৰ ১৯৭৯ চনৰ ১০ ডিচেম্বৰত ভৱানীপুৰত মৃত্যু হৈছিল। আৰক্ষীৰ অত্যাচাৰত তালুকদাৰৰ মৃত্যু হোৱাৰ অভিযোগ কৰি অসম আন্দোলনৰ প্ৰথম শ্বহীদ ঘোষণা কৰা হৈছিল। সেই ঘটনাৰ পিছত প্ৰফুল্লকুমাৰ মহন্ত আৰু ভৃগুকুমাৰ ফুকনৰ নেতৃত্বত বিদেশী বিতাড়নৰ দাবীত অসম আন্দোলন অধিক তীব্ৰতৰ হৈছিল। আৰক্ষী, চি আৰ পি এফৰ অত্যাচাৰত ১৯৮৫ চন পৰ্যন্ত ৮৫৫ গৰাকী যুৱক শ্বহীদ হৈছিল।

**নেলীৰ জঘন্য গণহত্যা ঃ**

আছু, লোকদল, ভাৰতীয় জনতা পাৰ্টি আদিকে ধৰি বহু ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনে অবৈধ নিৰ্বাচন বুলি আখ্যা দিয়া ১৯৮৩ চনৰ ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত নিৰ্বাচনৰ অন্তত হিতেশ্বৰ শইকীয়া অসমৰ মুখ্যমন্ত্ৰী হৈছিল। বিদেশী বিতাড়ন

আন্দোলনে চূড়ান্ত পৰ্যায় পোৱাৰ সময়ত অধিকাংশ লোকে অবৈধ আখ্যা দিয়াৰ পিছতো এই নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। কেশৱ গগৈয়ে ১৯৮২ চনৰ ১৯ মাৰ্চত মুখ্যমন্ত্ৰী পদ হেৰুওৱাৰ পিছত অসমত ৰাষ্ট্ৰপতি শাসন বলবৎ হৈছিল। ১৯৮২ চনৰ ২০ মাৰ্চৰ পৰা ১৯৮৩ চনৰ ২৭ ফেব্ৰুৱাৰীত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হোৱাৰ আগদিনালৈ অসমত কেন্দ্ৰীয় চৰকাৰৰ শাসনহে চলিছিল। কেশৱ গগৈয়ে মুখ্যমন্ত্ৰী পদ হেৰুওৱাৰ পিছত অসমত বিদেশী খেদা আন্দোলন যিমানেই তীব্ৰতৰ হৈছিল সিমানেই আৰক্ষী-অৰ্ধ সামৰিক বাহিনীৰ অত্যাচাৰো বৃদ্ধি হৈছিল। অসম বন্ধ, ধৰ্ণা, প্ৰতিবাদেৰে আছুৱে কেন্দ্ৰীয় চৰকাৰকো বিবুদ্ধিত পেলাইছিল। গ্ৰাম্যাঞ্চলৰ পৰা চহৰাঞ্চললৈ সকলোতে জয় আই অসম ধ্বনিৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰা হৈছিল। আন্দোলনৰ ভৰপক সময়ত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ উকলি যোৱাত ১৯৮৩ চনত অসমত নিৰ্বাচন ঘোষণা কৰা হৈছিল।

উল্লেখ্য যে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত আছু, ভাৰতীয় জনতা পাৰ্টি, অসম গণ সংগ্ৰাম পৰিষদ আদি প্ৰায় ১২ টা সংগঠনে নিৰ্বাচন বৰ্জনৰ আহ্বান জনাইছিল। ভাৰতীয় লোকদলৰ নেতা চৌধুৰী চৰণ সিং, বিজেপিৰ অটল বিহাৰী বাজপেয়ীয়ে গুৱাহাটীলৈ আহি ৰাইজক নিৰ্বাচন বৰ্জন কৰিবলৈ আহ্বান জনাইছিল, ভোটদানৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছিল। কিন্তু কংগ্ৰেছ (ই), কংগ্ৰেছ (স), চি পি আই, চি পি এম আদিয়ে নিৰ্বাচন সমৰ্থন কৰাত নিৰ্বাচন আয়োগে ১৪ ফেব্ৰুৱাৰীত নিৰ্বাচনৰ দিন ধাৰ্য কৰিছিল। অবৈধ নিৰ্বাচন আখ্যা দিয়া হ'লেও নিৰ্বাচনত বহু ভোটাৰে অংশগ্ৰহণ কৰিছিল। আৰু চৰকাৰ গঠনৰ পথ মুকলি হৈছিল।

১৯৮৩ চনৰ নিৰ্বাচন আৰু অসম আন্দোলনৰ উত্তেজনাৰ সময়ত অসমৰ নাম দেশত কলংকিত কৰাৰ ঘটনাও সংঘটিত হৈছিল। ১৯৮৩ নিৰ্বাচনৰ উত্তেজনাৰ সময়তে নেলীত গণহত্যা সংঘটিত হৈছিল। ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত নেলীৰ ১৪খন গাঁৱত বঙালী মুছলমানৰ বিৰুদ্ধে গণহত্যাৰ দৰে দুখজনক ঘটনা সংঘটিত হৈছিল। নেলীৰ খোলাপথাৰ, ডুমাবিল, বৰজলা, ভূটনী, এন্দুৰমাৰি, বসুন্ধাৰী, আলিদিঙা আদি ১৪ খন গাঁৱত অতি নিৰ্মমভাৱে চৰকাৰী তথ্যমতেই ২১৯১ গৰাকী লোকক হত্যা কৰা হৈছিল। অবৈধ বিধানসভা নিৰ্বাচনৰ বিৰুদ্ধে প্ৰতিবাদ আৰু সত্যাগ্ৰহ, অসম বন্ধ, ধৰ্ণা, অনশনৰ দৰে অহিংস পন্থাৰ বিদেশী বিতাড়ন কৰাৰ দাবীত হোৱা আন্দোলনৰ সময়ত এনে হিংসাত্মক ঘটনাত গুৰুতৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বিশ্বজুৰি প্ৰচাৰ হোৱা এই গণহত্যাৰ সম্পৰ্কত তিৱাৰী আয়োগক চৰকাৰে অনুসন্ধানৰ দায়িত্ব দিছিল। আয়োগে সাক্ষাৎ-

অনুসন্ধান কৰি ১৯৮৪ চনত চৰকাৰক তদন্তৰ প্ৰতিবেদন জমা দিছিল। গণহত্যাৰ প্ৰতিবেদন ৬০০ পৃষ্ঠাৰ আছিল আৰু ইয়াৰ তিনিটা প্ৰতিলিপি কৰা হৈছিল। সেই প্ৰতিবেদন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই ৰাজহুৱা কৰিবলৈ নিদিলে। শইকীয়াই অতি কৌশলেৰে তদন্তৰ প্ৰতিবেদন গাপ দিছিল। গণহত্যাৰ ঘটনাক লৈ ৬৮৮ টা গোচৰ ৰুজু হৈছিল যদিও তাৰে ৩৭৮ টা গোচৰ উপযুক্ত প্ৰমাণৰ অভাৱত আৰক্ষীয়ে বন্ধ কৰিছিল। শইকীয়াৰ পিছৰ কোনো এখন চৰকাৰেই তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা নকৰিলে। আন্দোলনৰ সময়ত এনে হিংসাত্মক ঘটনা সংঘটিত হৈছিল যদিও প্ৰফুল্লকুমাৰ মহন্তৰ নেতৃত্বত বিদেশী খেদা আন্দোলন অব্যাহত আছিল।

**অসম চুক্তি আৰু প্ৰফুল্ল মহন্তৰ চৰকাৰ ঃ**

১৯৮৫ চনৰ ১৫ আগষ্টত দিল্লীত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত ঐতিহাসিক অসম চুক্তি স্বাক্ষৰ হৈছিল। অসম আন্দোলনৰ নেতা প্ৰফুল্লকুমাৰ মহন্ত, ভৃগুকুমাৰ ফুকন আৰু গণ সংগ্ৰাম পৰিষদৰ বিৰাজকুমাৰ শৰ্মাই স্বাক্ষৰ কৰা চুক্তিৰ সময়ত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াও উপস্থিত আছিল। কেন্দ্ৰীয় চৰকাৰৰ গৃহ সচিব আৰ ডি প্ৰধান আৰু অসমৰ মুখ্য সচিব পি পি ত্ৰিবেদীয়েও চুক্তিত চহী কৰিছিল। এই চুক্তিৰ পিছত ১৯৮৫ চনৰ ১৬ ডিচেম্বৰত অসম বিধানসভাৰ অষ্টমটো নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচনৰ পাছত প্ৰফুল্লকমাৰ মহন্তৰ নেতৃত্বত অসম গণ পৰিষদৰ চকাৰৰ গঠন হৈছিল। অৱশ্যে বিধানসভাত প্ৰফুল্লকুমাৰ মহন্তৰ অগপ দলে (তেতিয়া নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল) একক সংখ্যাগৰিষ্ঠতা পোৱা নাছিল। বৰাকৰ ছহিদুল আলম চৌধুৰী আদিৰ সমৰ্থনত অগপৰ চৰকাৰ গঠন হৈছিল। নতুন চৰকাৰে সাংস্কৃতিক দিশৰ লগতে ভূমিহীনক পট্টা প্ৰদান, বিদ্যালয়গৃহ নিৰ্মাণ আদি কেইটামান বিষয়ত কাম কৰিছিল। ইয়াৰ বিপৰীতে মূল বিষয় বিদেশী ইছ্যুত ৰাইজে আশা কৰা মতে, কাম কৰা নাছিল। কেইবাজনো মন্ত্ৰী দুৰ্নীতিত লিপ্ত হৈছিল। আইন-শৃংখলাজনিত পৰিস্থিতি ভয়াৱহ হৈছিল। স্বাধীন অসমৰ দাবীত আলফাই অঘোষিত চৰকাৰ চলাইছিল। হত্যা, হিংসা, ধন দাবী, বোমা বিস্ফোৰণেৰে আলফাই শক্তি প্ৰদৰ্শন কৰিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰী ছৈয়দ মুফটি মহম্মদে ১৯৯০ চনত নিজেই অসমলৈ আহি আলফাৰ উত্থানৰ বিষয়টো পৰ্যালোচনা কৰিছিল। অৱশেষত সকলো দিশতেই ব্যৰ্থ মহন্ত চৰকাৰ ভংগ কৰি ১৯৯০ চনৰ ২৭ নৱেম্বৰৰ মাজনিশা অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হৈছিল। আৰু ৰাজ্যত সামৰিক অত্যাচাৰ বৃদ্ধি হৈছিল।

**আকৌ হিতেশ্বৰ শইকীয়াৰ চৰকাৰ ঃ**

প্ৰফুল্লকুমাৰ মহন্ত চৰকাৰৰ দুৰ্নীতি, বিসম্বাদ, আলফা আৰু বড়ো আন্দোলনক লৈ অসমত অস্থিৰ পৰিৱেশ বিৰাজ কৰাত ১৯৯০ চনৰ ২৭ নৱেম্বৰত কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰিছিল। অশান্ত অসমত বিশেষ ক্ষমতাৰে বলীয়ান সামৰিক বাহিনীৰ নিৰ্যাতনত ৰাইজ আতংকিত হৈ পৰিছিল। তদুপৰি গভীৰ আস্থা আৰু বিশ্বাসেৰে ৰাইজে অগপক সমৰ্থন কৰাৰ পিছতো দলটোৰ নেতৃত্বই ৰাইজৰ আশা পূৰণ কৰিব নোৱৰাত ১৯৯১ চনৰ বিধানসভা নিৰ্বাচনৰ পিছত অসমত দ্বিতীয়বাৰৰ বাবে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বতেই কংগ্ৰেছ চৰকাৰ গঠনৰ পথ মুকলি হৈছিল। অগপৰ প্ৰথমটো কাৰ্যকালত ৰাজ্যত আলফাই কেইবাটাও গণহত্যা সংঘটিত কৰিছিল। সমান্তৰালকৈ অগপ চৰকাৰে বড়ো আন্দোলনকাৰীৰ দাবীসমূহক গুৰুত্ব নিদিয়াত সুকীয়া বড়ো ৰাজ্য গঠনৰ আন্দোলন তীব্ৰতৰ হৈছিল। ১৯৮৮ চনৰ পৰা বড়ো আন্দোলনত গণতান্ত্ৰিক আন্দোলনৰ লগে লগে হিংসাৰ ঘটনাও বৃদ্ধি হৈছিল। মহন্তই বড়ো নেতা উপেন ব্ৰহ্মাক গুৰুত্ব নিদিয়াটো ভুল বুলি প্ৰমাণ হৈছিল। বড়োসকলৰ আন্দোলনৰ সময়ত নিৰীহ লোকৰো মৃত্যু হৈছিল। আলফা আৰু বড়ো আন্দোলনৰ সময়ছোৱাত হিংসাত্মক ঘটনা ১৯৯১ চনৰ নিৰ্বাচনৰ পিছতো অব্যাহত আছিল। হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিছত ১৯৯২ চনৰ পৰা ১৯৯৬ চন পৰ্যন্ত অসমত সন্ত্ৰাসমূলক ঘটনাত ১২৫৬ গৰাকী লোকৰ মৃত্যু হৈছিল। সাধাৰণ লোক, নিৰাপত্তাৰক্ষী, সন্ত্ৰাসবাদী মিলি ১৯৯২ চনত ১৩৩ গৰাকী, ১৯৯৩ চনত ১৩১ গৰাকী, ১৯৯৪ চনত ৭২১ গৰাকী, ১৯৯৫ চনত ২৭০ গৰাকী আৰু ১৯৯৬ চনত ৪৫১ গৰাকী লোক নিহত হৈছিল। হত্যা-হিংসা অব্যাহত থকাৰ সময়তেই আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াক ধৰা হৈছিল যদিও ৰহস্যজনকভাৱে বাংলাদেশলৈ পলাই গৈছিল। অৱশ্যে বড়ো আন্দোলনকাৰীৰ লগত শইকীয়া চৰকাৰে আলোচনা কৰিছিল। অৱশ্যে হিতেশ্বৰ শইকীয়াই ভোট বেংকৰ ৰাজনীতি কৰি অসমক অধিক বিপদত পেলাইছিল। মুখ্যমন্ত্ৰী পদৰ বাবেই সংখ্যালঘু বিধায়কক তেওঁ ভয় কৰিছিল। অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰা শইকীয়াই এবাৰ বিধানসভাত অসমত ৫০ লাখ বাংলাদেশী থকা বুলি ঘোষণা কৰিছিল। কিন্তু সংখ্যালঘু বিধায়কে তেওঁৰ তেনে মন্তব্যৰ বাবেই এক মিনিটত চৰকাৰ ভংগ কৰাৰ ভাবুকি দিয়াত বাংলাদেশী প্ৰীতি প্ৰদৰ্শন কৰি শইকীয়াই বিধানসভাত প্ৰকাশ কৰা মন্তব্য প্ৰত্যাহাৰ কৰিছিল।

গুপ্তহত্যা ঃ

১৯৯৬ চনৰ ২৭ এপ্ৰিলত অনুষ্ঠিত অসমৰ বিধানসভা নিৰ্বাচনৰ পিছত পুনৰ অসম গণ পৰিষদৰ নেতা প্ৰফুল্লকুমাৰ মহন্তৰ নেতৃত্বত চৰকাৰ গঠন হৈছিল। মহন্তই দ্বিতীয়বাৰৰ বাবে ১৯৯৬ চনৰ ১৫ মে'ত মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈছিল। ২০০১ চনৰ ১৭ মে' পৰ্যন্ত তেওঁ সেই দায়িত্ব পালন কৰিছিল। উল্লেখ্য যে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ হিতেশ্বৰ শইকীয়াৰ দ্বিতীয় কাৰ্যকালত ৰাজ্যৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ পুনৰ অৱনতি ঘটিছিল। ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ কৰাত আলফা আৰু বড়ো উগ্ৰপন্থী সংগঠনে পুনৰ মূৰ দাঙি উঠিছিল। গোষ্ঠী সংঘৰ্ষত জৰ্জৰিত অসমত কংগ্ৰেছে বাংলাদেশীৰ সুৰক্ষাত মনোযোগ দিয়াত ৰাইজে পুনৰ অগপৰ শাসন বিচাৰিছিল। অৱশ্যে নিৰ্বাচনৰ আগে আগে হিতেশ্বৰ শইকীয়াৰ মৃত্যুত কংগ্ৰেছত নেতৃত্বৰ সংকট হোৱাত দলটোৰ অৱস্থা অধিক বেয়া হৈছিল। ১৯৯৬ চনৰ নিৰ্বাচনৰ আগে আগে অগপ পুনৰ একগোট হৈছিল। ১৯৯১ চনৰ বিধানসভা আৰু লোকসভা নিৰ্বাচনত দলটো বিধ্বস্ত হোৱাত নতুন অসম গণ পৰিষদৰ অধিকাংশ নেতা পুনৰ অগপলৈ ঘূৰি আহিছিল। আঞ্চলিক দলটোৰ নেতাসকল লগ লগাৰ লগতে কংগ্ৰেছৰ বিৰুদ্ধে অগপ, চি পি আই, চি পি এম আৰু আব্দুল মুহিব মজুমদাৰৰ পিপ'লছ পাৰ্টিয়ে আসন বুজাবুজি কৰাত ৰাজ্যত বিতৰ্কৰ সৃষ্টি হৈছিল। কাৰণ, ১৯৮৩ চনত একমাত্ৰ অসমতেই বলবৎ কৰা আই এম ডি টি আইন প্ৰণয়নৰ আঁৰত আব্দুল মুহিব মজুমদাৰ আছিল। হিতেশ্বৰ শইকীয়াৰে এটা সময়ত ঘনিষ্ঠ মজুমদাৰে যুগুত কৰা আই এম ডি টি আইন কেন্দ্ৰীয় চৰকাৰে অসমত প্ৰণয়ন কৰাৰ বাবেই বিদেশী চিনাক্তকৰণত বাধা জন্মিছিল। তথাপি ঐতিহাসিক অসম চুক্তিৰ স্বাক্ষৰকাৰী প্ৰফুল্লকুমাৰ মহন্তই মজুমদাৰৰ লগত দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হোৱা প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰৰ পৰা ৰাইজে বহু আশা কৰিছিল। ১৯৮৫ চনত অনভিজ্ঞতাৰ বাবে ব্যৰ্থ হোৱা বুলি ভাবি ৰাইজে দ্বিতীয়বাৰ মহন্ত চৰকাৰে উন্নয়নৰ লগতে শান্তি স্থাপন কৰিব বুলি অগপ বিৰোধীয়েও ভাবিছিল। কিন্তু দলৰ বিসম্বাদ, ক্ষমতাকেন্দ্ৰিক ৰাজনীতিয়ে চৰকাৰৰ ভিতৰচ'ৰাত অস্থিৰতাৰ সৃষ্টি কৰিছিল। অসম আন্দোলনৰ সময়ত অটল বিহাৰী বাজপেয়ী আৰু লালকৃষ্ণ আদৱানিয়ে আছুক সমৰ্থন কৰিছিল। সেইসূত্ৰে দিল্লীত স্থাপন হোৱা বাজপেয়ী চৰকাৰৰ সহায়ত ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নৰ লগতে আলফা, বড়ো উগ্ৰপন্থী, কাৰ্বি পাহাৰৰ সমস্যা সমাধানৰ সুযোগ পাইছিল মহন্ত চৰকাৰে। বিশেষকৈ বিদেশী সমস্যা সমাধানৰ বাবে মহন্ত চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অধিক হেঁচা দিয়াৰ সুযোগ পাইছিল। কিন্তু দ্বিতীয়বাৰো বিদেশী বিতাড়ন, বিদেশী আগমনত বাধা

দিয়াৰ ক্ষেত্ৰত চৰকাৰ সফল নহ'ল। অসম চুক্তিৰ ষষ্ঠ দফাৰ আধাৰত খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবেও বিহিত ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ আৰম্ভ হ'ল যদিও শেষ নহ'ল। ৰাজ্যৰ প্ৰধান সমস্যাটো সমাধানৰ অগ্ৰগতি লাভ নকৰা মহন্ত চৰকাৰৰ আমোলত গুপ্তহত্যাৰ দৰে জঘন্য আৰু হৃদয়বিদাৰক ঘটনাত শ শ যুৱকৰ মৃত্যু হৈছিল। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে জানিও এনে গুপ্তহত্যা বন্ধ কৰা নাছিল। বছা বছা আলফা পৰিয়ালৰ যুৱকক নিশা অপহৰণ কৰি নি হত্যা কৰা হৈছিল। আলফাৰ দৰে সন্ত্ৰাসবাদী সংগঠনক নিয়ন্ত্ৰণৰ বাবে এনে ঘটনা সংঘটিত কৰাৰ অভিযোগ উঠিছিল। আলফায়ো মহন্তৰ দ্বিতীয়টো কাৰ্যকালত বোমা বিস্ফোৰণ, অপহৰণ, ধন দাবী, গণহত্যা, হত্যাৰে ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। আলফাই ৰাজনৈতিক হত্যাকাণ্ডৰেও আতংকৰ সৃষ্টি কৰিছিল। মহন্ত চৰকাৰৰ গড়কাপ্তানি মন্ত্ৰী নগেন শৰ্মাক ২০০০ চনৰ ২৭ ফেব্ৰুৱাৰীত আন চাৰিজনৰে সৈতে নলবাৰীত বোমা বিস্ফোৰণ সংঘটিত কৰি আলফাই হত্যা কৰিছিল। মন্ত্ৰী জয়নাথ শৰ্মা, হিৰণ্য কোঁৱৰৰ কনভয়ত আক্ৰমণ কৰিছিল। লোকসভা নিৰ্বাচনৰ বিজেপিৰ ধুবুৰীৰ প্ৰাৰ্থী পান্নালাল ওচৱালক আলফাই হত্যা কৰিছিল। ১৯৯৯ চনৰ লোকসভা নিৰ্বাচন আলফাই বৰ্জন কৰি অসংখ্য মানুহক হত্যা কৰিছিল। আলফাৰ তেনে দৃষ্টিভংগীৰ বিপৰীতে একাংশ আৰক্ষীৰ সহযোগত সমান্তৰালকৈ গ্ৰাম্যাঞ্চলৰ লগতে গুৱাহাটীৰ মাজমজিয়াৰ পৰাও বছা বছা লোকক অপহৰণ কৰি গুপ্তঘাতকে হত্যা কৰিছিল। একে সময়তেই বড়ো সন্ত্ৰাসবাদী সংগঠনেও সুকীয়া বড়োলেণ্ডৰ দাবীত অসংখ্যা মানুহক হত্যা কৰিছিল। দ্বিতীয়বাৰৰ বাবে মহন্ত চৰকাৰ ব্যৰ্থ হৈছিল।

**পাখি কটা ৰাজনীতি ঃ**

গুপ্তহত্যাৰ আতংক, আলফা, বি এল টি, এন ডি এফ বি আদিকে ধৰি কেইবাটাও সন্ত্ৰাসবাদী সংগঠনৰ হত্যা-হিংসা-অপহৰণৰ ঘটনাৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক সমস্যাত জৰ্জৰিত অসমৰ ৰাইজে ২০০১ চনৰ নিৰ্বাচনত আকৌ কংগ্ৰেছক সমৰ্থন কৰিছিল। ৰাইজৰ দল বুলি পৰিচিত অসম গণ পৰিষদক ভোটাৰসকলে সম্পূৰ্ণভাৱে নাকচ কৰিছিল। নিৰ্বাচনৰ অন্যতম ইচ্ছা আছিল গুপ্তহত্যা বন্ধ কৰা, শান্তি স্থাপন কৰা, কৰ্মচাৰীৰ দৰমহা নিয়মীয়া কৰা, দুৰ্নীতি বন্ধ কৰা, চিকিৎসালয়ত ঔষধ যোগান ধৰা আৰু আৰ্থ-সামাজিক উন্নয়ন কৰা। নিবনুৱা সমস্যা সমাধান কৰা আৰু অনুপ্ৰৱেশকাৰী সমস্যা সমাধানেৰে অসমৰ ৰাইজৰ সুৰক্ষাৰ ব্যৱস্থা কৰা। কংগ্ৰেছৰ নেতা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তৰুণ গগৈয়ে

আৰু কংগ্ৰেছ দলে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰি এইকেইটা প্ৰধান সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। বান-খহনীয়া সমস্যাৰ সমাধানৰ লগতে গুপ্তহত্যাকাৰীক শাস্তি দিয়াৰ প্ৰতিশ্ৰুতিও দিছিল তৰুণ গগৈয়ে। অগপৰ নেতা প্ৰফুল্লকুমাৰ মহন্ত চৰকাৰৰ দ্বিতীয় কাৰ্যকালটোৰ ব্যৰ্থতা আৰু তৰুণ গগৈৰ আশ্বাসক বিশ্বাস কৰি অসমৰ ৰাইজে পুনৰ কংগ্ৰেছক সমৰ্থন কৰিছিল। ফলত কংগ্ৰেছৰ বিপুল জয় লাভৰ অন্তত ২০০১ চনৰ ১৭ মে'ত প্ৰথমটো কাৰ্যকালৰ বাবে তৰুণ গগৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। শপত গ্ৰহণৰ দিনটোতো প্ৰতিশ্ৰুতি ৰক্ষা কৰাত আশ্বাস দছিল গগৈয়ে। সেইবাৰ গগৈৰ মন্ত্ৰীসভাত স্থান পাইছিল ভূমিধৰ বৰ্মন, শৰৎ বৰকটকী, গৌতম ৰয়, দেৱানন্দ কোঁৱৰ, ভৰত নৰহ, হেমপ্ৰকাশ নাৰায়ণ, অৰ্ধেন্দু দে' আদিয়ে। ৰাজ্যিক মন্ত্ৰী হৈছিল প্ৰদ্যুৎ বৰদলৈ, অঞ্জন দত্ত আদি। গগৈ মন্ত্ৰীসভাৰ ২০০২ চনৰ ৭ জুনত সালসলনি হৈছিল। ভুবনেশ্বৰ কলিতা, পংকজ বৰা, অঞ্জন দত্ত, মিথিয়াচ টুডু আদি কেবিনেট আৰু ৰবীন বৰদলৈ, ৰিপুণ বৰা, হিমন্ত বিশ্ব শৰ্মা, প্ৰণতি ফুকন, নীলমণি সেন ডেকা, অজন্তা নেওগ আদি ৰাজ্যিক মন্ত্ৰী হৈছিল। ২০০৪ চনত পুনৰ মন্ত্ৰীসভা সালসলনি কৰাৰ লগতে হেমপ্ৰভা শইকীয়াক স্থান দিয়া হৈছিল। ৰকিবুল হুছেইনক ৰাজ্যিক মন্ত্ৰিত্ব দিয়া হৈছিল। গগৈৰ প্ৰথমটো কাৰ্যকালতে কেইজনো শীৰ্ষ নেতাৰ মন্ত্ৰিত্ব গৈছিল। ইয়াকে কেন্দ্ৰ কৰি বিসম্বাদৰ সৃষ্টি হৈছিল। শীৰ্ষ নেতাৰ বিসম্বাদৰ সুযোগ লৈ হিমন্ত বিশ্ব শৰ্মা, ৰকিবুল হুছেইন, ৰিপুণ বৰা, প্ৰদ্যুৎ বৰদলৈ গগৈৰ ঘনিষ্ঠ হৈছিল। বিশেষকৈ হিমন্ত বিশ্ব শৰ্মা আৰু ৰকিবুল হুছেইনৰ ঘনিষ্ঠতা গগৈৰ লগত যিমানে বৃদ্ধি পাইছিল সিমানে মুখ্যমন্ত্ৰীৰ পৰা একাংশ পুৰণি নেতা আঁতৰি যাবলৈ বাধ্য হৈছিল। চৰকাৰ পৰিচালনাত বৰদলৈ, বৰা, হুছেইন, শৰ্মাই গুৰি ধৰিছিল। অঞ্জন দত্তৰো লাহে লাহে সংকট আৰম্ভ হৈছিল। খাৰুৱা তেলৰ চোৰাং কাৰবাৰক লৈ চৰকাৰৰ ভিতৰৰ পৰিৱেশ উত্তপ্ত হৈছিল। কনিষ্ঠ মন্ত্ৰীৰ পৰামৰ্শ মতেই গগৈয়ে শীৰ্ষ নেতাৰ পাখি কটাত কংগ্ৰেছত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কোঁৱৰ, বৰকটকী আদিক গুৰুত্বহীন কৰা হৈছিল। পাখি কটা ৰাজনীতিৰে অসমৰ ৰাজনীতিত এজন নতুন নেতা সৰ্বেসৰ্বা হৈ পৰিছিল আৰু হিমন্ত বিশ্ব শৰ্মা ক্ৰমে শক্তিশালী হৈ পৰিছিল।

মুখ্যমন্ত্ৰী তৰুণ গগৈৰ চৰকাৰৰ প্ৰথমটো কাৰ্যকালত আশা কৰা ধৰণে স্থায়ী শান্তি আৰু উন্নয়ন হোৱা বুলি ক'ব নোৱাৰি। কিন্তু গুপ্তহত্যাৰ আতংকত পৰা ৰাইজে পৰিত্ৰাণ পাইছিল। গুপ্তহত্যাকাৰীক শাস্তি দিয়াৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাছিল যদিও তেনে হত্যা হোৱা নাছিল। অৱশ্যে ২০০৫ চনৰ ৫ মে'ত নতুন দিল্লীত

প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ উপস্থিতিত আছুৰ লগত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল। মুখ্যমন্ত্ৰী তৰুণ গগৈ উপস্থিত থকা বৈঠকত এন আৰ চি উন্নীতকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

**হাগ্ৰামা, বদৰুদ্দিনৰ উত্থান ঃ**

২০০৬ চনত দ্বাদশ অসম বিধানসভা নিৰ্বাচন ৩ এপ্ৰিল আৰু ১০ এপ্ৰিলত দুটা পৰ্যায়ত অনুষ্ঠিত হৈছিল। ১২৬ টা বিধানসভা সমষ্টিৰ ১৮,৭১২টা ভোট গ্ৰহণ কেন্দ্ৰত ১,৭৪,৩৪,০১৯ গৰাকী ভোটাৰ আছিল। ইয়াৰে ১,৩২,০৯,৮৮৭(৭৫.৭৭ শতাংশ) গৰাকীয়ে ভোটাধিকাৰ সাব্যস্ত কৰিছিল যদিও ১,৩১,৯৯,৯৬৯ ভোটহে বৈধ আছিল। মুঠ ৯৯৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা নিৰ্বাচনত বিজেপি, চি পি আই, কংগ্ৰেছ, এন চি পি, অগপ, অগপ(প্ৰ), এ এছ ডি চি, এ আই ইউ ডি এফ, ইউ এম এফ এ, আৰ্মকাকে ধৰি ৩০টা ৰাজনৈতিক দল আৰু নিৰ্দলীয়ই অংশগ্ৰহণ কৰিছিল। নিৰ্বাচন আয়োগৰ তথ্য মতে, বিধানসভা নিৰ্বাচনত বিজেপিৰ ১২৫ গৰাকী প্ৰাৰ্থীৰ ১০ গৰাকী, চি পি আইৰ এজন, চি পি এমৰ দুজন, কংগ্ৰেছৰ ১২০ গৰাকী প্ৰাৰ্থীৰ ৫৩ গৰাকী, এন চি পি এজন, অগপৰ ১০০ গৰকী প্ৰাৰ্থীৰ ২৪ গৰাকী, প্ৰফুল্ল কুমাৰ মহন্তৰ অগপৰ (প্ৰগতিশীল) ৯৩ গৰাকী প্ৰাৰ্থীৰ এজন, এ এছ ডি চিৰ এজন, এ আই ইউ ডি এফৰ ৬৯ গৰাকী প্ৰাৰ্থীৰ ১০ গৰাকী, লোক সন্মিলনৰ এজন আৰু নিৰ্দলীয় ২২ গৰাকী (ইয়াতে হাগ্ৰাম মহিলাৰীৰ বি পি এফো আছে) বিধানসভালৈ নিৰ্বাচিত হৈছিল। নিৰ্বাচন আয়োগৰ তথ্য মতে, নিৰ্বাচনত বিজেপিয়ে মুঠ বৈধ ভোটৰ ১৫,৮১,৯২৫ টা (১১.৯৮ শতাংশ), কংগ্ৰেছে ৪১,০২,৪৭৯টা (৩১.০৮ শতাংশ), অগপই ২৬,৯১,১২৩টা (২০.৩৯শতাংশ), অগপ (প্ৰ)ই ৩,৩১,৪৯১টা (২.৫১শতাংশ), এ আই ইউ ডি এফে ১১,৯১,৫০০টা (৯.৩৩ শতাংশ), নিৰ্দলীয়ই ২১,৯১,১৬৭টা (১৬.৬০শতাংশ) ভোট পাইছিল।

দ্বাদশ বিধানসভা নিৰ্বাচনৰ সময়ত ৰাজনৈতিকভাৱে কেইবাটাও ঘটনা সংঘটিত হৈছিল। তাৰে ভিতৰত প্ৰথমবাৰৰ বাবে বদৰুদ্দিন আজমল আৰু হাগ্ৰামা মহিলাৰীৰ দলৰ উত্থানে অসমৰ পৰৱৰ্তী ৰাজনীতিতো প্ৰভাৱ বিস্তাৰ কৰিছিল। ১৯৯১ চনৰ দৰে ২০০৬ চনৰ নিৰ্বাচনত আঞ্চলিক দল অগপৰ পুনৰ বিভাজন হৈছিল। প্ৰফুল্লকুমাৰ মহন্ত অগপৰ পৰা আঁতৰি গৈ নতুন দল গঠন কৰিছিল। ৰাজনৈতিক সংঘাতৰ পৰিণতিত বিভাজন হোৱাৰ পিছত দলটোৰ জনপ্ৰিয়তাত ভাটা আহিছিল। ১৯৯১ চনত ভৃগুকুমাৰ ফুকনে প্ৰফুল্ল কুমাৰ মহন্তৰ বিৰোধিতা কৰি নতুন অসম গণ পৰিষদৰ জন্ম দিছিল।

২০০৬ চনত আকৌ প্ৰফুল্লকুমাৰ মহন্তই নেতৃত্বৰ বিৰোধিতা কৰি অগপ প্ৰগতিশীল জন্ম দিছিল। ফলত ২০০৬ চনত অগপ পুনৰ পৰাজিত হৈছিল। ১৯৮৫ চনত অগপ জন্ম হোৱাৰ পিছত নতুন অসম গণ পৰিষদ, টি জি পি, অগপ প্ৰগতিশীল নামেৰে তিনিবাৰ বিভাজিত হৈছে। ২০০৬ চনত অগপ-আঞ্চলিক বুলি পুনৰ বিভাজিত হৈছে। তদুপৰি অগপৰ পৰা ভৰত নৰহ, অতুল বৰা, চন্দ্ৰমোহন পাটোৱাৰী, পুলকেশ বৰুৱা, হিতেন্দ্ৰনাথ গোস্বামী, সৰ্বানন্দ সোণোৱাল, জগদীশ ভূঞা, জয়নাথ শৰ্মা আদি গৰিষ্ঠসংখ্যক শীৰ্ষ নেতা আঁতৰি যোৱাত আঞ্চলিক দলটোৰ দ্বাৰা পুনৰ অকলে চৰকাৰ গঠনৰ সম্ভাৱনা নোহোৱা হৈছিল। আঞ্চলিক দলটোৰ এনে দুৰৱস্থাৰ বিপৰীতে ২০০৬ চনৰ নিৰ্বাচনৰ জৰিয়তে হাগ্ৰামা মহিলাৰীৰ নতুন দল বি পি এফ চৰকাৰ গঠনৰ সহযোগী দল হিচাপে স্বীকৃতি লাভ কৰিছিল। অগপৰ সমগ্ৰ অসমত বিপৰ্যয়ৰ সময়ত বি পি এফৰ এনে উত্থানে তাৎপৰ্য বহন কৰিছিল। ২০০৬ চনৰ নিৰ্বাচনত বদৰুদ্দিন আজমলৰ এ আই ইউ ডি এফৰ দলৰ উত্থান অসমৰ ৰাজনীতিত অন্যতম বিষয় আছিল। দলটোৱে ১০টা সমষ্টিত জয়লাভ কৰাৰ বিপৰীতে এ আই ইউ ডি এফৰ বিপৰীতে স্থিতি লৈ হিন্দুত্বৰ ৰাজনীতি কৰা বিজেপিয়ে তেতিয়াৰপৰাই অসমত অধিক তৎপৰতাৰে ভোট বিভাজনৰ ৰাজনীতি কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। এটা দলে আনটো দলক সাম্প্ৰদায়িক আখ্যা দি দুয়োটা দলে অসমৰ ৰাজনীতিৰ বতাহ গৰম কৰাত ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ ফলত অঞ্চল বিশেষে ২০০৬ চনৰ পৰাই উত্তেজনা অব্যাহত আছে।

২০০৬ চনৰ নিৰ্বাচনৰ অন্তত পুনৰ কংগ্ৰেছৰ তৰুণ গগৈয়েই মুখ্যমন্ত্ৰী হৈছিল। মুঠ ১২ জন বিধায়ক থকা বি পি এফৰ সহযোগত কংগ্ৰেছৰ চৰকাৰ গঠন হৈছিল। গগৈৰ দ্বিতীয় কাৰ্যকালত ৰাজ্যৰ বিত্তীয় অৱস্থা ভাল হৈছিল। কিন্তু উন্নয়নো হৈছিল যদিও দুৰ্নীতি বৃদ্ধি হৈছিল। ৰাজ্যসভাৰ নিৰ্বাচনত বিধায়ক ক্ৰয়ৰে হিমন্ত বিশ্ব শৰ্মা আৰু ৰকিবুল হুছেইনে গণতন্ত্ৰ কলংকিত কৰিছিল।

**তৰুণ গগৈৰ তৃতীয় কাৰ্যকাল ঃ**

বিৰোধী বিজেপি, অগপ, চি পি আই, চি পি এম, এ আই ইউ ডি এফ আদি দলৰ ব্যৰ্থতাৰ বাবে ২০১১ চনৰ ৪ আৰু ১১ এপ্ৰিলত অনুষ্ঠিত অসম বিধানসভাৰ ত্ৰয়োদশ নিৰ্বাচনৰ অন্তত পুনৰ কংগ্ৰেছৰ নেতা তৰুণ গগৈয়েই তৃতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। নিৰ্বাচনত অগপ, বি পি এফ, বিজেপি আদি দলসমূহৰ বিপৰীতে বদৰুদ্দিন আজমলৰ নেতৃত্বাধীন এ আই ইউ ডি এফ দল ১৮ গৰাকী বিধায়কৰে দ্বিতীয়

সৰ্ববৃহৎ দল হিচাপে চিহ্নিত হৈছিল। এ আই ইউ ডি এফৰ এনে সফলতাৰ অন্তত দলটো অধিক উৎসাহিত হৈ পৰিছিল। বিধানসভাৰ বাহিৰে-ভিতৰে 'ডি' ভোটাৰৰ নামত ৰাজনীতি, বাংলাদেশী বিচৰাৰ নামত আৰক্ষীয়ে নাগৰিকক অত্যাচাৰ কৰা বুলি অভিযোগ উত্থাপন কৰি সংখ্যালঘু ৰাইজক আকৰ্ষণৰ চেষ্টা কৰি সময়ে সময়ে উত্তেজনাৰ সৃষ্টি কৰিছিল দলটোৱে। আজমলৰ এনে ৰাজনীতিৰ পূৰ্ণ সুযোগ লৈ বিজেপিয়েও অসমত হিন্দুত্বৰ ৰাজনীতি অধিক তৎপৰতাৰে আৰম্ভ কৰা পৰিলক্ষিত হৈছিল। ত্ৰয়োদশ অসম বিধানসভাৰ নিৰ্বাচনত মুঠ ১,৮১,৮৮,২৬৯ গৰাকী ভোটাৰ আছিল। নিৰ্বাচন আয়োগৰ তথ্য মতে, নিৰ্বাচনত ১,৩৮,০৯,৪৪০ গৰাকী (৭৫.৯২শতাংশ) ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিছিল। নিৰ্বাচনত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ওচৰত ৰাইজে আস্থা প্ৰকাশ কৰিছিল। কিন্তু শেষৰ ৫টা বছৰৰ শাসনে ৰাইজক অতিষ্ঠ কৰিছিল। হিমন্ত বিশ্ব শৰ্মাই বিসম্বাদ কৰিছিল। কংগ্ৰেছৰ দুটা শক্তিশালী গোটৰ মাজত ক্ৰমবৰ্ধমান সংঘাতৰ ফলত সকলো উন্নয়নমূলক কাম স্তব্ধ হৈ পৰিছিল। তৰুণ গগৈ আৰু হিমন্ত বিশ্ব শৰ্মাৰ গোটৰ মাজত ক্ষমতাৰ যুঁজ অব্যাহত থকাৰ বাবেই কেন্দ্ৰৰ পৰা প্ৰচুৰ ধন অহাৰ পাছতো আশা কৰা ধৰণে গগৈৰ তৃতীয়টো কাৰ্যকালত অসমৰ উন্নয়ন নহ'ল। এনেদৰে ক্ষমতাৰ যুঁজ অব্যাহত থকাৰ সময়তেই ২০১২ চনৰ জুলাই মাহত বি টি এ ডিত এলেকাত পুনৰ গোষ্ঠী সংঘৰ্ষ সংঘটিত হোৱাত ১১০ গৰাকী সাধাৰণ লোক নিহত হৈছিল। ২০১৪ চনৰ শেষত ভীমাজুলিত এন ডি এফ বিয়ে (ছং) গণহত্যা সংঘটিত কৰিছিল। তৃতীয়টো কাৰ্যকালত কেইবাটাও গণহত্যা সংঘটিত হোৱাৰ আতংক অব্যাহত আছিল। অৱশ্যে গগৈৰ ১৫টা বছৰৰ শাসন কালত আলফাৰ পৰেশ বৰুৱা গোটৰ বাহিৰে সকলো উগ্ৰপন্থী সংগঠন আলোচনাৰ মেজলৈ অহাৰ লগতে এন ডি এফ বি ৰঞ্জন দৈমাৰী গোটৰ লগতে ১৩টা সশস্ত্ৰ সংগঠনে অস্ত্ৰবিৰতি চুক্তিত স্বাক্ষৰ কৰিছিল। এনে হোৱাত ২০১৫ চনত সন্ত্ৰাসবাদজনিত ঘটনাত ৫৯গৰাকী আৰু ২০১৬ চনৰ প্ৰথম তিনিমাহলৈ ৪ গৰাকী লোকৰহে মৃত্যু হৈছিল। পূৰ্বতে সন্ত্ৰাসবাদীৰ হাতত বছৰি শ শ লোকৰ মৃত্যু হৈছিল।

মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ২০১৬ চনত ১৩ ফেব্ৰুৱাৰীত প্ৰকাশ কৰা তেওঁৰ ১৩ বছৰীয়া শাসনকালৰ বিত্তীয় দিশৰ শ্বেতপত্ৰৰ তথ্যৰ পৰাই পোৱা যায় যে ২০০১ চনৰ পৰা অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা ডেৰলাখ কোটি টকাৰো অধিক টকা পাইছিল। অসম চৰকাৰে বাৰ্ষিক বাণিজ্যিক কৰো গড়ে বছৰে প্ৰায় ৭ হেজাৰ কোটি টকা লাভ কৰি আহিছিল। কেন্দ্ৰীয় চৰকাৰৰ ফ্লেগশ্বিপ আঁচনিসমূহৰ নামত অসমলৈ প্ৰচুৰ টকা প্ৰতিবছৰে আহি আছিল। আনকি বাৰ্ষিক পৰিকল্পনা শিতানৰ ধনো ১২,৫০০ কোটি টকা

পৰ্যন্ত গগৈৰ তৃতীয় কাৰ্যকালত বৃদ্ধি হৈছিল। অসম চৰকাৰৰ নিজা আয়ো পূৰ্বতকৈ বহু বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে বিধানসভা আৰু সংবাদমেলত দাবী কৰি আহিছে। কিন্তু সেই অনুপাতে কংগ্ৰেছ চৰকাৰে অসমৰ উন্নয়নমূলক কাম কৰাত সফল নহ'ল। এনে অৱস্থাতেই ২০১৫ চনৰ ২৮ আগষ্টত হিমন্ত বিশ্ব শৰ্মাই বিজেপিত যোগদান কৰিছিল। তাৰ পাছত গগৈয়ে কাম কৰাৰ সুযোগ পাইছিল যদিও সফল নহ'ল।

**বিজেপি চৰকাৰ ঃ হিন্দু বাংলাদেশীৰ সমৰ্থক ঃ**

পূৰ্বানুমান অনুসৰিয়েই অসমৰ চতুৰ্দশ বিধানসভা নিৰ্বাচনৰ অভূতপূৰ্ব পৰিৱৰ্তন লহৰত তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছৰ ১৫ বছৰীয়া শাসন কৰা চৰকাৰ তাচপাতৰ ঘৰৰ দৰে খহি পৰিল। বিজেপি, অগপ, বি পি এফ, ৰাভা আৰু তিৱা জনগোষ্ঠী সংগঠনৰ মিত্ৰজোঁটে ৮৬ খন আসন দখলেৰে চৰকাৰ গঠন কৰিলে। ২০১৬ চনৰ ২৪ মে'ত মিত্ৰজোঁটৰ দলপতি সৰ্বানন্দ সোণোৱালে প্ৰায় এক লাখ লোক, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহ, দেশৰ কেইবাজনো মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত মুখ্যমন্ত্ৰী পদৰ শপত লৈ অসমৰ ৰাজনীতিত ইতিহাসৰ সৃষ্টি কৰিলে। সোণোৱালৰ লগত অগপ, বি পি এফ আৰু বিজেপিৰ কেইবাজনো বিধায়কে মন্ত্ৰী পদৰ শপত গ্ৰহণ কৰি অসমৰ ৰাজনীতিত এটা নতুন মাত্ৰাৰ সৃষ্টি কৰে।

উল্লেখ্য যে ২০০১ চনৰ পৰা তিনিটা কাৰ্যকালৰ বাবে কংগ্ৰেছৰ তৰুণ গগৈ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈ অসমৰ সামগ্ৰিক উন্নয়নৰ কাম কৰাৰ সুযোগ পাইছিল। গগৈ চৰকাৰে ১৫ বছৰত অকল কেন্দ্ৰীয় চৰকাৰৰ পৰাই প্ৰায় ৩ লাখ কোটি টকা পাইছিল। কিন্তু ৰাইজে আশা কৰাৰ দৰে অসমৰ উন্নয়ন হোৱা নাছিল। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ লগতে শিশুৰ মৃত্যু, প্ৰসূতিৰ মৃত্যু, পথ নিৰ্মাণ, জনমূৰি আয়, দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ জনসংখ্যা আদি সকলো দিশতেই দেশৰ ৩৫ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান তালিকাৰ শেষৰ ফালৰ পৰাহে হিচাপ হৈছিল। তদুপৰি ক্ষমতাকেন্দ্ৰিক যুঁজে কংগ্ৰেছৰ অভ্যন্তৰত সৃষ্টি কৰা অৰাজকতাৰ বাবেই ৰাইজ অসন্তুষ্ট হৈ পৰিছিল। ৰাইজৰ অসন্তুষ্টিৰ লগতে বাংলাদেশী সমস্যা সমাধান নকৰা, জাতি-মাটি-কৃষ্টিৰ অসুৰক্ষিত অৱস্থাৰ বাবেই ভোটাৰে অসমত এখন বিকল্প চৰকাৰ বিচাৰি আছিল। কিন্তু অংকগ্ৰেছী ভোটাৰক কোনো দলে ঐক্যবদ্ধ কৰিব নোৱৰাৰ বাবেই সেয়া সম্ভৱ হোৱা নাছিল। অৱশেষত ২০১৬ চনত অকংগ্ৰেছী ভোটাৰক ঐক্যবদ্ধ কৰাত এইবাৰ নিৰ্বাচনত পুনৰ এখন অংকগ্ৰেছী চৰকাৰ গঠনৰ পথ মুকলি হয়। অসম প্ৰদেশ বিজেপিয়ে দলটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক

ৰাম মাধৱৰ সহযোগত ১৯৭৮ চনৰ নিৰ্বাচনৰ পাছত অকংগ্ৰেছী ভোটাৰক ঐক্যবদ্ধ কৰাৰ বাবে মিত্ৰতাৰ ৰাজনীতি কৰে। ২০১৫ চনৰ অক্টোবৰ মাহত কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰা তৰুণ গগৈ চৰকাৰৰ এটা সময়ৰ ক্ষমতাশালী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি সৰ্বানন্দ সোণোৱালে অগপ, বি পি এফ আৰু জনগোষ্ঠীয় সংগঠনৰ লগত মিত্ৰতা সম্ভৱ কৰি তোলাত অৱশেষত অসমত অকংগ্ৰেছী ভোটাৰে বিচৰা ধৰণেই ২০১৬ চনৰ ২৪ মে'ত এখন খিলঞ্জীয়াৰ চৰকাৰ প্ৰতিষ্ঠিত হৈছে।

সৰ্বানন্দ সোণোৱাল চৰকাৰৰ মন্ত্ৰীৰ দায়িত্ব পায় ক্ৰমে বিজেপি ড° হিমন্ত বিশ্ব শৰ্মা, চন্দ্ৰমোহন পাটোৱাৰী, পৰিমল শুক্লবৈদ্য, ৰঞ্জিৎ দত্ত, পল্লৱলোচন দাস, নব দলে; অগপৰ কেশৱ মহন্ত, অতুল বৰা আৰু বি পি এফৰ প্ৰমীলা ৰাণী ব্ৰহ্ম, ৰিহণ দৈমাৰীয়ে। এই কেইজনে চৰকাৰৰ প্ৰথম পৰ্যায়তেই মন্ত্ৰীৰ দায়িত্ব পাইছিল। জাতি-মাটি আৰু ভেটিৰ সুৰক্ষাৰ শ্ল'গানেৰে চৰকাৰ গঠন কৰি সোণোৱাল চৰকাৰে প্ৰথম পৰ্যায়ত দুৰ্নীতি ৰোধ কৰাৰ চেষ্টা কৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এন আৰ চিৰ কাম আৰু দুৰ্নীতি ৰোধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰাত ৰাজ্যজুৰি আশাৰ সঞ্চাৰ হৈছিল। নতুন চৰকাৰৰ মুৰব্বীয়ে বিধানসভাৰ এখন অধিৱেশনত কৈছিল— 'বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, সন্ত্ৰাসবাদমুক্ত, প্ৰদূষণমুক্ত আৰু এখন সেউজ অসম গঢ়াৰ বাবে চৰকাৰ দায়বদ্ধ'। সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰথমখন কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ নিযুক্তিৰ ক্ষেত্ৰত মৌখিক সাক্ষাৎকাৰ বন্ধ কৰা হৈছে। সোণোৱালৰ নেতৃত্বত অসম বিধানসভাই জি এছ টি সংবিধান সংশোধনী বিল গৃহীত কৰা অসম দেশৰ ভিতৰত প্ৰথম ৰাজ্য হৈছিল। মাজুলীক জিলাৰ মৰ্যাদা দিয়াত দেশৰ প্ৰথমটো দ্বীপ জিলা ঘোষণা কৰা ৰাজ্য হয় অসম। কেন্দ্ৰীয় চৰকাৰৰ পৰা তেলৰ ৰয়েল্টী আনিবলৈ সক্ষম হোৱা, হোজাইৰ পৰা লামডিঙলৈ দ্বৈত ৰে'ল লাইনৰ নিৰ্মাণ আৰম্ভ কৰা আদিৰ ক্ষেত্ৰত সৰ্বানন্দ সোণোৱাল সফল হয়। কিন্তু ৰাইজক প্ৰতিশ্ৰুতি দিয়া মতে, সোণোৱাল চৰকাৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছিল। হিন্দু শৰণাৰ্থীক নাগৰিকত্ব প্ৰদান, চৈধ্যখন তৈলক্ষেত্ৰ নিলাম, বৃহৎ নদী বান্ধৰ সম্পৰ্কত বিজেপি চৰকাৰৰ নীতিয়ে ৰাইজক ক্ষুব্ধ কৰিছে। ▸▸।

**জিতেন্দ্ৰ কুমাৰ চৌধুৰী** ঃ 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক।

অসমৰ অৰ্থনীতি

# শক্তিশালীভাৱে খোজ দিয়া প্ৰয়োজন

## অদীপ কুমাৰ ফুকন

অসমৰ অৰ্থনৈতিক প্ৰগতিৰ গ্ৰাফডাললৈ লক্ষ্য কৰিলে এইটো নিশ্চিত হৈ পৰে যে ৰাজ্যখনৰ বিকাশৰ হাৰ যোৱা পঞ্চাশ বছৰ জুৰি একেটা স্থানতে অৱস্থান কৰি আছে। ক'ৰবাত এখোজ আগুৱাইছে যদিও সামূহিকভাৱে বহুক্ষেত্ৰত নিম্নগামীহে হৈছে বুলি ক'ব পাৰি। ৰাজ্যখনৰ উৎপাদন, দৰিদ্ৰতা, সাক্ষৰতা, আন্তঃগাঁথনি, উদ্যোগৰ পৰিসংখ্যা আদি ক্ষেত্ৰসমূহতো অসমৰ স্থান দেশৰ তালিকাখনৰ বহু পিছত। অসমৰ আজিৰ অনুন্নত অৱস্থাৰ অন্যতম কাৰক দুৰ্বল ৰাজনৈতিক নেতৃত্ব, ৰাজ্যখনৰ উন্নয়নৰ যিকোনো স্তৰৰ কথা আলোচনা কৰি কাৰ্যসূচী প্ৰস্তুত কৰিলেও তাক কাৰ্যকৰী কৰাত ৰাজ্য চৰকাৰৰ কাৰণেই নিৰ্ভৰ কৰিবলগা হয়, প্ৰচলিত ব্যৱস্থাৰ ভিতৰত চৰকাৰক বাহিৰত ৰাখি অৰ্থনৈতিক পৰিৱৰ্তন তথা পুনৰ গঠনৰ চিন্তা কৰা সম্ভৱ নহয়, এনে অৱস্থাত ৰাজনৈতিক নেতৃত্বৰ অৰ্থনৈতিক ধাৰাসমূহৰ ক্ষেত্ৰত ধাৰণা স্পষ্ট নহ'লে অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ নহ'ব। কেন্দ্ৰীয় পুঁজিৰ ব্যৱহাৰ অসমে আজিও প্ৰকৃতভাৱে কৰিব পৰা নাই। বিভিন্ন বিত্ত প্ৰতিষ্ঠানসমূহৰ লগতে বিশ্ববেংকৰ এটা লাভ কৰা বৃহৎ অংকৰ ঋণৰ টকা পৰিকল্পিতভাৱে ব্যৱহাৰ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। ৰাজ্যৰ ৰাজহ সংগ্ৰহ অতি নগণ্য হোৱাত ৰাজ্যখনে এটা ভয়াবহ অৱস্থাৰে গতি কৰিবলগীয়া হৈছে। ক্ষমতাকেন্দ্ৰিক চৰকাৰৰ গাদী ৰক্ষা কৰাটোৱেই মুখ্য বিষয় হৈ

পৰাত ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত এক ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। উৰ্দ্ধতম অমাত্যবৰ্গ আৰু ৰাজন্যবৰ্গৰ উচ্ছৃংখল ব্যয়ৰ হেঁচাত আধুনিক অৰ্থশাস্ত্ৰই দিয়া ব্যৱস্থাসমূহৰ সংজ্ঞা অসমত হেৰাই গৈছে। আয় আৰু ব্যয়ৰ তাৰতম্যৰ চূড়ান্ত বৃদ্ধিয়ে ৰাজ্যৰ আৰ্থিক অৱস্থাক ক্ৰমাগতভাৱে শোচনীয় অৱস্থালৈ ঠেলি নিছে।

অতি গুৰুত্বপূৰ্ণ দিশটো হ'ল যিটো সময়ত অসমত পুঁজি গঠন কৰিব পৰা নাই, ঋণৰ ওপৰত নিৰ্ভৰশীল অৰ্থনীতি পৰিচালিত হৈছে, সেইটো সময়ত অসমৰ পৰা বৃহৎ অংকৰ পুঁজি বিভিন্ন ক্ষেত্ৰৰপৰা বহিৰ্গমন হৈছে। পুঁজিৰ এনে বহিকৰণে অসমৰ অৰ্থনৈতিক অৱস্থাত অতি বেয়া প্ৰভাৱ পেলাইছে। খাদ্য সামগ্ৰীৰ লগতে অন্যান্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰা আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ দ্বাৰা জমা পুঁজিও অসমৰপৰা বাহিৰলৈ ওলাই গৈছে। তাৰ অনুপাতে অসমলৈ বহিঃপুঁজিৰ আগমন অতি নগণ্য। অসমৰ সম্পদসমূহৰ সুষম ব্যৱহাৰৰ দ্বাৰা জাতীয় পুঁজি বৃদ্ধি কৰাটো অৰ্থনৈতিক পৰিকল্পনাৰ অন্যতম বিষয় হ'ব লাগিছিল যদিও ৰাজ্যৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহত এই বিষয়টো গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। সম্পদসমূহকে উৎপাদনশীলতা বৃদ্ধিত ব্যৱহাৰ কৰিব নোৱাৰিলে পুঁজি গঠন নহয়। উন্নয়নশীল ৰাষ্ট্ৰৰ বিশেষ গুৰুত্ব পোৱা সম্পদসমূহ অসমত থকাৰ পিছতো ৰাজ্যখন আজি অনুন্নত অৱস্থাত থাকিব লগা হৈছে। এনে পৰিস্থিতিৰ পৰিৱৰ্তন সাধিব লাগিব। অসমক এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। জনমূৰি আয়, ঔদ্যোগিক উৎপাদন আৰু সংস্থাপনৰ এক সন্তোষজনক অৱস্থাৰ ওপৰতেই সচৰাচৰ এখন ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ মূল্যায়ন কৰা হয়। এই তিনিটা ক্ষেত্ৰতে অসমৰ স্থান অতি পুতৌ লগা। এনে পটভূমিতেই অসমৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধা হোৱা ৭০টা বছৰেই না কৰিব পৰা নাই। অসমত তেল, চাহ আৱিষ্কৃত হোৱাৰ শতিকাজোৰা সময় পাৰ হৈ যোৱাৰ পিছতো অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ চাপ স্পষ্ট। ভাৰতৰ অন্যান্য ৰাজ্যৰ উন্নয়নৰ গতিৰ লগত অসমে খোপনি ল'ব পৰা নাই। অৰ্থনৈতিক ক্ষেত্ৰৰ সৰ্বভাৰতীয় অনুপাতত প্ৰতিটো ক্ষেত্ৰতে আমি আজি সকলোৰে পিছত অৱস্থান কৰিছোঁ। ৰাজ্যিক আয় আৰু জনমূৰি আয়ে বিকাশমুখী অৰ্থনীতিক প্ৰতিফলিত কৰে। কিন্তু এইক্ষেত্ৰত ভাৰতৰ গড় ৰাষ্ট্ৰীয় আয় আৰু জনমূৰি আয়ৰ তুলনাত আমি যথেষ্ট পিছপৰা। অসম এই দুয়োটা দিশতে বিকাশমুখী অৰ্থনৈতিক প্ৰতিফলন কৰিব পৰা নাই।

চৰকাৰসমূহে অসমক ক'ত থিয় কৰালে ঃ

অসমৰ ঘৰুৱা উৎপাদন ব্যৱস্থাই বিকাশমুখী অৰ্থনীতিৰ প্ৰতিফলন কৰিব পৰা নাই। দেশৰ গড় জনমূৰি আয় ১,০৩,৮৭০ টকাৰ বিপৰীতে অসমৰ জনমূৰি আয় মাত্ৰ ৬৭,৬২০ টকা। একোটা সময়ত দিল্লীত জনমূৰি আয় ৩,০৩,৭৯৩ টকা; অন্ধ্ৰপ্ৰদেশৰ ১,২২,৩৬৭ টকা; পুডুচেৰীৰ ১,৭৪,৭৪৩ টকা; পাঞ্জাৱৰ ১,৩১,১১২ টকা; তামিলনাডুৰ ১,৫৩,২৬৩ টকা; মহাৰাষ্ট্ৰৰ ১,৬৪,৭৫৭ টকা; হাৰিয়ানাৰ ১,৮০,১৭৪ টকা; পশ্চিমবংগৰ ১,৩১,১১২ টকা। দেশৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান ২১ত। অসমৰ জনমূৰি আয় ৬৭,৬২০ টকাৰ বিপৰীতে অৰুণাচলৰ ১,৩০,৭৫৯ টকা, নাগালেণ্ডৰ ৭০,৫৯৪ টকা। জনমূৰি ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰতো অসম বহু পিছত।

শিল্পায়নৰ বিকাশ তথা অৰ্থনৈতিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল বিদ্যুৎ শক্তি, বিদ্যুৎ শক্তিৰ দ্ৰুত বিকাশ অবিহনে অৰ্থনৈতিক উত্থান সম্ভৱ নহয়। দেশৰ ভিতৰতে অসমৰ বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰখন যথেষ্ট নিম্নস্তৰত থকাটোৱেই অসমৰ অৰ্থনৈতিক দিশটো স্পষ্ট কৰে। বিদ্যুৎ ব্যৱহাৰৰ ক্ষেত্ৰত সৰ্বভাৰতীয় জনমূৰি আয় ৮৮৪ ইউনিটৰ বিপৰীতে অসমৰ জনমূৰি ব্যৱহাৰ মাত্ৰ ২৪৯ ইউনিট। ইয়াৰ বিপৰীতে পুডুচেৰীত ২,১২৪ ইউনিট; পাঞ্জাৱত ১,৭৯৯ ইউনিট; গুজৰাটত ১,৬৬৩ ইউনিট; হাৰিয়ানত ১,৬২৮ ইউনিট; ওড়িশাত ১,১৪৬ ইউনিট; হিমাচলত ১,২৮৯ ইউনিট; কৰ্ণাটকত ১,০৮১ ইউনিট; উত্তৰাখণ্ডত ১,২৩২ ইউনিট। অতি পৰিতাপৰ বিষয় যে জনমূৰি বিদ্যুৎ ব্যৱহাৰৰ ক্ষেত্ৰত অসমৰ স্থান অৰুণাচল, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰতকৈয়ো পিছত। লক্ষণীয় বিষয়টো হ'ল অসমৰ জনমূৰি বিদ্যুৎ ব্যৱহাৰ ২৩৯ ইউনিট; ভাৰতৰ ৮৮৪ ইউনিট। ইয়াৰ বিপৰীতে কানাডাৰ জনমূৰি বিদ্যুৎ ব্যৱহাৰ ১৫,১৪৫ ইউনিট; আমেৰিকাৰ ১৩,৩৬১ ইউনিট; অষ্ট্ৰেলিয়াৰ ১০,০৬৩ ইউনিট; জাপানৰ ৮,৩৯৯ ইউনিট; জাৰ্মানীৰ ৭,২১৭ ইউনিট; ইংলেণ্ডৰ ৫,৭৪১ ইউনিট; চীনৰ ২,৯৪১ ইউনিট। দেশৰ তুলনাত, বিশ্বৰ তুলনাত আমি আজি ক'ত থিয় হৈ আছোঁ? গ্ৰাম্য বৈদ্যুতিকীকৰণৰ ক্ষেত্ৰত ভাৰতৰ ৫৫ শতাংশৰ বিপৰীতে অসমৰ মাত্ৰ ২৮ শতাংশ গাঁৱতহে গঞাই বিদ্যুৎ লাভ কৰিছে। এই ক্ষেত্ৰত গ্ৰাম্য বৈদ্যুতিকীকৰণ তামিলনাডুত ৯১ শতাংশ; হিমাচলত ৯৭ শতাংশ; পাঞ্জাৱত ৯৫ শতাংশ; কেৰালাৰ ৯২ শতাংশ; অন্ধ্ৰপ্ৰদেশৰ ৯০ শতাংশ; হাৰিয়ানৰ ৮৭ শতাংশ; কৰ্ণাটকৰ ৮৭ শতাশ; গুজৰাটৰ ৮৫ শতাংশ; মহাৰাষ্ট্ৰৰ ৭৪ শতাংশ গাঁৱলৈ সম্প্ৰসাৰিত হৈছে। আনকি নাগালেণ্ড, মেঘালয়, অৰুণাচল, মণিপুৰ আৰু মিজোৰামৰ ক্ৰমে ৭৫ শতাংশ; ৫২ শতাংশ; ৫৫ শতাংশ; ৬১ শতাংশ আৰু ৬৯ শতাংশ

গ্ৰাম্য বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে। স্বাধীনতাৰ ৭০ টা বছৰ গৰকি অহাৰ পিছতো ৰাজ্যত বিদ্যুতৰ নিজস্ব উৎপাদন মাত্ৰ ২২০ মেগাৱাট। ১৮ সংখ্যক বিদ্যুৎ শক্তি সমীক্ষামতে ২০১৮-১৯ বিত্তীয় বৰ্ষত অসমৰ বাবে প্ৰয়োজন ২০৮০ মেগাৱাট। ইয়াৰ বিপৰীতে ৰাজ্যখনৰ উৎপাদন মাত্ৰ দুশ বিশ মেগাৱাট। যোৱা ১৭ বছৰে অসমত এটাও বিদ্যুৎ উৎপাদন প্ৰকল্প কাৰ্যকৰী কৰা নহ'ল।

অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত মানৱ সম্পদৰ বিকাশ অতি গুৰুত্বপূৰ্ণ। অতি গুৰুত্ব দিব লগা উচ্চ শিক্ষাৰ ক্ষেত্ৰখন অসমত অতি পুতৌজনক। দেশৰ ২০.৪ শতাংশই উচ্চ শিক্ষা গ্ৰহণ কৰা সময়ত অসমত মাত্ৰ ১৪.৪ শতাংশইহে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সমৰ্থ হয়। দেশৰ অন্যান্য ৰাজ্যসমূহলৈ লক্ষ্য কৰিলে দেখা যায়, তামিলনাডুৰ ৩৮.২ শতাংশ; পুডুচেৰীৰ ৩৭.১ শতাংশ; গোৱাৰ ৩৭.৪ শতাংশ; দিল্লীৰ ৩৪.৮ শতাংশ; মণিপুৰৰ ৩৩.৪ শতাংশ; হাৰিয়ানাৰ ২৭.৯ শতাংশ; উত্তৰাখণ্ডৰ ২৭.২ শতাংশ; মহাৰাষ্ট্ৰৰ ২৭.১ শতাংশ; হিমাচল প্ৰদেশৰ ২৫ শতাংশ; জম্মু-কাশ্মীৰৰ ২৩.৭ শতাংশ; কৰ্ণাটকৰ ২৪ শতাংশই উচ্চ শিক্ষা লাভ কৰিবলৈ সুযোগ পাইছে। যিটো সময়ত ভাৰতৰ একলাখ জনসংখ্যাৰ মাজত ২৫ খন মহাবিদ্যালয় আছে, সেইটো সময়ত অসমত আছে মাত্ৰ ১৩খন মহাবিদ্যালয়। কিন্তু এক লাখ জনসংখ্যাৰ মাজত পুডুচেৰীত ৬৪খন; কৰ্ণাটকত ৪৪খন; হাৰিয়ানত ৩৩খন, হিমাচলত ৩৮খন; মণিপুৰত ২৬খন; মিজোৰামত ২২ খন; নগালেণ্ডত ২২খন মহাবিদ্যালয়। অভিযান্তিক আৰু উচ্চস্তৰৰ কাৰিকৰী প্ৰতিষ্ঠান অসমত কেইখন? অন্ধ্ৰপ্ৰদেশত ৪৯৫ খন; গুজৰাটত ১৬৪ খন; কৰ্ণাটকত ১৯২খন; তামিলনাডুত ৩০৯খন; মহাৰাষ্ট্ৰত ১৬৬ খন; পাঞ্জাৱত ৮১ খন; কেৰালাত ৭৯খন।

স্বাধীনতাৰ ৭০ বছৰৰ পিছত ভাৰতবৰ্ষত ১,০০০ জন ৰোগীৰ বিপৰীতে এজন চিকিৎসক। অসমত ৬,২২৫ জন ৰোগীৰ বিপৰীতে এজন চিকিৎসক। একেদৰে ভাৰতৰ ৫,০০০ পশুধনৰ বিপৰীতে এজন পশু চিকিৎসক আৰু অসমত ২৮,০০০ পশুধনৰ বিপৰীতে এজন পশু চিকিৎসক। আমি ক'ত থিয় হৈ আছোঁ? প্ৰসূতিৰ মৃত্যুৰ হাৰ প্ৰতি হেজাৰত দেশত ১৭৮ গৰাকী। অসমত ২৩৮ গৰাকী। চিকিৎসালয়ৰ প্ৰতিখন বিছনাত ৰোগীৰ গড় সংখ্যা ভাৰতত ৮৭৯ জন, অসমত ৩,০৬২ জন।

**গ্ৰাম্য অঞ্চলক গুৰুত্ব দিয়া হোৱা নাই ঃ**

২০১১ৰ লোকপিয়ল মতে অসমৰ জনসংখ্যা ৩,১১,৬৯,২৭২ জন। ইয়াৰে ৭৫.৯০ শতাংশ লোক গ্ৰাম্যাঞ্চলত থাকে। অৰ্থাৎ অসমৰ গ্ৰাম্যাঞ্চলৰ জনসংখ্যা

২,৬৭,৭৪,৪০৪ জন। ৪৩,৯৪,৮৬৮ জন নগৰ-চহৰ অঞ্চলত বসবাস কৰে। জনসংখ্যাৰ বৃদ্ধিৰ ক্ষেত্ৰত ২০১১ৰ লোকপিয়ল অনুসৰি নগৰাঞ্চলত ১২.৯ শতাংশৰপৰা ১৪ শতাংশলৈ অৰ্থাৎ ১.১ শতাংশ বৃদ্ধি হ'ল। অসমৰ গ্ৰাম্যাঞ্চলত ২০০১ৰ ২,৩২,১৬,২৮৮ৰ পৰা ২০১১ত ২,৬৭,৭৪,৪০৪ জনলৈ বৃদ্ধি পালে। অসমৰ গৰিষ্ঠসংখ্যক জনগণ গ্ৰাম্যাঞ্চলত বসবাস কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ অৰ্থনৈতিক পৰিকল্পনা বা উন্নয়নৰ দিশ গ্ৰাম্যাঞ্চলক মুখ্য কৰি ল'ব লাগিছিল। পৰিতাপৰ বিষয় যে তেনে পৰিকল্পিত উত্তৰণৰ আঁচনি আজিও পৰিলক্ষিত নহ'ল। ফলত গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ গ্ৰাফডাল তললৈ নামি আহিবলৈ লৈছে। দাৰিদ্ৰতাৰ দিশটোৱেও গ্ৰাম্যাঞ্চলত বৰ বেয়াকৈ প্ৰভাৱ পেলাইছে। অসমত ৩১.৯৮ শতাংশ লোক দাৰিদ্ৰ সীমাৰেখাৰ তলত, তাৰে নগৰাঞ্চলত ২০.৪৯ শতাংশৰ বিপৰীতে গ্ৰাম্যাঞ্চলত ৩৩.৮৯ শতাংশ লোক দাৰিদ্ৰ সীমাৰেখাৰ তলত। প্ৰকৃতাৰ্থত অসমৰ গাঁৱৰ ৬০ শতাংশ লোকেই দাৰিদ্ৰ্যতাৰ লগত যুঁজিব লগা হয়। ৭৬ শতাংশ লোক থকা গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে এক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা অতি প্ৰয়োজন আছিল, আৰ্থ-সামাজিক ক্ষেত্ৰত নগৰ আৰু গাঁৱৰ মাজত থকা ব্যৱধান কমোৱা অতি প্ৰয়োজন যাতে গাঁৱৰপৰা নগৰমুখী প্ৰৱণতা কমাব পৰা যায়। কৃষি আৰু কুটীৰ শিল্পৰ ওপৰত প্ৰতিষ্ঠিত গ্ৰাম্য অৰ্থনীতিক গতি দিয়াত চৰকাৰসমূহে কাৰ্যকৰী নীতি তথা পৰিকল্পনা প্ৰস্তুত কৰিব লাগিছিল। দেশ স্বাধীন হোৱাৰপৰা বৰ্তমানলৈ অসমৰ ৪৪ শতাংশ ভূমি কমিল। যোৱা দুটা দশকত অসমৰ জনসংখ্যা চাৰিগুণলৈ বৃদ্ধি পোৱাৰ বিপৰীতে ৪৪ শতাংশ ৰাজ্যৰ ভূমিৰ আয়তন কমিল। অসমৰ ৩৬ ভাগ মানুহৰ ভূমিৰ পৰিমাণ ৩.৫ বিঘাতকৈ কম। ২৪ ভাগৰ ভূমি ৩.৫ বিঘাৰপৰা সাত বিঘাৰ ভিতৰত। প্ৰায় ৬০ শতাংশ অসমবাসীয়ে দাৰিদ্ৰতাৰ লগত যুঁজিব লগা হয়। এনে পটভূমিত স্বাধীনতাৰ ৭০ বছৰৰ গুৰুত্ব ক'ত? ৰাজ্যৰ চৰকাৰসমূহে কি দায়িত্ব পালন কৰিলে? বৰ্তমান চৰকাৰৰ বা আঁচনি কি?

উৎপাদনৰ সহযোগী প্ৰতিটো ক্ষেত্ৰতে অসম পিছত। জলসিঞ্চনৰ ক্ষেত্ৰত পাঞ্জাৱত ৯৮ শতাংশ; উত্তৰ প্ৰদেশৰ ৭৬ শতাংশত; হাৰিয়ানাৰ ৮৫ শতাংশত; বিহাৰৰ ৬১ শতাংশত; তামিলনাডুৰ ৫৮ শতাংশত; পশ্চিমবংগৰ ৫৮ শতাংশত; অন্ধ্ৰপ্ৰদেশৰ ৪৯ শতাংশ কৃষিভূমিত জলসিঞ্চন ব্যৱস্থা হোৱাৰ বিপৰীতে অসমৰ মাত্ৰ ৪.১ শতাংশ ভূমিত জলসিঞ্চন ব্যৱস্থা আছে। পশ্চিমবঙ্গৰ ১৪,৭১১ হেজাৰ টন; উত্তৰ প্ৰদেশত ১২,২২১ হেজাৰ টন; অন্ধ্ৰ প্ৰদেশত ১১,৫৬৫ হেজাৰ টন; পাঞ্জাৱত

১১,১০৭ হেজাৰ টন চাউল উৎপাদন হোৱাৰ বিপৰীতে অসমত উৎপাদন হয় ৪,৮৬৩ হেজাৰ টন। প্ৰতি হেক্টৰত খাদ্য শস্য উৎপাদন ভাৰতত গড়ে ২, ০৭০ কিলোগ্ৰাম আৰু অসমত ১,৭০৪ কিলোগ্ৰাম। লক্ষ্য কৰিব লগা বিষয়টো হ'ল প্ৰতি হেক্টৰ মাটিত ইজিপ্তত উৎপাদন হয় ৯,২৮৩ কিলোগ্ৰাম; আমেৰিকাত ৭,১৭৯ কিলোগ্ৰাম; দক্ষিণ কোৰিয়াত ৬,৮৩৮ কিলোগ্ৰাম। এই দেশসমূহৰ তুলনাত আমি ক'ত?

অতি জটিল সমস্যাটো হ'ল মাটিৰ অৱস্থিতি। প্ৰকৃত কৃষকৰ বাবে থকা মাটিৰ পৰিমাণ অতি কম। এজন কৃষকৰ হাতত থকা পট্টা মাটি একোটা অঞ্চলতে থকাৰ বিপৰীতে বিভিন্ন অঞ্চলত এক হেক্টৰতকৈ কমকৈ সিঁচৰতি হৈ আছে। ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত ভাগ হৈ থকা খেতিৰ মাটিত পৰিকল্পিত আঁচনিৰে খেতি কৰা সম্ভৱ নহয়। আধুনিক কৃষি পদ্ধতিৰ বাবেও বাধাস্বৰূপ আৰু উৎপাদনৰ সহায়ক নহয়। মানুহ বাঢ়িল, মাটি কমিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ উৎপাদন ব্যৱস্থা কৰিব লাগিছিল।

অসমৰ উৎপাদন ব্যৱস্থাটোতকৈ প্ৰশাসনিক ব্যৱস্থাটো অতি বৃহৎ। ২৬,৩৯৫ খন গাঁও আৰু ২১৪ খন নগৰ চোৱাচিতা কৰিবলৈ এখন চৰকাৰ, ৩৩খন জিলা,৭৮ টা মহকুমা, ১৮৪ টা ৰাজহচক্ৰ, ২১৯ টা ব্লক, ২,২০২ খন গাঁও পঞ্চায়ত, ১৮৯ খন আঞ্চলিক পঞ্চায়ত, ২০ খন জিলা পৰিষদ। এই প্ৰশাসনিক আন্তঃগাঁথনিৰ খৰচ কিমান? গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ বাবে কাম কিমান? এইসকলৰ দায়িত্ব কিমান? গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বাবে অতি গুৰুত্ব দিব লগা দিশটো হ'ল শিক্ষা। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত গ্ৰাম্যাঞ্চলত থকা অতি দুৰ্বল পৰিৱেশলৈ লক্ষ্য কৰিলেই স্পষ্ট হৈ পৰে অসমৰ গএগ্ৰা ৰাইজৰ অৱস্থা। যিটো সময়ত দেশত প্ৰাথমিক পৰ্যায়ত ৪.১৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় এৰে, সেইটো সময়ত অসমত ১৫.৩৬ শতাংশই আধাতে বিদ্যালয় এৰে। উচ্চ প্ৰাথমিক পৰ্যায়ত দেশত গড়ে ৪.০৩ শতাংশই আধাতে বিদ্যালয় এৰে, অসমত ১০.৫১ শতাংশই এৰে।

গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ উদ্দেশ্য জাতীয় পুঁজি গঠন আৰু মানৱ সম্পদৰ ব্যৱহাৰ। গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তনৰ বাবে গ্ৰাম্য কুটীৰ উদ্যোগৰ বিকাশ অতি গুৰুত্বপূৰ্ণ। অতীজৰ কমাৰগাঁও, কুমাৰগাঁও, সোণাৰীগাঁও, জালিসজা গাঁও, গুৰযোগনীয়া, কহাৰগাঁও আদি নানাধৰণৰ গাঁওসমূহে গ্ৰাম্য অৰ্থনীতিৰ উৎপাদনশীলতাৰ দিশটো স্পষ্ট কৰে। গ্ৰাম্যাঞ্চলক কেন্দ্ৰ কৰি অসমৰ অৰ্থনৈতিক বিকাশৰ প্ৰয়োজন। তাৰ বাবে এখন গ্ৰাম্য অৰ্থনীতি বিকাশৰ আঁচনি প্ৰস্তুত কৰাৰ সময় হৈছে। গ্ৰাম্য অৰ্থনীতি বিকাশৰ লক্ষ্যৰে আমি ১৩ টা ক্ষেত্ৰক বিশেষ গুৰুত্ব

দি আঁচনি প্ৰস্তুত কৰিব পাৰোঁ। কৃষি, মীন পালন, গ্ৰাম্য খুচুৰা ব্যৱসায়, আঁহজাতীয় উৎপাদন, ৰেচন শিল্প, নিৰ্মাণ খণ্ড, পশুপালন, ক্ষুদ্ৰ বাগিচা, হস্ততাঁত বয়ন, হস্তশিল্প, বনৌষধি আৰু সুগন্ধি উদ্ভিদ, কুটীৰ উদ্যোগ আৰু গ্ৰাম্য পৰ্যটন ক্ষেত্ৰক অগ্ৰাধিকাৰ দিব লাগে। এনে উদ্যোগৰপৰা উৎপাদিত সামগ্ৰীৰ বজাৰৰ অভাৱ নহয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰখনেই যথেষ্ট। কৃষিৰ দ্ৰুত বিকাশৰ জৰিয়তে পুঁজিৰ বহিঃগমন বন্ধ কৰিব লাগিব। প্ৰথম পৰ্যায়ত অসমে চাউল, সৰিয়হ, তেল আৰু ৰবি শস্যৰ লগতে আলু বাহিৰৰপৰা অনা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি লক্ষ্য স্থিৰ কৰি ল'ব লাগে। কামটো কঠিন নহয়। ইচ্ছা শক্তি আৰু নিজৰ ভূমিৰ প্ৰতি দায়বদ্ধতা থাকিলে সকলো সহজ হৈ পৰিব।

অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ বাবে আলোচনা কৰিবলৈ গ'লে গঞা ৰাইজে সন্মুখীন হোৱা চাৰিটা সমস্যা পৰিলক্ষিত হয়। গ্ৰাম্য আন্তঃগাঁথনি, গ্ৰাম্য মানৱ সম্পদৰ বিকাশ, গ্ৰাম্য প্ৰসাৰতা আৰু গ্ৰাম্য দাৰিদ্ৰ। গ্ৰাম্য আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষকৈ পথ যোগাযোগ ব্যৱস্থাটো গাঁও এখনৰ বাবে ইঞ্জিন স্বৰূপ। গাঁৱৰ পথ ব্যৱস্থাটোত চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিলে গাঁৱৰ সেৱা-বাণিজ্য ক্ষেত্ৰখন বহল হ'ব। প্ৰতিষ্ঠানসমূহ কাৰ্যক্ষম হ'ব আৰু গাঁৱত ঐক্যবদ্ধ সমাজৰ লগতে শান্তিপূৰ্ণ বাতাৱৰণৰ সৃষ্টি হ'ব। নগৰমুখী প্ৰৱণতাই ঔদ্যোগিক গাঁওসমূহক আজি অচল অৱস্থালৈ পৰিণত কৰিছে। গ্ৰাম্য অৰ্থনীতিৰ মূল আধাৰসমূহ উদ্‌ঘাটন কৰি প্ৰতিযোগিতামূলক বাণিজ্যিক ক্ষেত্ৰলৈ যাব পৰাকৈ চৰকাৰে সহযোগ কৰিব লাগে। মূলতঃ গ্ৰাম্যাঞ্চলক কেন্দ্ৰ কৰি অসমৰ অৰ্থনৈতিক পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে।

**অসমৰ অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ সমস্যা সংস্থাপন ঃ**

অসমত ঔদ্যোগিক তথা কৃষি অৰ্থনীতিৰ বিকাশেৰে জাতীয় পুঁজি শক্তিশালী কৰিবলৈ হ'লে অসমত আভ্যন্তৰীণ বজাৰ ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজন হ'ব। বজাৰ ব্যৱস্থাটো শক্তিশালী কৰিবলৈ হ'লে অসমৰ জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি হ'ব লাগিব। ক্ৰয় ক্ষমতা বৃদ্ধি হ'বলৈ হ'লে সংস্থাপন অপৰিহাৰ্য, সমস্যাবহুল অসমৰ সংস্থাপনৰ বিষয়টো অতিশয় গুৰুত্বপূৰ্ণ। অসমৰ প্ৰতিজন ব্যক্তিক লৈ জনমূৰি আয় বৃদ্ধি কৰাৰ স্বাৰ্থ আগত ৰাখি নিয়োগ ব্যৱস্থাটো গতিশীল কৰা প্ৰয়োজন। অসম চৰকাৰে সামাজিক দায়বদ্ধতাৰ লগতে জাতীয় পুঁজি গঠনৰ স্বাৰ্থত সংস্থাপনৰ দিশটোত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰা উচিত। অসম চৰকাৰে অনুৎপাদনশীল

ক্ষেত্ৰৰ বিপৰীতে উৎপাদনশীল ক্ষেত্ৰত অসমৰ মানৱ সম্পদক ব্যৱহাৰ কৰাত গুৰুত্ব দি কাৰ্যকৰী আঁচনি গ্ৰহণ কৰিব লাগে। শিল্পায়নৰ ক্ষেত্ৰত পিছপৰা অসমত কৰ্মসংস্থাপনৰ সুযোগ-সুবিধা পূৰ্বৰেপৰা অতি সীমিত। ইতিমধ্যেই শিল্পায়নৰ ক্ষেত্ৰখন ৰোগাক্ৰান্ত। নতুন অৰ্থনীতিৰ প্ৰভাৱত অসমত দ্ৰুত শিল্পায়নৰ বিকাশৰ পথ সন্দেহজনক। ঔদ্যোগিক ক্ষেত্ৰখনত ব্যক্তিগত খণ্ডৰ আগ্ৰাসন আৰু ৰাজহুৱা খণ্ডক ব্যক্তিগত খণ্ডলৈ নিয়াৰ নামত বৰ্তমান উৎপাদন বন্ধ, দৰমহা বন্ধ আদিয়ে অসমৰ নিবনুৱা সমস্যাক এক জটিল অৱস্থালৈ ঠেলি দিছে। সাম্ৰাজ্যবাদী পুঁজি আৰু একচেটিয়া পুঁজিক আজি বিধি প্ৰণয়ন কৰি হ'লেও পৃষ্ঠপোষকতা কৰাৰ ফলত আধুনিক প্ৰযুক্তিবিদ্যাৰ নামত আৰু মুক্তবজাৰ অৰ্থনীতিৰ নামত নিবনুৱা সংস্থাপনৰ বিষয়টো এক গণ্য কৰিব নলগা বিষয় হিচাপে ৰাষ্ট্ৰই ধাৰণা কৰি লৈছে। সকলো ক্ষেত্ৰতে কৰ্তৃত্ববিহীনভাৱে ব্যক্তিগত পুঁজিৰ অত্যধিক প্ৰাধান্যই নিবনুৱা সংস্থাপনৰ ক্ষেত্ৰত থকা সামাজিক দায়বদ্ধতাক এক গৌণ বিষয় হিচাপে গ্ৰহণ কৰিবলৈ লৈছে। অটোনেচনৰ নামত বেংক, বীমা, ডাকতাঁৰ বিভাগ, ৰে'ল বিভাগৰ লগতে তৈল উদ্যোগসমূহত তড়িৎ গতিত কৰ্মস্থাপন সংকুচিত কৰি অনা হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰায়বিলাক বিভাগতে মাইক্ৰো কম্পিউটাৰ, মিনি কম্পিউটাৰ, মিডি কম্পিউটাৰৰ পৰা ছুপাৰ কম্পিউটাৰলৈকে প্ৰযুক্তিগত কৌশলৰ ব্যাপক প্ৰয়োগে নিবনুৱা সংস্থাপনৰ দিশটোত সংকটৰ সৃষ্টি কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিগত কৌশলে মানৱ সম্পদৰ বিকাশৰ বাবে কাম কৰাৰ লগতে মানৱ সম্পদৰ প্ৰকৃত ব্যৱহাৰত বাধা হিচাপে থিয় দিলে এনে ব্যৱস্থা সমাজখনৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপহে হ'ব। গ্ৰাম্য অৰ্থনীতিত আজিও সামন্তবাদীৰ প্ৰভাৱ আৰু পুঁজিবাদৰ আগ্ৰাসনে উৎপাদনৰ প্ৰাপ্য মূল্যৰপৰা উৎপাদকসকলক বঞ্চিত কৰি আহিছে। নিবনুৱা সমস্যাৰ এই জটিল অথচ প্ৰয়োজনীয় দিশটোৰ ওপৰত মুক্তভাৱে আলোচনা কৰি কাৰ্যকৰী পথৰ সন্ধান কৰাৰ সময় হৈছে। নিবনুৱাসকলৰ সংস্থাপনৰ পথ নিৰ্দিষ্ট কৰিব নোৱাৰিলে অসমত অৰ্থনৈতিক ক্ষেত্ৰৰ লগতে সামাজিক ক্ষেত্ৰত এক জটিল সমস্যাৰ সৃষ্টি হ'ব। ইতিমধ্যে সামাজিক সমস্যাই গা কৰি উঠিবলৈ লৈছেই। আমি অতি সচেতনভাৱে লক্ষ্য ৰখা উচিত হ'ব যে জনসংখ্যা বৃদ্ধিৰ লগে লগে কৰ্মসংস্থাপনৰ ক্ষেত্ৰখন সমান্তৰালভাৱে আগবঢ়াৰ বিপৰীতে সংকুচিত হৈ থকাত ৰাজ্যখনত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা তড়িৎ গতিত বৃদ্ধি পাবলৈ লৈছে। ঔদ্যোগিক বিকাশ বা শিল্পায়নৰ বিকাশলৈ লক্ষ্য কৰিলেও নিবনুৱাৰ সংখ্যা গুণিতক হিচাপে বৃদ্ধি হ'ব। আজিৰ বজাৰ অৰ্থনীতিৰ

প্ৰতিযোগিতামূলক ক্ষেত্ৰখনৰ শূন্যস্থান আমি পূৰণ কৰিব পৰাকৈ আমাৰ মানৱ সম্পদক আমি প্ৰস্তুত কৰিব লাগিব।

**শিল্পায়নৰ ক্ষেত্ৰখনত গুৰুত্ব দিয়া নহ'ল ঃ**

কৃষিভিত্তিক অৰ্থনৈতিক ব্যৱস্থাই বিশেষভাৱে গ্ৰাম্য অঞ্চলৰ জনমূৰি আয় বৃদ্ধি কৰাত সহায় কৰে যদিও জাতীয় আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰত শিল্পায়ন অপৰিহাৰ্য। শিল্পায়নৰ মাজেৰে অতি উন্নত অৰ্থনীতি গঢ়ি তোলাৰ যোগেদিহে ৰাজ্যৰ ৰাজকোষ শক্তিশালী কৰিব পৰা যায়। অসমৰ খনিজ আৰু প্ৰাকৃতিক সম্পদৰ ভিত্তিত গঢ়ি উঠা শিল্প-উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব পৰা যায়। সম্পদসমূহৰ ওপৰত ভিত্তি কৰি যথেষ্ট সংখ্যক উদ্যোগৰ বিকাশৰ সম্ভাৱনা থকা সত্ত্বেও অসমত আজিও এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। অতি পৰিতাপৰ বিষয় যে সি সামান্য কেইটামান উদ্যোগ আছে, তাৰে বেছিভাগ হয় মৃত অৱস্থাত, নহ'লে অচল অৱস্থাত আছে। এনে অৱস্থাত অসমত লাভজনকভাৱে থকা ৰাজহুৱা খণ্ডৰ উদ্যোগকেইটাত ব্যক্তিগতকৰণৰ ষড়যন্ত্ৰ আৰম্ভ হৈছে।

ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে ১৯৭২ চনত অসমৰ ঔদ্যোগিক সম্ভাৱনাৰ ওপৰত সমীক্ষা চলাইছিল। পৰিকল্পনা আয়োগে ১৯৮৫ চনত অসম চুক্তি অনুসৰি পৰিকল্পনা আয়োগৰ সদস্য এল চি জৈনক অধ্যক্ষ হিচাপে লৈ কমিটি গঠন কৰিছিল। জৈন কমিটিয়ে প্ৰতিবেদন প্ৰস্তুত কৰি দাখিল কৰিলে, আলোচনা হ'ল, কাম নহ'ল। দীনেশ গোস্বামীক নেতৃত্ব দি পুনৰ এক প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। কিন্তু প্ৰতিবেদনৰ সংখ্যাহে বাঢ়িল। ১৯৯৫ চনত বিদেশী বিনিয়োগক আকৰ্ষিত কৰাৰ বাবে কুপাৰ্ছ এণ্ড লিব্ৰেণ্ড নামৰ তথ্য প্ৰতিষ্ঠানৰ এজন শীৰ্ষ বিষয়াক পৰামৰ্শদাতা হিচাপে নিযুক্ত কৰিছিল। অসম বিনিয়োগকাৰীসকলৰ বাবে নিৰ্দেশিকা নামৰ এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। এই প্ৰতিবেদনে কিমান বিনিয়োগকাৰীক অসমলৈ আকৰ্ষণ কৰিব পাৰিলে— সেয়া প্ৰশ্নৰ বিষয়। ১৯৯৬ চনত জয়ন্ত মাধৱক অধ্যক্ষৰূপে লৈ অসমৰ উন্নয়নৰ বাবে আন এখন প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। যথেষ্ট কষ্ট কৰি প্ৰস্তুত কৰা জয়ন্ত মাধৱ কমিটিৰ প্ৰতিবেদনখন অসম চৰকাৰে অধ্যয়ন কৰাত গুৰুত্ব নিদিলে। পৰিকল্পনা আয়োগৰ সদস্য শুক্লাৰ নেতৃত্বত অসমৰ আন্তঃগাঁথনি সমস্যা সমাধানৰ বাবে বিভিন্ন আঁচনি দাঙি ধৰা হৈছিল। শুক্লা কমিটিৰ প্ৰতিবেদনৰ ওপৰত চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ নকৰোঁতেই অসম চৰকাৰে পুনৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ

পুনৰ গঠনৰ প্ৰসঙ্গত ৰাজহ বৃদ্ধিৰ আধাৰবিলাক জনাৰ বাবে ড° হৰেন্দ্ৰনাথ দাসৰ অধ্যক্ষতাত আন এক কমিটি গঠন কৰিলে। পৰিকল্পনা আৰু প্ৰতিবেদনসমূহৰ স্থিতিয়ে ৰাজ্যখনৰ চৰকাৰ তথা ৰাজনৈতিক নেতৃত্বৰ ৰাজ্যখনৰ প্ৰতি থকা দায়বদ্ধতা স্পষ্ট কৰিছে। এনে নেতৃত্বৰ ওপৰতেই অসমৰ জনগণে ভৱিষ্যতৰ সপোন দেখিব লগা হৈছে।

**জাতীয় পুঁজি গঠনৰ অন্য এক দিশ খনিজ সম্পদ ঃ**

অসমৰ নিজস্ব অৰ্থনীতিৰ স্বাৰ্থত ৰাজ্যখনৰ সম্পদৰাজিৰ ওপৰত বিজ্ঞানসন্মতভাৱে জৰীপ কৰি আমাৰ সম্পদৰ ভঁৰাল আমি জানি লোৱাৰ সময় হৈছে। বিশ্বৰ পৰিৱৰ্তিত অৰ্থনীতিত সম্পদৰ অৰ্থ যথেষ্ট বহল যদিও অসমৰ অৰ্থনৈতিক দিশটোলৈ লক্ষ্য ৰাখি খনিজ সম্পদৰাজিৰ লগতে জলসম্পদ আৰু জৈৱ সম্পদৰ ওপৰত গুৰুত্ব দিয়া উচিত হ'ব। অসমৰ সম্পদসমূহৰ বৰ্তমানৰ স্থিতি আৰু নতুন মূল্যৱান সম্পদ উদ্ঘাটন কৰিব পৰা যায় নেকি, সেই সম্পৰ্কে আজিৰ প্ৰযুক্তিবিদ্যাই ন ন কৌশলৰ সহায়ত জড়িত কৰাৰ প্ৰয়োজন হৈছে। আমাৰ বাবে অতি পুতৌলগা অৱস্থাটো হ'ল— নিজস্বভাৱে ভূ সম্পদৰ ওপৰত জৰীপ কৰাৰ অধিকাৰ ৰাজ্যৰ নাই, সকলো বিষয় কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। কেন্দ্ৰীয় চৰকাৰে কৰ্তৃত্ব সাব্যস্ত কৰি থকা সময়তে আমেৰিকাই ছেটেলাইট ছাৰ্ভেৰ দ্বাৰা ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ ভঁৰালৰ স্থিতি নিজৰ নখদৰ্পণলৈ নিছে। অসমৰ সম্পদসমূহৰ ক্ষেত্ৰত খনিজ তেলক ৰাজ্যৰ অৰ্থনীতিৰ স্বাৰ্থত বেছি গুৰুত্ব দিয়া হয়। প্ৰাপ্য মূল্যৰ বিপৰীতে ৰয়েলিটি হিচাপে অতি কম মূল্য হ'লেও জাতীয় পুঁজিৰ ক্ষেত্ৰত ই এক উল্লেখযোগ্য বিষয়। সম্প্ৰতি ক্ৰমে হ্ৰাস পাই অহা তৈল ভাণ্ডাৰে আমাক উদ্বিগ্ন আৰু উৎকণ্ঠিত কৰিছে। বিশাল তৈলক্ষেত্ৰৰ সংকুচিত অৱস্থাই অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত কেনে প্ৰক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে, তাক এতিয়াই উপলব্ধি কৰা উচিত হ'ব। ভূগৰ্ভৰ খনিজ তেলৰ ভাণ্ডাৰ অক্ষয় নহয়। অসম এক বিকল্প সম্পদৰ সন্ধান থকা প্ৰয়োজন ৰাজ্যখনৰ ভৱিষ্যতৰ অৰ্থনীতিৰ স্বাৰ্থত।

মূল্যৰ আধাৰত খনিজ সম্পদৰ স্থিতিলৈ লক্ষ্য কৰিলে দেশৰ ভিতৰত অসমৰ স্থান সপ্তমত। অসমত নতুনকৈ খনিজ, খনিজাত সামগ্ৰীৰ সন্ধানৰ কাম চলি আছে। ডিমা হাচাও জিলাৰ উমৰাংচুত চুণশিল, কামৰূপ জিলাৰ বকো অঞ্চলত আকৰিক লো, ধুবুৰী জিলাৰ শিঙৰিমাৰি অঞ্চলত কয়লা, শিৱসাগৰ জিলাৰ সাপেখাতী অঞ্চলত কয়লা আৰু কাৰ্বি আংলং জিলাৰ চামটেৰাণ অঞ্চলত ছিলিমেনাইড আছে।

খাৰুৱা তেল উৎপাদনৰ ক্ষেত্ৰত অসমৰ স্থান তৃতীয়। অসমত খনিজ সম্পদৰ অন্যান্য ভাণ্ডাৰো আছে। ধুবুৰী জিলাৰ চান্দৰকিণ্ডা আৰু গোৱালপাৰাৰ লেম্বুপাৰা আৰু কুমুৰি অঞ্চলত অতি মূল্যৱান লোৰ আকৰ আছে। ভূ-তাত্ত্বিক জৰীপ অনুসৰি অসমত চুম্বকীয় গুণসম্পন্ন লোৰ আকৰ আছে।

ধুবুৰী, বঙাইগাঁও, কোকৰাঝাৰ, কামৰূপ, নগাঁও, কাৰ্বি আংলঙত গুলপীয়া, ৰঙা, ছাই বৰণীয়া, বগা, ঘন সেউজীয়া, ক'লা ৰঙৰ ১০ বিলিয়ন কিউবিক মিটাৰ কঠিন আগ্নেয়শিল্প অৰ্থাৎ গ্ৰেনাইট আছে। বঙাইগাঁৱৰ জিয়াজুৰি পাহাৰত ছিলিকনৰ সন্ধেদ পোৱা গৈছে। নগাঁৱৰ বিভিন্ন অঞ্চলত ছিলিকনৰ ভাণ্ডাৰ থকাৰ সম্ভাৱনা আছে। এই অঞ্চলৰ ছিলিকনৰ ৰং বগা, মটিয়াৰ লগতে হালধীয়া আৰু মুগা বৰণৰ। চুণশিল্পৰ লগতে অসমত থকা অধাতৱীয় সম্পদসমূহৰ ভিতৰত গ্লাছছেণ্ড, চীনামাটি, ফায়াৰ ক্লে' বিশেষভাৱে উল্লেখযোগ্য। বিজ্ঞানসন্মত জৰীপসমূহৰ তথ্যৰপৰা জনা যায় যে অসমত প্ৰায়বিলাক অঞ্চলতে কম-বেছি পৰিমাণে এনে ধৰণৰ অধাতৱীয় সম্পদ আছে। অসমৰ অৰ্থনৈতিক দিশলৈ লক্ষ্য ৰাখি এই সম্পদসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব দিয়া প্ৰয়োজন হ'ব। অন্যহাতে ৰাজ্যৰ ৰাজভঁৰালৰ স্বাৰ্থত খাৰুৱা তেলৰ মূল্য নিৰূপণ পদ্ধতি আৰু ৰয়েলেটিৰ দিশটোৰ ওপৰত নতুনকৈ মূল্য স্থিৰ কৰাৰ সময় হৈছে।

অসমৰ এই বিশাল খনিজ সম্পদৰ ভঁৰালৰ লগতে আজি বিকল্প সম্পদৰ ভঁৰালৰ প্ৰয়োজন হৈছে। অসমে জলসম্পদ আৰু জৈৱসম্পদক বিকল্প সম্পদ হিচাপে গ্ৰহণ কৰা প্ৰয়োজন। জলসম্পদ এক অক্ষয় ভঁৰাল বুলি ক'ব পাৰি। প্ৰযুক্তিগত দিশেৰে ব্ৰহ্মপুত্ৰই কঢ়িয়াই নিয়া পানীৰ পৰিমাণ আৰু পৰিবহণ ক্ষমতা স্পষ্ট কৰি ল'ব পাৰিলে অসমৰ ভৱিষ্যৎ অৰ্থনীতিত জলসম্পদৰ সংযোগ অনন্য হৈ পৰিব। ব্ৰহ্মপুত্ৰ জলৰাশিয়ে তিনিটা অৰ্থনৈতিক সহযোগিতাৰ দিশ স্পষ্ট কৰিছে। শক্তি উৎপাদন, পৰিবহণ আৰু সামূহিক অৰ্থনৈতিক উন্নতিৰ অন্যান্য সুযোগ। জলসম্পদক বিকল্প সম্পদ হিচাপে চিনাক্ত কৰিবলৈ যোৱাৰ সময়ত এইটোও লক্ষ্য কৰিব লগা বিষয় হ'ব যে মানাহ, সোণকোষ, তিব্বত-গংগা নদী সংযোগ আঁচনি হ'লে অসমৰ ক্ষেত্ৰত কি ধৰণৰ আৰ্থ-সামাজিক অৱস্থাৰ সৃষ্টি হ'ব। অসমৰ বিভিন্ন অঞ্চল আজি খৰাংপীড়িত বুলি চিন্তিত হ'ব লগা হৈছে। এনে ক্ষেত্ৰত অসমৰ ভূ-গৰ্ভৰ বিশেষ অধ্যয়ন আৰু জৰীপ কৰাৰ প্ৰয়োজন হ'ব। ভূ-ভাগত বৰ্তমান কিমান পানী আছে আৰু অহা ১০০ বছৰলৈ হ'ব লগা জনসংখ্যাৰ ভিত্তিত কিমান পানীৰ প্ৰয়োজন হ'ব, সেই বিষয় তথা তথ্য নিৰ্দিষ্ট কৰি লোৱা উচিত হ'ব।

**সীমান্ত বাণিজ্যৰ সুযোগ গ্ৰহণ কৰিব লাগে ঃ**

এছ পি শুক্লা আয়োগৰ প্ৰতিবেদন মতে অসম তথা উত্তৰ-পূবে দক্ষিণ-পূব এছিয়া আৰু দক্ষিশ-পশ্চিম চীনৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিব পাৰিলে এই অঞ্চলৰ উন্নয়নৰ নতুন ধাৰা অব্যাহত হ'ব। তাৰ বাবে ম'ৰেৰ যোগেদি ম্যানমাৰ, প্ৰস্তাৱিত ট্ৰান্স এছিয়ান হাইৱে আৰু এছিয়ান ৰে'লৱে আঁচনি কাৰ্যকৰী কৰাত গুৰুত্ব দিব লাগিব। ভাৰত-চীন-ম্যানমাৰ-বাংলাদেশ এই বিশেষ মণ্ডল বিশ্ব বাণিজ্যৰ এক বৃহৎ বজাৰৰ স্থল। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যকেইখন এই দেশসমূহৰ সমীপৱৰ্তী হোৱাৰ উপৰি জনগাঁথনি, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা মানৱ সম্পদৰ সম্পৰ্কৰ দিশত পূব-এছিয়ান দেশসমূহৰ লগত একাকাৰ হৈ আছে। দক্ষিণ-পূব এছিয়াৰ লগত বাণিজ্যিক খোপনি শক্তিশালী কৰাৰ স্বাৰ্থত উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষা, জীৱন ধাৰণাৰ মান আদিৰ লগতে মানসিক আৱেদনক গুৰুত্ব সহকাৰে অগ্ৰাধিকাৰ দিব লাগিব। মানৱ সম্পদৰ উৎপাদনতাৰ গুণৰাজিয়েহে ৰাজ্যৰ উন্নয়ন গতিশীল কৰিব পাৰি। অকৰ্তৃত্বশীল বাণিজ্যিক আইনগত তথা নীতিগত বাণিজ্যলৈ পৰিৱৰ্তন কৰিব পাৰিলে বিশাল বজাৰ মুকলি হ'ব আৰু ৰাজ্যলৈ বৃহৎ পৰিমাণৰ ৰাজহ অহাৰ পথ মুকলি হ'ব। বিশ্ব বেংকৰ এক প্ৰতিবেদনমতে চীন, লাউচ, ভিয়েটনাম, থাইলেণ্ড, ম্যানমাৰ, বাংলাদেশ, তিব্বত, কম্বোদিয়া আদিৰ লগত বাণিজ্য বৃদ্ধিয়ে উত্তৰ-পূবৰ লগতে অসমৰ উন্নয়নৰ গতি বৃদ্ধি কৰাত সহায় কৰিব। আমি মনত ৰখা ভাল যে গুৱাহাটী মহানগৰ উত্তৰ-পূবৰ দুৱাৰেই নহয় সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দুৱাৰ হ'ব পাৰে। উত্তৰ-পূবক এক সুকীয়া অৰ্থনৈতিক মণ্ডল হিচাপে গ্ৰহণ কৰিব লাগিব। নেতৃত্ব অসমে ল'ব লাগিব।

বৈদেশিক বাণিজ্য আৰু বিনিয়োগৰ ওপৰতেই দেশৰ অৰ্থনৈতিক উত্তৰণ নিৰ্ভৰ কৰে। ভাৰতৰ বাবে সুচল বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰখন হ'ল চীন আৰু এছিয়াৰ আন দেশসমূহ। বাংলাদেশ ভাৰতৰ বৃহৎ বাণিজ্যিক বন্ধু ৰাষ্ট্ৰ। আজি উন্নত দেশসমূহৰ বিশেষকৈ আমেৰিকা, ফ্ৰান্স, ইটালী, জাপান, ইংলেণ্ড, জাৰ্মানী, কানাডাত বজাৰ ব্যৱস্থাই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইয়াৰ বিপৰীতে ভাৰত, চীন, ব্ৰাজিল, ৰাছিয়াৰ বৃহৎ বজাৰ মুকলি হৈছে। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ বাহিৰেও আমেৰিকা, ইংলেণ্ড, জাৰ্মানী, ইৰাণ, সংযুক্ত আৰৱ আদি দেশলৈ ভাৰতৰ বৃহৎ পৰিমাণৰ সামগ্ৰী ৰপ্তানি হয়। অসমে এই অঞ্চলসমূহলৈ সামগ্ৰী ৰপ্তানি কৰাৰ কথা চিন্তা কৰিব পাৰে। দেশৰ কমেও তিনিহাজাৰ বিধ সামগ্ৰী বিশ্বৰ ১২০খন দেশলৈ ৰপ্তানি হয়। অসমো

এই ক্ষেত্ৰত অংশীদাৰ হ'ব লাগিব। ASEAN, ECO, SAARC, ESCAP, IIFT, FICCI, FIECO, IIE য়ে চলোৱা সমীক্ষাত অসমে দক্ষিণ-পূব এছিয়াৰ লগত বাণিজ্য কৰিব পৰা সামগ্ৰীসমূহ হ'ল ক্ৰমে সাৰ, হস্তনিৰ্মিত কাগজ, পেকেজিং কাগজ, হাতেৰে বোৱা কাৰ্পেট, নেমুজাতীয় ফল, চাইকেলৰ টিউব-টায়াৰ, ৰবৰৰ পাইপ, বস্ত্ৰ, চিঙ্ক, কুকুৰা, কেতেকী ফুলৰ তেল, সাঁচিপাতৰ তেল, গ্লেকিয়াল জাৰবেকা আদি ফুল, আনাৰস, কমলা, ৰবাব টেঙা, নেমু, আলংকাৰিক খাদ্য, ফলৰ ৰসৰ পৰা উৎপাদিত সামগ্ৰী, সতেজ শাক-পাচলি, বিভিন্ন জাতৰ ফুল, বনৌষধি, ধূপ, বাঁহ-বেতৰ সামগ্ৰী, জলকীয়া, আদা, কপৌফুল, তেজপাত, ডাঙৰ বিলাহী আদি। ইয়াৰ লগতে কয়লা, চূণশিল, কাৰ্বন, জি নাই পাইপ, ৰবৰ, ৰবৰৰ তৈয়াৰী সামগ্ৰী আৰু চাহপাতক লৈ অসমে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত বাণিজ্য কৰিব পাৰে। অসমে ৰাজ্যখনৰ অৰ্থনীতিৰ স্বাৰ্থত এই দিশটোত বিশেষভাৱে গুৰুত্ব দিব লাগিব। সীমান্ত বানিজ্যৰ সুযোগ অসমে গ্ৰহণ কৰিব পাৰিব লাগিব।

**বিশ্ব অৰ্থনীতিলৈ অসমৰ যোৱাৰ পথ জৈৱ প্ৰযুক্তি**

বিশ্ব অৰ্থনীতিৰ বৰ্তমানৰ চিন্তাধাৰা, গৱেষণা আদিৰ প্ৰতি লক্ষ্য ৰাখি এইটো নিশ্চিত হৈ পৰিছে যে অহা বছৰসমূহ বায়'টেক্‌ন'লজিৰ যুগ হিচাপে চিহ্নিত হ'ব। বায়'টেক্‌ন'লজিৰ পৰা উদ্ভুত অৰ্থনৈতিক আৰু সামাজিক বিষয়সমূহে অগ্ৰাধিকাৰ পাব। আজি বিশ্বৰ প্ৰায় প্ৰতিখন দেশতে বায়'টেক্‌ন'লজিৰ ওপৰত পৰিকল্পনা আৰম্ভ কৰাৰ লগতে গৱেষণা আৰম্ভ কৰা হৈছে। তথ্য প্ৰযুক্তি আৰু জৈৱ-প্ৰযুক্তিৰ মাজত ইতিমধ্যে এক প্ৰতিযোগিতা চলিছে। তথ্য-প্ৰযুক্তিয়ে দখল কৰিবলৈ লোৱা বিশ্বৰ ব্যৱসায়িক ক্ষেত্ৰখনত লাহে লাহে জৈৱ প্ৰযুক্তিয়ে খোপনি পোতা আৰম্ভ কৰিছে। জৈৱসম্পদ এক আশাৰ ভঁৰাল, পৃথিৱীৰ সকলো উদ্ভিদ, প্ৰাণী, অনুজীৱ প্ৰজাতিৰ সামগ্ৰিক সমষ্টিয়েই জৈৱসম্পদ। বিশ্বৰ ভৱিষ্যৎ অৰ্থনীতিৰ আধাৰ জৈৱসম্পদ বুলি ইতিমধ্যে আলোচিত হৈছে। গৱেষকসকলৰ গৱেষণাৰ মাজেৰে এতিয়া প্ৰতিপন্ন হৈছে যে জৈৱ সম্পদৰ মাজত বিশাল অৰ্থনৈতিক গুৰুত্বসম্পন্ন সম্ভাৰ আছে। পৰম্পৰাগত চিকিৎসাৰ বজাৰৰ সিংহভাগ দখল কৰিছে বনৌষধিয়ে। ২০২০ লৈ বিশ্বৰ জৈৱসম্পদৰ ব্যৱসায় তিনি লাখ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি সমীক্ষকসকলে ক'বলৈ বিচাৰে।

পৃথিৱীৰ জৈৱসম্পদৰ চহকী অঞ্চলসমূহক 'হটস্পট' বুলি কোৱা হয়। বিশ্বৰ

১২টা 'হটস্পট'ৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলো এটা। জৈৱসম্পদৰ অতি গুৰুত্বপূৰ্ণ উত্তৰ-পূবৰ বনৌষধি আৰু সুগন্ধি উদ্ভিদৰ ওপৰত সংশ্লিষ্ট পক্ষসমূহে গুৰুত্ব নিদিয়াৰ পৰিপ্ৰেক্ষিতত দুষ্ট শক্তিসমূহে বৰ্তমানলৈকে বাধাহীনভাৱে লুণ্ঠন চলাই আছে। আমাৰ প্ৰস্তাৱ হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত থকা জৈৱ বিচিত্ৰতাই বিশ্ব বজাৰত নিজৰ স্থান দখল কৰা সম্ভৱ আৰু এইটো কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিব লাগে। অসমে এক জৈৱ বিপ্লৱ আৰম্ভ কৰিব পাৰে। উত্তৰ-পূবৰ জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰখন যথেষ্ট চহকী। চৰকাৰ তথা সংশ্লিষ্টসকলে এই ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত যাতে অসমবাসীৰ মন 'বনৌষধি বিপ্লৱ'ৰ প্ৰতি আকৃষ্ট হয়। আমি সকলোৱে এতিয়া বিকল্প অৰ্থনীতিৰ পথৰ সন্ধান কৰাৰ সময় হৈছে। ভাৰতীয় পদ্ধতিগত বনৌষধে বিশ্ব বজাৰত এক সুযোগ পাইছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে আমি আজি প্ৰধান অংশীদাৰ হ'ব পাৰোঁ। ভাৰতীয় পদ্ধতিৰ বনৌষধি ৰপ্তানিৰ ক্ষেত্ৰত আন্তৰ্জাতিক বজাৰখনৰ চৰিত্ৰক বিশেষভাৱে লক্ষ্য ৰখা প্ৰয়োজন হ'ব। নিৰাপদ আৰু ফলদায়কতা সম্বন্ধে প্ৰমাণ থকাৰ লগতে গুণগত মানৰ ওপৰত বিশ্বাস জগাব পাৰিলে অসমৰ বনৌষধে আন্তৰ্জাতিক বজাৰ দখল কৰা অসম্ভৱ নহ'ব। বিশ্বৰ লগতে ভাৰতৰ অৰ্থনৈতিক আৰু বাণিজ্যিক ক্ষেত্ৰখনত অসমে নিজস্ব স্থিতি শক্তিশালী কৰাৰ বাবে জৈৱ প্ৰযুক্তিক আনি অগ্ৰাধিকাৰ দিব লাগিব।

### অসমৰ চাহক লৈ নতুন বিপ্লৱ আৰম্ভ কৰা হওক

১৮২৩ ত অসম প্ৰথম চাহ গছৰ অৱিষ্কাৰ হৈছিল। গতিকে অসমৰ চাহে ১৯৫ বছৰীয়া ইতিহাস গৰকীলে। এই ঐতিহাসিক ক্ষেত্ৰখনৰ বাণিজ্যিক দিশটোৰ ওপৰত নতুনকৈ মূল্যায়ন কৰাৰ সময় আহি পৰিছে। অসমৰ চাহক লৈ বিশ্বৰ বজাৰত এক নতুন বিপ্লৱ আৰম্ভ কৰা হওক। 'চি টি চি' আৰু 'অৰ্থডক্‌ছ টী'ৰ লগতে। জৈৱিক সেউজ 'চাহ' তথা 'অৰ্গেনিক গ্ৰীণ টী' আৰু সুকীয়া গুণসম্পন্ন চাহ প্ৰস্তুত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। বিশ্বৰ বজাৰত এতিয়া 'গ্ৰীণ টী'য়ে গুৰুত্ব লাভ কৰিবলৈ আৰম্ভ কৰিছে। স্বাস্থ্যৰ প্ৰতি সজাগ বিশ্ববাসীয়ে 'গ্ৰীণ টী'ৰ ঔষধি গুণসমূহৰ প্ৰতি লক্ষ্য ৰাখি 'গ্ৰীণ টী' সেৱন কৰাটো এতিয়া অভ্যাসত পৰিণত কৰিছে, সৌন্দৰ্যৰ ক্ষেত্ৰতো 'গ্ৰীণ টী'ৰ অৰিহণা বহুত।

১৯৫ বছৰীয়া ইতিহাস থকা অসমৰ চাহ উদ্যোগে জৈৱিক চাহ উপাদানত গুৰুত্ব

দিয়াৰ সময় হৈছে। অসমক জৈৱিক চাহৰ মূল কেন্দ্ৰ কৰিব লাগিব। চাহক ৰাষ্ট্ৰীয় পানীয় হিচাপে ঘোষণা কৰাব পাৰিলে অসমৰ অৰ্থনীতিয়ে অন্য এক দিশেৰে নতুন গতি লয়। অৱশ্যে অসমৰ চাহ উদ্যোগৰ আন্তঃগাঁথনি এতিয়াও সম্পূৰ্ণ নহয়। এই গুৰুত্বপূৰ্ণ ক্ষেত্ৰখনক লৈ সকলো পক্ষই শক্তিশালীভাৱে খোজ দিয়াৰ প্ৰয়োজন হৈছে।

সময় কম, কৰিব লগা বহুত আছে। অসমত পৰ্যটন উদ্যোগৰো সম্ভাৱনা বহুত। জনমূৰি আয়, ঔদ্যোগিক উৎপাদন আৰু নিয়োগ ব্যৱস্থা আদিৰ দ্বাৰা সচৰাচৰ এখন ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ মূল্যায়ন কৰা হয়। অন্যহাতে যাতায়াত আৰু সংযোগৰ অবিহনে আয় আৰু নিয়োগ সৃষ্টিকাৰী অৰ্থনীতি গঢ়ি তুলিব নোৱাৰি। ৰাজ্যখনৰ স্বাৰ্থত এনে প্ৰতিটো দিশতে আমি চিন্তাৰ কৰা, আলোচনা কৰা আৰু ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন হ'ব।

**অদীপ কুমাৰ ফুকন ঃ** অসমৰ অৰ্থনীতিৰ বিশ্লেষক। বিশিষ্ট প্ৰাবন্ধিক।

# অসমীয়া আধুনিক গীত আৰু গীতি-সাহিত্য ঃ জন্মক্ৰন্দনৰপৰা জাতীয় স্পন্দনলৈ

লোকনাথ গোস্বামী

অসমীয়া আধুনিক গীতৰ ইতিহাসে ইতিমধ্যে শতাধিক বছৰ অতিক্ৰম কৰিলে। স্বকীয় আৰু সুসমৃদ্ধ এই ধাৰাটোৰ ওপৰত ছেগা-চোৰাকাকৈ বিভিন্ন সময়ত বিভিন্নজনে আলাপ-আলোচনা আগবঢ়াইছে যদিও, শতাধিক বছৰ গৰকা সম্পূৰ্ণ ধাৰাটোৰ ওপৰত কালানুক্ৰমিক তথা ঐতিহাসিক, সামাজিক দৃষ্টিকোণৰপৰা বস্তুনিষ্ঠ বিচাৰ-বিশ্লেষণ, মূল্যায়ন সঠিকভাৱে হৈছে বুলি বুকুডাঠি ক'ব নোৱাৰি। এই সমস্ত ধাৰাটোৰ সৈতে বহুকেইটা গুৰুত্বপূৰ্ণ দিশো সংপৃক্ত হৈ আছে, যি দিশসমূহক নিলগাই থৈ তাৰ যথাৰ্থ মূল্যায়ন বা বিচাৰ-বিশ্লেষণ সম্পূৰ্ণ হ'ব নোৱাৰে। অসমীয়া আধুনিক গীতৰ জন্মক্ষণো বৰ সুখদায়ক নাছিল। ভাবি আচৰিত হ'ব লাগে যে— তাহানি কলিকতাৰ মুষ্টিমেয় এমুঠি প্ৰবাসী অসমীয়াই অসমীয়া ভাষা সাহিত্যৰ স্বকীয় ভেটিটো প্ৰতিষ্ঠা কৰিবৰ বাবে যি আহোপুৰুষাৰ্থ কৰিছিল, সেই সকলৰ মাজতো অসমীয়া গীতৰ সৃষ্টি আৰু চৰ্চাৰ বিষয়টো যথেষ্ট ধুৱলী-কুঁৱলী আছিল। সমসাময়িকভাৱে যিসকল মধ্যবিত্ত অসমীয়াই কলিকতাত থাকি 'অঃ ভাঃ উঃ সাঃ সঃ' অথবা 'জোনাকী' যুগৰ সূচনা কৰিছিল, সেইসকলৰ মাজৰেই একাংশই ভাবিছিল যে আধুনিক গীতৰ বাবে যি সাৱলীল, ৰোমাণ্টিক আবেদনময়ী মিঠা শব্দচয়ন, গা-মন জোকাৰি যোৱা সুৰ-সঞ্চাৰ, তাল-মানৰ প্ৰয়োজন, সেইবিলাক অসমীয়া গীতৰ সৃষ্টিৰ বাবে দুৰ্লভ বা দুষ্প্ৰাপ্য।

অসমীয়া মানুহে অসমীয়া গীত-মাত বুলিলে থলুৱা তথা পৰম্পৰাগত বৰগীত, লোকগীত, আইনাম, দিহানাম, ওজাপালি, অঙ্কীয়া নাট-ভাওনা আদিৰ গীত-মাতকে বুজিছিল। যিবিলাকৰ ভাব-ভাষাত মুঠেও আধুনিকতাৰ পৰশ নাছিল। তদুপৰি সেই সময়ৰ কলিকতাৰ প্ৰবাসী মধ্যবিত্ত অসমীয়াসকলৰ মাজত সততে কাজী নজৰুল, ডি এল ৰায়, ৰবীন্দ্ৰ নাথৰ গীত-মাতৰ প্ৰভাৱ বেছি আছিল। সম্ভ্ৰান্ত অসমীয়া মানুহৰ মাজত ৰবীন্দ্ৰ সঙ্গীতৰ চৰ্চা এক আভিজাত্যৰ পৰিচয় স্বৰূপ আছিল। এই সম্পৰ্কত তাহানি বেণুধৰ ৰাজখোৱাই ১৯৮৮ চনত সত্যনাথ বৰাই প্ৰথম প্ৰণয়ন কৰা গীতৰ পুথি 'গীতাৱলী'ৰ প্ৰসঙ্গ টানি আনি কৈছিল '১৮৮৮ চনৰ আগলৈকে অসমীয়া গানৰ অস্তিত্ব নাছিল বুলিয়েই ধৰিব লাগে। অসমীয়া গানৰ ৰচনাৰ কথা ওলালেই অনেক কৃতবিদ্য ভদ্ৰলোকে ইতিকিং কৰি কৈছিল— চিপ্ৰাং, থাম্তাং, টুক্ৰুং, লাৱৰিং ইত্যাদি শব্দৰ দ্বাৰা যি ভাষা গঠিত, সেই ভাষাৰে গান নহয়। সেই দেখি সেই সময়ত বঙলুৱা খেম্‌টা গান হাটে-বাটে-ঘাটে সাধাৰণ মানুহৰ মুখতো শুনিবলৈ পোৱা গৈছিল। কিন্তু অমঙ্গলীয়া ৰাহুৰ গ্ৰাস সৰহ দিন নেথাকিল।' আমোদজনক কথা যে সত্যনাথ বৰাই 'গীতাৱলী'ৰ প্ৰণেতা হিচাপে নিজৰ নামটো দিয়াৰ পৰিৱৰ্তে এজন 'অসমীয়াৰ দ্বাৰা প্ৰণীত' বুলিহে উল্লেখ কৰিছিল।

সত্যনাথ বৰাৰ গীতৰ নমুনা আছিল এনেধৰণৰ—

আজি মজাসে পেটুৱা পেট ভৰি খা
পেট ভৰি পেট ভৰি পেট ভৰি খা
ঔ ঠেকেৰা টেঙা
ৰহৰ কি ভাল
আলুভজা খাব মজা পকা খৰিচা

ৰঙ্গমঞ্চৰ নাটৰ বিৰতিৰ সময়ছোৱাত নানান অঙ্গী-ভঙ্গীৰে গাই দৰ্শকক হাঁহিৰ খোৰাক যোগোৱা হৈছিল এনে ধৰণৰ গীত-মাতেৰে। আপাত দৃষ্টিত গীতটোৰ উন্নত কোনো সাহিত্যিক মূল্য নাই। কিন্তু গীতটোৰ ঐতিহাসিক মূল্য সাংঘাতিক।

ইতিহাসৰ পাত লুটিয়াই চালে অপ্ৰিয় হ'লেও এটা কথা স্পষ্ট হৈ পৰে যে তাহানিৰ পৰাই যেন অসমীয়া ভাষা-সাহিত্যৰ লেখক, গৱেষক, পণ্ডিতসকলে গীতি-সাহিত্যৰ ওপৰত যথোচিত গুৰুত্ব আৰোপ কৰা নাছিল। অসমীয়া সাহিত্য মানেই সেইসকলৰ বাবে যেন কেৱল গল্প, উপন্যাস, কবিতা, প্ৰবন্ধ, ব্যঙ্গ ৰচনা ইত্যাদিহে। গীতি-সাহিত্যৰ প্ৰাধান্য তাত মুঠেও নাই।

আনকি বিগত ১৯৮৩ চনত বঙাইগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ

অধিৱেশনৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিবলৈ বুলি মঞ্চত উঠিয়েই ড° ভূপেন হাজৰিকাই এক আৱেগিক মুহূৰ্তৰ সৃষ্টি কৰি পেলালে— 'গীতি-সাহিত্য কৰা মানুহখিনিক সাহিত্যিক বুলি গণ্য কৰা নহয়। অসমীয়া সাহিত্যৰ বুৰঞ্জীত জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ নাম নাই। কিন্তু তেওঁলোক হাৰি যাব। ৰবীন্দ্ৰনাথে গীত লেখিয়েই নোবেল বঁটা পালে। শংকৰদেৱে অঙ্কীয়া গীত-মাত, বৰগীতৰ জৰিয়তে অসমীয়া সমাজখন গঢ়িলে। চান্ট টুকাৰাম, চৈতন্য আদি বৈষ্ণৱ গুৰুসকলে গীত গাই সমাজ সংস্কাৰ কৰিছিল। গতিকে গীত লিখা মানুহখিনিক সাহিত্যিক নহয় বুলি অহংকাৰ কৰিব নেপায়।'

লক্ষ্মীনাথ বেজবৰুৱাৰ অনবদ্য অৱদানৰ ক্ষেত্ৰতো একেই দৃষ্টিভংগী পৰিলক্ষিত হয়। বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তীৰ সময়তো আমি দেখিলোঁ, অসমীয়া ভাষা-সাহিত্যৰ গৱেষক, পণ্ডিত, সমালোচকসকলৰ মাজত পুৰোধা ব্যক্তিগৰাকীৰ ৰচনাসম্ভাৰ, যেনে ব্যঙ্গ সাহিত্য, কবিতা, নাট, প্ৰবন্ধ-পাতিকে ধৰি এনেবোৰ বিষয়ৰ ওপৰত যিমান লেখা-মেলা, আলাপ-আলোচনা আদি দেখা গ'ল, তদ্ৰূপ তেখেতৰ গীতসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত নহ'ল। কিন্তু আমি পাহৰিলে নহ'ব যে আমাৰ জাতীয় সঙ্গীত— 'অ' মোৰ আপোনাৰ দেশ' বেজবৰুৱাৰ যুগমীয়া অৱদান। অসমীয়া আধুনিক গীতৰ ৰচনাৰ ক্ষেত্ৰত মধ্যবিত্ত সমাজৰ মাজত থকা দ্বন্দ্ব বেজবৰুৱাৰ এই গীতেই বহুখিনি দূৰ কৰিছিল। ১৯১০ চনতে তেওঁ এই গীত ৰচনা কৰিছিল আৰু 'বাঁহী'ত প্ৰথম প্ৰকাশ পাইছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ গীতৰ যি সাহিত্যিক মূল্য (Literary value), সেয়া একমাত্ৰ জ্যোতিপ্ৰসাদে সঠিক অনুধাৱন কৰিব পাৰিছিল। জ্যোতিপ্ৰসাদে তেওঁৰ 'বেজবৰুৱাৰ সাহিত্য প্ৰতিভা' শীৰ্ষক গুৰুত্বপূৰ্ণ প্ৰবন্ধটোৰ মাজত বেজবৰুৱাৰ গীতৰ এক সুদীৰ্ঘ বিশ্লেষণ আগবঢ়াইছে। 'গুণীয়েহে গুণীৰ গুণৰ মোল বুজে' কথাষাৰ জ্যোতি প্ৰসাদৰ ক্ষেত্ৰত পূৰামাত্ৰাই যেন প্ৰযোজ্য হয়। জ্যোতিপ্ৰসাদক অসমীয়া আধুনিক গানৰ খনিকৰ বুলি কোৱা যায়। কিন্তু সেইজন জ্যোতিপ্ৰসাদে বেজবৰুৱাৰ গীতক যিমান উচ্চ স্থান দিছে সেয়া ভাবি আচৰিত হ'ব লাগে। জ্যোতিপ্ৰসাদৰ মতে '... অসমীয়া জতুৱা গীতৰ আদৰ্শ যে বেজবৰুৱাৰ গীতবোৰেই তাক আৰু নকলেও হ'ব। তেখেতৰ গীতবোৰ এনেকুৱা ভাব আৰু ভাষাৰে জাতীয় ঠাঁচত লিখি থৈ গৈছে যে সি অসমীয়া গীতৰ ৰচকৰ পৰা আপুনি টানি তাৰ উপযোগী সুৰ উলিয়াই আনিব পৰাৰ ক্ষমতা আছে। ... সঁচাকৈয়ে বেজবৰুৱাই কোন কাহানিৱাই অমাক অসমীয়া গীতৰ আদৰ্শ দি গৈছে।' এই প্ৰসঙ্গতে জ্যোতি প্ৰসাদে বেজবৰুৱাৰ দুটিমান গীতৰ কলি উৎকৃষ্ট উদাহৰণ স্বৰূপে আগবঢ়াইছে, সেয়া হ'ল—

● সোণ বৰণীয়া কেতেকী ধুনীয়া...

● ফুলৰে মদিৰা পিমে বাটি ভৰা

● পৰ্বতৰ ঢেঁকীয়া লিহিৰি পতীয়া..., ইত্যাদি।

অসমীয়া আধুনিক গানৰ প্ৰণালীবদ্ধ চৰ্চাৰ বাট মুকলি কৰিছিল সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাই। তেজপুৰৰ ঐতিহাসিক বাণ থিয়েটাৰৰ 'মিউজিক মাষ্টাৰ' হৈ থকাৰ সময়তেই লক্ষ্মীৰাম বৰুৱাই তেওঁৰ অনবদ্য অৱদান 'সঙ্গীতকোষ' (১৯০৯) আৰু 'সঙ্গীত সাধনা' (১৯১০)ৰ কাম সম্পন্ন কৰে। লক্ষ্মীৰাম বৰুৱাই 'সেইকালৰ অনেক সঙ্গীতৰ অ আ ক খ নজনা বন্ধু-বান্ধৱৰ হতুৱাই গীত ৰচনা কৰাই সুৰ-তাল সংযোজন কৰি 'সঙ্গীত কোষ'ত ঠাই দিছিল আৰু উষা কাকততো প্ৰকাশ কৰিছিল।' (মঞ্চলেখা— পৃ. ১৭৫)

লক্ষ্মীৰাম বৰুৱাৰ 'আজি শুভদিন কিনো বিতোপন', কীৰ্তিনাথ বৰদলৈৰ 'নামে মন্দাকিনী সৰগৰে পৰা'; অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'আজি বন্দো কি ছন্দেৰে...'; পদ্মধৰ চলিহাৰ 'আজি ভকতি আঁজলি' আদি গীতৰ মৰ্মবস্তু মূলতঃ দেশ, জাতিপ্ৰেমৰ পৰা ভকতি ৰসেৰে জীপাল যদিও সিবিলাকৰ ভাষা আছিল সংস্কৃতিয়া বা ভকতীয়া। অসমীয়া ভাষাৰ যি কালিকা, সৌন্দৰ্য-সুষমা সিবিলাকত সিমান প্ৰতিফলিত হোৱা নাছিল। বহু সময়ত "গন্ধমাৰ্দন পৰ্বতৰ দৰে বঙলা গানৰ ভাষা আৰু ভাবো সোঁশৰীৰে আমদানি হৈছিল। 'তুমি কাদেৰ কুলেৰ বৌ' প্ৰভৃতি গান বঙালী সাজপাৰ পিন্ধি 'তুমি কাৰেনো জীয়াৰী হৈ' অসমীয়া গানৰ মাজলিছত থিয় হ'লাহি।"

(মঞ্চলেখা, পৃ. ১৮৩)

এক কথাত ক'বলৈ গ'লে জ্যোতিপ্ৰসাদেই অসমীয়া আধুনিক গানত যথাৰ্থ আধুনিক ৰূপ আৰু থলুৱা ভাষাৰে হেঙুল-হাইতাল বোলাই অসমীয়াত্ব আৰোপ কৰিবলৈ সক্ষম হয়। যিটো কাৰণে জ্যোতিপ্ৰসাদক অসমীয়া আধুনিক গানৰ খনিকৰ বোলা হয়। যথাৰ্থ অসমীয়া আধুনিক গীত-মাত ৰচনাৰ বাবে অসমীয়া ভাষাত পৰ্যাপ্ত সাৱলীল, আবেদনময়ী, দেহ-মন সাঁত কৰা শব্দচয়নৰ যে লেখমাত্ৰও অভাৱ নাই, সেয়া জ্যোতিপ্ৰসাদে প্ৰমাণ কৰি দেখুৱাই গ'ল। অসমীয়া মধ্যবিত্ত সমাজৰ এচাম লোকৰ মাজত অসমীয়া গানৰ সৃষ্টি সন্দৰ্ভত ঘনীভূত সন্দেহ জ্যোতিপ্ৰসাদে তেওঁৰ গীতৰ মাজেৰেই দূৰ কৰিলে। জ্যোতিপ্ৰসাদেই অসমীয়া আধুনিক গানলৈ যথাৰ্থ আধুনিক সাঙ্গীতিক সৌন্দৰ্য-সুষমা আৰু লগতে গানৰ ভাষাটোলৈও যেন 'সেউজীয়া জাগৃতি ছন্দ' আনিলে। এই প্ৰসংগত জ্যোতি প্ৰসাদৰ 'শোণিত কুঁৱৰী' নাটৰ পাতনি বিশেষ দ্ৰষ্টব্য।

জ্যোতি প্ৰসাদে বাট বুলিছিল বেজবৰুৱাই দেখুৱাই যোৱা বাটেৰেই। আকৌ জ্যোতিপ্ৰসাদৰ বাটেৰেই যেন বাট বুলিলে তেওঁৰ সমসাময়িক তথা অনুজসকলে। বিষ্ণুপ্ৰসাদ ৰাভাৰ গানত বিচাৰি পাওঁ অসমীয়া ভাষাৰ আচল সত্তা। 'মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে', 'নীল আকাশৰ পুৱতি তৰা টিমিকি-টিমিকি জ্বলে', 'মহাসাগৰ সিঁচি আনিম সাত মাণিকৰ ধন'ৰ দৰে গান তুলনা বিহীন। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত 'জাতে পাতে ঘৰুৱা অসমীয়া'। সাংবাদিক-সাহিত্যিক লক্ষীনাথ ফুকনে সেয়েহে কৈছিল— "পাৰ্বতিপ্ৰসাদৰ ৰচনাত শৰৎ কালৰ স্নিগ্ধতা আছে। বিজুলীৰ চকু ছাট মৰা চমকনি নাই তাত, আছে ৰামধেনুৰ চকু শাঁতপৰা ৰহণ। সমুদ্ৰৰ গৰ্জন নাই, আছে লুইত আৰু দিখৌৰ খলকনি। কেতেকীৰ উগ্ৰ গোন্ধ নাই, আছে শেৱালিৰ মৃদু সুৱাস। বিদেশী বেণু-বাদ্যৰ ঝংকাৰ তাত নাই, আছে অসমীয়া টোকাৰীৰ গুণগুণনি।"

জ্যোতি-বিষ্ণু আৰু পাৰ্বতিপ্ৰসাদৰ 'প্ৰসাদ' শিৰত লৈ ড° ভূপেন হাজৰিকাই অসমীয়া আধুনিক গানক ভাবৰপৰা ভাষালৈ লগতে ন ন সাংগীতিক পৰীক্ষা-নিৰীক্ষাৰে বিশ্বমুখী কৰি তুলিলে। সঁচাকৈয়ে ভূপেন হাজৰিকাৰ গানত 'জোনাকৰে ৰাতি অসমীৰে মাটি জিলিকি জিলিকি পৰে'। তাৰ উদাহৰণ দি অন্ত পেলাব নোৱাৰি।

আনন্দিৰাম দাস, কমলানন্দ ভট্টাচাৰ্য, শিৱ প্ৰসাদ ভট্টাচাৰ্য, মুক্তিনাথ শৰ্মা বৰদলৈ, মলিন বৰা, পুৰুষোত্তম দাস, অমিত চৰকাৰ, অজিৎ বৰুৱা, নৱকান্ত বৰুৱা, ৰুদ্ৰ বৰুৱা, ড° লক্ষহীৰা দাস, অনুৰাধা দাস, কেশৱ মহন্ত, ড° নিৰ্মল প্ৰভা বৰদলৈ, তফজ্জুল আলী, জয়ন্ত বৰুৱা, ফণী তালুকদাৰ, নৱ বৰুৱা, সতীশ দাস, হেমেন হাজৰিকা, হীৰেন ভট্টাচাৰ্য, ইদ্ৰিছ আলী, ৰত্ন ওজা, কমল হাজৰিকা, হেমন্ত দত্ত, হেমন্ত গোস্বামী, হীৰেন গোহাঁই, প্ৰশান্ত বৰদলৈ প্ৰমুখ্য কৰি শতাধিক লোকে তেওঁলোকৰ গীতৰ মাজেৰে অসমীয়া ভাষাৰ লগতে গীতি-সাহিত্যৰ ভেটি ভাবিব নোৱৰাকৈ সমৃদ্ধ কৰিছে। তালিকাত আটাইৰে নাম সন্নিৱিষ্ট কৰিব নোৱাৰি দুঃখিত।

অসমীয়া আধুনিক গানৰ জগতখনত নগএগা শিল্পীৰ ভূমিকাও কম নহয়। গীতিকাৰ হিচাপে কমলানন্দ ভট্টাচাৰ্যৰপৰা আৰম্ভ কৰি মহেশ চন্দ্ৰ দেৱগোস্বামী, মলিন বৰা, সূৰ্য বৰা, যতীন বৰা, ইউচুফ হাজৰিকা, ডাঃ নিহাৰেন্দু ভট্টাচাৰ্য, ৰুদ্ৰ বৰুৱা, নৱকান্ত বৰুৱা, মনোৰঞ্জন বৰুৱাকে ধৰি বৰ্তমানৰ সূৰ্যকুমাৰ ৰাজা, ৰজনী হাজৰিকা, হিৰণ্য কুমাৰ গায়ন, সূৰ্য দাসলৈকে অলেখ নবীন-প্ৰবীণ গীতিকাৰে তেওঁলোকৰ ৰচনা সম্ভাৰৰ মাজেৰে অসমীয়া আধুনিক গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে বহু সুৰকাৰ, সঙ্গীতকাৰ, কণ্ঠ শিল্পীৰ উত্থানত অপৰিসীম বৰঙণি আগবঢ়াইছে। উদাহৰণ

স্বৰূপে মলিন বৰাৰ এক কালজয়ী ৰচনা 'ইমান ধুনীয়া মুকুতাৰ মালা' শীৰ্ষক গীতৰ জৰিয়তে সুৰকাৰ দুৰ্গাপ্ৰসাদ ভূঞা আৰু গায়ক তাৰিকুদ্দিন আহমেদৰ যি ত্ৰিবেণী সংগম ঘটিছে; তাৰ তুলনা পাবলৈ নাই। 'ইমান ধুনীয়া মুকুতাৰ মালা' সঁচাকৈয়ে অসমীয়া আধুনিক গানৰ জগতৰ এক উজ্জ্বল মুকুতা সদৃশ। একেদৰে সূৰ্য কুমাৰ বাজাৰ 'অহাৰ দৰে উভতি আঁতৰি গ'লা' গীতৰ মাজেদিও সুৰকাৰ চৈয়দ ছাদুল্লা, কণ্ঠশিল্পী মন্দিৰা শৰ্মা লাহিড়ীৰ যি সংযোগ ঘটিছে, সেয়াও অসমীয়া আধুনিক গানৰ ক্ষেত্ৰখনত এক যাউতিযুগীয়া স্বাক্ষৰ।

কমলানন্দ ভট্টাচাৰ্যৰ 'বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ'ৰ পৰা আৰম্ভ কৰি ড° নিহাৰেন্দু ভট্টাচাৰ্যৰ 'অৰুন্ধতী অপৰূপা তুমি'; ইউচুফ হাজৰিকাৰ 'সখী মাধৱী তোৰ হেনো বিয়া', ৰুদ্ৰ বৰুৱাৰ 'হয়েৰা জেতুকী বাঁহ', নৱকান্ত বৰুৱাৰ 'নিয়ৰৰে ফুল এপাহ ফুলিল এপাহ সৰিল', মনোৰঞ্জন বৰুৱাৰ 'অ' শৰতৰ শেৱালি' আদি অনেকজন গীতিকাৰৰ অনবদ্য সৃষ্টিয়ে অসমীয়া আধুনিক গীতৰ লগতে গীতি-সাহিত্যৰ ভেটি জীপাল আৰু চহকী কৰিছে। এয়া মাত্ৰ কিছু উদাহৰণহে।

ঊনবিংশ শতিকাৰপৰাই প্ৰৱাহমান অসমীয়া আধুনিক গীতি-সাহিত্যৰ ধাৰাটোৱে ইয়াৰ ওখোৰা-মোখোৰা যাত্ৰা পথত বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিবলগীয়া হৈছে যদিও প্ৰতিটো আঘাতে যেন 'জুয়ে পোৰা সোণ'ৰ দৰে তাক উজ্জ্বলৰপৰা উজ্জ্বলতৰ কৰি তুলিছে। কিন্তু সাম্প্ৰতিক সময়ত এই ধাৰাটো ক্ৰমশঃ দুৰ্বলৰপৰা দুৰ্বলতৰ দিশে গতি কৰা বুলি ভু ৰখা মহলত শংকা-সংশয় জাগিছে। ভাবৰপৰা ভাষালৈ, বিষয়বস্তুৰ বিচিত্ৰতালৈ সমাজ তথা জনজীৱনৰ প্ৰতি দায়বদ্ধতাৰ যি গৌৰৱময় সমৃদ্ধ ঐতিহ্য, পৰম্পৰা পূৰ্বৰ ধাৰাটোৱে বুকুত আজি লৈ আহিছে, তাত যেন ক'ৰবাত যতি পৰিবলৈ ধৰিছে। মুষ্টিমেয় এমুঠিমান গীতিকাৰৰ এমুঠিমান গীতৰ ব্যতিৰেকে বৰ্তমানৰ সমস্ত ধাৰাটোৱেই অত্যধিক বেপেৰুৱা। (Commercial) আৰহাৱাৰ মাজত সোমাই পৰিছে। ক্ৰমশঃ যেন মানুহৰ সমাজ জীৱনৰ বাস্তৱতাৰ পৰা এই ধাৰাটো ফালৰি কাটি যোৱাৰ উপক্ৰম হৈছে। পূৰ্বৰ গীতিধাৰাৰ গীতি-সাহিত্যৰ যি গভীৰতা, বিচিত্ৰতা, মাধুৰ্য, সেয়া ম্লান পৰিছে। উপৰুৱা প্ৰতিষ্ঠা লাভ আৰু সস্তীয়া মনোৰঞ্জনেৰে অশুভ প্ৰতিযোগিতাই গীতি-সাহিত্যৰ লগতে সমাজত শিল্প আৰু শিল্পীৰ উভয়ৰে প্ৰকৃত ভূমিকা ধূসৰ কৰি তুলিছে। ঐতিহ্যৰ সমৃদ্ধি, পৰম্পৰাৰ সুস্থ ধাৰাটোত খামুচি ধৰিয়েই নতুন দিনৰ ধাৰাটো জীপাল আৰু গতিশীল কৰি তুলিব নোৱাৰিলে অনাগত দিনত আমি আটায়ে অনুতাপ কৰিব লাগিব। তাৰ বাবে অনুৰাগী শিল্পী, কলা-কুশলী,

গীতিকাৰ, সুৰকাৰৰ লগতে শ্ৰোতা-দৰ্শক, পঢ়ুৱৈ সমাজ, সমালোচক আদিয়ে মাৰবান্ধি কাম কৰিব লাগিব। বিশেষকৈ নতুন পুৰুষৰ সন্মুখত এক আশাব্যঞ্জক সৃষ্টিশীল পৰিৱেশ বৰ্তাই ৰখাটো অতিকৈ জৰুৰী হৈ পৰিছে। সেই কথাটোত আমি আটায়ে মনোনিৱেশ কৰিব লাগিব।

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ কথাৰেই আমি আশা কৰিম—

'আকৌ নতুন প্ৰভাত হ'ব
কাল ৰাত্ৰিও নাথাকিব।'▸▸

লোকনাথ গোস্বামী ঃ বিশিষ্ট কণ্ঠশিল্পী আৰু প্ৰাবন্ধিক।

# স্বৰাজোত্তৰ কালৰ অসমীয়া চলচ্চিত্ৰ

## মনোজ বৰপূজাৰী

দেশে স্বাধীনতা লাভ কৰাৰ ১২ বছৰ আগতে প্ৰথম অসমীয়া চলচ্চিত্ৰ নিৰ্মিত হৈ মুক্তি লাভ কৰিছল যদিও সেই এক ডজন বছৰত মাত্ৰ পাঁচখন চলচ্চিত্ৰ হৈছিল। সেইকেইখন আছিল 'জয়মতী' (১৯৩৫), 'ইন্দ্ৰমালতী' (১৯৩৯)— দুয়োখনৰে পৰিচালক জ্যোতিপ্ৰসাদ আগৰৱালা, 'মনোমতী' (১৯৪১), পৰিচালক ৰোহিণীকুমাৰ বৰুৱা, 'বদন ফুকন' (১৯৪৭) পৰিচালক কমলনাৰায়ণ চৌধুৰী আৰু 'ৰূপহী' (১৯৪৭) পৰিচালক পাৰ্বতী প্ৰসাদ বৰুৱা। যদিও সেই কালতে চলচ্চিত্ৰ শিল্পই বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰিছিল; ভাৰতো তাৰপৰা আঁতৰত থকা নাছিল, যাৰ প্ৰভাৱত অসমৰ সুখ্যাত নাট্যশিল্পী, সঙ্গীতজ্ঞ, আঢ্যৱন্ত চাহ খেতিয়কো চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতি আকৃষ্ট হোৱা বুলি ভবাৰ থল আছে। তথাপি প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া সমাজে স্থানীয় ভাষাৰ সেইকেইখন ছবি মুকলি মনেৰে আদৰি লোৱা নাছিল। চলচ্চিত্ৰই অসমীয়া সমাজ-সংস্কৃতি আৰু অসমীয়া মনস্কতাৰ অঙ্গীভূত হৈ উঠিব পৰা নাছিল আৰু সেয়েহে উল্লিখিত পাঁচখন ছবিৰ চাৰিওগৰাকী পৰিচালকে স্বাধীনতাৰ কালত ছবি নিৰ্মাণৰ বাবে আগ নাবাঢ়িল। জ্যোতিপ্ৰসাদ, ৰোহিণী বৰুৱা, পাৰ্বতীপ্ৰসাদে পুনৰ ছবি নিৰ্মাণ কৰিব নোৱাৰিলে। ক'বলৈ গ'লে অসমীয়া সমাজৰ উন্নাসিকতাই তেওঁলোকৰ মনোবল ভাঙি দিছিল। কমল নাৰায়ণে তথ্যচিত্ৰ নিৰ্মাণতহে মনোনিৱেশ কৰিবলৈ বাধ্য হৈছিল। অৰ্থাৎ এক বিশেষ ধৰণৰ নেতিবাচক সংঘটনাৰ মাজেৰেই

স্বাধীনতা লাভৰ দোকমোকালি পাৰ কৰিছিল অসমীয়া চলচ্চিত্ৰই।

অথচ অসমীয়া চলচ্চিত্ৰৰ আৰম্ভণি হৈছিল পৰম আত্মবিশ্বাস, প্ৰত্যয় আৰু মৌলিকতাৰে। ইউৰোপত কেইবাবছৰো কটাই অহা জ্যোতিপ্ৰসাদে 'নিৰ্বাক যুগ'ৰ সোণালী অধ্যায় হিচাপে স্বীকৃত মৌলিকতাসম্পন্ন চলচ্চিত্ৰ ভালেখিনি হয়তো চাবলৈ পাইছিল আৰু তাৰ প্ৰেৰণাত তেওঁৰ স্বকীয় চলচ্চিত্ৰবোধে গঢ় লৈছিল। যদিও চলচ্চিত্ৰৰ প্ৰতি তেওঁৰ দুৰ্বাৰ আকৰ্ষণে কলকাতাত পঢ়ি থাকোঁতেই গজালি মেলিছিল, সি ঠন ধৰি উঠিছিল 'ইংৰাজী আৰু ৰুছীয় ফিল্মৰ আচল ফিল্মীয় পৰিচালনা আৰু অভিনয়'ৰ অনুপ্ৰেৰণাত, যি কথা জ্যোতিপ্ৰসাদৰ 'অসমীয়া ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব' শীৰ্ষক ৰচনাখন পঢ়ি সহজে বুজিব পাৰি। প্ৰচণ্ড সাহস, মনোবল লৈ তেওঁ ভোলাগুৰি চাহ বাগিচাত চিত্ৰবন ষ্টুডিঅ' স্থাপন কৰি অবিভাজিত ভাৰতৰ প্ৰধান ছবি-নিৰ্মাণ কেন্দ্ৰবোৰৰ শৰণাপন্ন নহৈ এটা অসাধ্য সাধন কৰিছিল। কাৰিকৰী প্ৰমাদবশতঃ নিজে চৰিত্ৰবোৰৰ কণ্ঠস্বৰ অনুকৰণ কৰিবলগীয়াত পৰি ভাৰতৰ প্ৰথমখন ডাবিং ছবিৰ খ্যাতিও স্থাপন কৰে। তাৰ পাছতো আন কেইবাটাও কাৰণত 'জয়মতী' ভাৰতীয় চলচ্চিত্ৰ জগতৰ মাইলৰ খুঁটি হৈ ৰ'ল। চিনেমাটিক ভাষাৰ বিশ্লেষণে প্ৰমাণ কৰিছে যে জ্যোতিপ্ৰসাদৰ এই অমৰ সৃষ্টি আছিল নাৰী চৰিত্ৰক মূল চৰিত্ৰ হিচাপে অৱতীৰ্ণ কৰোৱা তথা নাৰীবাদী বাগ্‌ধাৰাৰ প্ৰথমখন ভাৰতীয় ছবি; লগতে সম্পূৰ্ণ ৰাজনৈতিক বক্তব্য আৰু সমসাময়িক ৰাজনৈতিক বাৰ্তাসম্বলিত (তদানীন্তন কালত অহিংসা অৰ্থাৎ নিৰস্ত্ৰ প্ৰতিৰোধৰ বাণীসমৃদ্ধ) প্ৰথমখন ভাৰতীয় ছবি; তদুপৰি মেলোড্ৰামা বা নাট্যাভিনয়ৰ পৰা সজ্ঞানে আঁতৰি অহা প্ৰথম ভাৰতীয় প্ৰচেষ্টা হিচাপেও ছবিখনক মনত ৰাখিব লাগিব— যিটো অভ্যস্ত ভাৰতীয় মানসিকতাৰ (ৰবি বাসুদেৱৰ ভাষাত 'মেলোড্ৰামাটিক পাব্লিক) বিৰুদ্ধে যোৱা বাবে 'জয়মতী'য়ে দৰ্শকক অশানুৰূপভাৱে আকৃষ্ট কৰিব পৰা নাছিল। সেই পৰিণতি— দৰ্শকৰ শীতল সঁহাৰি দেখিয়ে জ্যোতিপ্ৰসাদৰ উত্তৰসূৰী অসমীয়া ছবিনিৰ্মাতাই চলচ্চিত্ৰ-ভাষাধন্য ছবিৰ পথ ল'বলৈ সাহ কৰা নাছিল। যিকেইজনে আপোচৰ পথ লৈয়ে ছবি কৰিলে তেওঁলোকো বিফল-মনোৰথ হ'বলগীয়া হ'ল। (জ্যোতিপ্ৰসাদে নিজেই দ্বিতীয়খন ছবি 'ইন্দ্ৰমালতী'ত artistic compromiseৰ পথ লয়।)

এনে ধৰণৰ সবল, অৰ্থপূৰ্ণ তথা যুক্তিপূৰ্ণ আৰম্ভণি আৰু তাৰ বিপৰীতে আপোচধৰ্মিতা, কলাত ব্যৰ্থতা, দৰ্শকৰ নিৰাৱেগকে সাৰথি কৰি অসমীয়া চলচ্চিত্ৰই স্বৰাজোত্তৰ কালৰ প্ৰথমটো পদক্ষেপ লৈছিল। সেয়া ১৯৪৮ চন। মুক্তি লাভ কৰিছিল

অসমৰ শিল্প-কলা জগতৰ দুই উজ্জ্বল জ্যোতিষ্ক বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাৰ যৌথ পৰিচালনাৰ ছবি 'চিৰাজ'। অতি আনন্দ আৰু সতেজ বিস্ময়ৰ কথা আছিল এইটোৱেই যে 'চিৰাজ' অসমৰ সৰ্বপ্ৰথম ব্যৱসায়িকভাৱে সফল, অৰ্থাৎ দৰ্শক সমাজে আগ্ৰহ-উৎসাহেৰে গ্ৰহণ কৰা ছবি 'চিৰাজ'ৰ আগতে পাৰ্বতী প্ৰসাদ বৰুৱাৰ 'ৰূপহী' ছবিখনে দেশে স্বাধীনতা লাভ কৰা ঐতিহাসিক দিনটোৰ তিনি সপ্তাহ পাছতে মুক্তি লাভ কৰিছিল, কিন্তু ব্যৱসায়িক সাফল্য লভা নাছিল। ইতিমধ্যে স্বাধীনতা-লাভৰ উদ্দীপনা, নতুন ৰাষ্ট্ৰ গঠনৰ কৰ্ম-চাঞ্চল্য, দেশ-বিভাজনৰ তিক্ততা, সাম্প্ৰদায়িক ৰক্তবন্যাৰ পটভূমিত যি নৱনিৰ্মাণৰ বাণী দেশজুৰি ব্যাপ্ত হয়, তাৰেই পাটভূমিত 'চিৰাজ'ৰ কোমল সাম্প্ৰদায়িক সৌহাৰ্দ্যৰ কাহিনীয়ে দৰ্শকৰ অন্তৰ হয়তো চুই গৈছিল। তাৰ পাছৰ দুবছৰত ক্ৰমে প্ৰবীণ ফুকনৰ 'পাৰঘাট' (১৯৪৯) আৰু অসিত সেনৰ 'বিপ্লৱী' (১৯৫০)ত নিৰ্মাণ হৈ ওলায়। ১৯৫৫ চনৰপৰা লাহে লাহে অসমীয়া ছবিৰ নিৰ্মাণ বৃদ্ধি পায় কিন্তু এটা জটিল, সংমিশ্ৰিত শিল্প মাধ্যমত ব্যুৎপত্তি আৰ্জিবলৈ যি অধ্যয়ন-লিপ্সা আৰু অধ্যৱসায়ৰ দৰকাৰ; সেইখিনি কাৰো ক্ষেত্ৰত দেখা নগৈছিল। সমাজৰ মনস্তত্ত্ব আৰু শিল্প মাধ্যমৰ পাৰস্পৰিক প্ৰভাৱ-প্ৰতিক্ৰিয়াই এটা দুষ্ট চক্ৰৰ (vicious circle) দৰেহে নিৰ্মাতাসকলক আকৃষ্ট কৰি যায়। ছবিসমূহৰ কাহিনীত প্ৰগতিশীল চিন্তা-চেতনাৰ ছিটিকনি আছিল, কিন্তু সেইবোৰ যথাযোগ্য চলচ্চিত্ৰ-ভাষাৰে উপস্থাপন কৰাৰ প্ৰয়াস নাছিল। মূলতঃ নাটকীয় ভাবাৱেগ, গতানুগতিক নিৰ্মাণৰীতি, ধৰ্মীয় আখ্যান-বুৰঞ্জী-দেশপ্ৰেমৰ তৰল উচ্ছ্বাস, খুহুতীয়া ৰস আৰু সংঘাত-মিলনসৰ্বস্ব কাহিনী-কথনেই আছিল ছবিসমূহৰ মূল পৰিচয়।

এই গতানুগতিক চক্ৰৰপৰা ওলাই অহাৰ সাহস আনকি ১৯৫০ৰ দশকত চুবুৰীয়া পশ্চিমবঙ্গত এটা নৱ-তৰঙ্গৰ সূচনা কৰা পৰিচালকসকলৰ (সত্যজিৎ ৰায় সহ) গুণমুগ্ধ, তথা আমেৰিকাত উচ্চ শিক্ষাৰে শিক্ষিত স্বনামধন্য ড° ভূপেন হাজৰিকায়ো কৰিব পৰা নাছিল। 'চিৰাজ' আছিল পৰিচালক হিচাপে বিষ্ণুপ্ৰসাদ ৰাভাৰ একমাত্ৰ প্ৰয়াস। সাত বছৰ অপেক্ষাৰ অন্তত ফণী শৰ্মাই প্ৰযোজক পাইছিল আৰু তেওঁৰ দ্বিতীয় পৰিচালনা 'পিয়লি ফুকন' (১৯৫৫) ৰাষ্ট্ৰপতিৰ 'চাৰ্টিফিকেট অফ মেৰিট' লাভ কৰা প্ৰথম অসমীয়া ছবি হৈ উঠে। জ্যোতিপ্ৰসাদ যুগ যদিও হ্ৰস্বম্যাদী আছিল, তাৰ পৰৱৰ্তী কালৰ এজন গুৰুত্বপূৰ্ণ পৰিচালক-অভিনেতা হিচাপে ফণী শৰ্মাৰে নাম ল'ব পাৰি। কম সময়ৰ ব্যৱধানত তেওঁ আন কেইবাখনো ছবি নিৰ্মাণ কৰিবলৈ সক্ষম হয় কিন্তু ছবিবোৰত আছিল মূল সুঁতিৰ মনোৰঞ্জনধৰ্মী (Cliched entertainment) উপাদান।

সেই কালতে ড° ভূপেন হাজৰিকা, নিপ বৰুৱা, আনোৱাৰ হুছেইন, ব্ৰজেন বৰুৱা, ফণী তালুকদাৰ, গৌৰী বৰ্মন আদিসকলে তুলনামূলকভাৱে কম সময়তে একাধিক ছবি পৰিচালনাৰে অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ ধাৰাটো সজীৱ কৰি ৰাখিছিল। নগৰীকৰণ, এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ বিকাশ, অসমীয়া আৰু অনা-অসমীয়া ব্যৱসায়ীৰ হাতত উদ্বৃত পুঁজিৰ জমা, ছবিঘৰৰ সংখ্যা বৃদ্ধি, চলচ্চিত্ৰ গীত আৰু তাৰকাৰ গ্ৰহণযোগ্যতা বৃদ্ধি আদিবোৰ কাৰকে সেই কালছোৱাত অসমীয়া ছবি নিৰ্মাণত নানা ধৰণে সাৰ-পানী যোগায়। নিপ বৰুৱা, প্ৰভাত মুখাৰ্জী, ড° ভূপেন হাজৰিকা, আনোৱাৰ হুছেইন, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, ব্ৰজেন বৰুৱা আদিসকলৰ ছবিয়ে ৰাষ্ট্ৰপতিৰ 'ৰূপৰ পদক' লাভেৰে আঞ্চলিক ছবিৰ উদ্যোগটো টনকিয়াল কৰি গৈছিল। কালৰ বিচাৰত তথা সৰ্বভাৰতীয় স্তৰত তেওঁলোকৰ চলচ্চিত্ৰ-কৰ্মই কোনো দাগ কাটিব নোৱৰাটো অপ্ৰিয় সত্য। ৰাষ্ট্ৰীয় বঁটা পোৱাটো এটা তথ্য আৰু তাৰ বিপৰীতে নৱ-তৰঙ্গ বা গভীৰ ভাবোদ্দীপক তথা নতুনত্বৰ বাৰ্তাৰে সমৃদ্ধ ছবি উপহাৰ দিয়াটো আন এটা সত্য। এই যে লোৱা বা পোৱা আৰু দিয়া বা সমৃদ্ধ কৰা— এই দুটাৰ পাৰ্থক্য অসমীয়া চলচ্চিত্ৰৰ বেলিকা জাজ্বল্যমান হৈ ৰয় মূলতঃ গতানুগতিক ধাৰণাৰ প্ৰভাৱৰ বাবে আৰু পৰীক্ষা-নিৰীক্ষাৰ অভাৱৰ বাবে।

তাৰ মাজতে কিছু অভিজ্ঞতাৰে আৰু কিছু প্ৰয়াসেৰে অসমীয়া ছবিজগতখন চহকী হ'বলৈ ধৰিছিল। কলকাতাৰ প্ৰভাত মুখাৰ্জীয়ে নিৰ্মাণ কৰা 'পুবেৰুণ' (১৯৫৯) ৰাষ্ট্ৰপতিৰ ৰূপৰ পদকেৰে ধন্য হোৱাৰ লগতে বিদেশৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত (বাৰ্লিন) যোগ দিয়া প্ৰথম অসমীয়া ছবিৰূপে খ্যাত হয়। ব্ৰজেন বৰুৱাৰ 'ইটো সিটো বহুতো' (১৯৬৩) আছিল প্ৰথম অসমীয়া হাস্যৰস-প্ৰধান ছবি, যদিও বিদেশী গল্পৰ আধাৰত নিৰ্মিত ছবিখনে 'কমেডী'ত থাকিব পৰা গভীৰ সামাজিক অৰ্থ-ব্যঞ্জনা সৃষ্টিত গুৰুত্ব দিয়া নাছিল। ইয়াৰ পাছৰ খন ছবিতে ব্ৰজেন বৰুৱাই কাৰিকৰী দিশত অসমীয়া চিনেমাৰ বাবে মাইলৰ খুঁটি স্থাপন কৰে। সেইখন হ'ল 'ডক্টৰ বেজবৰুৱা' (১৯৬৯), যিখন আছিল কলকাতাৰ বা টালিগঞ্জৰ কলা-কুশলীৰ সহায় নোলোৱাকৈ নিৰ্মাণ কৰা প্ৰথম অসমীয়া ছবি। ষ্টুডিঅ' ফ্ল'ৰৰ সহায় নোলোৱাকৈ স্থানীয় মানুহৰ ঘৰত দৃশ্যগ্ৰহণ, জাৰ্মান স্পুল ৰেকৰ্ডাৰৰ সহায়ত শব্দগ্ৰহণ, প্ৰথমবাৰলৈ অসমীয়া ছবিত দ্বৈত-চৰিত্ৰ (double role) উপস্থাপন, ৰহস্যঘন কাহিনী, নাটকীয় সংলাপ আৰু মনোৰঞ্জনৰ উপাদানে ছবিখনলৈ অভাৱনীয় ব্যৱসায়িক সাফল্য আনে। যদিও ছবিখনৰ ঠাঁচ আৰু কাহিনীত মূলসুঁতিৰ ভাৰতীয় চিনেমাৰ অনুকৰণ আৰু

জনপ্ৰিয় ৰুচিৰপৰা ধাৰ কৰা উপকৰণ ঠাঁহ খাই আছিল, ছবিখনৰ ব্যৱসায়িক সাফল্যই অসমীয়া আঞ্চলিক চলচ্চিত্ৰৰ কাৰণে সম্ভাৱনাৰ এখন দুৱাৰ খুলি দিছিল। প্ৰযোজকসকলৰ জড়তা আৰু সংশয়ৰ বান্ধ সুলকি পৰিছিল আৰু ন ন ছবি নিৰ্মাণৰ লগতে সিবোৰৰ বাণিজ্যিক সফলতাই এটা তথাকথিত 'সোণালী যুগ'ৰ সৃষ্টি কৰে অসমীয়া চলচ্চিত্ৰ জগতত। এই সময়তে সুদীৰ্ঘ ২৫ বছৰ পাছত ছবি পৰিচালনাৰ সুযোগ পাইছিল কমলনাৰায়ণ চৌধুৰীয়ে অসমীয়া চলচ্চিত্ৰ ইতিহাসৰ চতুৰ্থখন ছবি 'বদন বৰফুকন'ৰ পৰিচালক চৌধুৰীৰ প্ৰত্যাগমন হয় 'ভাইটি' (১৯৭২) নামৰ ছবিখনৰ জৰিয়তে। সেইখনেই হ'ল প্ৰথম অসমীয়া সম্পূৰ্ণ ৰঙীন ছবি।

স্মৰ্তব্য যে এসময়ত জ্যোতিপ্ৰসাদ আৰু প্ৰমথেশচন্দ্ৰ বৰুৱাৰ দৰে ভাৰতীয় চলচ্চিত্ৰ-মনীষাৰ সান্নিধ্য লাভিছিল কমলনাৰায়ণ চৌধুৰীয়ে। 'বদন বৰফুকন' (১৯৪৭) নিৰ্মাণৰ চাৰি বছৰ পাছত তেওঁ বিখ্যাত ফৰাচী পৰিচালক জাঁ ৰেগেৱাৰ ভাৰতভিত্তিক ছবি 'দা ৰিবাৰ'ত সহযোগী ফটোগ্ৰাফাৰৰ কামো কৰিছিল। কিন্তু সেইসকল পুৰোধা ব্যক্তিত্বৰ ছাঁ তেওঁৰ চলচ্চিত্ৰ-কৰ্মত মুঠেই নপৰিল ঃ ইমানেই গভীৰ শংকা-জড়িত (risky) আছিল অসমীয়া ছবি নিৰ্মাণ। ফলস্বৰূপে সমসাময়িক অন্যান্য অভিজ্ঞ পৰিচালকৰ পথেই অনুসৰণ কৰি কেৱল দৰ্শকৰ চাহিদা পূৰণ আৰু ব্যৱসায়িক লক্ষ্য পূৰণেই তেওঁলোকৰ একমাত্ৰ ধ্যান-ধাৰণা হৈ ৰয়। তাত নাছিল গভীৰ নান্দনিক জিজ্ঞাসা, নাছিল সামাজিক-বৌদ্ধিক-উত্তৰণৰ বুদ্ধিদীপ্ত প্ৰয়াস। প্ৰকৃতাৰ্থত জ্যোতিপ্ৰসাদৰ উত্তৰসূৰী বুলি দাবী কৰিব পৰা আন এখন ছবি অসমীয়া চলচ্চিত্ৰই লাভ কৰিবলৈ সুদীৰ্ঘ চাৰিটা দশক অপেক্ষা কৰিবলগীয়া হয়। শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰজত কমল বঁটা আৰু শ্ৰেষ্ঠ সঙ্গীত পৰিচালকৰ (ড° ভূপেন হাজৰিকা) ৰাষ্ট্ৰীয় বঁটা লাভ কৰা আব্দুল মালিকৰ 'চামেলি মেমচাব' (১৯৭৫) ছবিখনো এই অৰ্থত যুগান্তকাৰী আছিল, কিন্তু বিশেষ প্ৰতিষ্ঠানিক স্বীকৃত নোপোৱা আৰু দৰ্শক সমাজৰ দ্বাৰাও অৱহেলিত 'গঙা চিলনীৰ পাখি' (১৯৭৬) নিৰ্মাণ কৰি তেতিয়ালৈকে চলচ্চিত্ৰ সমালোচক আৰু চলচ্চিত্ৰ সংস্থা আন্দোলনৰ নেতৃত্ববাহী হিচাপে পৰিচিত পদুম বৰুৱাই এটা নতুন আশাৰ দ্যুতিৰে অসমীয়া চলচ্চিত্ৰক নতুন চৰিত্ৰ দিয়ে। কিছু অভিনয়ৰ শিথিলতা, লোক-সংস্কৃতিৰ তথ্যচিত্ৰধৰ্মী সমাহাৰকে ধৰি সামান্য দুৰ্বলতা সত্ত্বেও চলচ্চিত্ৰক স্থানীয় ভাব-ভাষাৰে কিমান বাস্তৱধৰ্মী ৰূপত সজাই তুলিব পাৰি তাৰ সাৰ্থক প্ৰয়াস হিচাপে 'গঙা চিলনীৰ পাখি' স্বৰাজোত্তৰ অসমীয়া চলচ্চিত্ৰ জগতৰ এটা উল্লেখযোগ্য সৃষ্টি হিপাপে স্মৰণীয়। প্ৰচলিত চলচ্চিত্ৰ-ৰীতিক সাহসেৰে প্ৰত্যাহ্বান

জনাই আৰ্থ-সামাজিক বিশ্লেষণৰ চিনেমেটিক ভাষাৰো যে অনুসন্ধান চলাব পাৰি সেইটো ছবিখনে প্ৰমাণ কৰিলে অসমৰ পটভূমিত।

একে সময়তে ভাৰতীয় মননশীল ধাৰাটোৰ সঞ্জীৱনী মন্ত্ৰৰে উদ্বুদ্ধ হৈ সাহিত্যিক কথাশিল্পী ড° ভবেন্দ্ৰনাথ শইকীয়াৰো প্ৰৱেশ ঘটে অসমৰ চলচ্চিত্ৰ জগতত। 'গঙা চিলনীৰ পাখি'ৰ এবছৰ পাছতে মুক্তি লাভ কৰে ড° শইকীয়াৰ নিজা কাহিনীৰে সৃষ্ট 'সন্ধ্যাৰাগ' (১৯৭৭) ছবিখনে। আঞ্চলিক ছবিৰ ৰজত কমল পোৱাৰ লগতে ছবিখনে প্ৰমাণ কৰিলে যে পৰীক্ষামূলক ভাষাৰে নিৰ্মিত ছবিকো অসমীয়া সমাজখনে আদৰি ল'ব পাৰে। সমান্তৰাল ধাৰাৰ ছবিয়ে ব্যৱসায়িক সাফল্য লাভ কৰিব— এনে ধাৰণা পূৰ্বে আছিল অপ্ৰচলিত, অকল্পনীয়; কিন্তু তাৰ অপেক্ষাত আছিল যেন স্থানীয় দৰ্শক সমাজ। 'সন্ধ্যাৰাগ'ৰ অভিলেখ সৃষ্টিৰ পাছতে অতুল বৰদলৈৰ 'কল্লোল' (১৯৭৮) এই ক্ষেত্ৰত আন এক সবল প্ৰয়াস আছিল। ড° শইকীয়াই পৰৱৰ্তী ছবি কৰিবলৈ বেছি সময় ৰ'বলগীয়া হোৱা নাছিল। ১৯৮২ চনত পুনেৰ চলচ্চিত্ৰ শিক্ষানুষ্ঠানৰপৰা উত্তীৰ্ণ হোৱা জাহ্নু বৰুৱাৰ প্ৰথম পৰিচালনা 'অপৰূপা'ই প্ৰথাগত অভিনয় ৰীতি আৰু চিত্ৰনাট্য ৰচনাত নতুন চিন্তা কৰিব পৰা আন এজন পৰিচালকৰ আগমনৰ বাৰ্তা দিয়ে। এইকেইখন ছবিয়ে ৰাষ্ট্ৰীয় বঁটাৰ শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰজত কমল লভিছিল। এই ক্ষেত্ৰত ধাৰাবাহিকতা ৰক্ষা কৰি চাৰুকমল হাজৰিকাৰ 'আলোকৰ আহ্বান' (১৯৮৩) আৰু 'বান' (১৯৮৬), শিৱপ্ৰসাদ ঠাকুৰৰ 'সোণমইনা' (১৯৮৪), ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান' (১৯৮৫), ধীৰু ভূঞাৰ 'প্ৰথম ৰাগিণী' (১৯৮৭) আদি যোগ হ'ল। ড° শইকীয়াৰ 'অগ্নিস্নান' শ্ৰেষ্ঠ চিত্ৰনাট্যৰ ৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত হোৱাৰ লগতে পুৰুষতান্ত্ৰিকতা আৰু নৈতিকতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰা ছবি হিচাপে দৰ্শক সমাজত সি আলোড়ন তুলি ব্যৱসায়িক সাফল্যৰো ইতিহাস ৰচে। ড° শইকীয়াৰ ছবিয়ে প্ৰকৃতাৰ্থত ভাৰতীয় সমান্তৰাল, বাস্তৱবাদী ছবিৰ পৰম্পৰাত অসমীয়া চলচ্চিত্ৰৰ স্থান নিগাজী কৰে।

ইপিনে ১৯৭০ৰ দশকত 'সোণালী যুগ' সৃষ্টিকাৰী অসমীয়া চলচ্চিত্ৰৰ জনপ্ৰিয় ধাৰাটোৱে পৰিপুষ্টি লভিছিল। বৰুৱা ভ্ৰাতৃত্ৰয়ৰ (নিপ, ব্ৰজেন, দ্বিবন) ছবিবোৰৰ লগতে অতুল বৰদলৈ, সমৰেন্দ্ৰ নাৰায়ণ দেৱ, আব্দুল মজিদ, পুলক গগৈ, শিৱপ্ৰসাদ ঠাকুৰ আদিসকলৰ ছবি চাবলৈ গাঁও-ভূঁইৰপৰা মানুহে বাছ ভাড়া কৰিও চহৰলৈ অহাৰ এটা অভ্যাস গঢ় লৈ উঠে। দ্বিবন বৰুৱাৰ 'তৰামাই', নিপ বৰুৱাৰ 'আজলী নবৌ', শিৱপ্ৰসাদ ঠাকুৰৰ 'বোৱাৰী' আদিয়ে বক্স-অফিচত যথেষ্ট ৰাহি কৰিবলৈ সমৰ্থ হয়।

কিন্তু এই জনপ্ৰিয়তা তথা বাণিজ্যিক সাফল্যৰ ঢৌ মাৰ যায় ১৯৮০ৰ দশকত টেলিভিশ্যন আৰু ভিডিঅ' ছবিৰ আগমন, অসম আন্দোলন তথা সামাজিক অস্থিৰতাৰ বাবে। অসমীয়া চলচ্চিত্ৰৰ নিৰ্মাণত সেই সময়তে বাধাৰ সৃষ্টি হয়। মানুহেও আগৰ দৰে তথাকথিত জনপ্ৰিয় ছবিবোৰ চাবলৈ ছবিঘৰত ভিৰ কৰাৰ অভ্যাসটো ত্যাগ কৰে। এই নেতিবাচক প্ৰৱণতাই চূড়ান্ত ৰূপ লয়গৈ যেতিয়া ১৯৯০ৰ দশকৰ আৰম্ভণিতে টেলিভিশ্যনৰ ব্যক্তিগতকৰণ, ছেটেলাইট টিভি চেনেলৰ আগমন, চিডি আৰু ডিভিডিৰ প্ৰচলন, ৰাজহুৱা স্থান তথা প্ৰেক্ষাগৃহত সন্ত্ৰাসবাদীৰ কুটাঘাত আদিয়ে দৰ্শকক বৰ্ধিত হাৰত চলচ্চিত্ৰ উপভোগৰ পৰম্পৰাগত অভ্যাসৰপৰা আঁতৰাই নিয়ে। মনোৰঞ্জনমূলক মূলসুঁতিৰ ছবি আৰু মননশীল সমান্তৰাল সুঁতিৰ ছবি— এই দুই ধাৰাতে অনুৰূপ অৱস্থা বিৰাজ কৰে।

চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বহুতেই অৱশ্যে সম্পূৰ্ণ হতাশ হোৱা নাছিল। সমান্তৰাল সুঁতিটোত স্নাতক জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়' (১৯৮৭) আছিল এক উল্লেখযোগ্য সংযোজন। ছবিখনে ৰাষ্ট্ৰীয় স্তৰত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ স্বৰ্ণ কমল বঁটা লাভ কৰি অসমৰ স্বকীয় চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষীণ সুঁতিটোলৈ এটা প্ৰাণচাঞ্চল্যৰ প্ৰবাহ আনে বুলিলেও বঢ়াই কোৱা নহয়। ছবিখনে ছুইজাৰলেণ্ডৰ লোকাৰ্ণো চলচ্চিত্ৰ মহোৎসৱত তিনিটাকৈ পুৰস্কাৰ (পৰিচালনাত দৰ্শকৰ বঁটা, দ্বিতীয় শ্ৰেষ্ঠ ছবি, ইন্দ্ৰ বনিয়ালৈ শ্ৰেষ্ঠ অভিনেতা) অৰ্জন কৰে। ড° শইকীয়াৰ লগতে বৰুৱাৰ চলচ্চিত্ৰই দেশে-বিদেশে অনুষ্ঠিত সন্মানীয় মহোৎসৱবোৰত স্থান লাভ কৰি আন্তৰ্জাতিক ক্ষেত্ৰত অসমৰ নাম সুপ্ৰতিষ্ঠিত কৰে। ১৯৮৬ চনত পুনেৰ চলচ্চিত্ৰ শিক্ষানুষ্ঠানৰপৰাই উত্তীৰ্ণ জাংদাও বড়োছাৰ 'আলয়াৰণ' নামৰ ছবিখনে বড়ো ভাষাৰ শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰাষ্ট্ৰীয় বঁটা লভি আন এক প্ৰত্যাশাৰ সৃষ্টি কৰে। তাৰ পাছতে পূব জাৰ্মানীৰ চলচ্চিত্ৰ শিক্ষানুষ্ঠানৰ পৰা উত্তীৰ্ণ গৌতম বৰাৰ কাৰ্বি ভাষাত পৰিচালিত ছবি 'ৱছ'বিপো'ৱে বিশেষ কৃতিত্বৰে অসমৰ অন্যান্য খিলঞ্জীয়া ভাষাত ছবি নিৰ্মাণৰ এটা প্ৰত্যয়দীপ্ত ধাৰাৰ সূচনা কৰে। 'ৱছ'বিপো' (১৯৮৯) পৰিচালকৰ প্ৰথম ছবিৰ স্বৰ্ণকমল আৰু শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা (শ্বেৰ চৌধুৰী) পোৱা ছবি বাস্তৱধৰ্মী চিনেমেটিক ভাষা ব্যৱহাৰত ই এক মাইলৰ খুঁটি হিচাপে বিবেচিত হয়। দৰাচলতে এই সময়তে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰতো অসমৰ চলচ্চিত্ৰই বিশেষ আগ্ৰহৰ সৃষ্টি কৰা দেখা যায়। স্থানীয়ভাৱে অধিক সংখ্যক পৰিচালকে মননশীল আৰু পৰীক্ষামূলক তথা প্ৰকৃত চলচ্চিত্ৰ ভাষাৰে উদ্বেলিত ছবি নিৰ্মাণৰ প্ৰতি আকৃষ্ট হ'বলৈ ধৰে। এইদৰেই ১৯৯০ৰ

দশকটোত আন এক নৱ জাগৰণৰ সূত্ৰপাত হয় অসমৰ চলচ্চিত্ৰ আকাশত। জ্যোতিপ্ৰসাদে সিঁচি দিয়া চলচ্চিত্ৰ জিজ্ঞাসাৰ বীজটোৱে ১৯৭০ দশকত গজালি মেলি ক্ৰমান্বয়ে ১৯৯০ৰ দশকটোত যেন ফলে-ফুলে জাতিষ্কাৰ হৈ পৰে।

উদাহৰণস্বৰূপে প্ৰথমে হেমেন দাসৰ ৰজত কমল বঁটাপ্ৰাপ্ত 'যুঁজ' (১৯৯০), হেমন্ত দাসৰ 'তথাপিও নদী' (১৯৯০) আদিত আৰ্থ-সামাজিক দ্বন্দ্ব আৰু পৰিৱৰ্তনৰ পৰিহাস শক্তিশালী দৃশ্যকল্পৰে পৰিস্ফুট হৈছিল— দুয়োখন ছবিয়ে নতুন চলচ্চিত্ৰ ভাষাৰে একোটা বিষয়বস্তু উপস্থাপনৰ নিদৰ্শন তুলি ধৰে। জাহ্নু বৰুৱাৰ 'ফিৰিঙতি'ৰ (১৯৯১) বাবে মলয়া গোস্বামী শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় বঁটাৰে জিলিকি উঠে। এই বঁটাও আছিল অসমৰ কাৰণে প্ৰথম। ১৯৯৩ চনটো ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ চলচ্চিত্ৰই সবল আত্মপ্ৰকাশ কৰা আন এটা বছৰ। 'হলধৰ'ৰ বাবে সঞ্জীৱ হাজৰিকাই লাভ কৰে পৰিচালকৰ প্ৰথমখন ছবিৰ স্বৰ্ণকমল আৰু 'হাগ্ৰামায়াও জিনাহাৰি'ৰ বাবে জাংদাও বডোছাই লাভ কৰে পৰিপাৰ্শ্বিকতা শিতানৰ শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় বঁটা। ইয়াৰ পাছতে ১৯৯৫ চনত জাহ্নু বৰুৱাই শ্ৰেষ্ঠ পৰিচালকৰ স্বৰ্ণ কমল অৰ্জন কৰে 'সাগৰলৈ বহু দূৰ' ছবিখনৰ বাবে। ড° ভবেন্দ্ৰনাথ শইকীয়ায়ো এইখিনি সময়লৈকে নিৰ্মাণ কৰা প্ৰতিখন ছবিৰ বাবে ৰজত কমল লাভ কৰি তেওঁৰ নিৰৱচ্ছিন্ন চলচ্চিত্ৰ জিজ্ঞাসাৰ যাত্ৰা অব্যাহত ৰাখিছিল। 'সাগৰলৈ বহু দূৰ' ১৯৯৫-৯৬ বৰ্ষত বহুকেইটা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ বঁটা অৰ্জন কৰা ছবি হৈ উঠে। ছিংগাপুৰ মহোৎসৱত এই ছবিৰ বাবে বিষ্ণু খাৰঘৰীয়াই লভে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান। জাহ্নু বৰুৱাই পুনৰবাৰ প্ৰমাণ কৰিলে যে চৰিত্ৰ অংকন আৰু চৰিত্ৰাভিনয়ৰ ক্ষেত্ৰত তেওঁৰ দক্ষ পৰিচালনা অদ্বিতীয়। চলচ্চিত্ৰৰ কাহিনী কিমান সৰলভাৱে অথচ সংস্পৰ্শী ৰূপত দাঙি ধৰিব পাৰি সেই ক্ষেত্ৰতো তেওঁৰ অসামান্য দখল থকাটো সাব্যস্ত হয়।

কাৰ্যতঃ অসমীয়া চলচ্চিত্ৰই ১৯৯০ৰ দশকটোত পূৰ্বৰ তুলনাত বহু উচ্চ স্তৰৰ সাফল্য আৰু নান্দনিক পৰিপক্কতাও অৰ্জন কৰে। এজনৰ পাছত আনজন পৰিচালকৰ কৃতিত্বই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ চলচ্চিত্ৰক এটা সমীহ আদায় কৰিব পৰা অৱস্থাত অৱতীৰ্ণ কৰোৱাইছিল এইটো দশকতে। তাৰ মাজতে ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহাব ফাল্কে বঁটা ড° ভূপেন হাজৰিকাই জীৱনজোৰা অৱদানৰ বাবে লাভ কৰে ১৯৯৩ চনত। ১৯৯৬ চন আছিল কৃতিত্বৰে উজ্জ্বল আন এটা বছৰ। প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতাত কাৰিকৰী বঁটাৰে গৰীয়ান হ'ল অসমীয়া চিনেমা। বিদ্যুৎ চক্ৰৱৰ্তীৰ 'ৰাগ-বিৰাগ'ৰ বাবে শ্ৰেষ্ঠ চিনেমাটগ্ৰাফীৰ পুৰস্কাৰ লাভ

কৰে পুনেৰ শিক্ষানুষ্ঠানৰ পৰা চিত্ৰগ্ৰহণৰ পাঠ্যক্ৰমত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মৃণালকান্তি দাসে। ছবিখনে অসমলৈ লগতে আনে শ্ৰেষ্ঠ সম্পাদনাৰ (এ শ্ৰীকৰ প্ৰসাদ) উপৰি পৰিচালকৰ প্ৰথম ছবিৰ স্বৰ্ণ কমল। একেটা বছৰতে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰা ডাঃ সান্ত্বনা বৰদলৈৰ 'অদাহ্য'ই শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰজত কমল বঁটা লাভ কৰাৰ লগতে দেশে-বিদেশে বিভিন্ন চলচ্চিত্ৰ মহোৎসৱত ভূয়সী প্ৰশংসা আৰু কেইবাটাও বঁটা অৰ্জন কৰে। দশকটোৰ শেষলৈ চলচ্চিত্ৰ পৰিচালক হিচাপে সবল আত্মপ্ৰকাশ কৰা মঞ্জু বৰাৰ 'বৈভৱ' (১৯৯৯) ছবিখনত দেশ-বিদেশৰ প্ৰেক্ষাপটৰ অসমীয়া চলচ্চিত্ৰৰ মান অটুট ৰাখে। তেওঁলোকৰ চলচ্চিত্ৰই অসমীয়া দৰ্শক-মননৰ যে ভালেখিনি গুণগত পৰিৱৰ্তন ঘটাইছে, পূৰ্বৰ দৰে অনুকৰণসৰ্বস্ব, নতুনত্বহীন স্থূল বিনোদনমুখী চিনেমাকে সমাজে একমাত্ৰ চলচ্চিত্ৰ ভাষা বুলি ভবাৰ অন্ত পৰিছে— তাকেই যেন প্ৰতীয়মান কৰিছিল। 'সাগৰলৈ বহু দূৰ' আৰু 'অদাহ্য'ৰ বাণিজ্যিক সাফল্যই এই দিশটো জ্যোতিষ্মান কৰিছিল।

ইপিনে ১৯৯০ৰ দশকটোৰ প্ৰায় শেষ পৰ্যন্ত মূলসুঁতিৰ অসমীয়া ছবি জগতখনে আগৰটো দশকৰ পৰাই চলি অহা নিৰাশাজনক অৱস্থাৰপৰা উদ্ধাৰৰ বাট বিচাৰি পোৱা নাছিল। কিন্তু ১৯৯৮ চনত এটা অভাৱনীয় ঘটনা ঘটে ঃ অশোক কুমাৰ বিষয়াৰ দ্বাৰা পৰিচালিত 'যৌৱনে আমনি কৰে' নামৰ ছবিখনে বৃহৎ বাণিজ্যিক সাফল্য লভিলে। গতানুগতিক নায়ক-নায়িকাৰ প্ৰেম-সংঘাতৰ কাহিনী হ'লেও মূলতঃ উদ্ভাৱনী প্ৰচাৰ কৌশল আৰু নতুন নায়ক-নায়িকাৰ আগমনৰ লগতে চিত্তাকৰ্ষক আধুনিক গীতৰ বাবেই দৰ্শকে ছবিখন আদৰি লৈছিল। লগে লগে অসমীয়া চলচ্চিত্ৰৰ জগতলৈ এটা উৎসাহপূৰ্ণ জোৱাৰ আহে। হাতত টকা-পইচা গোট খোৱা উচ্চাকাংক্ষী মধ্যবিত্ত শ্ৰেণীটোৱে অসমীয়া চিনেমাৰ নামত ধন বিনিয়োগ কৰিবলৈ ভয় নোখোৱা হ'ল আৰু তাৰ সুযোগ লৈ বিভিন্ন ক্ষেত্ৰৰ প্ৰতিষ্ঠিত ভালেমান লোকে চলচ্চিত্ৰ পৰিচালকৰ ৰূপত আত্মপ্ৰকাশ কৰে। নাটকৰ অভিনেতা, গায়ক, সাংবাদিক, চৰকাৰী বিষয়া, লব্ধপ্ৰতিষ্ঠ ব্যৱসায়ী, নাট পৰিচালক, চলচ্চিত্ৰ অভিনেতা, আলোকচিত্ৰ শিল্পী, ৰাজনীতিবিদ, অভিযন্তা আদি বিভিন্ন বৃত্তিৰ লোক চলচ্চিত্ৰ পৰিচালনাৰ বাবে ওলাই আহে। অভিজ্ঞ মনোৰঞ্জনধৰ্মী ছবি নিৰ্মাতাসকলৰ হাতলৈও কাম আহিল। আনকি প্ৰবাসী অসমীয়াও উৎসাহী হৈ উঠে। লণ্ডনবাসী ডাঃ ৰনেন শৰ্মাৰ প্ৰযোজনাতে শিৱপ্ৰসাদ ঠাকুৰৰ 'অহিৰ ভৈৰৱ' (২০০৭) পৰিগণিত হয় বিদেশত সম্পূৰ্ণ দৃশ্যগ্ৰহণ হোৱা প্ৰথম অসমীয়া ছবি হিচাপে। বছৰটোত নিৰ্মাণ হোৱা অসমীয়া চলচ্চিত্ৰৰ

সংখ্যাও পূৰ্বৰ তুলনাত বহুখিনি বৃদ্ধি পায়। বহুতে ইয়াক অসমীয়া চিনেমাৰ 'দ্বিতীয়টো সোণালী যুগ' বুলিও অভিহিত কৰা দেখা গ'ল। কিন্তু পুনৰ একদেশদৰ্শী কাহিনী বিন্যাস, মেলোড্ৰামা, বহু ব্যৱহৃত (cliched) নিৰ্মাণৰীতিৰ বাবে সেই ছবিবোৰত সতেজ নতুনত্বৰ অভাৱ জল্‌জল্-পট্‌পট্ হৈ পৰে আৰু সেইবাবে প্ৰতিযোগিতামূলক মুকলি বজাৰত সিবোৰ তিষ্ঠি থকাও টান হৈ পৰে। ইণ্টাৰনেট আৰু তথ্য-প্ৰযুক্তিৰ দিগন্তপ্ৰসাৰী যুগত নতুন ভাব-ভাষাৰে সমৃদ্ধ আৰু স্বকীয় সৃষ্টিয়েহে যে সমাজৰ অখণ্ড মনোযোগ লভিব পাৰে সেই সৰল বাস্তৱতালৈ এইসকল প্ৰযোজক পৰিচালকে পিঠি দিয়াৰ ফলত হঠাতে হোৱা জোৱাৰত অতি শীঘ্ৰে ভাটাও আহে। এই যুগটোৰ জীৱনকাল এটা দশকো নাছিল।

কিন্তু লক্ষণীয়ভাৱে চলচ্চিত্ৰ নিৰ্মাণ আৰু পৰিৱেশনাৰ প্ৰথাগত পদ্ধতি আৰু প্ৰযুক্তিবোৰৰ পৰিৱৰ্তনো বিশ্বজুৰি অনিবাৰ্য হৈ উঠিছিল। তাৰ ফলস্বৰূপে চেলুলয়ডত চিনেমা নিৰ্মাণৰ ব্যয়বহুল পদ্ধতিৰ ঠাইত কম ব্যয়সাধ্য আৰু অত্যাধুনিক ডিজিটেল চিনেমা ক্ৰমাৎ গ্ৰহণযোগ্য হৈ উঠে। এই পৰিৱৰ্তনৰ বতাহে অসমৰ চলচ্চিত্ৰ জগতখনো স্পৰ্শ কৰে। মনোৰঞ্জনধৰ্মী আৰু বাস্তৱধৰ্মী দুয়োটা ধাৰাৰ নিৰ্মাতাই নৱলব্ধ প্ৰযুক্তিৰ সুবিধা লোৱাত পিছপৰি নাথাকিল। ফলস্বৰূপে পৰম্পৰাগত সৰ্বভাৰতীয় চলচ্চিত্ৰ বিতৰণ ব্যৱস্থাটোৰ মাজত ঠাই নোপোৱা অসমীয়া চলচ্চিত্ৰৰ নতুনচাম নিৰ্মাতাই বিকল্প বিতৰণৰ সন্ধান চলায় আৰু বহুতে কম খৰচী ডিজিটেল চিনেমা নিৰ্মাণ কৰি ইণ্টাৰনেটকে ধৰি অন্যান্য ব্যৱস্থাৰে ছবি মুক্তি দিয়াৰ সুযোগ ল'লে। নতুন কেমেৰা, নতুন বিতৰণ, আনকি নতুন বিনিয়োগ পদ্ধতিৰো সুপ্ৰয়োগ হ'ল। সমূহীয়া পুঁজি (Crowd Funding) এই সময়ৰে এটা ফলপ্ৰসূ উদ্ভাৱন। নিৰ্মাণ ব্যয়ো বহুলাংশে কম হয়। গতিকে বহু বিৰুদ্ধবাদী বা প্ৰতিকূল পৰিৱেশতো অসমীয়া আৰু অন্যান্য খিলঞ্জীয়া ভাষাত ছবি নিৰ্মাতাই পৰীক্ষামূলক আত্মনিয়োগৰ অনুশীলন অব্যাহত ৰখাটো সম্ভৱ হৈ উঠে। বিভিন্নজনে প্ৰজেক্টৰৰ জৰিয়তে সমূহীয়া প্ৰেক্ষাগৃহ আৰু অস্থায়ী প্ৰদৰ্শন ব্যৱস্থাৰে অসমীয়া, বড়ো, মিচিং, কাৰ্বি আদি ভাষাত নিৰ্মিত ছবি দেখুৱাই কিছু ব্যয় ঘূৰাই পায়। অসমৰ সফল ভ্ৰাম্যমাণ থিয়েটাৰৰ আৰ্হিত ভ্ৰাম্যমাণ চিনেমা ব্যৱস্থাই প্ৰসাৰ লভে; শেহতীয়াভাৱে অনলাইনযোগে অসমত চিনেমা উপলব্ধ হোৱাৰ কাৰিকৰী সুবিধাও ওলাল।

কিন্তু এই সময়খিনিৰ সবাতোকৈ আশাপ্ৰদ পৰিঘটনাটো হ'ল এয়ে যে এচাম নবীন পৰিচালকে চলচ্চিত্ৰৰ ভাষা শিকি-বুজি আত্মপ্ৰকাশ কৰে। তেওঁলোকৰ

চলচ্চিত্ৰ-দৰ্শন (ডেনিয়েল ফ্ৰেম্পটন কথিত 'Filmosophy') সাহসী আৰু আপোচহীন বহু সময়ত তেওঁলোকৰ ছবিয়ে অৱহেলিত বিষয়বস্তুত আলোকপাত কৰোঁতে কিছু স্ববিৰোধিতা আৰু কিছু নাটকীয় উপাদানৰ পৰা মুক্ত নহ'লেও আন বহু সময়ত চলচ্চিত্ৰ ভাষাৰ আত্মস্থ কৰাৰ প্ৰবল ইচ্ছাশক্তিৰে ওলাই অহা দেখা যায়। মঞ্জু বৰা, সঞ্জীৱ সভাপণ্ডিত, শংকৰ বৰুৱা, অৰূপ মান্না, ৰঞ্জিত দাস, যদুমণি দত্ত, এম মণিৰাম আদিসকলৰ প্ৰয়াস এই সময়ৰ উৎকৃষ্ট চলচ্চিত্ৰৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। নতুন সহস্ৰাব্দৰ প্ৰথমটো দশকত তেওঁলোকৰ ছবিসমূহে সাংঘাতিক সাফল্য আৰ্জিব নোৱাৰিলেও ৰাজ্যখনৰ বাস্তৱধৰ্মী ধাৰাটো অব্যাহত থকাৰ ইংগিতেই আছিল। মঞ্জু বৰাৰ 'আকাশীতৰাৰ কথাৰে' (২০০৩) ছবিখনৰ বিভিন্ন কৃতিত্বৰ ভিতৰত উল্লেখযোগ্য হ'ল প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় স্তৰত শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ সন্মান (তৰালী শৰ্মা) লাভ কৰাটো। সঞ্জীৱ সভাপণ্ডিতৰ 'জুয়ে পোৰা সোণ' (২০০৪) পাৰিপাৰ্শ্বিকতাৰ শিতানত শ্ৰেষ্ঠ ছবিৰ ৰজত কমলেৰে ধন্য হয়। শিশু চলচ্চিত্ৰৰ ক্ষেত্ৰত অসমৰ সৃষ্টি অতি সামান্য, আঙুলিৰ মূৰতে গণিব পৰা বিধৰ; কিন্তু এই শিতানতে শ্ৰেষ্ঠ ছবিৰ স্বৰ্ণ কমল অজন কৰে জাহ্নু বৰুৱাৰ 'তৰা' (২০০৪) ছবিখনে। 'দীনবন্ধু' (২০০৪) নামৰ ছবিখনেৰে শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰজত কমল অৰ্জন কৰি মুনীন বৰুৱাৰ দৰে মূল সুঁতিৰ মনোৰঞ্জনধৰ্মী ছবিৰ পথিকৃতে দেখুৱালে যে ইচ্ছা থাকিলে প্ৰথাগত চলচ্চিত্ৰৰ নিৰ্মাতায়ো মননশীল দৃষ্টিৰ ভাষা আয়ত্ত কৰিব পাৰে। (এইক্ষেত্ৰত আন এক দৃষ্টান্ত পূৰ্বে স্থাপন কৰিছিল পুলক গগৈয়ে ১৯৯৩ চনৰ ছবি 'ৰে'লৰ আলিৰ দূবৰি বন'ৰ জৰিয়তে।)

যদি নতুন পৰিচালকৰ আত্মপ্ৰকাশৰ ক্ষেত্ৰত ১৯৯০ৰ দশকটো অতিশয় উজ্জ্বল বুলি বিচাৰ কৰা হয়, তেন্তে ২০১০ৰ দশক অৰ্থাৎ নতুন সহস্ৰাব্দৰ দ্বিতীয় দশকৰ আঠোটা বছৰ অদ্যাপি আন এটা চাঞ্চল্য সৃষ্টিকাৰী কাল বুলি অসমীয়া চলচ্চিত্ৰৰ ইতিহাসত অন্তৰ্ভুক্ত বা চিহ্নিত হ'ব পাৰে। ইয়াৰ কাৰণ হ'ল নতুন, বাস্তৱধৰ্মী, সম্পৰীক্ষামূলক চিনেমাৰ প্ৰতি দৰ্শক সমাজৰ সচৰাচৰ পৰিচিত বিৰাগ আৰু তেনে চলচ্চিত্ৰ প্ৰয়াসৰ প্ৰতি যথোপযুক্ত সময়-সমৰ্থন কৰিব পৰা ৰাজ্যিক চলচ্চিত্ৰ নীতিৰ অভাৱ— অৰ্থাৎ পোনপটীয়াকৈ ক'বলৈ গ'লে দৰ্শকৰ সঁহাৰি আৰু চৰকাৰী পৃষ্ঠপোষকতা দুয়োটাৰে অনুপস্থিতি সত্ত্বেও অসমৰ তৰুণ প্ৰজন্মৰ ছবি নিৰ্মাতাসকল কোনোপধ্যে পিছ হুঁহকি যোৱা নাই, বৰং তেওঁলোকে ন ন পৰীক্ষা-নিৰীক্ষা সাহসেৰে আৰু স্পষ্ট দৃষ্টিকোণেৰে কৰি গৈছে। সেয়েহে দেখা গ'ল যে এদল তৰুণ-তৰুণীৰ

নতুন ছবিয়ে ৰাজ্যখনৰ বৌদ্ধিকমহলৰ অন্তৰ চুই যাবলৈ সক্ষম হৈছে। কেৱল ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা অৰ্জনেই নিশ্চয় চলচ্চিত্ৰৰ কলাগত সফলতাৰ একমাত্ৰ মাপকাঠি নহয়। লগতে বিভিন্ন পৰ্যায়ত চলচ্চিত্ৰই বৌদ্ধিক কলাগত সামাজিক উত্তৰণৰ স্বাক্ষৰ কেনেকৈ বহন কৰিছে সিও বিশেষ বিচাৰ্য হৈ পৰে। এই হিচাপত নতুন চলচ্চিত্ৰ পৰিচালকসকলৰ নান্দনিকবোধ আৰু সামাজিক দায়িত্ববোধৰ শলাগ নলৈ নোৱাৰি। তেওঁলোকে জানি-শুনিয়ে চিনেমাৰ দৰে ব্যয়সাধ্য শিল্প-মাধ্যমত ধন, শ্ৰম আৰু সময় নিয়োগ কৰিও তাৰ পৰা কেৱল ব্যৱসায় কৰিবলৈ আৰু তাৰ লগতে দৰ্শক-শ্ৰোতাক ভালৰি বোলাই গতানুগতিক পণ্য উৎপাদনৰ পথ ল'বলৈ যোৱা নাই। তেওঁলোকে এক ধৰণৰ নীৰৱ বিপ্লৱ সম্পাদন কৰিছে যোৱা শতিকাৰপৰা আজি পৰ্যন্ত সৰ্বাধিক গুৰুত্বপূৰ্ণ শিল্প মাধ্যমৰূপে পৰিচিত চলচ্চিত্ৰৰ জগতখনত তাকো এক সম্পূৰ্ণ আঞ্চলিক জগতত— হলিউড-বলিউডৰ অন্ধ অনুকৰণৰ পথ তেওঁলোকে আৰম্ভণিতে পৰিত্যাগ কৰি অসমৰ আঞ্চলিক চৰিত্ৰ চলচ্চিত্ৰৰ ক্ষেত্ৰতো প্ৰতিভাত কৰাৰ প্ৰয়াস কৰিছে।

এনে কেইখনমান পূৰ্ণ দৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ উদাহৰণ এই প্ৰসংগতে দিয়াটো সমীচীন হ'ব যিকেইখন চমকপ্ৰদভাৱে প্ৰতিজন পৰিচালকৰে প্ৰথম পৰিচালনা। ২০১৪-১৫ বৰ্ষত নিৰ্মিত হেমন্ত কুমাৰ দাসৰ 'অ'থেলো', সুৰয দুৱৰাৰ 'অৰং', ৰীমা বৰাৰ 'বকুল', মঞ্জুল বৰুৱাৰ 'অন্তৰীপ', ভাস্কৰ হাজৰিকাৰ 'কথানদী', ঝুলন কৃষ্ণ মহন্তৰ 'নদী মাথোঁ বয়' যেনেকৈ ভাল ছবি, তেনেকৈ ২০১৬-১৭ বৰ্ষত নিৰ্মিত জয় চেং জয় দহোতীয়াৰ 'হান্দুক', দীপ চৌধুৰীৰ 'আলিফা', কংকন ডেকাৰ 'বিউটিফুল লাইভছ', ধ্ৰুৱ বৰদলৈৰ 'দূৰণিৰ নিৰলা পঁজা', নৱকুমাৰ নাথৰ 'চাকনৈয়া', হিমজ্যোতি তালুকদাৰৰ 'কেলেণ্ডাৰ', উৎপল বৰপূজাৰীৰ 'ঈশ্বু', সঞ্জীৱ দেৱ 'থ্ৰি স্মকিং বেৰেলছ' আদি ভাল ছবিৰ নিদৰ্শন। ইয়াৰে তিনিখন অসমীয়া ভাষাৰ ছবিয়ে আঞ্চলিক শ্ৰেষ্ঠ ছবিৰ ৰজত কমল বঁটা লভিছে। দুখনে ৰাভা আৰু মৰাণ ভাষাৰ নিৰ্মিত অন্যান্য আঞ্চলিক ভাষাৰ ৰজত কমল পাইছে। আন তিনিখন ছবিৰ বাহিৰে বাকী কেইখনে ৰাজ্যিক চলচ্চিত্ৰ প্ৰতিযোগিতাৰ বিভিন্ন শিতানত শ্ৰেষ্ঠতাৰ সন্মান লভিছে আৰু এখনে লাভ কৰিছে স্বৰ্ণ কমল। গৌতম বৰা, সঞ্জীৱ হাজৰিকা, বিদ্যুৎ চক্ৰৱৰ্তীৰ কৃতিত্বৰ সুদীৰ্ঘ দুটা দশকৰ পাছত পৰিচালকৰ প্ৰথম ছবিৰ শিতানত ৰাষ্ট্ৰীয় বঁটা পোৱা ছবিখন হ'ল দীপ চৌধুৰীয়ে বাংলা ভাষাত কৰা 'আলিফা', য'ত অসমৰ চৰবাসী সম্প্ৰদায় আৰু গুৱাহাটীৰ পাহাৰীয়া অঞ্চলত বেদখলকাৰী এচাম লোকৰ সংকটৰ সচৰাচৰ অস্পৃশ্য

বিষয়বস্তু এটা সংবেদনশীল কাব্যিকতাৰে উন্মোচিত হোৱা দেখা গ'ল। পৰিচিত কাহিনী কথনৰ (narrative) ভংগী উলাই কৰা এখন ছবি হ'ল মৰাণ ভাষাত (দোৱান) জয়চেং জয় দহোতীয়াই কৰা 'হান্দুক' যিখনে অসমৰ উগ্ৰপন্থী সংক্ৰান্তীয় বিষয়টো সূক্ষ্ম চলচ্চিত্ৰীয় ব্যঞ্জনাৰে তুলি ধৰাটো ৰাজ্যৰ ভিতৰে-বাহিৰে বিশেষভাৱে চৰ্চিত হৈছে। এইসকল ছবি নিৰ্মাতাই চলচ্চিত্ৰৰ স্বকীয়তা বুজিবলৈ যত্ন কৰিছে আৰু সিয়ে নতুনচাম ছবি নিৰ্মাতাৰ দায়িত্ববোধ সম্পৰ্কে তথ্যবিজ্ঞ আৰু অধ্যয়নশীল দৰ্শক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে।

লক্ষণীয় কথাটো হ'ল বিগত তিনি-চাৰি বছৰৰ ভিতৰত তৰুণ প্ৰজন্মৰ চলচ্চিত্ৰ পৰিচালকসকলে শিল্পৰ ক্ষমতা সম্পৰ্কে সচেতন হৈয়ে মাধ্যমটোত হাত দিছে। তেওঁলোকৰ কেইবাজনে চলচ্চিত্ৰৰ আনুষ্ঠানিক শিক্ষা লাভ কৰিছে, কেইবাজনে জ্যেষ্ঠ পৰিচালকৰ অধীনত পূৰ্বে কাম কৰাৰ অভিজ্ঞতা আৰ্জিছে, কেইজনমানে চিনেমা চাই আৰু অধ্যয়ন কৰি নতুবা চুটি ছবি, তথ্যচিত্ৰ আদি কৰি পোনপ্ৰথমে হাত পকাই লৈছে, পৰিস্থিতিৰ নেতিবাচক দিশবোৰে তেওঁলোকক বিচলিত কৰা নাই, অসমৰ সুকীয়া সামগ্ৰিক বাস্তৱতা সম্পৰ্কে সম্পূৰ্ণ সচেতন হৈয়ে তেওঁলোকে সাহসী পৰীক্ষা-নিৰীক্ষা কৰিব খুজিছে, যাৰ ফলত চলচ্চিত্ৰৰ যে সুকীয়া আঞ্চলিক পৰিচয় থাকিব পাৰে সেই বিষয়েও তেওঁলোকৰ কাম-কাজ আনক আশ্বস্ত কৰাৰ দিশত অগ্ৰসৰ হৈছে। এসময়ত ফ্ৰান্সত, আৰ্জেণ্টিনাত, ইৰাণত, ৰোমানিয়াত এনেদৰে স্বকীয় ভাব-ভাষাৰে সমৃদ্ধ চলচ্চিত্ৰই একোটা নৱ তৰংগৰ সৃষ্টি কৰিছিল। ফৰাচী নৱ তৰংগ (Nouvelle vogue) সৃষ্টিকাৰী ১৬২ জন ছবি নিৰ্মাতাৰ নাম লৈছিল সমালোচক, তাত্ত্বিক, পৰিচালক ফ্ৰাচোঁৱা ট্ৰুফোৱে। জাঁ লুক গডাৰে অৱশ্যে মাত্ৰ পাঁচজনকহে এই নৱ তৰংগৰ মধ্যমণি (Nucleus) বুলি অভিহিত কৰিছিল— য'ত ট্ৰুফো আৰু গডাৰ নিজে থকা বুলি তেওঁ দাবী কৰিছিল। একেদৰে নৱ তৰংগৰ চলচ্চিত্ৰৰ বিভিন্ন লক্ষণ বিচাৰ কৰি অসমত সৃষ্টি হোৱা শেহতীয়া জাগৰণটোৰ মধ্যমণি হিচাপেও হয়তো বিশেষভাৱে কেইজনমানক স্থান দিব পৰা যাব— যদিহে এই জাগৰণ স্থায়ী হয়, ধাৰাবাহিকতা অব্যাহত থাকে আৰু তাক সঁচাকৈ নৱ তৰংগ বুলি বিভূষিত কৰিব পৰা আত্মপ্ৰত্যয় জাগে।

এই প্ৰত্যাশা আৰু বিশ্বাস সদ্যহতে দৃঢ়তৰ কৰিছে ৰিমা দাসৰ দ্বিতীয়খন ছবি 'ভিলেজ ৰকষ্টাৰ্চ'ৰ (২০১৭) যুগান্তকাৰী সাফল্যই। জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়'ৰ সুদীৰ্ঘ তিনি দশকৰ পাছত ছবিখনে শ্ৰেষ্ঠ চলচ্চিত্ৰৰ স্বৰ্ণ কমল

অসমলৈ আনিলে। ততোধিক আনন্দৰ কথা হ'ল ছবিখনে ভাৰতক প্ৰতিনিধিত্ব কৰি সমগ্ৰ পৃথিৱীজুৰি বিভিন্ন মহোৎসৱ তথা প্ৰতিযোগিতাত শ্ৰেষ্ঠতাৰ সন্মান লাভ কৰাটো, যিটো ভাৰতীয় চলচ্চিত্ৰৰ ইতিহাসত ইতিমধ্যে সৰ্বকালৰ অভিলেখ বুলি প্ৰমাণিত হোৱাৰ পথত। সাধাৰণ গঞা জীৱন, শিশু তথা নাৰীৰ সংগ্ৰাম আৰু স্বপ্নৰ নিভাঁজ ছবি দৃশ্যায়িত কৰাত নিষ্ঠা আৰু একক প্ৰচেষ্টাৰ সুফল হিচাপেই ছবিখন সমাদৃত হৈছে। দৃষ্টি আৰু দৰ্শন (vision) থাকিলে অতি কম বাজেটত যে চলচ্চিত্ৰৰ দৰে এটা জটিলতাপূৰ্ণ, সংমিশ্ৰিত কলা-মাধ্যমত যাউতিযুগীয়া আৰু মৌলিক সৃষ্টি সম্ভৱ সেইটো ৰিমা দাসে কৰি দেখুৱাইছে। এনে সাহসিকতা আৰু আপোচহীনতাই অসমৰ চলচ্চিত্ৰক ৮৩ বছৰ পূৰ্বে স্বকীয় গুণেৰে মহত্ত্ব দান কৰিছিল। সেয়া এটা ডাঙৰ বিনিয়োগ আছিল; স্বৰাজোত্তৰ কালতো বিনিয়োগ ডাঙৰ হৈ আহিছে। যাৰ সৰ্বোত্তম ফল আমি পাবলৈ গৈ আছোঁ নেকি, সেয়াই এই সময়ৰ সৰ্বাধিক প্ৰত্যাশাৰ বিষয়। বিদ্যুৎ কটকীৰ 'শৈশৱতে ধেমালিতে' ছবিখনে ইতিমধ্যে বিদেশত বিভিন্ন সন্মান লাভ কৰিছে। গতিকে অসমীয়া ছবিৰ মান আন্তৰ্জাতিক স্তৰত স্বীকৃত হোৱাটো বিক্ষিপ্ত ঘটনা নহয়, বৰঞ্চ এটা ধাৰা হ'বলৈ আগবাঢ়িছে।

**মনোজ বৰপূজাৰী ঃ** ৰাষ্ট্ৰীয় স্বৰ্ণকমল বঁটাপ্ৰাপ্ত বিশিষ্ট চলচ্চিত্ৰ সমালোচক আৰু কবি।

# স্বৰাজোত্তৰ শিল্পকলাৰ ৰেঙনি

মৌচুমী কন্দলী

'আধুনিক', 'পৰম্পৰা-বিচ্যুত', 'দুৰ্বোধ্য', 'বিমূৰ্ত', 'বহুমাত্ৰিক', 'প্ৰতীকী' ইত্যাদি এনে শব্দ কিছুমানৰ স'তে স্বাধীনোত্তৰ কালৰ অসমৰ শিল্পকলাৰ পৰিভাষাটো গভীৰভাৱে সংপৃক্ত হৈ আছে। তাৰ বিপৰীতে— 'স্বকীয়' অথবা 'মৌলিক' এই যুগ্মশব্দ সংপৃক্ত কৰিবলৈ যোৱাৰ ক্ষেত্ৰত অৱধাৰিতভাৱে এক বৌদ্ধিক দ্বন্দ্ব আহি পৰে। পাশ্চাত্যৰ প্ৰেক্ষাপটত কথাটো বেলেগ। কিন্তু অসমৰ বেলিকা (ভাৰতবৰ্ষৰ ক্ষেত্ৰতো) মৌলিকতাৰ প্ৰশ্নটো যথেষ্ট আহুকলীয়া। কাৰণ, অসমীয়া সাহিত্যৰ ক্ষেত্ৰত, স্বাধীনোত্তৰকালীন আধুনিকতাৰ ৰূপটো বহু ক্ষেত্ৰত পাশ্চাত্যাশ্ৰয়ী যদিও সি নিৰৱচ্ছিন্ন ৰূপত বৈ থকা এক বিৱৰ্তিত ৰূপ, য'ত পাশ্চাত্যৰ প্ৰভাৱ সঞ্চাৰী বাগ্‌ধাৰা আৰু genre বোৰে নতুনত্বৰ সাঁচ কঢ়িয়াই আনিলেও ভাৰতীয় উৎস ৰূপটো সম্পূৰ্ণৰূপে নিশ্চিহ্ন হোৱা নাছিল। কিন্তু তাৰ তুলনাত, কলাৰ আধুনিক বা সমকালীন স্বৰূপটো এক সম্পূৰ্ণ বিচ্যুতকৰণৰ প্ৰক্ৰিয়া, য'ত পাশ্চাত্যলব্ধ ধাৰাক অসম তথা ভাৰতৰ ভূমিত প্ৰত্যাৰোপণ কৰা হৈছিল। সাহিত্যৰ সমকালীন ৰূপটোৰ অন্তৰালৰ প্ৰক্ৰিয়াটো হঠাৎ বিচ্যুতিকৰণৰ ৰেডিকেল ৰূপ নহয়। কিন্তু কলাৰ ক্ষেত্ৰত সেয়েই সত্য। শৈলীগত আৰু প্ৰায়োগিক কাৰুকৌশলৰ পৰিপ্ৰেক্ষিতত ই এক পৰম্পৰা-বিচ্যুত অভিনৱ নব্যায়নৰ উন্মেষ। (অথবা উৎক্ষিপ্তকৰণ?) শিল্পভাষাৰে সহজকৈ ক'বলৈ গ'লে কথাটো এনে ধৰণৰ— শ শ বছৰ ধৰি প্ৰচলিত আৰু প্ৰৱাহিত হৈ অহা শিল্পৰ

বাগ্‌ধাৰা হঠাৎ যেন এটি পৰ্যায়ত আমূল ৰূপত পৰিৱৰ্তিত হৈ পৰিল। দ্বিমাত্রিক জগতখন হঠাৎ হৈ পৰিল ত্রিমাত্রিক। দৰ্শকৰ চকুত অত যুগে শ শ বছৰ ধৰি কেৱল কাষৰপৰা এক 'প্ৰফাইল' (Profile) ৰূপত উদ্ভাষিত হোৱা মুখাৱয়ৱবোৰে যেন হঠাৎ মুখবোৰ সম্পূৰ্ণকৈ ঘূৰাই দৰ্শকৰ চকুত চকু থৈ পূৰ্ণ দৃষ্টিপাত কৰিলে। বহুক্ষেত্ৰত মূলতঃ প্ৰাথমিক ৰহণৰে আত্মপ্ৰকাশ কৰা চৌপাশৰ জগতখনে যেন হঠাৎ আৰু কিছু জটিল মিশ্ৰবৰ্ণৰ প্ৰলেপেৰে উন্মোচিত হ'বলৈ ধৰিলে। পাশ্চাত্য ভাষাৰে ক'বলৈ গ'লে 'Shading' অথবা প্ৰাচীন 'চিত্ৰসূত্ৰ'ৰ ভাৰতীয় নন্দনতাত্ত্বিক ভাষাৰে বৰ্ণাবলৈ গ'লে 'বৰ্ণিকাভঙ্গমৰ' ক্ষেত্ৰত যেন নিত্য নতুন সম্পৰীক্ষাৰ পৰশ লাগিল। পৰম্পৰাগত পুথিচিত্ৰ এখনৰ মতে স্বাধীনোত্তৰকালীন আধুনিক কলাৰ চানেকি এটিৰ উপৰিপাতন ঘটালেই কথাটো স্পষ্ট হৈ পৰিব। অৱশ্যে স্বাধীনোত্তৰকালীন এক ৰূপকল্পৰ আৰম্ভণি বিন্দুটো কিন্তু ঔপনিৱেশিক শাসনৰ আৰোহণৰ স'তে সংপৃক্ত। ঊনবিংশ শতিকাৰ শেষৰফালে আৰু বিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাতেই এই ৰেডিকেল বিচ্যুতকৰণৰ প্ৰক্ৰিয়াটোৰ আৰম্ভ ঘটে। স্বাধীনোত্তৰ কালত ই কেৱল চাপে চাপে এক পৰিণত ৰূপলৈ পৰ্যায়ক্ৰমে বিৱৰ্তিত হ'বলৈ ধৰে। স্বাভাৱিকতেই, পাৰম্পৰিক স্থানীয় কলাৰ পথ পৰিহাৰ কৰি বিচ্যুতকৰণৰ চৰম নিদৰ্শন ৰূপে উন্মোচিত হোৱা এই শৈল্পিক বাগ্‌ধাৰাটোৱে স্বাধীনোত্তৰ কালত এক সৰ্বব্যাপী সাৰগ্ৰাহী ৰূপ গ্ৰহণ কৰিলে। ৫০, ৬০ দশকত হেমন্ত মিশ্ৰৰ অধিবাস্তৱবাদী চিত্ৰায়ন আৰু আশুদেৱৰ উত্তৰ মনচ্ছায়াবাদী ৰেওনিৰে কলাই আধুনিকতাবাদী ফৰ্মটোলৈ আগবাঢ়ি একাদিক্ৰমে অন্যান্য ধাৰাসমূহৰো সাৰাৎসাৰ গ্ৰহণ কৰি সময়ৰ সোঁতত ক্ৰমে যোৱা শতিকাৰ শেষৰ ফালে আৰু একবিংশ শতিকাৰ প্ৰথমটো দশকত উত্তৰ আধুনিকতাৰ ফৰ্মেল ৰূপটো (formalism) আঁকোৱালি লোৱা পৰিলক্ষিত হৈছে। কিন্তু এই সকলো ধৰণৰ পাশ্চাত্যমুখী ফৰ্মেলিজমৰ লগতে অৱশ্যে এটি গুৰুত্বপূৰ্ণ দিশ লক্ষ্য কৰা গৈছে। যি হৈছে— 'Indigenism' অৰ্থাৎ ভূমিজ স্বকীয়তাৰে ভৰা পৰম্পৰাগত প্ৰমূল্যৰ আভাস বা প্ৰবাহ। এই প্ৰবাহ ফৰ্মেলিজমৰ আঁৰত বৈ থকা অন্তঃসলিলা ফল্গুৰ দৰে! শোভা ব্ৰহ্মৰ ছবি আৰু ভাস্কৰ্য, নীলপৱন বৰুৱাৰ 'বিষ্ণু' শীৰ্ষক ছবি অথবা বৃন্দাবনী বস্ত্ৰৰ চানেকিৰে প্ৰভাৱান্বিত হৈ অংকন কৰা ম্যুঁৰেলখনৰ পৰা গণেশ গোহাঁইৰ ভাস্কাৰ্যসমূহলৈকে সেই অন্তঃসলিলা ফল্গুৰ স্বীকয়তাৰ প্ৰবাহ সূক্ষ্ম ৰূপত অনুভূত হয়। আনহাতে, ৰূপগত-শৈলীগত-প্ৰমূল্যগত এই ভূমিজ স্বকীয়তাৰ উপাদানটিৰ লগতে এক পৰিপূৰ্ণ ৰাজনৈতিক প্ৰত্যাবৃত্তি আৰু সমাজবস্তুৰ সচেতনতাৰ মেজাজো আন এক গুৰুত্বপূৰ্ণ

পৰিলক্ষণ। কিন্তু এই সকলোখিনি অনুধাৱন কৰিবৰ বাবে, অসমৰ কলা ইতিহাসৰ এক সমীক্ষাত্মক অধ্যয়নৰ লগতে (ঊনবিংশ শতিকাৰ শেষৰপৰা একবিংশ শতিকালৈ), এই গোটেই বাগ্‌ধাৰাটিৰ পৰিভাষাগত 'premise' টোৰ তাৎপৰ্যক বুজি পাব লাগিব। আৰু কলাৰ পৰিভাষাগত এই প্ৰিমাইছটো হৈছে আধুনিকতা অথবা আধুনিকতাবাদী কলাৰ। এই ক্ষেত্ৰত আমি আমাৰ ইতিপূৰ্বে প্ৰকাশিত এখনি গৱেষণামূলক গ্ৰন্থ 'অসমৰ আধুনিক শিল্পকলা (Black and white publisher, Baroda, 2011) ৰ প্ৰথমটো প্ৰবন্ধৰ 'সঠিক অৱলোকনটি'ৰ সহায় ল'ব লাগিব। তাৰেই আধাৰত আমি প্ৰশ্ন কৰিব পাৰোঁ।

আধুনিক অথবা আধুনিকতাবাদৰ সংজ্ঞা কি? আধুনিকতাৰ পৰিধিয়ে কোনবোৰ ক্ষেত্ৰ সামৰি লয়? ই স্থান-কাল নিৰ্ভৰ নে কালনিৰপেক্ষ? সমাজ-জীৱনৰ বিভিন্ন ক্ষেত্ৰ, যেনে— ৰাজনীতি-সমাজনীতি-অৰ্থনীতি-কলা-সাহিত্য-দৰ্শন-বিজ্ঞান আদিৰ বেলিকা তাৰ তাৎপৰ্য অৰ্থ-অনৰ্থ ভিন্ন নে একক বা সমৰূপাত্মক? 'আধুনিক' অথবা 'আধুনিকতাবাদ' সম্পৰ্কে এনেধৰণৰ অজস্ৰ বৌদ্ধিক বিবাদ, কলাৰ প্ৰসঙ্গত আৰু দ্বন্দ্বাত্মক চিন্তাৰ পৰিমণ্ডলত উত্থাপিত হৈ আহিছে। এই সকলোবোৰ প্ৰশ্নৰ অনুধাৱন তথা বিভিন্ন তত্ত্ব আৰু শিল্পদৰ্শনৰ পৰিপ্ৰেক্ষিতত সিবিলাকৰ বিশ্লেষণ এই প্ৰবন্ধৰ পৰিসৰত সম্ভৱ নহয় যদিও দুটামান কথা এই প্ৰসঙ্গতে আমি মনত ৰখা সমীচীন হ'ব। প্ৰথম কথা, আধুনিকতাৰ স্বৰূপ সদায়ে একৰূপাত্মক (homogeneous) নহয় আৰু দ্বিতীয়তে, স্থান-কাল-প্ৰসঙ্গ অনুপাতে ভিন ভিন পৰিস্থিতিত তাৰ চৰিত্ৰ বহুৰূপাত্মক (heterogenous) হোৱাৰ বাবেই আধুনিকতাৰ স্বৰূপ কালনিৰপেক্ষ নহয় বুলিব লাগিব। উদাহৰণস্বৰূপে, পাশ্চাত্য কলাত আধুনিকতাৰ ৰূপ আৰু প্ৰাচ্যচেতনাত প্ৰসাৰিত আধুনিকতাৰ স্বৰূপ কিছু পৰিমাণে হ'লেও ভিন্ন। সেইদৰে বিভিন্ন প্ৰেক্ষিতত আধুনিকতাৰ সংজ্ঞাও ভিন্ন। অৱশ্যে কলাৰ ক্ষেত্ৰত আধুনিকতাবাদী চিন্তা বুলিলে সাধাৰণতে দুটিমান বিশেষ লক্ষণৰ কথা বুজা যায়। কলাৰ 'মৌলিকত্ব' (originality), শিল্পীসত্তাৰ 'স্বায়ত্ততা' (autonomy) আদি হৈছে এনে দুটিমান সাধাৰণ লক্ষণ।

১) এই দাৰ্শনিক দৃষ্টি অনুসৰি আধুনিকতাবাদীৰ কলা হৈছে শিল্পীসকলৰ সৃজনীশীলতা আৰু ব্যক্তিস্বতন্ত্ৰতাৰ এক স্বাধীন আৰু স্বয়ংসম্পূৰ্ণ প্ৰকাশ।

২) কিন্তু পৰম্পৰাবিৰোধী এটি বাগ্‌ধাৰাৰূপেও আধুনিকতাক চিহ্নিত কৰা হয়। এইক্ষেত্ৰত, আধুনিকতা মানে নতুনত্বৰ বাৰ্তাবাহী এক বৈপ্লৱিক চিন্তাপ্ৰবাহ আৰু সম্পৰীক্ষা। এতিয়া স্বাভাৱিকতে প্ৰশ্ন হয়, অসমৰ ক্ষেত্ৰত আধুনিকতাৰ কোনটো অৰ্থ

অধিক প্ৰযোজ্য? আৰু সেই আধুনিক কলাৰ স্বৰূপ পাশ্চাত্য কলাৰ স'তে সম্পূৰ্ণ একেনে? আমাৰ বোধেৰে, অসমৰ আধুনিকতাৰ সংজ্ঞাই পৰম্পৰাৰ বিপৰীতে উন্মেষ হোৱা এক নতুন কলাপ্ৰবাহৰ বাগ্‌ধাৰাক সামৰি লয়। পাশ্চাত্যৰ আধুনিকৰ তুলনাত তাৰ স্বৰূপ কিছু ভিন্ন। পাশ্চাত্য জগতত কলাৰ আধুনিকতাবাদী চিন্তাই পোখা মেলিছিল গুটিৰপৰা গজালি ওলোৱাৰ দৰে এক সহজ স্বাভাৱিক প্ৰক্ৰিয়াৰে। কিন্তু ভাৰত তথা অসমৰ পৰিপ্ৰেক্ষিতত আধুনিকতা হৈছে এক প্ৰত্যাৰোপণৰ দৰে। পাশ্চাত্যধৰ্মী আধুনিক কলা ভাৰত তথা অসমৰ ভূমিত প্ৰত্যাৰোপিত হৈছিল ঔপনিৱেশিক শাসনৰ ফলস্বৰূপে। ব্ৰিটিছ্ শাসনে ভাৰতৰ সমাজজীৱন-ৰাজনীতি-অৰ্থনীতি-সংস্কৃতি-সাহিত্য আদিলৈ কঢ়িয়াই অনা অভূতপূৰ্ব পৰিৱৰ্তনৰ ঢৌৱে কলাৰ পৰিমণ্ডলকো স্পৰ্শ কৰি গৈছিল। ঔপনিৱেশিক শিক্ষানীতিৰে ভাৰতত স্থাপন কৰা হৈছিল কেতবোৰ আৰ্ট স্কুল, য'ত প্ৰশাসনীয় কাম-কাজত সহায়ৰ বাবে কেতবোৰ ড্ৰাফট্‌ছমেন অথবা ব্যাখ্যাচিত্ৰকাৰ সৃষ্টিৰ পৰিকল্পনা কৰা হৈছিল। সেই আৰ্টস্কুলসমূহত প্ৰচলন কৰা 'ব্ৰিটিছ একাডেমিক ৰিয়েলিজম' অথবা ইউৰোপীয় কলাৰ যথাৰ্থবাদী চিত্ৰায়ণ পদ্ধতিৰ প্ৰশিক্ষণৰ মাজেৰে ভাৰতীয় পৰম্পৰাগত চিত্ৰশৈলীৰ পৰিৱৰ্তে এক নতুন শিল্পশৈলীৰ উন্মেষ ঘটে আৰু এনেদৰেই ১৯ শতিকাৰ শেষাৰ্ধত আৰম্ভ হয় ভাৰতীয় আধুনিক কলাৰ এক নতুন যুগৰ। পৰিৱৰ্তনৰ এই প্ৰবাহ অসমলৈয়ো সম্প্ৰসাৰিত হয়। আৰু যি অৰ্থত আধুনিকতাবাদী কলাই শিল্পসত্তাৰ স্বতন্ত্ৰতা আৰু 'Genius' লগতে 'মৌলিকত্ব'ৰ সন্ধান কৰে, তাৰো সূচনা হয় কিছু বছৰৰ ব্যৱধানত। ভাৰতীয় শিল্পীসকলৰ পাশ্চাত্যধৰ্মী চিন্তাৰ মাজেৰেই এই সন্ধানে এক বৈচিত্ৰ্যময় ৰূপ পৰিগ্ৰহ কৰে। গতিকে, অসমৰ বেলিকাও আধুনিক শিল্পকলাৰ অগ্ৰগতিৰ স্বৰূপটো হৈছে নতুনত্ব-সন্ধানী আৰু পৰম্পৰা-বিচ্যুত এক কলাপ্ৰবাহ।

ইংৰাজৰ আগমনৰ সময়লৈকে বৰ্তি থকা অসমৰ পুথিচিত্ৰ তথা চিত্ৰকলাৰ পৰম্পৰাটি ইংৰাজ প্ৰৱৰ্তিত ধ্যান-ধাৰণাৰ প্ৰচ্ছায়াত ধীৰে ধীৰে অন্তিম পৰিণতিৰ পিনে আগবাঢ়িছিল। পুথিচিত্ৰৰ ধাৰাটিয়ে নিজকে আধুনিক কলালৈ ৰূপান্তৰিত কৰাত ব্যৰ্থতা, ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ ফলত ক্ষমতাহীন হৈ পৰা ৰজাঘৰ আৰু সত্ৰসমূহে শিল্পীসকলক অৰ্থনৈতিক পৃষ্ঠপোষকতা দিয়াবলৈ অসমৰ্থ হোৱা আদিয়েই ইয়াৰ কাৰণ। অৱশ্যে ইংৰাজ-শাসনৰ ফল হিচাপে প্ৰচলন হোৱা পশ্চিমীয়া আৰ্হিৰ শিক্ষা ব্যৱস্থাই এচাম নতুন শিক্ষিতৰ জন্ম দিছিল— সেইবোৰৰ মাজতেই আছিল অসমৰ আধুনিক কলাৰ পুৰ্বসূৰীকেইজন। অসম প্ৰাদেশিক কংগ্ৰেছৰ জন্মৰ সময়ৰপৰাই ভাৰতৰ আন আন ঠাইৰ স'তে অসমৰ অধিক সংযোগ ঘটে। কলকাতা, বেনাৰস আদি ঠাইত শিক্ষা

গ্ৰহণ কৰাৰ সময়ত কিছুসংখ্যক অসমীয়াই সাহিত্য-কলা-সংস্কৃতিমূলক অনুষ্ঠান গঠন কৰে। কিন্তু তথাপি অসমত শিল্প-চৰ্চাৰ অনুকূল পৰিৱেশ আৰু শিল্প আন্দোলন গঢ় লৈ উঠা নাছিল। আনকি ১৮৭২ চনতেই গংগাগোবিন্দ ফুকনৰ নেতৃত্বত গঠিত অসমীয়া সাহিত্য সভা নামৰ অনুষ্ঠানটো অসমীয়া লোকৰ মাজতেই সীমাবদ্ধ হৈ থকাৰ বাবেই তৎকালীন ভাৰতীয় কলা সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সম্ভেদ অসমক দিব পৰা নাছিল। ১৮৮৮ চনত কলকাতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হৈছিল— এইটো আছিল অসমীয়া সাহিত্যৰ এক ঐতিহাসিক ক্ষণ। এনেদৰে আধুনিক চিন্তা-চেতনাৰ আৰম্ভণি হোৱা সত্ত্বেও অসমীয়া সাংস্কৃতিক জগতখনত একমাত্ৰিক সাহিত্যকেন্দ্ৰিক চিন্তা-চৰ্চাৰ কাৰণ আছিল অসমৰ তৎকালীন সামাজিক পৰিৱেশ। অসমীয়া জনসাধাৰণৰ মনত ভাষাকেন্দ্ৰিক আৱেগৰ জন্ম হৈছিল ইংৰাজ চৰকাৰে অসমীয়াৰ ঠাইত বঙলা ভাষা প্ৰৱৰ্তন কৰাৰ ফলত। ভাষা-সাহিত্যই সংস্কৃতিৰ একমাত্ৰ উপাদানৰূপে পৰিগণিত হোৱা হেতুকে আন উপাদানসমূহ প্ৰায় উপেক্ষিত হৈ আছিল। ১৯২৯ চনত 'আৱাহন'ৰ প্ৰকাশ তথা তাৰ ঠিক আগেয়ে চাৰিগৰাকী শিল্পীয়ে কলকাতাত শিক্ষা লাভ কৰি অসমত শিল্প-চৰ্চা আৰম্ভ কৰাৰ পাছৰেপৰাই এই একমাত্ৰিকতাৰ কিঞ্চিৎ পৰিৱৰ্তন ঘটে। সমসাময়িক ভাৰতীয় চিত্ৰকৰৰ লগতে অসমীয়া চিত্ৰকৰসকলৰো কৰ্ম, চিত্ৰকলাৰ আধুনিক তত্ত্ব, দৰ্শন আদিৰ সৈতে অসমীয়া পাঠকক পোন প্ৰথমে পৰিচয় কৰোৱায় আৱাহনে। এই আলোচনীতেই সৰ্বেশ্বৰ কটকীয়ে অসমৰ পুৰণি চিত্ৰ সম্বন্ধে প্ৰবন্ধ লিখি স্বকীয় কলা-পৰম্পৰাৰ সম্পৰ্কে গৱেষণাৰ বাট মুকলি কৰিছিল। তেওঁৰ উপৰি সেই সময়ৰ আন এগৰাকী শিল্পকলা অনুৰাগী অনন্য সংস্কৃতিপ্ৰাণ ব্যক্তি আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ। প্ৰকৃততে আৱাহনৰ প্ৰকাশেই যেন অসমৰ আধুনিক কলাৰ যুগটিৰ উন্মেষ ঘটালে। এই যুগৰ শিল্পীসকল আছিল অসমীয়া শিল্পকলাৰ ক্ষেত্ৰত আধুনিকতাৰ বাৰ্তাবাহী। এক অৰ্থত, বিংশ শতিকতাৰ তৃতীয় দশকতে আধুনিক চিত্ৰকলাৰ সূত্ৰপাত হয়। বিশিষ্ট কবি তথা কলা-সমালোচক নীলমণি ফুকনে পোনপ্ৰথমবাৰৰ বাবে এই বিষয়ে তেওঁৰ *ৰূপ-বৰ্ণ-বাক* গ্ৰন্থখনিত এক বিশেষ আলোচনা কৰি গৱেষণাৰ বাট মুকলি কৰে।

তৃতীয়, চতুৰ্থ আৰু পঞ্চম দশকৰ আগভাগত আত্মপ্ৰকাশ কৰা চিত্ৰকৰসকল হৈছে মুক্তনাথ বৰদলৈ, প্ৰতাপ বৰুৱা, সুৰেন বৰদলৈ, জগৎ সিং কছাৰী, ৰত্নেশ্বৰ বৰুৱা, চিত্ৰসেন বৰুৱা, প্ৰজ্ঞা দাস, পিয়াৰী মোহন চৌধুৰী, তৰুণ দুৱৰা, জীৱেশ্বৰ বৰুৱা, হেমচন্দ্ৰ বৰুৱা, চিত্তৰঞ্জন বৰুৱা, প্ৰকাশ বৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা, যুগল দাস, শশীধৰ শইকীয়া, গজেন বৰুৱা, আশুদেৱ আৰু হেমন্ত মিশ্ৰ। এই চিত্ৰকৰসকলৰ অধিকাংশই আছিল

স্বশিক্ষিত। অৰ্থাভাৱৰ বাবেই কলকাতাৰ আৰ্ট স্কুলত ভৰ্তি হৈয়ো পাঠ্যক্ৰম সমাপ্ত নকৰাকৈ কেইবাজনো উলটি আহিছিল। কলকাতাৰ আৰ্ট স্কুলত শিল্পশিক্ষা লোৱা প্ৰথম চাৰিজন অসমীয়া আছিল মুক্তানাথ বৰদলৈ, সুৰেন বৰদলৈ, জগৎ সিং কছাৰী আৰু প্ৰতাপ বৰুৱা। উল্লেখযোগ্য যে যদিও সেই সময়ত 'বেংগল স্কুল' ভাৰতৰ আটাইতকৈ প্ৰভাৱশালী ধাৰা আছিল, তথাপি প্ৰতাপ বৰুৱা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দুখনমান ছবিৰ বাহিৰে অন্য কাৰো ছবিত সেই ধাৰাৰ প্ৰভাৱ পৰিস্ফুট হোৱা নাছিল; বৰঞ্চ এই চিত্ৰকৰ কেইজনৰ ছবিসমূহত ৰমণ্যাসধৰ্মী চিন্তাৰে নিষিক্ত ব্ৰিটিছ একাডেমিক বাস্তৱবাদৰহে প্ৰতিফলন ঘটিছিল। অৱশ্যে পৰৱৰ্তীকালৰ শিল্পী হেমাংগিনী বৰদলৈৰ কিছু ছবি আৰু মাধৱ বৈশ্যৰ সমগ্ৰ কৰ্মত বেংগল স্কুলৰ প্ৰভাৱ স্পষ্ট। বলিষ্ঠ ড্ৰয়িঙেৰে এহাতে বিশেষভাৱে গুণী শিল্পী জগৎ সিং কছাৰীৰ 'জাকৈয়া ছোৱালী', মুক্তানাথ বৰদলৈৰ 'কানিখোলা'ৰ অপূৰ্ব বৰ্ণায়ন, ছাঁ-পোহৰৰ খেল আৰু বৰ্ণপ্ৰকাশ; প্ৰতাপ বৰুৱাৰ 'আপেল'বোৰৰ বিষয়বস্তুৰ অভিনৱত্ব আৰু বৰ্ণময় স্তৰবিন্যাসৰ আশ্চৰ্যকৰ চমকেৰেই অসমীয়া শিল্পকলাৰ আধুনিকতাই পোখা মেলিছিল। কবি, চিত্ৰসমালোচক নীলমণি ফুকনৰ ভাষাত— 'বৰুৱাৰ আপেলবোৰেই প্ৰথম অসমীয়া স্থিৰচিত্ৰ। বিষয়ৰ অভিনৱত্ব, অংকন-প্ৰকৰণ, সজ্জা-বিন্যাস, শিল্পীৰ নান্দনিকবোধৰ দিশত ১৯৩০ চনতে আঁকা এই চিত্ৰখনে আজিৰ যিকোনো অসমীয়া দৰ্শককে চমক খুৱাব পাৰে। ১৯৩০ চনত স্থিৰচিত্ৰ আঁকা আন ভাৰতীয় চিত্ৰকৰো বোধহয় বেছি নোলাব।' স্থানীয় জনজীৱনৰ বিষয়বস্তুৰ সাৰ্থক শৈল্পিক সুষমা লাভ কৰা আন এখন ছবি হৈছে তৰুণ দুৱৰাৰ 'অসমীয়া শিপিনী'। ত্ৰিছৰ দশকত গগনেন্দ্ৰনাথ, ৰবীন্দ্ৰনাথ; বিশেষকৈ গগঁাৰ প্ৰভাৱযুক্ত অমৃতা শ্বেৰগীলৰ ছবিয়ে ভাৰতৰ চিত্ৰকলালৈ আধুনিকতাৰ সোঁত বোৱাই আনে। চল্লিছৰ দশকত 'বম্বেপ্ৰগেছিভ আৰ্টগ্ৰুপ', 'কলকাতা প্ৰগ্ৰেছিভ' আদি প্ৰতিষ্ঠানৰ দ্বাৰা শৈলজ মুখাৰ্জী, হুছেইন, ৰাজা, চুজা আদি শিল্পীয়ে ভাৰতীয় আধুনিকতাক বহু দূৰ আগবঢ়াই লৈ গৈছিল। অথচ ত্ৰিছৰ দশকতেই উন্মেষ হোৱা অসমীয়া চিত্ৰকলা যেন পঞ্চাছৰ দশকলৈকে স্থবিৰ ৰূপতেই থাকে। ত্ৰিছ-চল্লিছৰ দশকত অসমীয়া চিত্ৰশিল্পীৰ কৰ্মত ইউৰোপীয় ৰেণেছাঁৰ প্ৰভাৱহে পৰিলক্ষিত হৈছিল। সমসাময়িক ইউৰোপত প্ৰচলিত পাশ্চাত্য আদৰ্শৰ আধুনিক ধাৰাসমূহৰ কোনো সম্ভেদ পোৱাৰ সুযোগ অসমীয়া চিত্ৰশিল্পীসকলৰ নহ'ল। ১৯৪৭ চনত জীৱেশ্বৰ বৰুৱাৰ অদম্য উৎসাহ আৰু আশাশুধীয়া প্ৰচেষ্টাত গুৱাহাটীত 'আৰ্ট স্কুল' এখনৰ প্ৰতিষ্ঠা হয় যদিও ৰেণেছাঁ আদৰ্শধৰ্মী তৎকালীন অসমৰ শিল্পকলাত কোনো নতুন পৰীক্ষা-নিৰীক্ষা পৰিলক্ষিত নহ'ল। দৰাচলতে সেই সময়ৰ বেছিভাগ শিল্পীৰ কৰ্মই শিল্পলৈ ৰূপান্তৰিত

হোৱা নাছিল। ছাত্ৰৰ অনুশীলনৰ স্তৰতে বৈ যোৱা বেছিভাগ কৰ্মত অভিজ্ঞান, চাক্ষুস চেতনা, শিল্পভাবনা আৰু অন্তৰ্দৃষ্টিসম্পন্ন কলাত্মবোধ আৰু সংবেদনাৰ অভাৱ পৰিলক্ষিত হৈছিল। তেওঁলোকৰ সীমিত আকাংক্ষা আৰু স্বপ্নক হয়তো সেই সময়ৰ সামাজিক-সাংস্কৃতিক পৰিৱেশৰ জড়তাই নিষ্ক্ৰিয় কৰি পেলাইছিল। অৱশেষত, পঞ্চাছ-ষাঠিৰ দশকত অসমৰ কলাজগতত প্ৰৱেশ কৰা কেইজনমান শিল্পীৰ বাবেই ৰেণেছাঁধৰ্মী চিত্ৰায়ণৰ অন্ত পৰে। ত্ৰিমাত্ৰিক পৰিপ্ৰেক্ষিতৰ উলংঘন, ছবিৰ কাহিনীধৰ্মিতা বা story বিসৰ্জন, ছবিৰ বৰ্ণায়ন আৰু আৱয়বিক উপস্থাপনত নতুনত্ব, ফিগাৰৰ distortion বা বিকৃতকৰণ আদি নানা পৰীক্ষা-নিৰীক্ষাৰে কলাৰ ৰুচি তথা স্বৰূপকেই পৰিৱৰ্তন কৰা এই শিল্পীসকলে পৰৱৰ্তী প্ৰজন্মৰ বাবে এক আদৰ্শৰ সৃষ্টি কৰি থৈছে। পশ্চিমীয়া আধুনিক চিত্ৰকলাৰ প্ৰভাৱত উজলি উঠা এনে প্ৰথমজন চিত্ৰশিল্পী হৈছে আশু দেৱ। তেওঁৰ ছবিৰ আংগিক আৰু ৰচনা-বিন্যাসৰ আটাইতকৈ লক্ষণীয় হৈছে ৰঙৰ অজস্ৰ বিন্দুৰে ছবিৰ ৰূপকল্প নিৰ্মাণ। এনে শৈলীয়ে 'পইণ্টিলিজম'ৰ হোতা চ্যুৰাঁলৈ মনত পেলায়— নতুবা ব্ৰাছৰ আগেয়ে বিভিন্ন 'পিগ্‌মেণ্ট'ৰ সহায়ত সৃষ্টি কৰা গ্ৰীক মজেইক নিৰ্মাতাসকলৰ কৰ্মলৈ। (অৱশ্যে চ্যুৰাঁৰ স'তে তেওঁৰ সাদৃশ্য কেৱল ৰঙৰ প্ৰয়োগৰ ক্ষেত্ৰহে।) সেই সময়তেই অধিবাস্তৱবাদী ধাৰাক অসমৰ কলাজগতলৈ কঢ়িয়াই অনা প্ৰথমগৰাকী শিল্পী হৈছে হেমন্ত মিশ্ৰ। দৃশ্যকল্পই চালভাদৰ দালিৰ ৰূপকল্পবয়নলৈ সততে মনত পেলাই দিয়া হেমন্ত মিশ্ৰৰ ছবিত অৱশ্যে প্ৰতীকবাদৰো ছাঁ দেখা যায়। অৱচেতনত প্ৰোথিত হৈ থকা স্বপ্ন-স্মৃতি, ফেণ্টাচি, চেতন-অৱচেতনৰ ছঁয়ামময়া দৃশ্যসত্যৰে তেওঁৰ ছবিৰ জগতখন ৰহস্যময়। কল্পনাশ্ৰয়ী, মুক্ত অভিব্যক্তিৰে প্ৰোজ্জ্বল তেনেবোৰ পৰাবাস্তৱবাদী দৃশ্যজগতত একো একোটা মুড, অনুভূতি আৰু প্ৰগাঢ় আৱেগৰ চিত্ৰজ কল্পৰূপ ভাহি উঠে— য'ত উদ্ভাসিত হয় এক বিষাদঘন কাব্যিকতা।

১৯৫৮ চনত নতুন দিল্লীৰ ললিত কলা একাডেমীৰ চতুৰ্থ সৰ্বভাৰতীয় কলা প্ৰদৰ্শনীখন গুৱাহাটীৰ আমবাৰীত অনুষ্ঠিত হয়। শিল্পৰসিকৰ লগতে সাধাৰণ দৰ্শকৰ এয়াই আছিল সৰ্বভাৰতীয় শিল্পকলাৰ স'তে প্ৰথম মুখামুখি। আৰ্ট এণ্ড ক্ৰাফ্‌ট স্কুল, অসম ললিত কলা একাডেমী, Assam Progressive Writers' and Artists' Association, Assam Academy for Cultural Relations আদি সন্থাৰ উদ্যোগত কেইবালানিও কলা প্ৰদৰ্শনী অনুষ্ঠিত হ'বলৈ ধৰাত অসমৰ কলাজগতৰ স্নায়ুত এক ক্ষীণ চমকনি আৰু তেজৰ সোঁত ব'বলৈ ধৰে। ইতিমধ্যে 'শান্তি নিকেতন'ৰ কলাভৱন, মুম্বাইৰ Sir J.J. School of Arts, বৰোদা, লক্ষ্ণৌ, পাটনা আদি দেশৰ বিভিন্ন কলা

প্ৰতিষ্ঠানত শিক্ষা লাভ কৰা এদল শিল্পীয়ে অসমৰ কলাজগতত আত্মপ্ৰকাশ কৰে। সৃজনশীল প্ৰতিভা, গভীৰ চাক্ষুস সংবেদনা, প্ৰকৰণ কুশলতা আৰু কল্পনাৰ তীব্ৰতাৰ লগতে প্ৰাচ্য-পাশ্চাত্যৰ শিল্প-চেতনাৰে পৰিপুষ্ট এইচাম তৰুণ তজবজীয়া চিত্ৰকৰ তথা ভাস্কৰ্য শিল্পীয়ে শিক্ষা গ্ৰহণৰ পাছত অসমলৈ উভতি আহি এক শৈল্পিক পৰিৱেশ ৰচনাত মনোনিৱেশ কৰিছিল। এই দিশৰপৰা চাবলৈ গ'লে বিংশ শতিকাৰ নাতিদীৰ্ঘ অসমৰ আধুনিক কলা ইতিহাসত সবাতোকৈ গুৰুত্বপূৰ্ণ কাল হয়তো এই সত্তৰৰ দশকটোৱেই। বিদ্যায়তনিক জ্ঞানেৰে আত্মবিশ্বাসী সেই শিল্পীসকল আছিল প্ৰসেনজিৎ দুৱৰা, হেমাংগিনী বৰদলৈ, শোভা ব্ৰহ্মা, বেণু মিশ্ৰ, প্ৰণৱ বৰুৱা, নীলপৱন বৰুৱা, কন্দৰ্প শৰ্মা, মাধৱ বৈশ্য, গৌৰী বৰ্মন, পুলক গগৈ আদি। ইয়াৰ ভিতৰত প্ৰসেনজিৎ দুৱৰা, শোভা ব্ৰহ্মা, মাধৱ বৈশ্য, হেমাংগিনী বৰদলৈ আৰু প্ৰণৱ বৰুৱাৰ পৰলোকপ্ৰাপ্তি ঘটিছে, কিন্তু আন আটাইকেইজন শিল্পীয়ে সক্ৰিয়ভাৱে শিল্প এষণাত নিমগ্ন হৈ আছে। এইদল শিল্পীৰ অগ্ৰণী হৈছে শোভা ব্ৰহ্মা। পৰম্পৰা আৰু আধুনিকতাৰ উপাদানেৰে সমৃদ্ধ শোভা ব্ৰহ্মাৰ শিল্পত অন্তৰ্লীন এক লোককলাত্মক ভাবময়তাৰ গভীৰ আৱেগিক শক্তি অনুভূত হয়। ভাৰতীয় আধুনিক কলাৰ অৱয়বধৰ্মী ধাৰাৰ এজন অন্যতম অংশীদাৰ শোভা ব্ৰহ্মাৰ শিল্পকৰ্ম শিল্পীৰ নিজস্ব সামাজিক-সাংস্কৃতিক-জনগোষ্ঠীগত প্ৰেক্ষাপটৰ সৈতে নিবিড়ভাৱে জড়িত। ভাৰতীয় দৰ্শন-পৰম্পৰা প্ৰতীতি আৰু জনজাতীয় বিশ্বাস-পুৰাণকল্প বীক্ষণৰ এক বিস্তাৰিত পৰিধিৰপৰা উদ্বুদ্ধ তেওঁৰ শিল্প-চৰ্চাই আকৌ সমান্তৰালভাৱে পাশ্চাত্যৰ বিভিন্ন আধুনিক শিল্প আন্দোলনবোৰৰপৰাও শিল্প ৰস আহৰণ কৰিছে। দৰাচলতে ভাৰতীয় কলাৰ আধুনিকতাবাদী চৰিত্ৰটোৰ যি সংশ্লেষাত্মক ৰূপ— শোভা ব্ৰহ্মা তাৰেই এক অংশীদাৰ।

শোভা ব্ৰহ্মাৰ সমসাময়িক আন এক শিল্পী বেণু মিশ্ৰৰ শিল্প চেতনাত ফুটি উঠে সংবেদনা আৰু বৌদ্ধিক মননশীলতাৰ ভাৰসাম্য। তেওঁৰ শিল্পকৰ্ম সমাজ-ইতিহাস-পৰম্পৰা-কলা-সংস্কৃতিৰ বিষয়ে সম্যক ধাৰণা তথা একধৰণৰ ৰাজনৈতিক প্ৰত্যাবৃত্তিৰে (Political Reflexivity) পৰিপূৰ্ণ। অসমৰ আধুনিক কলাৰ বিকাশ আৰু বিৱৰ্তনত তেওঁৰ বিশেষ ভূমিকা আছে। ভাৰতীয় চিত্ৰপৰম্পৰা, লোক-সংস্কৃতিৰ উপাদানৰপৰা আৰম্ভ কৰি পাশ্চাত্যৰ প্ৰতীকবাদী অথবা অধিবাস্তৱবাদী চিন্তাৰ সংশ্লেষিত চৰিত্ৰ তেওঁৰ শিল্পকৰ্মত ফুটি উঠে। গৌৰীপুৰৰ কুঁহিলা-পুতলা শিল্পই হওক অথবা মাইকেল এঞ্জেল'ৰ সাৱলীল অংকন, ভেন গঘৰ অভিব্যক্তিবাদী অভিঘাত অথবা টাৰ্ণাৰ হুইচ্ছালৰৰ picturesque বৰ্ণচ্ছায়া— এই সকলোবোৰ উপাদানক তেওঁৰ সৃষ্টিয়ে সামৰি লৈছে। কেনভাছৰ লগতে বেটুপাত সংৰচনা, ইলাষ্ট্ৰেশ্যন, স্কেচ আদি কলাক্ষেত্ৰতো তেওঁৰ স্বকীয়

প্ৰতিভা পৰিস্ফুট হৈছে। উল্লেখযোগ্য যে বেটুপাত সংৰচনাৰ ক্ষেত্ৰত অসমত এক নতুন ধাৰা প্ৰৱৰ্তন কৰি বৈপ্লৱিক পৰিৱৰ্তন অনা শিল্পীগৰাকীয়েই হৈছে বেণু মিশ্ৰ। এই চামৰ আন এগৰাকী শিল্পী নীলপৱন বৰুৱাৰ কৰ্মত ভাবগত-ৰূপগত-শৈলীগত পৰীক্ষা-নিৰীক্ষাৰ এক ক্ৰমবিৱৰ্তন পৰিলক্ষিত হয়। আধুনিক, আদিম আৰু লোক-কলাৰ নিবিড় সংশ্লেষণেৰে নিৰ্মিত তেওঁৰ চিত্ৰভাষা স্বদেশ-চেতনাৰে সমৃদ্ধ ছবিৰ সৰলীকৃত ৰূপকল্প, ইমেজৰ নতুনত্ব তথা অভিব্যক্তিৰ বৈচিত্ৰ্য তেওঁৰ ছবিৰ লক্ষণ। তেওঁৰ শিল্পসাধনাৰ আটাইতকৈ উল্লেখনীয় বৈশিষ্ট্য এই যে পশ্চিমীয়া আধুনিকতাৰ মৰ্ম অনুধাৱন কৰিও তেওঁ একান্ত স্বকীয় ঐতিহ্য চেতনাৰে শিল্পসৃষ্টিক নিষিক্ত কৰে। শিল্পী নীলপৱন বৰুৱাৰ শিল্পকৰ্ম সততে অন্তঃপ্ৰজ্ঞাৰ এক স্বতঃস্ফূৰ্ত প্ৰকাশ। তেওঁৰ সৃষ্টিসমূহ দেখিলে ভাব হয়, সেয়া যেন একো একোটা impulsive ভাবাৱেগৰ তাৎক্ষণিক অভিঘাত— যাৰ দ্বাৰা সৃষ্ট একোটা ছন্দোময় সংৰচনা, একোটা ইমেজ-ৰূপকল্প, অথবা কোনো এক অৱয়বধৰ্মী/ বিমূৰ্ত/ অভিব্যক্তিবাদী/ আধিবাস্তৱিক কথকতা। সত্তৰ দশকৰ আন এক উল্লেখযোগ্য শিল্পী হৈছে স্বৰ্গীয় প্ৰণৱ বৰুৱা। নগাঁৱত 'কল্লোল' নামৰ কলা প্ৰতিষ্ঠান এটি প্ৰতিষ্ঠাৰে শিল্প-সংস্কৃতিৰ এক সুন্দৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াত শিল্পীগৰাকীৰ কৰ্মত ফিগাৰেটিভ চিত্ৰ সংৰচনাত শৰীৰ গঠনৰ আৱেদন আৰু মুখজ অভিব্যক্তিৰ এক বিশেষ স্বকীয়তা ফুটি উঠে। প্ৰতিকৃতি অংকনত সিদ্ধহস্ত এই শিল্পীৰ নৰ-নাৰীসমূহৰ মুখমণ্ডল এক নিবিড় সংবেদনাৰ ছাঁত তীব্ৰ কলাত্মক বোধত ৰসঘন হৈ উঠে। অন্তৰ্মুখী দৃষ্টিৰে ভাবগত বা মনোগতবাদী অভীপ্সাক মুখৰ ভাঁজবোৰলৈ নমাই অনাটোৱেই যেন শিল্পীজনৰ উদ্দেশ্য। প্ৰকাশৰ গীতিধৰ্মিতা, ৰেখাৰ সাৱলীল প্ৰবাহ, ৰঙৰ স্বচ্ছ প্ৰলেপত তেওঁৰ সৃষ্টিয়ে প্ৰাণ পাই উঠে। শিল্পীগৰাকীৰ সৃষ্টিৰ সবাতোকৈ উল্লেখযোগ্য দিশটো হৈছে ঐতিহ্যমুখী চেতনাৰে উদ্বুদ্ধ ভাৰতীয় পৰম্পৰাগত শিল্পৰীতিৰ স'তে আধুনিক ধাৰণাৰ সংশ্লেষণৰ প্ৰয়াস। ঐতিহ্যমুখী কলা-চেতনাৰে উদ্বুদ্ধ হোৱাৰ বাবেই তেওঁৰ ছবিত ফুটি উঠে দ্বিমাত্ৰিকতাৰ লক্ষণ, সততে প্ৰ'ফাইলত অংকিত ফিগাৰ আৰু ফ্লেট চাৰফেচৰ প্ৰতি আগ্ৰহ। এই শিল্পীসকলৰ লগতে পুলক গগৈৰ কিউবিক সম্পৰীক্ষা, গৌৰী বৰ্মণৰ শিল্প এষণাও সত্তৰ দশকৰ উল্লেখযোগ্য সম্ভাৰ। সত্তৰ দশকত আত্মপ্ৰকাশ কৰি শিল্প পৰিমণ্ডলটিক সক্ৰিয়তাৰে নেতৃত্ব দি অহা এই শিল্পীকেইগৰাকীৰ বিশেষ ঐতিহাসিক মূল্য আছে। কাৰণ, তেওঁলোকেই ৰেণেছাঁধৰ্মী চিত্ৰায়ণ, বাস্তৱবাদী 'একাডেমিক ৰিয়েলিজম' অথবা ৰমণ্যাসধৰ্মী চিত্ৰময়তাৰ সীমাবদ্ধতাৰপৰা অসমৰ আধুনিক চিত্ৰক মুক্তি দিয়াৰ প্ৰয়াস কৰিছিল। মন কৰিবলগীয়া যে এই কেউগৰাকী শিল্পীয়েই অৱয়বধৰ্মিতাৰ পথিক।

দৰাচলতে অসমৰ আধুনিকতাবাদী সুঁতিটোৱেই অৱয়বধৰ্মী। কিন্তু বিমূৰ্তায়নেও (abstraction) অসমত পোখা নেমেলা নহয়। প্ৰাকৃতিক দৃশ্যৰূপৰ আমূল সৰলীকৰণ, কেতবোৰ জ্যামিতিক বিন্যাসেৰে শিল্পবস্তুৰ ৰূপ নিৰ্মাণ তথা কেতবোৰ স্বতঃস্ফূৰ্ত মুক্ত অভিব্যক্তিৰ ৰূপ সংৰচনাই হৈছে বিমূৰ্তায়নৰ বৈশিষ্ট্য। কান্দিনস্কি, অঁৰি মাতিছ, পীট ম'ন্ড্ৰিয়াঁ, মেলডিভিশ্বচ আদিৰ প্ৰভাৱযুক্ত এক সাৰগ্ৰহী শিল্পদৰ্শনেৰে পৰিস্ফুট হৈ অসমত পোনপ্ৰথমে বিমূৰ্ত কলাৰ বীজ ৰোপণ কৰা শিল্পী দুগৰাকী হৈছে প্ৰয়াত প্ৰসেনজিৎ দুৱৰা আৰু কন্দৰ্প শৰ্মা। দুয়োগৰাকীয়ে ফৰ্ম আৰু বৰ্ণৰ ভিন্নমাত্ৰিক সম্পৰীক্ষাৰে বিমূৰ্ত কলাৰ এষণাত নিমগ্ন হৈ অসমৰ আধুনিক কলাক এক বিশেষ মাত্ৰা প্ৰদান কৰে। সাম্প্ৰতিক কালৰ বিমূৰ্ত কলাৰ এই সম্পৰীক্ষাক সান্ত্বনা গোহাঁই, গণেশ গোহাঁই আৰু শিল্পী উৎপল বৰুৱাই এক নতুন মাত্ৰা প্ৰদান কৰিছে। সত্তৰ দশকৰ শেষৰফালে আন দুজন গুৰুত্বপূৰ্ণ শিল্পী ননী বৰপূজাৰী আৰু সমীৰণ বৰুৱাই আত্মপ্ৰকাশ কৰে। সমীৰণ বৰুৱাৰ ছবিৰ কাব্যিকতাই মাজে মাজে অধিবাস্তৱ স্বপ্ন-স্মৃতিৰ জগতখনলৈ গতি কৰে আৰু কেতিয়াবা প্ৰতীকবাদৰ পৃথিৱীলৈ। বেণু মিশ্ৰৰ দৰে ৰাজনৈতিক প্ৰত্যাবৃত্তি আনজন শিল্পী ননী বৰপূজাৰীৰ ছবিৰো বৈশিষ্ট্য। এই শিল্পীজনৰ সৃষ্টিত সঘনে ব্যৱহাৰ হোৱা দুটি ম'টিফ হৈছে ছোঁ (Scarecrow) আৰু চৰাই। ছোঁবোৰৰ প্ৰতীকী অভিব্যঞ্জনাই একো একোটা আৱেগিক অনুষংগ প্ৰকাশ কৰে। এচিং বা ধাতুপাত খোদাইতো তেওঁ বিশেষ পাৰদৰ্শিতা দেখুৱাইছে। ননী বৰপূজাৰীৰ প্ৰধান পৰিচয় হৈছে গ্ৰাফিক্‌চ্ছ শিল্পীৰূপে। গ্ৰাফিক্‌চ্ছ শিল্প আধুনিক শিল্পকলাৰ এক অতি গুৰুত্বপূৰ্ণ মাধ্যম। সম্প্ৰতি অসমত এই শিল্পধাৰা ক্ৰমশঃ যথেষ্ট শক্তিশালী হৈ উঠিছে। ননী বৰপূজাৰীৰ দৰে শিল্পীৰ লগতে আশীৰ দশকৰপৰা বিদ্যায়তনিক পৰ্যায়ত প্ৰভূত অৰিহণাৰে গ্ৰাফিক্‌চ্ছ কলাৰ বিকাশৰ বাবে এক সৃজনীমূলক পৰিৱেশ সৃষ্টিত অগ্ৰণী ভূমিকা লোৱা শিল্পী দুগৰাকী হৈছে অজিত শীল আৰু দিলীপ তামুলী। অজিত শীলে শিল্পকৰ্মত পৰম্পৰাগত অসমীয়া লোকশিল্প, সত্ৰৰ বৈষ্ণৱ কলাৰ উপাদানসমূহ আৰু পাশ্চাত্যৰ আধুনিক ভাববাদী চিন্তক তৰান্বিত কৰি প্ৰাচীন আৰু আধুনিক দুয়োটা কলাবীক্ষণক এক একীভূত অন্য ৰূপ দিয়াৰ প্ৰয়াস কৰিছে। দিলীপ তামুলীৰ ছবিয়ে জাৰ্মান অভিব্যক্তিবাদী চিত্ৰকলা, আফ্ৰিকীয় আদিম কলাৰ লগতে অসমৰ পৰম্পৰাগত লোককলাৰ ৰূপশৈলীলৈ মনত পেলায়। কালচেতনা, ঐতিহ্যবোধ, কাৰুণ্য, যন্ত্ৰণাপিষ্ট মানৱীয় অভিব্যক্তিক ধৰি ৰখা কেতবোৰ নৰ-নাৰী তেওঁৰ প্ৰধান ৰূপকল্প।

গ্ৰাফিক্‌চ্ছ শিল্পৰ দৰেই অসমৰ কলা পৰিমণ্ডলত ভাস্কৰ্যশিল্পৰো উন্মেষ চিত্ৰকলাৰ তুলনাত কিছু পলমকৈ ঘটিছিল। বহুমাত্ৰিক আৱেদন, স্পৰ্শগুণৰ (texture) দৰে কেতবোৰ বিশেষ গুণবিশিষ্টতা থাকিলেও বিষয়বস্তুৰ প্ৰসাৰ, বৰ্ণপ্ৰয়োগ তথা বৰ্ণচয়নৰ ক্ষেত্ৰত

দেখা দিয়া কেতবোৰ সীমাবদ্ধতাৰ বাবে কম সংখ্যক শিল্পী এই মাধ্যমৰ প্ৰতি আকৰ্ষিত হয়। অসমত সত্তৰ দশকৰ মাজভাগমানতহে কেইজনমান বিশিষ্ট ভাস্কৰৰ আত্মপ্ৰকাশ ঘটে। তেওঁলোকৰ ভিতৰত স্বৰ্গীয় প্ৰণবেন্দু বিকাশ ধৰ, পদুম গোহাঁই, অতুল বৰুৱা, জনক ঝংকাৰ নাৰ্জাৰী, চালেহা আহমেদ, সোণাৰাম নাথ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই শিল্পীসকলৰ কোনোজন খোদাইকাৰ, কোনো প্ৰতিমালেপকাৰ (models), নাইবা কোনোজন জ্বালাইকাৰ। মাটি, কাঠ, শিল, ব্ৰ'ঞ্জ, লোহা, এলুমিনিয়াম, বিলাতী মাটি, প্লাষ্টাৰ, ফাইবাৰ, গ্লাছ আদি আধুনিক ভাস্কৰ্যৰ সকলোবোৰ উপকৰণেই তেওঁলোকে ব্যৱহাৰ কৰে। সমসাময়িক ভাৰত তথা ইউৰোপৰ শিল্পজগতৰ ঘটনা-পৰিঘটনা, আন্দোলন, আলোড়ন, অৱধাৰণাসমূহ, নিত্য নতুন শিল্পধাৰণা আৰু পৰম্পৰাৰ বিৰুদ্ধে বিদ্ৰোহ, আবিষ্কাৰ, উন্মোচন আৰু ভঙা-গঢ়াৰ খেলা, ন ন প্ৰকৰণৰ প্ৰয়োগ আৰু প্ৰৱৰ্তনৰ দৰে পৰিৱৰ্তনবোৰৰ বিষয়ে অৱগত এইচাম শিল্পীয়ে ইউৰোপ-আমেৰিকাৰ শিল্পজগতৰ অভিজ্ঞতা ব্যক্তিগতভাৱে বুটলিছিল। সৰ্বোপৰি তেওঁলোক লোকশিল্পৰ কলা-কৌশলক আধুনিক কলাৰ কৌশল তথা সংজ্ঞাৰ স'তে সংশ্লেষণ কৰাত আগ্ৰহী হৈ পৰিছিল। এইচাম ভাস্কৰৰ অন্যতম চালেহা আহমেদ এক প্ৰতিভাশালী প্ৰতিমালেপকাৰ। টেৰাক'টা, কাঠ, প্লাষ্টাৰ, লো আৰু ব্ৰ'ঞ্জৰ বিভিন্ন মাধ্যমত তেওঁ ভাস্কৰ্যৰ সৃষ্টি কৰিছে। দৃশ্যবস্তুৰ আয়তন, ভাব-ভংগিমা, দৈহিক ভাঁজ, খলা-বমাবোৰৰ মাজেৰে ভাবগত অভিধাক ফুটাই তোলাত সিদ্ধহস্ত চালেহা আহমেদে শূন্য স্থান আৰু গতিকো বিশেষৰূপে ব্যৱহাৰ কৰিব পাৰিছে। বেলা দাসৰ কৰ্মতো পৰিলক্ষিত হয় প্ৰকৰণ কুশলতা আৰু নৈপুণ্য। অতুল বৰুৱাই ভাস্কৰ্যৰ বিষয়বস্তু আহৰণ কৰে দৈনন্দিন জীৱন আৰু তাৰ অভিজ্ঞতাৰ পৰা। সৌন্দৰ্য আৰু গভীৰতা বৃদ্ধিৰ বাবে তেওঁ কৰা বৰ্ণচয়ন তেওঁৰ বিশেষত্ব। উদাহৰণস্বৰূপে এলুমিনিয়াম আৰু ব্ৰ'ঞ্জেৰে নিৰ্মিত তেওঁৰ ভাস্কৰ্য 'SUN'* লৈ আঙুলিয়াব পাৰি? এনে ভাব হয়, যেন প্ৰকৃতি আৰু জীৱজগতৰ একাত্মতাক অনুধাৱন কৰাটোৱেই আছিল প্ৰয়াত ভাস্কৰ প্ৰণবেন্দু বিকাশ ধৰৰ শৈল্পিক সূত্ৰ, Operating Principle! প্ৰকৃতি আৰু জীৱজগতৰ একীভূত বিন্দুবোৰ উন্মোচন কৰি সেই সমন্বয়ক শিল্পৰূপ দিয়াত তেওঁ সততে আগ্ৰহী আছিল আৰু তাৰ মাজেৰেই তেওঁ কেতবোৰ মৌলিক, চিৰন্তন ভাবাৱেগ যেনে— মৃত্যুভয়-জিংঘাসা-যৌনতা-প্ৰেম-তৃষ্ণা-আনন্দ-বিষাদবোধবোৰক ধৰি ৰখাৰ প্ৰয়াস কৰিছিল। সূৰ্য হৈছে তেওঁলোকৰ লোকজ আৰু আধুনিক কলাৰ সংশ্লেষণাত্মক পৰীক্ষণ। শিল্পী পদুম গোহাঁই, সোণাৰাম নাথৰপৰা যোগেন শীল, জ্ঞানেন বৰকাকতি, কৃষ্ণ গোস্বামী আৰু তেওঁলোকৰ পৰৱৰ্তী এদল তৰুণ

শিল্পীলৈকে সাম্প্ৰতিক অসমৰ ভাস্কৰ্যশিল্প ক্ৰমশঃ এক শক্তিশালী ৰূপত সম্প্ৰসাৰিত হ'বলৈ ধৰিছে। ভাব হৈছে যেন চিত্ৰকলাৰ তুলনাত ভাস্কৰ্য তথা গ্ৰাফিক্‌ছ্ কলা অধিক ঋদ্ধ ৰূপত উন্মোচিত হৈছে। তৰুণ দলৰ শিল্পীসকলৰ মাজত ৰাতুল গগৈয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। সম্প্ৰতি বৰোদাত কৰ্মৰত গণেশ গোহাঁয়ে দেশৰ আগশাৰীৰ ভাস্কৰসকলৰ এজন ৰূপে স্বীকৃতি লাভ কৰিছে। বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰা গোহাঁইৰ ভাৰতীয় শিল্প পৰম্পৰাৰ ভেটিত গজি উঠা শৈল্পিক চৰ্চাই অতি সাম্প্ৰতিক শিল্পভাষাৰে অভিনিষিক্ত হৈ ক্ৰমশঃ এক নিজস্ব ইডিয়ম সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ফৰাচী ভাস্কৰ আৰু সমালোচক, অধ্যাপক জ্যাঁ ল্যুই ৰেইমণ্ডে এই শিল্পীৰ শিল্পকৰ্মৰ প্ৰকৃতি-স্বৰূপ-দৰ্শন আৰু ৰূপবিন্যাসত প্ৰত্যক্ষ কৰিছে—ভাৰতীয় কলা পৰম্পৰাৰ 'Monumental Memory' ৰ প্ৰচ্ছায়াত গঢ় লৈ উঠা এক আধুনিক বিনিৰ্মাণৰ সম্পৰীক্ষা।

আমি অসমৰ সামগ্ৰিক দৃশ্যপটক যদি এক কলা ইতিহাসগত সমীক্ষাৰে দৃষ্টিপাত কৰোঁ— অসমৰ আধুনিক কলাৰ ইতিহাসক তিনিটা বিশেষ স্তৰত ভগাব পাৰোঁ। ১) তৃতীয় দশকৰপৰা পঞ্চাশ দশকলৈ প্ৰথম স্তৰ, য'ত বাস্তৱবাদী; যথাৰ্থধৰ্মী চিত্ৰায়ণে প্ৰাধান্য পায়। এই স্তৰত পাশ্চাত্যধৰ্মী বাস্তৱতাবাদৰ লগতে ৰেণেছাঁধৰ্মী প্ৰকাশ ভংগিমা তথা ৰমণ্যাসবাদী মনস্কতা পৰিলক্ষিত হয়। ২) দ্বিতীয় স্তৰটি হৈছে পঞ্চাছৰ দশকৰপৰা সত্তৰ দশকৰ সময়ছোৱাৰ হেমন্ত মিশ্ৰ সৃষ্ট অধিবাস্তৱবাদী প্ৰতীকীবাদী এষণাৰে নিষিক্ত এক পৰিমণ্ডল, য'ত বাস্তৱধৰ্মিতাৰ স'তে আশু দেৱৰ 'পইণ্টিলিজম্' সদৃশ সম্পৰীক্ষাৰ সংশ্লেষণ দৃষ্টিগোচৰ হয়। ৩) তৃতীয় স্তৰটি হৈছে সত্তৰ দশক আৰু তাৰ পৰৱৰ্তী সময়ৰ পৰ্ব, য'ত বহুধাবিভক্ত ভিন্নমাত্ৰিক কলাবাগ্‌ধাৰাৰ প্ৰচলন পৰিলক্ষিত হয়। ইতিমধ্যেই আমি উল্লেখ কৰিছোঁ যে সত্তৰ দশকটি অসমৰ কলা ইতিহাসত বিশেষ গুৰুত্বপূৰ্ণ দশক। কাৰণ এই দশকটিতেই বহুকেইগৰাকী প্ৰতিভাশালী শিল্পীয়ে আত্মপ্ৰকাশ কৰাৰ লগতে কলাৰ বিদ্যায়তনিক দিশ, কলাৰ বিভিন্ন বাদ-মতবাদ, পৰিভাষা সম্পৰ্কে বিচাৰ-বিবেচনাৰ সূচনা কৰিছিল। ভাৰতৰ বিভিন্ন কলা প্ৰতিষ্ঠানত শিক্ষা লাভ কৰি অহা এইসকল শিল্পীয়ে কলা জগতলৈ শৈলীগত আৰু ভাবগত শিল্পৰীতিৰ নতুনত্ব কঢ়িয়াই আনিছিল। বিশ্ব তথা ভাৰত আৰু অসমৰ সমাজ জীৱনৰ উন্মোচন ঘটা বিভিন্ন ৰাজনৈতিক-সমাজতাত্ত্বিক-বৈজ্ঞানিক-সাহিত্যিক প্ৰসংগৰ স'তে সচেতনতা আৰু প্ৰজ্ঞাৰে তেওঁলোকে কলাৰ সম্পৰ্ক বিচাৰ কৰাৰ প্ৰয়াস কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে যদিও অসমৰ সাংস্কৃতিক পৰিমণ্ডল, সাহিত্যকেন্দ্ৰিক আছিল আৰু কলাৰ স্থিতি আছিল কিছু প্ৰান্তীয়, তথাপি সাহিত্যৰ বাগ্‌ধাৰাৰ জৰিয়তেই বহুতো দাৰ্শনিক-সামাজিক তত্ত্বকলাৰ মজিয়ালৈ প্ৰৱেশ কৰিছিল।

ফ্ৰয়েডীয় দৰ্শনেই হওক অথবা অস্তিত্ববাদী চিন্তা বা মাৰ্ক্সীয় মতবাদেই হওক, সাহিত্যত তাৰ প্ৰভাৱ বিস্তাৰৰ সমান্তৰালভাৱে বা কিছু পলমকৈ কলালৈয়ো তাৰ সম্প্ৰসাৰণ ঘটিছিল। মুঠতে, এই সময়ছোৱা কলাজগতৰ এক তেজস্বিতাৰ যুগ। সেই তেজস্বিতাৰ জোৱাৰত প্ৰাণ পাইছিল বিভিন্ন কলা অনুষ্ঠানে।

১৯৭১ চনত শিল্পী নীলপৱন বৰুৱাই সোণাৰাম নাথ, ৰাজেশ্বৰ শৰ্মাৰ সহযোগত প্ৰতিষ্ঠা কৰিছিল অসম চাৰু-কাৰু কলা পৰিষদৰ। ১৯৭৬ চনত বেণু মিশ্ৰৰ নেতৃত্বত 'গুৱাহাটী আৰ্টিষ্ট গীল্ড'ৰ জন্ম হয়। তপন বৰদলৈ, জ্ঞানেন্দ্ৰ বৰকাকতি, ধ্ৰুৱ ডেকা, শৰৎ বৰুৱা, আমিনুল হক, বীৰেন সিংহ, যোগেন্দ্ৰনাথ শীল, ৰমেশ ঘোষ, চম্পক বৰবৰা (নামসমূহ ক্ৰমানুসাৰে ৰখা হোৱা নাই) আদিৰ সহযোগত ক্ৰমশঃ ঠন ধৰি উঠা এই কলা অনুষ্ঠানে অসমৰ কলামণ্ডললৈ এক অভিনৱ গতিময়তা আৰু উদ্দীপনা কঢ়িয়াই আনে। (এই সময়ছোৱাত সক্ৰিয় জ্যেষ্ঠ শিল্পী কেইজনমানৰ বিষয়ে আমি ইতিমধ্যে আলোচনা কৰিছোঁ।) এই সকলো সংগঠনমূলক কৰ্মশক্তি-উদ্যম-উদ্দীপনাৰ এক বিশেষ বিন্দুস্বৰূপ এগৰাকী শিল্পীৰ কথা এইখিনিতে উল্লেখযোগ্য। তেওঁ হৈছে অকালতে মৃত্যুবৰণ কৰি অসমৰ কলাজগতত এক শূন্যতাৰ সৃষ্টি কৰা শিল্পী ৰাজেন হাজৰিকা (১৯৪৬-১৯৮৩)। ৰাজেন হাজৰিকাৰ ৰেখাৰ সাৱলীল গতি, বলিষ্ঠতা, সংৰচনাৰ ভাৰসাম্য, ৰঙৰ পৰিমিত ব্যঞ্জনা আৰু ভাববাদী ৰচনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। গুৱাহাটীস্থ এই কলা প্ৰতিষ্ঠানসমূহৰ লগতে উল্লেখযোগ্য অনুষ্ঠান হৈছে ১৯৭৬ চনতে প্ৰতিষ্ঠিত 'যোৰহাট চাৰু কলা পৰিষদ', নগাঁৱৰ প্ৰণৱ বৰুৱাৰ নেতৃত্বত প্ৰতিষ্ঠিত 'কল্লোল কলা গোষ্ঠী' ইত্যাদি। কলাৰ এই সম্প্ৰসাৰণ ক্ৰমশঃ বিস্তাৰিত হৈছিল ভিতৰুৱা অঞ্চল, পাৰ্বত্য জিলাৰ প্ৰান্ত অথবা অসমৰ সীমামুৰীয়া অঞ্চললৈয়ো। উদাহৰণস্বৰূপে, কাৰ্বি আংলঙৰ ডিফুত বীৰেন সিংহই জন্ম দিছিল 'ছেৰদিহুন কলা নিকেতন'। আজি কিছু বছৰৰ আগতে কোকৰাঝাৰতো প্ৰতিষ্ঠা হৈছে এখনি আৰ্ট কলেজৰ। সত্তৰ দশকত কলাৰ সাংগঠনিক-বিদ্যায়তনিক ক্ষেত্ৰত এনেবোৰ পদক্ষেপ নোলোৱা হ'লে কলাই বৰ্তমান সময়ত এই বিস্তাৰিত ৰূপ লাভ কৰাৰ অৱকাশ নেথাকিলেহেঁতেন। সত্তৰ দশক বা তাৰ পৰৱৰ্তীকালত স্বকীয় প্ৰতিভাৰ দীপ্তিৰে আত্মপ্ৰকাশ কৰি অসম তথা বাহিৰত কলা এষণাৰত হৈ অসমৰ কলাৰ পৰিধিলৈ এক ব্যাপকতা আৰু ভিন্নমাত্ৰিকতা কঢ়িয়াই অনা তৰুণ শিল্পীসকলে সম্প্ৰতি বিভিন্ন সম্পৰীক্ষাত নিমগ্ন হৈছে। অজিৎ শীল, দিলীপ তামুলী, ৰবিৰাম ব্ৰহ্ম, ভৃগুপতি হাজৰিকা, চম্পক বৰবৰা, মুনীন ভট্টাচাৰ্য, মধুসূদন দাস, গণেশ গোহাঁই, নিখিলেশ বৰুৱা, শ্যামকানু বৰঠাকুৰ, দেৱেন দেৱান, সান্ত্বনা গোহাঁই, জিতেন হাজৰিকা, মুনীন

ৰাজবংশী, উৎপল বৰুৱা, ৰাজকুমাৰ মজিন্দাৰ, মনোজ ৰয়, কিশোৰ কুমাৰ দাস, মনেশ্বৰ ব্ৰহ্ম, সীমান্তজ্যোতি বৰুৱা, প্ৰবীণ কুমাৰ নাথ, লুৎফা আখতাৰ, নীলিমা ঠাকুৰীয়া হক, খিলবাহাদুৰ ছেত্ৰী, গৌতম গোস্বামী, ৰাতুল গগৈ, দাদুল চলিহা, শোভাকৰ লস্কৰ, সঞ্চিতা গগৈ, দেৱানন্দ উলুপ, দেৱজিৎ শৰ্মা, ত্ৰিদিব দত্ত, শিৱপ্ৰসাদ মাৰাৰ, পৰীক্ষিত বৰুৱা, যোগেন বসুমতাৰী, সবিতা পেগু, চন্দন বেজবৰুৱা, দীপাংকৰ বণিয়া, নিভা দেৱী, মণিকা দেৱী, অদিতি চক্ৰৱৰ্তী, মিনাক্ষী বৰগোহাঁই, পৰাণবন্তি দেৱী, কলি কৌৰ, অনন্ত বৰা, মনোজ চক্ৰৱৰ্ত্তী, মৃগাংক মধুকৈল্য, প্ৰদীপ নাথ, লেইহাৰ-লেইহাৰ মুছাহাৰী ইত্যাদি। (নামবোৰ ক্ৰমানুসাৰে দিয়া হোৱা নাই)। সদ্য প্ৰয়াত নবীন শিল্পী ভূপেন বৰ্মনৰ মৃত্যু অসমৰ কলাজগতৰ বাবে এক অপূৰণীয় ক্ষতি। এইখিনিতে বিশেষভাৱে উল্লেখযোগ্য ব্যক্তি হৈছে ভাস্কৰ্য কলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মঞ্চত বিশেষ সুনাম অৰ্জা জ্যেষ্ঠ শিল্পী শ্ৰীজনক ঝংকাৰ নাৰ্জাৰী। এইসকল শিল্পীয়ে ভাবগত-শৈলীগত দিশত স্বকীয়তা ৰক্ষা কৰিও সমান্তৰালভাৱে বিশ্ব পৰিপ্ৰেক্ষিতত সম্পাদিত হোৱা বিভিন্ন সম্পৰীক্ষাক অসমৰ প্ৰেক্ষাপটত সংশ্লেষণ কৰি এক সচেতন বৌদ্ধিক মনস্কতাৰ পৰিচয় দিছে। দেখা গৈছে যে আশী-নব্বৈ দশকত আত্মপ্ৰকাশ কৰা প্ৰতিজন তৰুণ শিল্পীয়েই এক স্বকীয় ইডিয়মেৰে যুক্ত। সেয়েহে আশী আৰু নব্বৈ দশকৰ শিল্পকলাৰ আলোচনা কৰিবলৈ যাওঁতে প্ৰতিগৰাকীকে এক স্বকীয় ব্যক্তিসত্তাৰূপে (individually) পৰীক্ষা কৰিব লাগিব। এই প্ৰবন্ধত এনে এক পৰীক্ষামূলক সমীক্ষা কৰাটো যিহেতু সম্ভৱ নহ'ব, সেয়েহে আলোচনাৰ পৰিমাপ সীমিত ৰখাৰ স্বাৰ্থত আমি এনে ব্যক্তিগত পৰ্যালোচনাৰপৰা বিৰত থাকি, দশক দুটিত পৰিলক্ষিত হোৱা শৈল্পিক বৈশিষ্ট্য তথা কলাচেতনাৰ দিশ দুটিমানৰ মাজেৰে আধুনিক কলাৰ বিৱৰ্তনৰ স্বৰূপ অনুধাৱন কৰিবলৈ চেষ্টা কৰিম।

কলা-ইতিহাসৰ দৃষ্টিৰে আশী তথা নব্বৈৰ দশক দুটি হৈছে ভাৰতীয় আধুনিক কলাৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু ঘটনাবহুল কাল। আধুনিকতাতেই উত্তৰ-আধুনিক সম্পৰীক্ষাৰ গজালি মেলা এই সময়ছোৱাত বিভিন্ন অভিধাৰণা, ভাগগত-শৈলীগত আভাঁ গাৰ্ড চিন্তাধাৰাই শিল্পকলাজগতক অনন্য মাত্ৰা প্ৰদান কৰে। নব্য-অৱয়বধৰ্মী কথনধাৰা (Neofigurative narrative trend), আধুনিকতা তথা পৰম্পৰাৰ বিৰোধ-ঐক্য সম্পৰ্কীয় সংশ্লেষণাত্মক চিন্তা, ভাৰতীয় চেতনাৰ 'Indigenism' ধাৰণা, নিৰ্গঠনবাদী চিন্তা আদি অজস্ৰ চিন্তাৰ ধামখুমীয়াত উত্তাল এই সময়ছোৱাৰ ৰেঙনি অসমৰ কলাজগতখনলৈ সামান্য হ'লেও ছিটিকি পৰিছিল। এই ক্ষেত্ৰত বিদ্যায়তনিক শিক্ষা লাভ কৰা শিল্পীসকলৰ সৈতে স্বশিক্ষিতসকলেও নিজস্ব বোধচিন্তা আৰু অধ্যয়নেৰে অৰিহণা

যোগাবৰ বাবে আন্তৰিক প্ৰয়াস কৰা দেখা গৈছে। সৰ্বভাৰতীয় ইডিয়মেৰে কথনত পাৰদৰ্শী হৈ উঠা এচাম শিল্পীয়ে ৰাজনৈতিক প্ৰত্যাবৃত্তিৰো পৰিচয় দিছে। শিল্পভাষাৰ উৎক্ষিপ্তমূলক কৌশল (subversion) অথবা প্ৰত্যাবৃত্তিৰ ব্যঞ্জনাকো কেইজনমান শিল্পীয়ে প্ৰয়োগ কৰিবলৈ যত্নপৰ হোৱা পৰিলক্ষিত হৈছে। শৈলীগত ক্ষেত্ৰত নিত্য নতুন বিধি অপৰম্পৰাগত সামগ্ৰী ব্যৱহাৰ কৰাৰ যি এক প্ৰৱণতা সৰ্বভাৰতীয় প্ৰেক্ষাপটত পৰিস্ফুট হৈছে, তাৰ কিছু আভাস অসমৰ কলাজগততো পোৱা যায়। স্থানীয় বাঁহ-বেত ভাস্কৰ্যৰ মাধ্যমৰূপে ব্যৱহাৰ কৰি দুজনমানে স্থানীয় লোককলা অথবা সত্ৰীয়া মুখাশিল্পৰ মৃৎশিল্পৰ সৈতে সংশ্লেষিত কৰাৰ প্ৰচেষ্টা কৰিছে। অধিস্থাপন (installation) কলাৰ জৰিয়তে (পাশ্চাত্যত সত্তৰ দশকতে আৰম্ভ হ'লেও ভাৰত তথা অসমত ই প্ৰৱেশ কৰে আশীৰ দশকতহে) সামান্য পৰিমাণে হ'লেও ৰেডিমেড্ অৰ্থাৎ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ব্যৱহাৰ কৰাও আমি দেখা পাইছোঁ। কিন্তু 'পাৰফৰমেঞ্চ আৰ্ট'ৰ পয়োভৰ ঘটা ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ বিপৰীতে অসমত তেনে পৰীক্ষা বৰ বিশেষ দেখা নাযায়। অৱশ্যে নাট্যকলাৰ সৈতে অধিস্থাপনাৰ সংযোগ ঘটোৱাৰ দুই-এক প্ৰচেষ্টা সম্প্ৰতি চকুত নপৰা নহয়। অধিস্থাপন কলা আৰু পাৰফৰমেঞ্চ আৰ্টৰ কথা ক'বলৈ যাওঁতে শিল্পী দিলীপ তামুলীৰ অৰিহণাৰ কথা উল্লেখ কৰাটো সমীচীন হ'ব। কাৰণ, ১৯৯০ চনত প্ৰথম অধিস্থাপন কলা সৃষ্টি কৰি (মস্তিষ্কৰ কোণা) দৰাচলতে শিল্পীজনে ভাৰতীয় প্ৰেক্ষাপটতেই অসমক আগৰণুৱা হোৱাৰ সুযোগ প্ৰদান কৰে। ভাৰতীয় অধিস্থাপন কলাৰ অগ্ৰণী ভিভান সুন্দৰমৰ আৰম্ভণিও প্ৰায় সেই সময়ছোৱাই। ৰাজনৈতিক প্ৰত্যাবৃত্তিৰে নিষিক্ত এই কলাক পাৰফৰমেঞ্চ আৰ্টৰ স'তে সংযোগ কৰি ৰবিজিতা গগৈৰ স'তে গাঁথা (the first text) প্ৰদৰ্শন কৰি অসমৰ কলালৈ অন্য এক মাত্ৰা আনে। ৰাজকুমাৰ মজিন্দাৰ, কিশোৰ কুমাৰ দাস, মৃগাংক মধুকৈল্য আদিয়ে তেওঁৰ এই প্ৰচেষ্টাক সম্প্ৰতি অধিক আগুৱাই নিছে। উত্তৰ-আধুনিক কলাৰ অংগাংগী পৰিলক্ষণ স্বৰূপ এনে কলাৰ বিকাশে অসমৰ কলালৈ আন্তৰ্জাতিক চৰিত্ৰটোক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব। এই ক্ষেত্ৰত মৃগাংক মধুকৈল্যৰ গভীৰ প্ৰত্যাবৃত্তিযুক্ত ভিডিঅ' আৰ্টৰ সম্পৰীক্ষাবোৰ অসমৰ বাবে সুখবৰ। তেওঁৰ শৈলীয়ে অসমৰ কলাক এক নতুন মাত্ৰা দিছে।

অসমৰ ক্ষেত্ৰত আশী আৰু নব্বৈ দশকত সততে চকুত লগা পৰিলক্ষণ দুটামান হৈছে নব্য-অৱয়বধৰ্মী কথকতাৰে নিৰ্মিত কেতবোৰ আত্মপৰিচয়মূলক আৰু জাতিসত্তা সংলগ্ন বিষয়বস্তুৰ উপস্থাপন, ৰাজনৈতিক প্ৰত্যাবৃত্তিৰে সমাজ সংস্কৃতি বিষয়ক পাঠ নিৰ্মাণ তথা নাৰীবাদী চিন্তাসদৃশ এক নাৰীসত্তা সচেতনতাৰে কলাবয়ন। এইক্ষেত্ৰত মন

কৰিবলগীয়া যে 'ৰেডিকেল নাৰীবাদ' অৰ্থাৎ যি ধৰণত পশ্চিমত নাৰীবাদী শিল্পৰ অভ্যুত্থান ঘটিছে তেনে পৰিঘটনা অসমত নাই। বৰঞ্চ, শিল্পীসকলে (লুৎফা আখতাৰ, নিভা দেৱী, মণিকা দেৱী, অদিতি চক্ৰৱৰ্তী, পৰাণবন্তি দেৱী আদি) আত্ম-অভিজ্ঞতামূলক পাঠ বা textঅৰ প্ৰতীকবাদী ব্যঞ্জনাধৰ্মিতাৰে কেতবোৰ নাৰীসত্তাজনিত অনুভূতিকহে ফুটাই তুলিছে। লগতে অৱশ্যে দুগৰাকীমান শিল্পীয়ে (যেনে— সঞ্চিতা গগৈ, কিশোৰ দাস) অতি স্পষ্ট ভাষাত নাৰী-শোষণ আৰু অৱদমন সম্পৰ্কীয় শিল্পকৰ্ম সৃষ্টি কৰি এক প্ৰতিবাদী ৰূপ উপস্থাপন কৰিছে। জাতিসত্তা আৰু সচেতনতাৰ বাটকটীয়া শোভা ব্ৰহ্মৰ কৰ্মই পৰৱৰ্তীকালীন কেইজনমান তৰুণ শিল্পীক অনুপ্ৰেৰণা যোগোৱা দেখা যায়। তাৰে দুজনমানে (দেৱানন্দ উলুপ, শিৱপ্ৰসাদ মাবাৰ ইত্যাদি) জনজাতীয়/গোষ্ঠীগত উপাদান, পুৰাণকল্প 'মিথ'ৰে যদি জাতিসত্তাৰ সংকটক প্ৰকাশ কৰিছে, আন কাৰোবাৰ দৃষ্টিত (কৃষ্ণ গোস্বামী, খিলবাহাদুৰ ছেত্ৰী)য়ে ধৰা দিছে নষ্টালজিক কাব্যিকতাৰে। ৰাজনৈতিক প্ৰত্যাবৃত্তি অসমৰ আধুনিক কলাৰ এক বলিষ্ঠ বৈশিষ্ট্য। বহুতো তৰুণ শিল্পী (মুনীন্দ্ৰ ভট্টাচাৰ্য, ৰাজকুমাৰ মজিন্দাৰ, কিশোৰ দাস, সীমান্তজ্যোতি বৰুৱা, মনেশ্বৰ ব্ৰহ্ম, প্ৰবীণ নাথ আদি)ৰ কৰ্মত সেই এষণাই এক পৰিণত ৰূপত প্ৰতীয়মান হৈছে। এনে ধৰণৰ পৰিলক্ষণৰ লগতে পৰিবাহিত হৈছে 'ফটোৰিয়েলিজম' সদৃশ 'ইডিয়ম' (চম্পক বৰবৰা), জৰ্জ কিয়েটধৰ্মী নিভাঁজ লোকজীৱনৰ ছায়া (আমিনুল হক), আদিম কলা— শিশু কলাৰ ঐশ্বৰ্যৰ সন্ধান (লুৎফা আখতাৰ) অথবা সামগ্ৰিক এক অধিবাস্তৱবাদী/প্ৰতীকবাদী ধাৰাপ্ৰবাহ। এই সকলোবোৰ অসমৰ আধুনিক কলাৰ সুলক্ষণ তথা ধনাত্মক দিশ।

কিন্তু অসমৰ আধুনিক কলাৰ কিছু সীমাবদ্ধতাও নোহোৱা নহয় পাশ্চাত্য তথা প্ৰাচ্য কলাৰ এক শক্তিশালী ধাৰাই ব্যক্তিসত্তাৰ, নিবিড়, নিমগ্ন চৈতন্যত নিহিত থকা ৰহস্য, যৌনজ চেতনা তথা শৰীৰৰ সংলগ্ন ছাঁ-পোহৰক অতি ব্যঞ্জনাধৰ্মী ভাষাৰে প্ৰকাশ কৰে। অসমৰ এজন শিল্পীৰ (মুনীন ভট্টাচাৰ্য) বাহিৰে আন কাৰো শিল্পচেতনাত আমি সেই অনুৰণন দেখা নাপাওঁ। যদিও মুনীন ভট্টাচাৰ্য ৰাজনৈতিক প্ৰত্যাবৃত্তিসম্পন্ন শিল্পীৰূপে অধিক পৰিচিত, তেওঁৰ এই দিশটো বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ এই দিশটোৰ বিষয়ে বিশেষ মনোযোগ আকৰ্ষণ বৰ্তমানলৈকে কোনেও কৰা নাই বাবেই আমি এই বিষয়ে উল্লেখ কৰিলোঁ। কাৰণ তেওঁৰ 'Gandhiji's follower', 'In the operation theatre' আদিৰ দৰে ৰাজনৈতিক বোধসম্পন্ন কলাৰ কথা উল্লেখ কৰা হয় যদিও Hunger চিৰিজত প্ৰকাশিত যৌনচেতনাৰ ব্যঞ্জনা আৰু দমকল, অমিতা গছ, মেকুৰী আদি বিভিন্ন ম'টিফেৰে উন্মোচিত হোৱা যৌনজ অন্বেষণো যে অসমৰ আধুনিক কলাৰ

এক প্ৰয়োজনীয় প্ৰসঙ্গ, তাক কোনেও অদ্যাপি প্ৰকাশ কৰা নাই। অৱশ্যে শিৱপ্ৰসাদ মাবাৰৰ ভাস্কৰ্য দুটিমান আৰু জ্যোতি কলিতাৰ ছবিত যৌনতাৰ উন্মেষ ঘটিবলৈ ধৰিছে। উল্লেখযোগ্য যে মানৱ অৱচেতনৰ গভীৰত, সাগৰতলিৰ ৰহস্যৰ দৰে নিমজ্জিত যৌনচেতনা বা নান্দনিকতাৰ আচ্ছাদনত প্ৰকাশ পোৱা এইবোৰ চিৰন্তন মানৱীয় সংবেদনা মানৱজীৱনৰ পৰম সম্পদ। তেন্তে কিয় তৰুণ শিল্পীদল তাৰ প্ৰতি স্বতঃস্ফূৰ্তভাৱে আকৰ্ষিত হোৱা নাই? কবিতাৰ ক্ষেত্ৰত কিন্তু তেওঁলোকৰ সহশিল্পীসকলে যথেষ্ট আৱেগঘন পৰীক্ষা চলোৱা আমাৰ দৃষ্টিভূত হয়। নে আমাৰ কলাশিল্পীসকলে সামাজিক ‘taboo’-ক অতিক্ৰমণ কৰিবলৈ এতিয়াও সংকোচবোধ কৰে? তাকে কৰিবলৈ যাওঁতে আমি সাম্প্ৰতিক পাশ্চাত্যৰ কিছু শিল্পীৰ কৰ্মত ফুটি উঠা সেই চৰম শৰীৰধৰ্মী পৰ্ণ'গ্ৰাফিক কলা সৃষ্টিৰ কথা কোৱা নাই। আমাৰ গুৰুত্ব কাব্যিক ব্যঞ্জনা আৰু সুষমাতহে। সৰ্বোপৰি সাম্প্ৰতিক কালৰ এজন আধুনিক শিল্পীৰ যি দ্বন্দ্ব-বিৰোধযুক্ত চেতনা (উদাহৰণস্বৰূপে ইতিহাস-পৰম্পৰাজনিত মানসিক চাপ, আধুনিকতাৰ আকৰ্ষণ অথবা সংকোচ-আশংকা, eclecticism-ৰ দ্বাৰা ভাষা নিৰ্মাণৰ আগ্ৰহ অথচ তাৰ ভৰত আত্মপৰিচয় হেৰুৱাৰ ভয় আৰু কেতিয়াবা subalternist অৱস্থানৰ (প্ৰান্তাৱস্থা স্থিতি আৰু তাৰ ফলস্বৰূপত গঢ় লোৱা জীৱনৰ বৰ্ণসংকৰ ৰূপ) এই আধুনিক/উত্তৰ-আধুনিক সমস্যাৰ নিবিড় অনুভৱৰ তীক্ষ্ণ অনুৰণন, তেওঁলোকে যেন তাক পৰিস্ফুট কৰাত কিছু আড়ষ্ট হৈ আছে। ভাবগত দিশৰ লগতে শৈলীগত অথবা কাৰিকৰী দিশত অসমে ৰাষ্ট্ৰীয় পৰ্যায় (আন্তঃৰাষ্ট্ৰীয়তো) ফেৰ মাৰিব পাৰে। গণেশ গোহাঁই, অসীম পুৰকায়স্থ, নিখিলেশ্বৰ বৰুৱা, কিশোৰ দাস আদি শিল্পীয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰি সেই প্ৰত্যয়েই কঢ়িয়াই আনিছে। অগ্ৰজ শিল্পী কৰ্ণেল জিতেন হাজৰিকাৰপৰা নবীন শিল্পী সান্ত্বনা গোহাঁই, প্ৰশান্ত কলিতা, প্ৰাণদ্বীপ কলিতা, ৰশ্মি নাথ আদি অজস্ৰ শিল্পীয়ে অসমৰ বাহিৰত কলাচৰ্চাত নিমজ্জিত হৈ আছে। কেৱল এতিয়া প্ৰয়োজন হৈছে ভাবগত অভিধাৰণামূলক দিশত আৰু অধিক পাৰদৰ্শী হোৱাৰ। প্ৰয়োজন— বৌদ্ধিক চিন্তা আৰু শিল্পচেতনাত উত্তীৰ্ণ একোটা বাগ্‌ধাৰা সৃষ্টি কৰাৰ, যি স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠিত হ'ব। কলকাতাৰ শিল্পচেতনাই গঢ় দিয়া ৰমণ্যাসিক কাব্যিকতা, মুম্বাইৰ ফৰ্মেলিজমযুক্ত আধুনিকতা, চেন্নাইৰ (Madras Metaphor) নামে প্ৰখ্যাত ভাস্কৰ্যকলাৰ সম্পৰীক্ষা অথবা সাম্প্ৰতিক বাঙ্গালুৰুৰ শিল্প-চৰ্চাত ফুটি উঠা পৌৰ বাস্তৱৰ urbanscape-ৰ শিল্পভাষা যি ধৰণৰ এক অঞ্চলভিত্তিক স্বকীয় বাগধাৰা। অসমৰ নবীনচাম শিল্পীয়ে সেই দিশেৰে আগবাঢ়িব বুলি আমাৰ বিশ্বাস।

সাম্প্ৰতিক বিশ্বৰ জটিল প্ৰেক্ষাপট, বিভিন্ন ৰাজনৈতিক-সমাজতাত্ত্বিক দ্বন্দ্ব-সমস্যাৰ

ধামখুমীয়াত শিল্পীসকলৰ জনচেতনাত সম্প্ৰতি ফুটি উঠিছে দ্বিধা দ্বন্দ্ব-বিৰোধৰ এক বিক্ষিপ্ত আৱেশ। পৰিৱেশ-পৰিস্থিতিৰ ভিন্নতা সত্ত্বেও চেতনাৰ সেইদ্বন্দ্বাত্মক আৱেগ যেন অসমৰ ক্ষেত্ৰতো একেই। সমাজ-জীৱনৰ এই সত্যবোৰৰ অতিক্ৰমণ-সংশ্লেষণৰ বাটত, সেই অভিজ্ঞতাবোধ-চেতনাক এক নান্দনিকতাৰ বয়নেৰে নিষিক্ত কৰাটোৱেই হৈছে প্ৰধান প্ৰত্যাহ্বান— তেওঁ লাগিলে পাশ্চাত্যৰ শিল্পীয়েই হওক— অথবা অসমৰ। আলোচনাৰ সামৰণিৰ আগেয়ে এতিয়া বিচাৰ কৰি চাবলগীয়া প্ৰশ্ন হ'ল— বৰ্তমান সময়লৈকে অসমত শিল্পকলা আন্দোলনটিয়ে কোনো এক বিশেষ স্কুলৰ জন্ম দিয়াত ব্যৰ্থ হ'ল কিয়? সৰ্বভাৰতীয় পৰ্যায়ত পূৰ্ণ প্ৰতিষ্ঠিত শিল্পীৰ জন্ম দিয়াতো এতিয়ালৈকে অসম ব্যৰ্থ হোৱাৰ কাৰণ কি? আধুনিকতাৰ ৰেঙনিৰপৰা অসমীয়া শিল্পকলাই প্ৰকৃততে কিছু পৰিণত অৱস্থা পাইছিল সত্তৰ দশকমানতহে। সত্তৰৰপৰা নব্বৈ দশক এই দুটি মাত্ৰ দশকেই সামাজিক ক্ষেত্ৰ এখন সতকাই নিৰ্মাণ কৰিব নোৱাৰে। অনুকূল পৰিৱেশ বোলা কথাটো আচলতে সামগ্ৰিক কিবা এটাৰ বাবে অতিকে প্ৰয়োজনীয় কথা। আজি মাত্ৰ কিছুদিনৰ আগলৈকে ৰাজ্যিক আৰ্ট গেলাৰী এটা দুঃস্থ অৱস্থাত থকা এনে এখন নৈৰাজ্য, দুৰ্দশাগ্ৰস্ততা আৰু মানসিক জড়তাৰে আচ্ছন্ন ৰাজ্যত— ৰসিক পাঠক-দৰ্শকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। নৱকান্ত বৰুৱা, নীলমণি ফুকন, বীৰেন্দ্ৰনাথ দত্ত, নৰেন কলিতাৰ দৰে মাত্ৰ কেইজনমান ৰসজ্ঞ কবি-পণ্ডিতৰ আলোচনা-সমালোচনাই এদল মনোজ্ঞ ৰসাস্বাদনকাৰী জ্ঞানী দৰ্শক সৃষ্টিৰ বাবে যথেষ্ট নহয়। শিল্প আন্দোলনৰ বাবে প্ৰয়োজন অনুকূল পৰিৱেশৰ। এজন পূৰ্বসূৰীৰ শিল্পকৰ্মৰ তীক্ষ্ণ, সুতীব্ৰ পৰ্যবেক্ষণ ক্ষমতা, প্ৰকৰণ-কুশলতা, তৎকালীন বিশ্বজনীন কলা সম্পৰ্কীয় জিজ্ঞাসাৰ লগতে অপৰা সৃজনীশীলতাৰ সমন্বিত প্ৰয়াস নোহোৱাৰ বাবেই হয়তো অসমৰ শিল্পচৰ্চাৰ গতিটো ইমান ধীৰ, লেহেমীয়া হ'ল। শান্তি নিকেতনৰ লগতে বৰোদা, কলিকতা, বম্বে আদি ভাৰতৰ বিভিন্ন কলাক্ষেত্ৰসমূহে আধুনিক কলাৰ 'idiosyncrasies' আয়ত্ত কৰি ভাৰতৰ বিভিন্ন অংশক সমভাৱে সাঙুৰি এচাম শিকাৰু আৰু কলাৰসিক গঢ় দিয়াত অগ্ৰণী ভূমিকা লৈছিল। কেৱল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক দূৰত্বৰ বাবেই হওক বা প্ৰয়োজনীয় অৰ্থনৈতিক পৰিকাঠামো আৰু কলাৰ বজাৰ এখনৰ অভাৱ, তথা অন্যান্য কাৰিকৰী প্ৰায়োগিক সমস্যাৰ বাবেই হওক, এই শিল্প-চেতনা আৰু শিল্প-শিক্ষাৰ বিকাশৰপৰা অসম বঞ্চিত হৈ ৰ'ল। ব্ৰিটিছ শাসনৰ কালছোৱাত ভাৰতৰ মেট্ৰ'পলিটান চহৰকেইখন— দিল্লী, মুম্বাই, কলিকতা আৰু মাদ্ৰাজত অকাডেমিক শিক্ষাগত আৰ্ট স্কুলৰ স্থাপন হৈছিল। যাৰ ফলত সেই অঞ্চলবোৰৰ স্বকীয় বিশিষ্টতাৰ সৈতে যুক্ত হোৱা কলাৰ বিদ্যায়তনিক চিন্তাই এলানি গভীৰ নিষ্ঠাৱান শিল্পীক সেই ঊনবিংশ শতিকাৰ মাজভাগতেই গঢ় দিছিল। গতিকে প্ৰথম অৱস্থাৰপৰাই

অসম আছিল সকলো শিল্প চেতনা আৰু পৰীক্ষাৰপৰা নিলগত। সৰ্বোপৰি অসমৰ সাংস্কৃতিক জগতখন আছিল মূলতঃ নৃত্য-সংগীতকেন্দ্ৰিক। নান্দনিক ৰসাস্বাদনত কেৱল সাহিত্যকেন্দ্ৰিক মনোভাবে গঢ় লৈ উঠাত অসমীয়া মনস্তত্ত্বই তথাকথিত দুৰূহ আধুনিক চিত্ৰভাষা আয়ত্ত কৰিবলৈ এতিয়াও সক্ষম নহয়।

সৰ্বভাৰতীয় পৰ্যায়ত যথোযোগ্যতাৰে প্ৰতিষ্ঠিত হ'ব নোৱৰা কাৰণবোৰৰ উল্লিখিত প্ৰসঙ্গত নিহিত থাকিলেও এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব। বোধশক্তি আৰু অংকন দক্ষতা বা প্ৰকৰণ কৌশল থাকিলেও বহুক্ষেত্ৰত উপযুক্ত 'exposure' বা যথাযথ প্ৰচাৰৰ অভাৱতো বহুতো শিল্পী প্ৰতিষ্ঠিত হ'ব নোৱাৰে। বিভিন্ন আন্তৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় চিত্ৰ প্ৰদৰ্শনীত অংশগ্ৰহণৰ বাবে নিৰ্দিষ্ট কৰা বিচাৰকমণ্ডলী বহুতো দলীয় বা আঞ্চলিক ৰাজনীতি, স্বজনপ্ৰিয়তা, লবিজিমৰ আৰোপত আক্ৰান্ত। দেশৰ কেতবোৰ বিশেষ 'artistic circle'-ৰ সদস্যই একাধিকবাৰ বহুতো কলা প্ৰেক্ষাপটত দপ্‌দপাই ফুৰা দেখা যায়। অলপতে Art India-ৰ সম্পাদক ৰঞ্জিত হচকেইটেই এটি প্ৰবন্ধত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰদৰ্শনীত প্ৰতিনিধিত্বৰ বাবে বাৰে বাৰে নলিনী, মালিনী, ৰেখা বদোক্তিয়াৰ দৰে কেইজনমান বিশেষ শিল্পীকে নিৰ্বাচন কৰাৰ বিষয়ে ক্ষুৰধাৰ ভাষাত প্ৰশ্ন তুলিছে। সেইদৰে ললিত কলা পুৰস্কাৰসমূহ বাছনিৰ সময়তো অনেক আৰোপ-অভিযোগৰ সন্মুখীন হোৱা দেখা যায়। এইখিনিতে উল্লেখযোগ্য যে 'কেলকেটা প্ৰগ্ৰেছিভ' দলৰ এজন গুৰুত্বপূৰ্ণ সদস্য-অসমৰ বৰেণ্য শিল্পী হেমন্ত মিশ্ৰৰ বিষয়ে যিমানখিনি আলোচনা হোৱাটো প্ৰয়োজন আছিল সিমানখিনি আজিলৈকে সৰ্বভাৰতীয় পৰ্যায়ৰ কোনো লেখাত দৃষ্টিগোচৰ হোৱা নাই। অথচ বঙ্গৰ বহুকেইগৰাকী সমালোচকে শিল্পীজনাই প্ৰকৃত স্বীকৃতি আজিও নেপালে বুলি আক্ষেপ প্ৰকাশ কৰিছে। অৱশ্যে জনক ঝংকাৰ নাৰ্জাৰীৰ দৰে প্ৰবীণ ভাস্কৰে বৰ্তমানে সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিছে।

তথাপিও প্ৰকৃত নিষ্ঠা, প্ৰতিভা আৰু ঐকান্তিকতা থাকিলে কোনো শিল্পীসত্তাকে হেঁচা মাৰি থৈ দিয়াটো সম্ভৱ নহয়। প্ৰকৃত কলা পুৰস্কাৰৰ মানদণ্ডৰে নিৰূপিত নহয়। এই কথাকেই মনত ৰাখি একান্তভাৱে শিল্পচৰ্চাত আত্মনিৱেশ কৰাৰ বাহিৰে অসমৰ চিত্ৰশিল্পীৰ গত্যন্তৰ নাই। এইখিনি কৰিবলৈ গাঁৱতে তেওঁলোকে জে. স্বামীনাথনৰ আদৰ্শৰ কথা মনত ৰখা ভাল হ'ব। কাৰণ অসম লোককলা, লোকশিল্পৰ অপাৰ সম্ভাৰেৰে ঐশ্বৰ্যমণ্ডিত। সেই কলাক আধুনিকতাৰে ৰূপান্তৰিত কৰি বিশ্বজনীন ৰূপ দিয়াৰ দায়িত্ব নতুন শিল্পীসকলৰেই।

আমি ইতিমধ্যেই আৰম্ভণিতে Indigenismৰ কথা উল্লেখ কৰিছিলোঁ। স্থানীয় লোকজ পৰম্পৰা বা ভাৰতীয়ত্বৰ ধাৰণাৰে পৰিচালিত বৰোদাৰ 'figurative Nar-

rative' ধাৰাটি এইক্ষেত্ৰত উল্লেখযোগ্য। তাৰ সৃষ্টি প্ৰেৰণা অসমলৈয়ো বিয়পি পৰিছিল। উল্লেখযোগ্য যে এইক্ষেত্ৰত প্ৰকাশ ভংগিমাৰ ভিন্নতা থাকিব পাৰে। Baroda-figurative-narrative ধাৰাৰপৰা আঁতৰি নিজস্ব ধৰণেৰে ভাস্কৰ্য ধাৰাৰ অভিনিৰ্মাণ কৰা গণেশ গোহাঁইৰ শিল্পকৰ্ম তেনে এক উদাহৰণ। আপাতঃ দৃষ্টিত সমকালীন 'অভিধাৰণামূলক কলা'ৰ (Conceptual art) মিনিমেল কল্পৰূপৰ সুন্দৰ নিৰ্মাতা গণেশ গোহাঁইৰ ভাস্কৰ্য কিছুমানৰ অন্তৰালত ভাৰতীয় আধ্যাত্মবাদৰ (ব্ৰহ্মাণ্ডৰ ধাৰণাৰ পৰা কামাখ্যাৰ যোনিত দেশৰ প্ৰতীকী ব্যঞ্জনাৰ মিনিমেল বিমূৰ্তায়ন যি শিল্পকৰ্মৰ প্ৰেৰণা উৎস) বেশ লগা এনে ৰূপগত শৈলীগত Indegenismৰ ৰূপ এক আদৰ্শধাৰা হ'ব পাৰে। আমি জনামতে অসমৰ দুজনমান চিত্ৰশিল্পীয়ে পৰম্পৰাগত পুথিচিত্ৰৰ আধাৰতো নতুন সমাজ বাস্তৱতাৰ বতৰা দিবৰ সম্পৰীক্ষা চলোৱাৰ প্ৰয়াস কৰিছে। এই বিষয়ে আমাৰ সতে তেওঁবিলাকৰ আলোচনা-চৰ্চা-মনন আদিও হৈছে আৰু আমি এই প্ৰসঙ্গত তেওঁলোকক পাকিস্তানৰ এচাম আধুনিক শিল্পীয়ে পৰম্পৰাগত পুথিচিত্ৰ, 'মোগল মিনিয়েচাৰ' ধাৰা আদিৰ শৈলীৰে নতুন বিষয়বস্তুক উত্থাপন কৰাৰ প্ৰয়াসক আৰ্হি ৰূপে চোৱাৰ উপদেশ দিছিলোঁ। অৱশ্যে এতিয়ালৈকে তেনে শিল্পকৰ্মৰ ৰাজহুৱা প্ৰদৰ্শনী অনুষ্ঠিত নোহোৱা বাবে গৱেষণামূলক পদ্ধতিৰ নীতিগত কাৰণতে নাম উল্লেখ কৰিব পৰা নগ'ল বা সবিশেষ সমালোচনাৰ অৱকাশ নাথাকিল। আমি আশাবাদী তেওঁলোকে এই সম্পৰীক্ষাক আগুৱাই নিব। বৰ্তমানৰ চাইবাৰ সংস্কৃতি আৰু সাংস্কৃতিক বিশ্বায়নৰ যুগত কলাৰ প্ৰসাৰৰ ন ন বাট মুকলি হৈছে। আৰু সমগ্ৰ বিশ্বখনেই কলা প্ৰদৰ্শনীৰ স্থল হৈ পৰাৰ অৱকাশ আহিছে। আমি প্ৰত্যয়ৰে আশাবাদী যে আমাৰ শিল্পীসকলে সেই নতুন বাটবোৰতো ভৰি দি চাব। বৰলুইতেদি গৈ বিশ্বৰ বহল ক্ষেত্ৰত উপনীত হোৱাৰ যি সৃষ্টি প্ৰেৰণাৰ মূলমন্ত্ৰ জ্যোতিপ্ৰসাদে দি গৈছিল, তাকে সাৰোগত কৰি সমকালীন শিল্পীয়ে বাট বোলক এয়ে আমাৰ কাম্য। ▸▸

**মৌচুমী কন্দলী** ঃ গল্পকাৰ আৰু কলা সমালোচক। তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপিকা।

"...জি সময়ত অসম হাবি গুচি, ফুল বাৰি হব, নৈত ডোঙ্গা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি, সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পৰ্হা সালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলই হব, আৰু জি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি আটাইয়ে আটাইক ভাত্ৰিবত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নি দি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইয়ো কাৰো অন্যাই ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত লোকে ভু নো পোআ হব, সেই সমই, হে পৰম পিতা জগদিস্বৰ, সিঘ্ৰে ঘটোআ।"

আনন্দৰাম ঢেকিয়াল ফুকন

978-93-84679-69-9